


# সূত্ৰধাৰ

চতুৰ্থ বছৰ, উনবিংশ সংখ্যা
১–১৫ নৱেম্বৰ, ১৯৯২
VOL IV No. 19
1-15 November, 1992

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ
বিশ্বৰ শ্ৰেষ্ঠতম চিত্ৰশালা ল্যুভ ▫ প্ৰীতি কাকতী ▫ ১০

বিশেষ নিবন্ধ
দেৱালী–দীপান্বিতা ▫ ডাঃ মুক্তিপ্ৰসাদ গগৈ ▫ ১৪

বুৰঞ্জী
অসমত বুৰঞ্জী চৰ্চাৰ পৰম্পৰা ▫ ডম্বৰুধৰ নাথ ▫ ১৬

স্মৃতিচাৰণ
অসমত কুৰিতা বছৰ ▫ নিৰ্মলা খৰ্কৱাল ▫ ১৯

সাহিত্য
মানুহ আৰু বিপ্লৱৰ কবি ধীৰেণ দত্ত ▫ হৰেন্দ্ৰ কুমাৰ দত্ত ▫ ২৫

দৃষ্টিকোণ
অসমক 'লেবাননকৰণৰ' দৰ্শন আৰু পৰিণতি ▫ হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য ▫ ২৯

প্ৰতিবেশী সাহিত্য
আশাপূৰ্ণা দেৱী ঃ ত্ৰয়ী ▫ ভাৰতী চক্ৰৱৰ্তী ▫ ৩৩

গল্প
জাত ▫ গোৱিন্দ প্ৰসাদ শৰ্মা ▫ ৩৭

দৃষ্টিপাত
'মা, তুমিও চুপ্ৰীম কোৰ্ট পাইছিলাগৈ ?' ▫ ৰসানন্দ অভাজন ▫ ৪১

শিল্প-সংস্কৃতি
পুলক বেনাৰ্জী আৰু তেওঁৰ জীৱন ▫ স্বপ্না বেজবৰুৱা ▫ ৪৩

লীলা-খেলা ▫ ডাঃ মুক্তিপ্ৰসাদ গগৈ ▫ ৪৫

ব্যক্তি ঘটনা আৰু … …
অপৰাজিত ▫ মনোৰমা বৰুৱা ▫ ৪৭

প্ৰতিবেদন
উজনি অসমত কেইদিনমান ▫
দেৱব্ৰত বৰগোহাঞি ▫ ৫৪

শিল্প-সংস্কৃতি
মানিক বাবু সত্যজিৎ ৰায় ▫ আবু নাছাৰ চাঈদ আহমদ ▫ ৫৭

টোকা
আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন ▫ ডাঃ ৰণেন পাঠক ▫ ২১

মতামত
শিক্ষা সংসদ ছাত্ৰ সন্থা ঃ বিশ্ববিদ্যালয় – দুৰাচাৰ ▫ হৰিচৰণ দাস ▫ ৬০

চিঠি ▫ ৫
সম্পাদকীয় ▫ ৯
ধাৰাবাহিক উপন্যাস ▫ ৪৯
মিত-ভাষ ▫ ৫৯
কাগজ/কলম ▫ ৬২

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ

**Delhi Office :**
PURAVI PRAKASHON Pvt. Ltd.,
1/26 A LALITA PARK, LAXMINAGAR
Vikas Marg New Delhi-110092
Telephone : 225767


পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী –১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮, ৪৬৫৯৮

"প্ৰতিজন মানুহৰেই প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ পৃথিৱীৰ সম্পদ যথেষ্ট, কিন্তু সেয়া লোভ পৰিতৃপ্ত কৰিবৰ বাবে নহয়।"

গান্ধীজী

মহাত্মাৰ এই বাণী আজি আমি মনত পেলাওঁহক আৰু আমাৰ প্ৰয়োজনীয়তাক সৰল-সহজ ভাবে মিতাবলৈ সংকল্প গ্ৰহণ কৰো আহক। পৰিবেশে আমাৰ আৱশ্যকতাহে মিতাব লাগে, আমাৰ লোভ নহয়।

पर्यावरण बचे, तो प्राण बचें



লোক সেৱা সঞ্চাৰ পৰিষদ SHAD

davp 92/294

# চিঠি

## অসমীয়া সংস্কৃতি আৰু মহাপুৰুষ শ্ৰীশংকৰদেৱ

যোৱা ১-১৫ চেপ্তেম্বৰ সংখ্যাৰ "সূত্ৰধাৰ"ৰ "সম্পাদকৰ টোকাবহী"ত উত্থাপিত অসমীয়া সংস্কৃতি আৰু শংকৰদেৱৰ ভূমিকাৰ বিষয়টোৰ সন্দৰ্ভত লেখিছো। "অসমীয়া সংস্কৃতিৰ প্ৰাণপুৰুষ হ'ল মহাপুৰুষ শ্ৰীশংকৰদেৱ"–এই শিথিল কথাষাৰ অৱশ্যেই বৰ্জনীয়। অসমীয়া সংস্কৃতি যদি মধ্যযুগত সূচনা হৈ বুৰঞ্জীৰ বুকুৰে বৈ আহি আধুনিক যুগত উপস্থিত হোৱা এটি জীৱন্ত প্ৰবাহ হয়, তেনেহলে বিবৰ্তনৰ অনুকূলে যুগে যুগে বা পৰ্বই পৰ্বই সেই জীৱন্ত সংস্কৃতিৰ এক বা অনেক প্ৰাণপুৰুষ নিশ্চয় ওলাইছে।

আধুনিক অসমীয়া জাতি যদি ক্ৰমে গঢ় লৈ থকাটো সঁচা, তেনেতে মূলতঃ ঐহিক হবলৈ বাধ্য সেই আধুনিক জাতিসত্তাৰ বিবেকে শংকৰদেৱৰ উচিত ঐতিহাসিক স্থান যথাবিহিত দূৰত্বত নিৰ্ণয় কৰিব লাগিবই। আমাৰ হেঁপাহৰ অসমীয়া পৰিচয়টোৰ; আনকথাত অসমীয়া জাতিৰ ধাৰণাটোৰ সূচনা হয় শংকৰৰ জীৱনকালৰ পৰা সুদীৰ্ঘ সময়ৰ বিৰতিত। আধুনিক জাতীয়তাৰ লগত জড়িত, সাধাৰণভাবে বিজ্ঞান আৰু প্ৰযুক্তিৰ অনুকূল, নতুন অসমীয়া জীৱন প্ৰয়াস ঐহিক যে সি নিশ্চিত। যদিও এই সচেতন ঐহিকতা স্বাভাৱিক কাৰণতে মুঠেও আত্মা-বিবৰ্জিত নহয়, তথাপিও ঐহিক আধুনিকতাৰ মৰ্ম বা আত্মা মহাপুৰুষীয়া ভক্তিৰ পৰা গুৰুত্ব পূৰ্ণ দিশত পৃথক হ'বলৈ বাধ্য। মৌলিক পাৰ্থক্য থোৰতে এয়ে যে অসমীয়া ঐহিক আধুনিকতাৰ আত্মাই মহাপুৰুষীয়া আধ্যাত্মিকতাৰ ভক্তিৰ দৰে এক অন্তিম-মনোগতবাদী (final-subjective) ৰূপ পৰিগ্ৰহ কৰিব নোৱাৰে বা নোখোজেই।

যিসকল যথাৰ্থ আধুনিক অসমীয়া সংস্কৃতিবানৰ অন্তৰত ঐহিক জীৱন-আকৃতি বাজি উঠিছে, সি সকলেও অৱশ্যে আন্তৰিক সমীক্ষা অথবা সিংহাৱলোকন যোগে, আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিহীন পশ্চাদভূমিৰ (অৰ্থাৎ ষোড়শ শতিকাৰ মধ্যযুগীয় অসমৰ) মহাপুৰুষীয়া আধ্যাত্মিকতাৰ অন্তিম-মনোগতবাদী আকৃতিৰ স্বাভাৱিকতা আৰু সম্যক স্বৰূপ চিনি সিটিৰ প্ৰতি স্বতঃস্ফূৰ্ত সম্ভ্ৰম যাচিছে। কিন্তু বাস্তৱ সত্য এয়ে যে অসমীয়া জাতীয় চেতনাৰ ঐহিক সাধন অথবা উপলব্ধি কম আৰু ছেগা চোৰোকা, আৰু তেনে হোৱাৰ অন্যতম পৰোক্ষ কাৰণ এইটোও যে আধুনিক অসমীয়া জাতীয় মানস ষোড়শ শতিকাৰ অসমৰ অন্তিম-মনোগতবাদী আধ্যাত্মিকতাৰ সৈতে থকা তাৰ অসামঞ্জস্য তথা বিৰোধ সম্পৰ্কে সম্পূৰ্ণ সচেতন হ'বৰ জোখাৰে সাহসী আৰু উন্মুখ নহয়। আধুনিক অসমীয়া সংস্কৃতি–বিচাৰ অনুসৰি শংকৰ যে তেওঁৰ সমাজৰ তথা "সময়ৰ উচিত" স্ৰষ্টা আছিল সি নিশ্চত, কিন্তু সেই একে সংস্কৃতি-বিচাৰৰে আন এটি স্বাভাৱিক তাৎপৰ্য হ'ব এই বুলি যে আজিৰ আধুনিক অসমীয়াৰ শংকৰৰ প্ৰতি আনুগত্য সমূলি প্ৰশ্নবিহীন (unporblematisable) হ'ব নোৱাৰে। আধুনিক অসমীয়া "শিক্ষিত শিষ্য" হ'বলৈ উৎসুক নহয়, গুৰু বিচাৰি তেওঁ "জগতক জাননী" নিদিয়ে আৰু সৰ্বকালৰ অপ্ৰমাদী গুৰু ৰূপে ঘৰৰে শংকৰক তেওঁ নাপায়। যি পৰিমাণে বেজবৰুৱা, বাণীকান্ত প্ৰমুখ্যে প্ৰসিদ্ধ আধুনিক অসমীয়া সাংস্কৃতিক ব্যক্তি শংকৰী সাহিত্যৰ ব্যাপক প্ৰকাশন, প্ৰচলন আৰু ব্যাখ্যা-টিপ্পনীৰ ক্ষেত্ৰত আগৰণুৱা হৈছে সেই পৰিমাণে–আন কথাত অসমীয়া সংস্কৃতি আজি আত্ম-সচেতন তথা ঐতিহ্য-সচেতন হৈ উঠাৰ দিশত–তেখেতসকলৰ অৱদান অনস্বীকাৰ্য তথা চিৰস্মৰণীয়। কিন্তু যি পৰিমাণে আধুনিক অসমীয়াই শংকৰক আৱিষ্কাৰ কৰি তেওঁতে অন্তিম-মনোগতবাদী শৰণ লৈছে, সেই পৰিমাণে সি সকলৰ ঐহিক সাংস্কৃতিক আকৃতি কমিছে।

অৰুণকুমাৰ গোস্বামী
যোৰহাট

## প্ৰসঙ্গ : "সূত্ৰধাৰৰ তদন্ত আৰু অসম কৃষি বিশ্ববিদ্যালয়"

(১)

সজ সাংবাদিকতাৰ জবাব নাই। সত্যৰ বাৰ্তাবাহক সাংবাদিকসকল সমাজৰ প্ৰহৰী স্বৰূপ। প্ৰচাৰ মাধ্যমৰ দৰে অস্ত্ৰপাত সাংবাদিক সকলৰ হাতত আৰু ইয়েই তেওঁলোকৰ শক্তিৰ আধাৰ। তেনে শক্তিৰ অপপ্ৰয়োগৰ ক্ষতিৰ পূৰণ নাই। আৰু এনে ক্ষমতাৰ অক্ষমণীয় অপপ্ৰয়োগ আমাৰ সমাজৰ অৱক্ষয়ৰ অন্যতম কাৰণ। ইয়াৰ বলি হ'ব লাগিছে ডঃ হীৰেণ গোঁহাইকে আদি কৰি স্বয়ং সাংবাদিকৰেই এটা চাম, অন্যলোকৰ কথা নকলোৱেই বা (আজিৰ অসম, ৬ ছেপ্তেম্বৰ ১৯৯২)। বিচাৰ-বিশ্লেষণ পুষ্ট পঢুৱৈ সমাজো 'অৰ্দ্ধসত্য'ৰ জোৱাৰৰ পৰা সত্য আৰু অসত্য চিনাক্ত কৰিব নোৱাৰি দিকভ্ৰান্ত হৈ পৰিছে। ই সংবাদসেৱাৰ উদ্দেশ্যৰ তেনেই পৰিপন্থী। এনে সংবাদসেৱা সমাজৰ উপকাৰততো নাহেই, বৰঞ্চ এচামৰ বাবে ই যথেষ্ট মনোকষ্টৰ কাৰণ হ'ব পাৰে বা ক্ষতিকৰ হ'ব পাৰে। যিটো সমগ্ৰ সমাজখনৰ বাবেই পৰোক্ষভাবে হানিকৰ পৰিগণিত হ'ব পাৰে।

বহুজন পঠিত 'সূত্ৰধাৰ'ত "অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়" শীৰ্ষক লেখাটিৰে স্বপ্না বেজবৰুৱাই 'তদন্ত'ৰ নামত অনানুসন্ধানপ্ৰাপ্ত কথাৰ প্ৰাচুৰ্যতাৰে, বিশ্ববিদ্যালয় খনিৰ বিস্তৃতি তথা কাৰ্যাৱলীৰ গভীৰতা সম্পূৰ্ণকৈ উলাই কৰাত আমি যথেষ্ট আঘাত পাইছো। বিশ্ববিদ্যালয়খন সমগ্ৰ অসমৰ সম্পত্তি আৰু ইয়াৰ ওপৰত মন্তব্য বা আলোচনা আগবঢ়োৱাৰ তথা ইয়াৰ অৱদানৰ মূল্যায়নৰ অধিকাৰ সকলোৰেই আছে, কিন্তু অৰ্দ্ধসত্য প্ৰতিষ্ঠাৰে ইয়াৰ অবমূল্যায়নৰ অধিকাৰ নিশ্চয় কাৰো নাই। আমি জনাত 'তদন্ত' অনুসন্ধানৰ শুদ্ধ তথ্যৰ জখলাৰেহে সম্ভৱ। সততাৰে সত্যক পাব পাৰি। আমি লক্ষ্য কৰিছো পঞ্জীয়ক মহোদয়ৰ স্পষ্টীকৰণ আৰু ৰাজেন বৰুৱাৰ যুক্তিনিষ্ঠ বক্তব্যৰ লগত পৰবৰ্তী দুটা সংখ্যাতো শ্ৰীমতী বেজবৰুৱাৰ বক্তব্যৰ বিনিময় নহ'ল। কাৰণ সূত্ৰধাৰে কৌশলেৰে ১-১৫ জুলাইৰ 'সাময়িকী'ৰ আধা অংশ ১-১৫ ছেপ্তেম্বৰৰ 'তদন্ত' শিতানলৈ সাঁচি ৰাখিলে। তাৰ মাজতে উক্ত প্ৰসঙ্গত প্ৰকাশিত পত্ৰসমূহো আমি মনোযোগেৰে পঢ়িছো।

শিক্ষাৰ ক্ষেত্ৰত আলোচনা আগবঢ়োৱা বুলি শ্ৰীমতী বেজবৰুৱাই ষান্মাসিক পদ্ধতি (Semester system) ৰ ওপৰত অকণো আলোকপাত নকৰাকৈ বিশ্ববিদ্যালয়ৰ "পৰীক্ষা আৰু 'পদ্ধতি' সম্পূৰ্ণ পুথিগত" বুলি স্পষ্টকৈ প্ৰতিবেদন যুগুত কৰিছে। এই ক্ষেত্ৰত নগাওঁৰ হৰিচৰণ দাসৰ পৰ্যবেক্ষণে প্ৰতিবেদিকাক সহায় কৰিব পাৰে। ষান্মাসিক পদ্ধতি বুলি উল্লেখ নকৰিলেও বিশ্ববিদ্যালয়ৰ পদ্ধতি বোলোতে যে এই পদ্ধতিৰ কথাকেই প্ৰতিবেদিকাই উল্লেখ কৰিছে তাত সন্দেহ নাই। কি পদ্ধতিয়ে বাৰু কৃষি বিশ্ববিদ্যালয় খনিৰ মানদণ্ড উন্নত কৰিব? 'পুথিগত পৰীক্ষা পদ্ধতি' মানে লেখিকাই কি বুজাব খুজিছে? যদি পুথিগত শিক্ষাৰ ওপৰত পৰীক্ষা পতাটোকে বুজাইছে, তেন্তে ব্যৱহাৰিক পৰীক্ষা সমূহ কেনেদৰে সম্পূৰ্ণ 'পুথিগত' হ'ল? আনকি theory পৰীক্ষাবোৰতো পথাৰৰ সমস্যাবোৰ কেনেদৰে প্ৰতিফলিত হৈছে তাক জানিবলৈ অন্ততঃ এটা ষান্মাসিকৰ সকলোবোৰ বিষয়ৰ প্ৰশ্নকাকত সমূহ পৰীক্ষা কৰি চাবলৈ অনুৰোধ কৰিলো আৰু নিজৰ বক্তব্যৰ শুধৰণি কৰিবলৈ লেখিকাক আহ্বান জনালো। যোৰহাটৰ কৃষিকলেজ আৰু বিশ্বনাথ চাৰিআলিৰ কৃষি কলেজত একোটা বিষয়ৰ একেখন প্ৰশ্নকাকত চলে, যিখন NARMৰ নিৰ্দ্দেশনামতে প্ৰস্তুত কৰা হয়। কৃষি বিজ্ঞানৰ কিতাপত কাহিনী নাথাকে, ব্যৱহাৰিক জ্ঞান বা তথ্যগত সত্যহে লিপিবদ্ধ থাকে। শিক্ষণৰ এই আহিলাৰ প্ৰয়োগ কৃষি বিজ্ঞানত অইন কি ধৰণে প্ৰয়োগ কৰিব পাৰি বাৰু? শিক্ষাৰ

মানদণ্ড বেয়া প্ৰতিপন্ন কৰিবলৈ 'পৰীক্ষা' আৰু 'পদ্ধতি'ৰ পিছত বেয়া শিক্ষণৰ বাবে তথ্য দাঙি ধৰিছে "অধ্যাপকৰ পদত নিয়োজিত হৈ আছে তৃতীয় বিভাগত প্ৰৱেশিকা উত্তীৰ্ণ হোৱা ব্যক্তিও" বাক্যৰে। তেনে ব্যক্তি ভাল হ'বই নোৱাৰে আৰু তেনে ব্যক্তিয়েই সমগ্ৰ শিক্ষক সমাজক প্ৰতিনিধিত্ব কৰিব পাৰে, এনে উদ্দেশ্য প্ৰণোদিত আক্ৰমণত আমি সঁচাকৈয়ে দুখ পাওঁ। অথচ এইসকল শিক্ষকৰ নিষ্ঠাৰ বিষয়ে তেখেতেই লিখিছে–"অ, কৃ, বি, ত আজি কেইবছৰমান আগলৈকে এজোপা সামান্য গছেও শৃংখলাবদ্ধতাৰ পৰিচয় দিছিল। কিন্তু এতিয়া বিশ্ববিদ্যালয়ৰ দুৱাৰমুখত থিয় দিয়েই মন্তব্য কৰিব পাৰি–বিশ্ববিদ্যালয়ৰ আগৰ পৰিবেশ নাই।

এইখিনিতে পুনৰ কওঁ যে শ্ৰীমতী বেজবৰুৱাই ষাণ্মাসিক পদ্ধতিৰ বিষয়ে আৰু দুটামান কথা জানিলে কৃষি শিক্ষাৰ ওপৰত এনে মন্তব্য কেতিয়াও নিদিলেহেঁতেন। ইয়াত ছাত্ৰ আৰু শিক্ষকৰ এক অতি ওচৰ আৰু প্ৰত্যক্ষ সম্বন্ধ আছে। আন দুয়োখন বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ বহী পুনৰ্মূল্যায়নৰ খেলিমেলিবোৰ সৰ্বজনবিদিত। কিন্তু ইয়াত ছাত্ৰই সহজে পৰীক্ষাৰ বহীৰ পুনৰ্মূল্যায়নৰ বাবে আবেদন কৰিব পাৰে, নিজেও চাব পাৰে। ক্লাছ সম্পৰ্কত ছাত্ৰসকলে পোনে পোনে ডীন বা সহযোগী ডীনৰ কাষ চাপিব পাৰে। এই পদ্ধতিটো আন দুখন বিশ্ববিদ্যালয়তকৈ ইমান বেছি গণতান্ত্ৰিক যে Board of Studies ত ছাত্ৰ প্ৰতিনিধি জনৰ কথাও যথেষ্ট গুৰুত্ব সহকাৰে বিবেচনা কৰা হয়। শিক্ষা হ'ল দিয়া আৰু লোৱাৰ এক নিৰবছিন্ন প্ৰক্ৰিয়া। স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে যি সময়ত নকল এটা সাধাৰণ বাতৰি, তেনে অসৎ পন্থাৰ পৰা যোজন অনাই আঁতৰত থকা আমাৰ ছাত্ৰ সকলৰ অধিকাংশৰেই শিক্ষাৰ প্ৰতি থকা আগ্ৰহ আমাৰ পৰম ধন। আৰু ব্যতিক্ৰম সকলৰ বাবে আমি, চৰকাৰ, স্বপ্না বেজবৰুৱা, হোমেন বৰগোহাঞি, সংশ্লিষ্ট ছাত্ৰজন আৰু অভিভাৱক-সকলোৱেই কম বেছি পৰিমাণে দায়ী। শিক্ষা পদ্ধতি, সমাজৰ প্ৰমূল্য বা চৰকাৰী নীতিক সমালোচনা কৰিলেই জানো যথেষ্ট হ'ব ?

গৱেষণা সাংঘাতিক কিবা এটা বস্তু নহয়। কিন্তু বহুদিন ডাক্তৰৰ যোগালী হৈও যিদৰে ডাক্তৰী বিদ্যা আয়ত্ত কৰিব নোৱাৰি, সেইদৰে গৱেষণাগাৰৰ বাহিৰে ভিতৰে ঘূৰি ফুৰিলেও গৱেষণাৰ বিষয়ে সম্যক জ্ঞান আহৰণ সম্ভৱ নহ'ব পাৰে। গৱেষণাৰ ফলাফল সমূহ সৰল হ'ব পাৰে, কিন্তু তাৰবাবে জটিল পদ্ধতিৰ কেবাটাও স্তৰ অতিক্ৰম কৰিবলগীয়া হয়। নতুনৰ সাধনাই যিহেতু গৱেষণা, তাৰ ফলাফল বিচৰামতে হবও পাৰে, নহবও পাৰে বা ফলাফল কেতিয়াবা নোলাবও পাৰে। দহ-পোন্ধৰ বছৰৰ পিছতো কেতিয়াবা গৱেষণাৰ ফলাফল নোলালেও পুনৰ নতুন পদ্ধতিৰে গৱেষণাত নিয়োজিত হোৱাটোৱেই বিজ্ঞানী বা গৱেষকৰ ধৰ্ম। তদন্তৰ নামত অ, কৃ, বি, ৰ আধৰুৱা, তাকো ভুল প্ৰতিচ্ছবি এখনিহে দাঙি ধৰি শ্ৰীমতী বেজবৰুৱাই পঢুৱৈ সকলকো বিপথে পৰিচালিত কৰিলে আৰু গৱেষকসকলৰ কৰ্মৰাজিকো অৱহেলা কৰিছে। "বোধকৰো বিচাৰি পোৱা নাযাব" জাতীয় কথাৰে তেখেতৰ Investigative journalismৰ অপৰিপক্কতাৰ পৰিচয় দিব পাৰে, কিন্তু এচামক যথেষ্ট মনোকষ্টও দিব পাৰে। 'গতানুগতিক গৱেষণা'ৰে তেখেতে কি ক'ব খুজিছে বাৰু ? "অৱদান চকুত নপৰে" বুলি একে স্তম্ভতে "বিশ্ববিদ্যালয়ে নতুন পদ্ধতি কৌশল উদ্ভাৱন কৰি আছে" জাতীয় পৰস্পৰ বিৰোধী মন্তব্যৰে নিজক পাতল কৰাৰ অৰ্থ বিচাৰি নাপাওঁ। প্ৰতিটো গৱেষণাৰেই উদ্দেশ্য থাকে আৰু তাত উপনীত হ'বলৈ পদ্ধতি গ্ৰহণ কৰিবলগীয়া হয়। আঞ্চলিক উৎস, সম্পদ আৰু আহিলাক কেন্দ্ৰ কৰিয়েই সাধাৰণতে এইবোৰ প্ৰস্তুত কৰা হয় যদিও ইয়াৰ আন্তৰ্জাতিকতাও অক্ষুণ্ণ ৰাখিবলগীয়া হয় যাতে সেইবোৰ আনৰ replica হৈ নপৰে। লেখিকাৰ অধ্যয়নপুষ্ট দিক্‌দৰ্শনে আমাক সহায় কৰক–আমি তাকেই বিচাৰো।

প্ৰদূষণ সম্পৰ্কত শ্ৰীমতী বেজবৰুৱাৰ দৃষ্টিভংগী আদৰণীয়। কিন্তু বিশ্ববিদ্যালয়ে এইবিষয়ত এবাৰো চিন্তা কৰা নাই বুলি সমূহ শিক্ষক আৰু গৱেষকক বাদদি মন্তব্য কৰিছে জানো ? শিক্ষক সকল এই বিষয়ত সদায়েই সজাগ আৰু আনকো সজাগ কৰি আহিছে। হয়তো আমি আৰু সজাগ হ'ব লগা আছে। অসমৰ সাৰ কাৰখানা, কাগজকল, চেনিকল, চিমেণ্ট কাৰখানা আদিয়ে কোনবোৰ নদীত পেলনীয়া বিষাক্ত বস্তুবোৰ এৰে বাৰু ? সম্প্ৰসাৰণৰ বাবে গাঁৱলৈ যোৱা শিক্ষকৰ প্ৰতি 'পৰিসংখ্যাৰ ব্যতিক্ৰমটোকে মাথো দাঙি ধৰি নিষ্ঠাৰে সেৱা আগবঢ়োৱা শিক্ষকক (তেখেতে বিষয়া বুলিছে যদিও শিক্ষককেই উদ্দেশ্যি কৈছে) কেৱল অৱমাননা কৰাই নহয়, ই এক প্ৰৱোচনা। বিনামূলীয়া বস্তু অবিহনে কেৱল উপদেশ-পৰামৰ্শৰে খেতিয়কৰ উপকাৰ সাধিবলৈ যোৱাতো যেনে টান কাম, তাক কৰোতাইহে উপলব্ধি কৰে।

প্ৰতিবেদিকাই দৰাচলতে এটা কথাই ক'ব খুজিছে যে বিশ্ববিদ্যালয়খনৰ প্ৰশাসনত কোনো দৃঢ় নীতি নাই। এই কথাটো তেখেতে তথ্যভিত্তিক অনুসন্ধানেৰে উপস্থাপন কৰাত নিশ্চয় কোনো বাধা নাই। তাকে নকৰি বিশ্ববিদ্যালয়খনৰ আটাইকেইটা প্ৰতিষ্ঠানৰ শিক্ষক গৱেষকৰ কাৰ্যাৱলীৰ অৱমূল্যায়নেৰে সাংবাদিকতাৰ নীতি বিৰুদ্ধ কাম নকৰা হলেও হ'লহেঁতেন। যিয়ে নহওক সূত্ৰধাৰে তাৰে গইনা লৈ এটা issue কৰিবলৈ যত্ন কৰি নিশ্চয় সফল হৈছে। অন্ততঃ প্ৰকাশিত কেবাখনো পত্ৰই তাকেই প্ৰমাণিত কৰিছে।

পত্ৰকাৰ হৰিচৰণ দাসৰ চিন্তা তথা দৃষ্টিভংগী শলাগিবলগীয়া। তেখেতৰ দুই এটা কথা পঞ্জীয়ক মহোদয়ৰ উত্তৰত পোৱা গৈছে যদিও আটাইবোৰ পৰামৰ্শই কৰ্তৃপক্ষই বিচাৰ কৰা উচিত। কিন্তু ১-১৫ আৰু ১৬-৩১ আগষ্টৰ সূত্ৰধাৰৰ সংখ্যা দুটিৰ পত্ৰলেখক-সকল এই আলোচনাৰ মূলধাৰাটোত সোমাবলৈ গৈ তেনেই মুখ থেকেচা খালে। সহজলভ্য, শুনা কথাৰ আধাৰত আলোচনীৰ পাতত নাম উঠাবলৈ সহজ, কিন্তু আলোচনাত অংশ গ্ৰহণ কৰাটো সহজ নহয়। এইবোৰে গোটেই আলোচনাটিৰেই গাম্ভীৰ্যতা হ্ৰাস কৰিছে।

প্ৰায় প্ৰতিজন শিক্ষকৰ বিষয়েই ছাত্ৰই আলোচনা কৰাটো স্বাভাৱিক আৰু তাৰেই ফলশ্ৰুতি কিছুমান মুখৰোচক গাজা। বিশেষ তেনে গাজা কিছুমানে আনন্দৰ খোৰাক যোগাই আহিছে ছাত্ৰ এচামক। এয়া আজিৰ ঘটনা নহয়। নিজে দেখিছো, শুনিছো বুলি জোৰ কৰি সত্য প্ৰতিপন্ন কৰি পঢুৱৈ সমাজকো তেনে অশালীন ৰস আস্বাদনৰ বাবে বাধ্য কৰোৱাটো কেনে গৰ্হিত কাম হৈছে তাক কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰই বিচাৰ কৰিব। অন্য অনুষ্ঠানত নকল ধৰোতে শিক্ষকক ছুৰি পৰ্যন্ত চলোৱাৰ সময়ত যদি উক্ত বাহুল্যতাক সাধাৰণ বুলি ভাবিছে, তেন্তে ই হ'ব ছাত্ৰত্বৰ অধঃপতনৰ লক্ষণ। সম্পাদকৰ টোকাবহী (১৬-৩১ জুলাই, ৯২)ৰ পুচ্ছপটত ঘা-সদৃশ্য হৈ একেটা কথাৰ আৱিৰ্ভাৱে স্বয়ং বৰগোহাঞিৰ দৰে লোকেও কেনেদৰে তাৰ নিষিদ্ধ ৰস আস্বাদনেৰে আহলাদিত, সেয়া ওলাই পৰিছে। ছাত্ৰ কেইজনৰ দৰেই যিজন শিক্ষকে নিজে শুনা বুলি সহকৰ্মীজনৰ ভুলটো সম্পাদকৰ কক্ষত দিলেহি তেনে শিক্ষকৰ বাবে আমি সঁচাকৈয়ে লজ্জিত। সহকৰ্মী তথা প্ৰফেচনৰ প্ৰতি ন্যূনতম দায়িত্বজ্ঞানখিনিও নথকা শিক্ষকজনে চাগে লেং মৰাটোকে 'ৱৰ্ক কালচাৰ' বুলি শিকি পেলালে। 'বিদেশী ভাষা'ৰ এটা বাক্যৰ ভুল 'কথন'ৰ হকে ওকালতি নিশ্চয় যুক্তিহীন। কিন্তু 'মাতৃভাষা'ৰ 'লিখিত' ৰূপৰেই ভুলবোৰ সূত্ৰধাৰকে আদি কৰি বিভিন্ন বাতৰি-আলোচনীৰ পাতে পাতে কিলকিলাই ফুৰি যি আমনি কৰিছে তাৰ ব্যাখ্যা কেতিয়াকৈ সম্পাদকৰ টোকাবহীত পঢ়িবলৈ পাম ? আজি বাদে কাইলৈ স্নাতক, স্নাতকোত্তৰ হৈ ওলাবলগীয়া ছাত্ৰৰ ব্যক্তিত্ব আৰু মৰ্যাদাৰ প্ৰতি আমি সচেতন হোৱা উচিত। জনৈক ছাত্ৰই উত্থাপন কৰা বিশেষ মুৰব্বী



অধ্যাপকজনৰ কটাক্ষ তথা উপলুঙাক আমি এক মুখে নিন্দা কৰো। ইয়াৰ সত্যাসত্য যিহেতু ছাত্ৰসকলেই বেছি ভালকৈ জানে সেয়ে মুৰব্বী জনৰ এনে উক্তিৰ তীব্ৰ প্ৰতিবাদ ছাত্ৰসকলে ডীন মহোদয় বা Board of Studies ৰ যোগেদি কৰা উচিত তেনে ব্যক্তিৰ স্বৰূপ সকলোৱে জনা দৰকাৰ যি সময়ত অসমৰ বাহিৰলৈ 'পঢ়িবলৈ যোৱা বিশ্ববিদ্যালয়খনিৰ ছাত্ৰই সৰ্বভাৰতীয় ভিত্তিত উল্লে-খযোগ্যভাবে ভাল ৰিজাল্ট কৰি আহিছে, তেনেস্থলত কাৰ প্ৰতি সেই শিক্ষকজনৰ এই আক্ৰোশ ?

তেনেদৰে শিক্ষাক ব্যৱসায় হিচাপে লোৱাৰো আমি তীব্ৰ বিৰোধী। যদি কোনো শিক্ষক পাঠদানত নিয়মীয়া নহয় তেনে শিক্ষকৰ বিৰুদ্ধে বিভাগীয় মুৰব্বী তথা মহাবিদ্যালয়ৰ মুৰব্বীক জনোৱাটো ছাত্ৰৰ দায়িত্বৰ ভিতৰত পৰে। ছাত্ৰই কৰ্তব্য কৰিলেই নহ'ব, দায়িত্বও পালন কৰিব লাগিব। আমি জনাত বিশ্ববিদ্যালয়খনিৰ ছাত্ৰ সভাৰ অনুৰোধ মৰ্মে ছাত্ৰসমাজৰ ব্যাপক প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি আৰু শিক্ষাৰ উৎকৰ্ষৰ লগত ওত-প্ৰোত ভাবে জড়িত বুলি বিবেচনা কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চৌহদৰ ভিতৰত জেৰক্স আৰু ইলেক্ট্ৰনিক টাইপৰ বাবে অব্যৱহৃত কোঠা এটি প্ৰদান কৰে। কাৰণ স্নাতকোত্তৰ মহলাত Seminar আৰু Thesis বাধ্যতামূলক, Assignment আদিতো আছেই। যিহেতু শিক্ষকজনৰ নিজৰ নামত মেচিনটো নাই, সেয়ে শিক্ষকতা আৰু মেচিনৰ এই স্পষ্ট সমান্তৰাল কথা দুটা কি উদ্দেশ্যত ছাত্ৰ পত্ৰলেখকদ্বয় মানস আৰু অভিজিতে একাকাৰ কৰিলে ? ছাত্ৰসভাই কথাটো বিচাৰ কৰি দায়িত্বশীলতাৰ পৰিচয় দিব বুলি আশা কৰো। কৃষি ছাত্ৰৰ বাবে কৃষি ছাত্ৰৰেই অনুৰোধত মুকলি কৰা মেচিনটো বন্ধ কৰিবলৈ ছাত্ৰ সংসদৰ মজিয়াই যথেষ্ট নহয় জানো ? এয়াতো আৰম্ভণিতেই কৰিব পৰা গ'লহেঁতেন! অপ্ৰাসঙ্গিক উদাহৰণেই আলোচনা নহয় এই ব্যক্তিক্ৰম সকল আমাৰ কিয়, সমাজৰেই চিন্তাৰ বিষয়।

'মাগিং-ভমিটিং-ফৰগেটিং'ৰ তথাকথিত ধাৰণাটোৰ ওপৰত ছাত্ৰসকলেও চিন্তা কৰিবলৈ লোৱা বাবে ভাল লাগিছে। এনে অৱস্থাত স্নাতক আৰু স্নাতকোত্তৰ উভয় মহলাতে মুঠ পাঠৰ ৮০ শতাংশৰ অন্তত comprehensive পৰীক্ষা প্ৰৱৰ্তনত ছাত্ৰসকলে আনন্দেৰে সম্মতি দিব নিশ্চয়।

আমি বিচাৰো কৰ্ম সংস্থানৰ পৰিসৰ টুটি-অহাৰ লগে লগে কৰ্তৃপক্ষই ছাত্ৰৰ সংখ্যাও কমকৈ ভৰ্তি কৰাৰ ব্যৱস্থা কৰক, বঢ়াই নহয়। কাৰিকৰী শিক্ষাত সীমিত ছাত্ৰ সংখ্যা সদায় সুবিধাজনক।

কৃষিৰ উন্নতি অসমত কিয় চকুত লগা হোৱা নাই, তাৰ বিশ্লে-ষণ কৰি আমাৰ নিজাস্তৰত কৰ্তব্য তথা কাৰ্য সম্পাদনৰ নিঃকিন প্ৰয়াস আমি কৰি আহিছো। কৃষিখণ্ড সমগ্ৰ ভাৰততে এটা অৱহেলিত খণ্ড। প্ৰায় চাৰিবছৰ ধৰি কেন্দ্ৰীয় কৃষি নীতি ঘোষণা নকৰাটোৱেই তাৰ প্ৰমাণ। অথচ এই প্ৰাইমেৰী (primary) খণ্ডটোৰ ওপৰতেই বৰ্দ্ধিত জনসাধাৰণৰ হেঁচা কমা নাই। ই জানো ৰাষ্ট্ৰীয় Issue হিচাপে পৰিগণিত হ'ব নালাগে ? অসমৰ বেলিকা এই খণ্ডৰ প্ৰতি দৃষ্টিভংগী তেনেই আওপুৰণি আৰু অবৈজ্ঞানিক। কৃষিখণ্ডত Glamour বিচাৰিলে ক'ত পাব ? ডাক্তৰ, ইঞ্জিনীয়াৰৰ কথা নকলোৱেই, বিজ্‌নেচ কণ্ট্ৰেক্টৰ আদিতহে আমি মৰ্যাদা বিচাৰি পাওঁ, কৃষি খণ্ডক কৰো অৱহেলা। কেতিয়াও দুৰ্নীতি নকৰা নাঙলৰ পিছৰ মানুহজনৰ বিষয়ে ঘৰিয়ালৰ চকুপানী টুকিলেও তেওঁলোকৰ কামত অহাকৈ কেইজনে অৰিহণা দিবলৈ যত্নবান হৈছে ? পূৰ্বমৰ্যাদা নোহোৱা খণ্ড এটাৰ ভাবমূৰ্তি আমি গঢ়িবলৈ যত্ন কৰিছো। প্ৰচাৰ মাধ্যম সমূহে আমাক এইক্ষেত্ৰত যথেষ্ট সহায় কৰি আহিছে আৰু আমাৰ সকলোৰে মিলিত প্ৰচেষ্টাৰেহে আমি জ্ঞানৰহিত পূৰ্ব দৃষ্টিভংগী সলনি কৰিব পাৰিম। সেয়ে জলসিঞ্চন, বাননিয়ন্ত্ৰণ আৰু কৃষি-আমাৰ সকলোৰে চিন্তনীয় বিষয়বস্তু হওক, বিতৰ্কৰ কেন্দ্ৰবিন্দু হওক। 'সূত্ৰধাৰে' এইক্ষেত্ৰত আগভাগ নিশ্চয় ল'ব পাৰে। তাতে ভাগ লওক নিজকে অসমৰ প্ৰতি দায়বদ্ধ বিবেচনা কৰা প্ৰতিজন সচেতন নাগৰিক, চৰকাৰ, বিশ্ববিদ্যালয়, সাংবাদিক আৰু শিক্ষকসকলে। নিজৰ দোষ আমি নিজে নেদেখো। কিন্তু আনৰ দোষৰ বাবে আমি নিশ্চয় জগৰীয়া নহয়।

শ্ৰীমতী বেজবৰুৱাৰ আলোচনা প্ৰসঙ্গত আমি অকপটে আমাৰ বক্তব্য দাঙি ধৰিছো সদৌ অসমবাসীৰ বাবে। কিয়নো ভাঙিবলৈ সহজ গঢ়িবলৈ টান। আমি যি গঢ়িব খুজিছো তাত সদৌ অসম বাসীৰেই সহযোগ কামনা কৰো। নমস্কাৰান্তে–

সৰ্বশ্ৰী
**ৰমিল কুমাৰ ৰাভা**
**সমীৰণ দত্ত**
**সমীন্দ্ৰ বৈশ্য**
**বিৰিঞ্চি কুমাৰ বৰা**
**প্ৰবাল শইকীয়া**
**জয়ন্ত ভূঞা**
**তুলসী প্ৰসাদ শইকীয়া**
**হৰিহৰ চন্দ্ৰ বায়ন**
**প্ৰহলাদ বৰা**
শিক্ষক, অসম কৃষি বিশ্ববিদ্যালয়।

* (NARM— National Agricultural Research Management)

## প্ৰসংগ : অসম কৃষি বিশ্ববিদ্যালয়

(২)

সূত্ৰধাৰৰ পাতত স্বপ্না বেজবৰুৱাই দাঙি ধৰা কৃষি বিশ্ববিদ্যালয়ৰ অৱক্ষয়ৰ খতিয়ান সম্পূৰ্ণ স্বাৰ্থমুক্ত নহলেও সময়োপযোগী বিবেচিত হোৱাত দ্বিমত থাকিব নোৱাৰে। কিন্তু তেখেতৰ লেখাত উদ্ধাউল হৈ এই বিশ্ববিদ্যালয়ৰে জনৈক ছাত্ৰই ১-১৫ ছেপ্তেম্বৰৰ সূত্ৰধাৰত সম্পাদকলৈ লিখা চিঠিখন আমাৰ বিবেচনাত এক অপলাপ মাথোন।

বিশ্ববিদ্যালয় পুথিভঁৰালৰ পৰা সূত্ৰধাৰ নামৰ এখন আলোচনী উধাও হোৱা বাবে কৰ্তৃপক্ষক জগৰীয়া কৰাৰতো প্ৰশ্নই নুঠে, ছাত্ৰজনৰ দৰে ইমান টেঁটুফালি চিঞৰাৰো কোনো প্ৰয়োজন নাই। কাৰণ পুথিভঁৰালৰ বহুতো অতি মূল্যবান কিতাপ আলোচনীৰ পাত ফালি নিয়াটো ইয়াত এটা সাধাৰণ ঘটনা–অথচ এই বিষয়ত এইচাম জ্ঞানপিপাসু (?) ছাত্ৰ নিৰ্বিকাৰ।

ছাত্ৰজনে উল্লেখ কৰা এক গুৰুত্বপূৰ্ণ পদবীত থকা শিক্ষকজনৰ ভুল ইংৰাজীৰ সংলাপখিনিৰ সত্যতাত সন্দেহৰ অৱকাশ আছে। তদুপৰি, ছাত্ৰজনে যেন প্ৰতিপন্ন কৰিব বিচাৰিছে ইয়াৰ সকলো শিক্ষকৰে ইংৰাজীৰ বা নিজ বিষয় বস্তুৰ জ্ঞান সীমাবদ্ধ। অথচ দহবছৰীয়া শিক্ষকতাৰ অভিজ্ঞতাৰে আমি ইয়াকে দেখি আহিছো যে অসমৰ বাহিৰৰ পৰা অহা ছাত্ৰসকলক বাদ দি আমাৰ তথাকথিত থলুৱা ছাত্ৰ-ছাত্ৰীসকলৰ একাংশৰ বুকুত কুঠাৰ মাৰিলেও ইংৰাজী নোলোৱা অৱস্থা। তাৰ বাবে ওপৰোক্ত শিক্ষক গৰাকী নিশ্চয় দায়ী নহয়। অলপতে এই পত্ৰলেখকে চোৱা এখন প্ৰশ্নোত্তৰ কাকতত প্ৰকাশৰ সীমাবদ্ধতাৰ বাবে Biochemistry ৰ স্নাতকোত্তৰ মহলাৰ এগৰাকী ছাত্ৰীক কম নম্বৰ দিওঁতে তেওঁ উত্তৰ দিছিল–আপুনি Literature পঢ়োৱা নাই নহয়, science হে পঢ়াইছে। বিশ্ববিদ্যালয়ৰ অৱক্ষয়ৰ ছবি আঁকোতে স্বপ্না বেজবৰুৱাই ছাত্ৰসমাজৰ এই অৱক্ষয়ৰ পৰা সাৱধানতাৰে ফালৰি কাটিছে।

ছাত্ৰজনে আটাইতকৈ নীচ মনোবৃত্তিৰ পৰিচয় দিছে কাৰোবাৰ প্ৰেম সম্পৰ্কীয় কেলেংকাৰিৰ বাবে পঞ্জীয়ক মহোদয়ক জগৰীয়া কৰি। নৈতিকতাৰ চকিদাৰী কৰাটো নিশ্চয় পঞ্জীয়কৰ কাম নহয়। "ডেকা অধ্যাপকে ল'ৰাৰ সমানে প্ৰেমত পৰি হাবুডুবু খোৱা" বাবে ক্ষোভ কৰি তেখেতে ইয়াকে কব বিচাৰিছে নেকি যে ল'ৰাই (ছাত্ৰই) প্ৰেমত পৰি হাবুডুবু খোৱাটো তেখেতসকলৰ পাঠ্যক্ৰমৰ ভিতৰতে পৰে, গতিকে তাত জগৰ লগা কথা নাই, কেৱল ডেকা অধ্যাপকে তাত হেতা-ওপৰা কৰিব নালাগে ? ১১/১২ নং ছাত্ৰীবাসৰ বেৰৰ কাষত সন্ধিয়া যোৰ পাতি পাতি প্ৰেমালাপ কৰা বা তাৰ আশে-পাশে জুম পাতি আন্ধাৰত কোনোবা ছাত্ৰীক উদ্দেশ্য কৰি অশ্লীলতাৰ সীমা

চেৰাই যোৱাকৈ চিঞৰাটো অশালীনতাৰ ভিতৰত নপৰে নেকি ? নে ছাত্ৰ হোৱাৰ বাবেই সাত খুন মাফ ?

শেষত স্বপ্না বেজবৰুৱাৰ প্ৰতিবেদন সম্পৰ্কত ইয়াকে কব খোজো যে অসমৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক সকলো দিশতে আজি এক অৱক্ষয়ৰ ছবি বিৰাজমান। অসম কৃষি বিশ্ববিদ্যালয় এই বৃহৎ অৱক্ষয়ৰেই এক ক্ষুদ্ৰ প্ৰকাশ। আন সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ দৰে কিছুসংখ্যক স্বভাৱজাত শ্ৰমবিমুখ, দুৰ্নীতি পৰায়ণ, বৰ্ণবিদ্বেষী থলুৱা লোক এই বিশ্ববিদ্যালয়ৰো সৰু বৰ সকলো পদতে অধিস্থিত। তাৰ মাজতো পৰম নিষ্ঠাবান শিক্ষক-কৰ্মচাৰী-বিষয়া ইয়াত আছে। তেখেত সকল আজি বিশ্ববিদ্যালয়ৰ ৰৰমুৰীয়াসকলৰ দ্বাৰাই কেৱল অৱহেলিত নহয়, স্বপ্না বেজবৰুৱাৰ দৰে এক পক্ষীয় সাংবাদিকৰ লেখাতো অৱহেলিত। এনেধৰণৰ লেখাই সাময়িক ভাবে এখন আলোচনীৰ বিক্ৰী বঢ়াব পাৰে সঁচা, কিন্তু এখন অনুষ্ঠানৰ উন্নতিকল্পে কোনো গঠনমূলক কামত আহিব বুলি আমাৰ বিশ্বাস নহয়।

এজন শিক্ষক

অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট–১৩

## মুছলমানৰ সমস্যা : পটভূমি আৰু সমাধান

১-১৫ আগষ্ট ১৯৯২ সংখ্যাৰ 'সূত্ৰধাৰ'ত উপৰোক্ত শিৰোনামাৰে মছউদুল হক চাহাবে যুক্তি সম্মত ব্যাখ্যাৰে মুছলমানৰ সমস্যা ৰাজি দাঙি ধৰিছে। হক চাহাবৰ যুক্তি সকলো গোষ্ঠীৰ মুছলমানে মানি লবলৈ টান পালেও, স্বীকাৰ কৰিব লাগিব, তেখেতৰ যুক্তিপূৰ্ণ দৃষ্টিভঙ্গী বৈজ্ঞানিক। কুৰি শতিকাৰ শেষত থিয় হৈ আজিৰ মুছলমানে সময়ৰ পটভূমিত সৃষ্ট সমস্যা ৰাজিৰ সমাধানৰ বাবে ধৰ্মীয় ঠেক গণ্ডীৰ চিন্তাধাৰাৰ পৰা বাহিৰলৈ ওলাই আহিব লাগিব, আধুনিক শিক্ষাৰ প্ৰভাৱ, ভাৰতীয় মুছলমানৰ জীৱন ধাৰাত বহু পলমকৈ আহি পৰা বাবে সাধাৰণ চাম মুছলমানে এতিয়াও যুক্তিপূৰ্ণ-বৈজ্ঞানিক সুলভ চিন্তা ধাৰাৰে সমস্যাৰাজিৰ বিশ্লেষণ কৰিব পৰা নাই। অৰ্থনৈতিক দৰিদ্ৰতাৰ হেতুকে শিক্ষাজনিত জ্ঞানৰ আলোকৰে নিজকে জুখি চাবলৈ সক্ষম হোৱা নাই।

মছ-উদুল হক চাহাবৰ যে বহল অধ্যয়ন আছে, তেখেতৰ ৰচনাত প্ৰকাশিত উপমাবোৰৰ পৰাই বুজা যায়। এইখিনিতে কেইবছৰমানৰ আগৰ অভিজ্ঞতা এটা মনলৈ আহিছে। চন্দ্ৰত আমেৰিকাৰ দুজন মহাকাশচাৰীয়ে পদাৰ্পণ কৰিছে। নীল আৰ্মষ্ট্ৰংৰ নাম আৰু এই বিষয়ৰ বাতৰি তেতিয়া সকলোৰে মুখে মুখে। কথা প্ৰসঙ্গত এই বতৰাটো এজন আদহীয়া মুছলীম দোকানীক কৈছিলো। তেওঁ তৎক্ষণাত দুয়োহাতেৰে নিজৰ কাণ দুখন বন্ধ কৰি কলেঃ নাপায়! নাপায়! এইবোৰ বাতৰি শুনাটোও গুনাহ! বিশ্বাস কৰিলেতো নিজৰ ধৰ্ময়ে নষ্ট হৈ যাব! মই একো মন্তব্য নিদিলো।

তাৰ কেইদিনমানৰ পাছত ইছলামীক শিক্ষা জগতৰ কেন্দ্ৰভূমি দেওবন্দ মাদ্ৰাছাৰ পৰা বিখ্যাত জ্ঞানী পণ্ডিত আলীম মৌলানা তৈয়ব আলী চাহাব অসম ভ্ৰমণলৈ আহিছিল। তেখেতে ডিব্ৰুগড়ৰ এখন জনাকীৰ্ণ সভাত বক্তৃতা প্ৰসঙ্গত কৈছিল : মোক মানুহে চন্দ্ৰলৈ মানুহ যোৱাতো সম্ভৱ জানো বুলি প্ৰশ্ন কৰিছে; মই কৈছো আল্লাহ-তাআলাই মানুহক ইমান জ্ঞান-গৰিমা দিছে যে মানুহে চন্দ্ৰলৈ কিয় সূৰ্যলৈকো যাবলৈ সক্ষম হোৱাত আচৰিত হ'ব লগীয়া একো নাই। আল্লাহে মানুহক শ্ৰেষ্ঠ মখলুকাত (শ্ৰেষ্ঠ জীৱ) কৰি পঠিয়াইছে। মানুহে নিজৰ জ্ঞানেৰে বুদ্ধিৰে, সকলোবোৰ সৃষ্টিৰ ৰহস্য জানিবলৈ সক্ষম হ'ব।

তেখেতৰ বক্তৃতা শুনি ভাবিলো : মানুহ মানুহ হৈ আছে, জ্ঞানী আৰু অজ্ঞানীৰ বিস্তৃত পাৰ্থক্য আছে। অজ্ঞ মানুহক স্বাৰ্থলোভী সুবিধাবাদীয়ে উচতাই, দেশত য'ত মানে অঘটন সাম্প্ৰদায়িক সংঘৰ্ষ ঘটোৱাই আছে। এই ক্ষেত্ৰত ৰাজনৈতিক নেতা সকলৰ অৱদানেই বেছি। ধৰ্মীয় সংকীৰ্ণতাই অন্ধবিশ্বাসৰ সৃষ্টি কৰে। ধৰ্মীয় জ্ঞানৰ অৰ্থাৎ ঐশ্লামিক বিবিধ বিষয়ৰ জ্ঞানৰ প্ৰাচুৰ্যতাৰ অভাৱতো সাধাৰণ লোকে অন্ধবিশ্বাসত ভোগে। কুৰি শতিকাৰ জ্ঞান বিজ্ঞানৰ যুগতো খালী চকুৰে জোনবাই চাই ঈদ-ৰোজাৰ হিচাপ কৰা ব্যৱস্থাক অৱশ্যে ধৰ্মীয় গোড়ামি বুলি অভিহিত কৰিব নোৱাৰি। যেহেতু ইছলামিক মাহ বোৰ যেনে মহৰম, চফৰ আদি চন্দ্ৰ মাহৰ হিচাপমতে নিৰ্ণয় কৰা হয়। ভাৰতত বা অসমত ২য়া ৩য়া শুক্লপক্ষত হে আৰবীৰ ১মহৰম বা ১ৰমজান আৰম্ভ হয়, গতিকে আমাৰ ইয়াত খালী চকুৰে জোন দেখি ৰোজা বা ঈদ পালন কৰা ব্যৱস্থাটো অবৈজ্ঞানিক নহয়।

এয়া অনস্বীকাৰ্য সত্য যে- মুছলমানেই কিয় কোনো সম্প্ৰদায়ৰে সামাজিক চেতনা অবিহনে উদ্ধাৰৰ কোনো বিকল্প নাই। মুছলমান সকলক সচেতন কৰিবলৈ মোল্লা-মৌলবীয়ে মাজে-সময়ে দীঘলীয়া বক্তৃতা দিয়ে। এই বক্তৃতা বা ৱাজ-নছীহত একমাত্ৰ ধৰ্মীয় ভিত্তিকহে। দিনটোত পাঁচ বাৰ নামাজ পঢ়া, ৰোজা ৰখা, মাক-বাপেকৰ বাধ্য হোৱা আদিতেই এই ৱাজ সীমাবদ্ধ, ইয়াত সামাজিক শোষণ-বঞ্চনাৰ পৰা উদ্ধাৰ পোৱাৰ কোনো ৰেঙনি নাই। হক চাহাবে এই ক্ষেত্ৰত সংগঠনৰ আৱশ্যকতাৰ ওপৰত জোৰ দিছে। পিছে অসমত মুছলমান নামধাৰী যি দুই এটা সংগঠন আছে সেইবিলাক কম-বেছি পৰিমাণে ৰাজনৈতিক ধ্যান-ধাৰণাৰে পুষ্ট। নিৰ্যাতিত-বঞ্চিত জনক উদ্ধাৰ কৰা কাৰ্যসূচীৰ পৰিবৰ্তেই, তেনে সংগঠনৰ নেতা সকলে 'মুছলমানৰ প্ৰতিনিধিত্ব কৰাৰ সুযোগত নিজৰ স্বাৰ্থপূৰণত হে ব্যস্ত হৈ পৰা দেখা যায়। 'হিতেশ্বৰ শইকীয়াক ৫ মিনিটতে ওফৰাব পাৰিম' ধৰণৰ বক্তব্যই ইয়াৰ উৎকৃষ্ট প্ৰমাণ।

সামাজিক ভাবে সচেতন নহলে, জ্ঞান-বুদ্ধিৰে প্ৰদীপ্ত নহলে, ভাৰতৰ বুকুত যিদৰে ৰাম-জনমভূমি-বাবৰি মছজিদ প্ৰসঙ্গই হেজাৰ হিন্দু মুছলমানৰ বুকুৰ ৰক্ত বোৱাব, সেই দৰে অসমৰ বুকুতো হয়তো অদূৰ ভৱিষ্যতে ভাতৃ-ঘাতী সংঘৰ্ষৰ সৃষ্টি কৰিব ধৰ্মীয় সাম্প্ৰদায়িক মৌলবাদী সকলে– বিদেশী প্ৰব্ৰজনৰ শ্লোগান আওৰায়। বস্তুতঃ অসমৰ চৰ-চাপৰিবাসী কৃষক মজদুৰ শ্ৰেণী শিক্ষা দীক্ষা আদি সকলো ক্ষেত্ৰতে অজ্ঞ। জীৱিকাৰ তাড়নাত তাহানিতেই পূৰ্ব বংগৰ পৰা ভাগি অহা সকলক সামাজিক-ৰাজনৈতিক ভাবে সচেতন নকৰি, সিবিলাকক ডবাৰ গুটিৰ দৰে ব্যৱহাৰ কৰি অহাতো যি দৰে সত্য-সেইদৰে বেদনা দায়কো। ধৰ্ম আৰু শ্বৰীয়তে মানে, তেওঁলোকে কেৰাজনীকো বিবাহ কৰা, একাধিক বাৰ তালাক দিয়া পুষ্পিতা নোহোৱাকৈয়ে ছোৱালী বিবাহ দিয়া বুলিহে জানে। নৈতিক চৰিত্ৰৰ পৰিবৰ্তনৰ অবিহনে তেওঁলোকক সামাজিক অৰ্থনৈতিক ভাবে পৰিবৰ্তন কৰাটোও প্ৰায় অসম্ভৱ।

চৈয়দ মজিদুৰ ৰহমান
মৰাণ খটখটী।

### বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো প্ৰবন্ধ সহজে পঢ়িব পৰা গোট গোট আখৰত লেখাটো বাঞ্ছনীয়। প্ৰয়োজনীয় শুধৰণিৰ কাৰণে ৰাক্যবোৰৰ মাজত কমেও এক চেণ্টিমিটাৰ ঠাই ৰখা দৰকাৰ। পঢ়িব নোৱাৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰবন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয়।





# অসমৰ ওপৰত মুছলিম মৌলবাদৰ কৰাল ছাঁয়া

গণতন্ত্ৰত যিহেতু সংখ্যাৰ ভূমিকাই আটাইতকৈ গুৰুত্বপূৰ্ণ, সেই কাৰণে অসমৰ একাংশ মুছলমান নেতাই যেন-তেন-প্ৰকাৰেণ অসমত মুছলমানৰ সংখ্যা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। সেইটো একো দোষণীয় কথা নহয়– যদিহে কামটো কৰা হয় স্বাভাৱিক আৰু বৈধ উপায়েৰে। কিন্তু স্বাভাৱিক উপায়েৰে মুছলমানসকলক ৰাতিটোৰ ভিতৰতে অসমৰ সংখ্যা-গৰিষ্ঠ জনগোষ্ঠীত পৰিণত কৰিব নোৱাৰি। সেই কাৰণে একাংশ ক্ষমতা-লোলুপ মুছলমান নেতাই নানা কূট-কৌশলৰ সহায়েৰে অসমত মুছলমানৰ সংখ্যা বৃদ্ধি কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। অসমলৈ বিদেশী নাগৰিকৰ অবাধ আৰু অবৈধ প্ৰব্ৰজনৰ বিৰুদ্ধে তেওঁলোকে কেতিয়াও এষাৰো মাত নামাতে ; কিন্তু অসমত বিদেশী নাগৰিক আছে বুলি কোনোবাই দাবী কৰিলেই তেওঁলোকে একমুখে জাঙুৰ খাই উঠে। ভোটাৰ তালিকাখন নিজে তন্ন তন্নকৈ পৰীক্ষা নকৰাকৈয়ে তেওঁলোকে ৰায় দি ৰহি আছে যে তাত এজনো বিদেশীৰ নাম নাই। এতিয়া এই বিষয়ে এধানমানো সন্দেহ নাই যে এইসকল মুছলমান নেতাই মুখেৰে যিহকেই নকওক কিয়, মনে মনে কিন্তু তেওঁলোকে অসমত মুছলমান অনুপ্ৰবেশকাৰীৰ সংখ্যা বৃদ্ধি হোৱাটো কামনা কৰে। তেওঁলোকৰ কথা-বাৰ্তা আৰু আচৰণৰ পৰা সেই কথা সন্দেহাতীত ভাবে প্ৰমাণিত হৈ গৈছে। কিছুমান নিৰ্বোধ আৰু অদূৰদৰ্শী মানুহৰ দ্বাৰা পৰিচালিত বিদেশী-খেদা আন্দোলন সম্পূৰ্ণভাবে ব্যৰ্থ হোৱাৰ পিছত অসমৰ একাংশ সাম্প্ৰদায়িকতাবাদী আৰু বিদেশী-প্ৰেমী মুছলমান নেতাৰ স্পৰ্ধা অসহনীয় ভাবে বৃদ্ধি পাইছে। তেওঁলোকে এতিয়া আগৰ নিচিনাকৈ যুক্তি আৰু তথ্যৰ সহায়েৰে নম্ৰভাবে কথা নকয়। তেওঁলোকে এতিয়া সকলোকে কথাই কথাই ধমক দিয়ে। তেওঁলোকৰ আবদাৰ মানি নললে পাঁচ মিনিটৰ ভিতৰতে চৰকাৰটো বগৰাই দিব পাৰো বুলি তেওঁলোকে ভাবুকি দিয়ে। একে আষাৰে কবলৈ গলে অসমৰ শাসক দল তথা কংগ্ৰেছৰ কিছু আভ্যন্তৰীণ দুৰ্বলতাৰ সুযোগ লৈ এইসকল সাম্প্ৰদায়িকতাবাদী নেতাই অসমত এক নতুন ধৰণৰ ব্লেকমেইলৰ ৰাজনীতিৰ সূচনা কৰিছে। কিন্তু তাৰ সুদূৰ-প্ৰসাৰী পৰিণাম অসমৰ সৰ্বসাধাৰণ মুছলমানৰ কাৰণে কিমান ভয়াবহ হৈ উঠিব পাৰে সেই কথা এইসকল স্বাৰ্থান্ধ নেতাই এবাৰৰ কাৰণেও চিন্তা কৰি চোৱা নাই। যোৱা দশকৰ বিদেশী-খেদা আন্দোলনৰ সময়ত সংখ্যা-লঘুৰ স্বাৰ্থ আৰু জান-মান ৰক্ষা কৰিবলৈ যিবোৰ মানুহ নিজৰ জীৱন বিপন্ন কৰিও আগবাঢ়ি আহিছিল তেওঁলোকৰ শতকৰা নিৰান্নৈ জনেই আছিল অসমীয়া হিন্দু সমাজৰ মানুহ। বেছিভাগ মুছলমান নেতা তেতিয়া হয় নীৰৱ হৈ আছিল, অথবা তেওঁলোকে নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰি সুবিধাবাদী নিৰপেক্ষ অৱস্থান লৈছিল। এই কথা সকলোৱেই মনত ৰখা উচিত যে সকলো প্ৰগতিবাদী আৰু ধৰ্ম-নিৰপেক্ষ মানুহৰ ঐক্যবদ্ধ শক্তিয়েহে অসম তথা ভাৰতত সংখ্যালঘুৰ স্বাৰ্থ আৰু অস্তিত্ব নিৰাপদ কৰিব পাৰে। তাকে নকৰি যদি সাম্প্ৰদায়িকতাবাদী নেতাবোৰৰ ছলাহী কথাৰ দ্বাৰা বিপথে পৰিচালিত হৈ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহে সংখ্যা-গুৰু সম্প্ৰদায়ৰ মানুহৰ লগত সংঘৰ্ষৰ পথ বাছি লয়, তেন্তে আটাইতকৈ বেছি বিপদ হ'ব সংখ্যালঘু সম্প্ৰদায়ৰ মানুহবোৰৰেই। দুৰ্ভাগ্যৰ কথা যে অসমৰ একাংশ মুছলমান নেতাই আজি বিদেশৰ মৌলবাদী শক্তি সমূহৰ পৰা গোপনে সহায় আৰু বুদ্ধি-ভৰসা লৈ অসমত পুনৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিহগুটি সিঁচিবলৈ আৰম্ভ কৰিছে আৰু তাকে কৰি সংঘৰ্ষৰ পথ বাছি লৈছে। তেওঁলোকৰ অপচেষ্টা সফল হ'বলৈ হ'লে অসমত অচিৰেই আশীৰ দশকৰ বিদেশী-খেদা আন্দোলনতকৈ বহুগুণে বেছি তীব্ৰতৰ বিদেশী-খেদা আন্দোলন আৰম্ভ হ'ব আৰু তাৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ব সকলো ফালেদি দুৰ্বল আৰু পিছপৰা সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ। অদূৰ ভৱিষ্যতত যি বিদেশী-খেদা আন্দোলন আৰম্ভ হ'ব তাৰ ৰণ-কৌশল আৰু পক্ষ-বিভাজন কিন্তু আগৰ বাৰতকৈ সম্পূৰ্ণ বেলেগ হ'ব, কাৰণ সেইবাৰৰ ৰণ বা আন্দোলন কেৱল বিদেশীৰ বিৰুদ্ধে নহ'ব; সি হ'ব ঘাইকৈ বিদেশৰ সম্প্ৰসাৰণবাদী মৌলবাদী শক্তি সমূহ আৰু সিহঁতৰ দেশী দালালবোৰৰ বিৰুদ্ধে।

অসমৰ সামাজিক আৰু অৰ্থনৈতিক সংকটে আজি এনে এটা জটিল ৰূপ লৈছে যে আৰু এজন মাত্ৰ বিদেশীৰ কাৰণেও অসমত ঠাই নাই। ক্ষমতাৰ লোভত বা বিদেশৰ মৌলবাদী শক্তি সমূহৰ নিৰ্দেশত যি সকল লোকে বিদেশীৰ হৈ ওকালতি কৰিছে আৰু ৰাজনৈতিক ব্লেকমেইলৰ পথ লৈছে তেওঁলোকৰ কাৰণেও অসমত ঠাই হোৱা উচিত নহয়।

## বিশ্বৰ শ্ৰেষ্ঠতম চিত্ৰশালা

# ল্যুভ


প্ৰীতি কাকতী

১৯৮৮ চনৰ চেপ্টেম্বৰ মাহৰ কোনো এটা দিনত আমি উপস্থিত হ'লোগৈ অতীন্দ্ৰ প্ৰহৰীৰ দৰে দণ্ডায়মান হৈ থকা অপূৰ্ব স্থাপত্যৰ এক বিশাল প্ৰাসাদৰ সমুখত। পেৰিচৰ পথে পথে যেন ইতিহাসৰ গভীৰ নিশ্বাস অনুভৱ কৰা যায়। সেই সুৰম্য প্ৰাসাদৰ সমুখত উপস্থিত হওঁতেও এই ভাব. প্ৰবল হৈছিল। প্ৰাসাদটো কেইবাটাও স্থাপত্য-প্ৰতিভাৰ সমাহাৰ। প্ৰতিজন শিল্পীৰে সৃজনশীলতা বহুপ্ৰশংসিত আৰু সকলো মিলি সমন্বয়পূৰ্ণ। প্ৰাসাদলৈ যোৱা পথটোও শিল্পকলাৰে সুষমামণ্ডিত।

চ্যেন নদীৰ পাৰৰ এই এলেকাটো আছিল পেৰিচৰ আটাইতকৈ অভিজাত অঞ্চল। অদূৰত ট্যুইলাৰি উদ্যানৰ সৈতে এটা ৰাজপ্ৰাসাদ। সমুখত মুক্ত অঙ্গনৰ সৈতে গুৰুগম্ভীৰভাবে বৈ থকা ১৩ শতিকাৰ এই প্ৰাসাদটোৰ ডাঙৰ ঘৰবোৰত উচ্চপদস্থ বিষয়াবোৰ আছিল। ১৭ শতিকাত ১২ মাইল দূৰৰ ভাৰ্চাইলৈ ৰাজদৰবাৰ স্থানান্তৰ কৰাত ইয়াৰ বিশাল হৰ্ম্যবোৰ যত্নৰ অভাৱত ক্ৰমে জীৰ্ণ হৈ পৰে। যোৱা শতিকাৰ মাজভাগত ফ্ৰান্সৰ আৰ্থিক অৱস্থা টনকিয়াল নাছিল। এই ঘৰবোৰত দুখীয়া মানুহে তেতিয়া আশ্ৰয় লৈছিল।

ল্যুভৰ এটা অব্যৱহৃত নগৰ দুৰ্গ আছিল। ১৫১৭ খৃষ্টাব্দত ৰজা ১ম ফ্ৰাচোৱাঁই ইয়াত বাস কৰিবলৈ লয়। তেওঁৰ জীৱনকালত প্ৰাসাদটোৰ নিৰ্মাণ কাৰ্য হৈ আছিল যিখিনি পুৰণি ল্যুভৰ বুলি জনা যায় সেইখিনিৰহে। ইয়াত আৰ্থিক আৰু ৰেঁনেচা যুগৰ ঠাঁচ মিশ্ৰিত হৈ আছে। এই পেলেইচ দ্যা ল্যুভৰ হৈছে পৃথিৱীৰ বৃহত্তম ৰাজপ্ৰাসাদৰ ভিতৰত এটা। নামটো সম্ভৱ আহিছে চাক্সন লিওভ'ৰৰ পৰা, যাৰ অৰ্থ 'দুৰ্গৰে পৰিবেষ্টিত আৱাসগৃহ'। ১২০০ খৃষ্টাব্দত দ্বীপ-চহৰৰ বাহিৰত ই এটা সামন্তযুগীয় নগৰদুৰ্গ ৰূপে গঢ় লৈ উঠিছিল। বিশাল দুডাল দণ্ড যুক্ত কাটা চামুচৰ আকৃতি কেবাটাও হৰ্ম্যৰে গঠিত এই প্ৰাসাদ প্ৰকল্প সৌন্দৰ্য আৰু শক্তিমত্তাৰ উজ্জ্বল নিদৰ্শন।

বৃহত্তম প্ৰাসাদটো সম্পূৰ্ণ হোৱাৰ আগতে তিনিশতিকা বাগৰি গৈছিল। আজি যি ল্যুভৰ দেখা যায়, সেয়া হৈছে ৭০০ বছৰ জুৰি ১৭ জন ৰজাই অৱদান যোগোৱাৰ ফলত হোৱা



বিশ্ববিখ্যাত ল্যুভ চিত্ৰশালাৰ সমুখৰ একাংশ



প্ৰাসাদ। ১৪ শতিকাত 'জ্ঞানী চাৰ্লচে' দুৰ্গটো ডাঙৰ কৰে। ১৬ শতিকাত ১ম ফ্ৰাচোৱাঁই ৰাজকীয় বাসভৱন কৰি দুৰ্গটো ভাঙি তাৰ ঠাইত ৰেঁনেচা ঠাঁচৰ প্ৰাসাদ নিৰ্মাণ কৰিলে। দ্বিতীয় হেনৰী আৰু কেথেৰিণ দ্যা মেডিচিয়ে ট্যুইলাৰি প্ৰাসাদ নিৰ্মাণ কৰি বৰ্তমান দেখা প্ৰাসাদৰ লগত যুক্ত কৰিছে।

১৭৫০ খৃষ্টাব্দলৈ প্ৰাসাদে এনে জৰাজীৰ্ণ ৰূপ লৈছিল যে ইয়াক ভাঙি পেলোৱাৰ কথা চিন্তা কৰা হৈছিল। এনে সময়তে আহিল নেপোলিয়ন। তেওঁ বেদখলকাৰীবোৰক খেদি পূৰ্বৰ সৌন্দৰ্য ওভতাই আনিলে আৰু প্ৰাসাদৰ কেউফালে থকা অপৰিষ্কাৰ অঞ্চল পৰিষ্কাৰ কৰিলে। তেওঁৰ ভতিজাক তৃতীয় নেপোলিয়নে সম্ৰাটৰ অসমাপ্ত কাম সম্পূৰ্ণ কৰে। পেৰিচৰ এই সৰ্ববৃহৎ আধুনিক প্ৰাসাদটো দীৰ্ঘ-প্ৰস্থই ৫৭৬ ফুট আৰু ৫৩৮ ফুট। ট্যুইলাৰি প্ৰাসাদৰ লগত এটা ডাঙৰ, ছবিৰ গেলাৰীযুক্ত আৰু ই ১৪৫৬ ফুট দীঘল। দুয়োটা প্ৰাসাদৰ মাজত আছে প্লেচ ডু কাৰোচেল। তৃতীয় নেপোলিয়নে উত্তৰ দিশত আৰু সম্প্ৰসাৰণ কৰিছিল, যাৰ ফলত কেউটা লগলাগি এক বিশাল প্ৰাসাদৰ ৰূপ লৈছিল।



মনালিচা ঃ ল্যুভৰ গৌৰৱ লিঅ'নাৰ্ড দাভিঞ্চিৰ বিখ্যাত ছবিখন

ল্যুভৰ ১৩ শতিকাৰ পুৰণি চাঁতোৰ স্থানত অৱস্থিত। আধুনিক গঠনৰ প্ৰথম অংশ দক্ষিণ-পশ্চিম খণ্ড ১৫৪৬ খৃষ্টাব্দত নিৰ্মিত হয় পিয়েৰ লেচফটৰ নক্সা অনুসৰি। স্কোৱেৰৰ প্ৰধান অংশ কৰে চতুৰ্দশ লুইয়ে ক্লড জেৰটৰ নক্সা মতে, যদিও ১৯ শতিকালৈ ই সম্পূৰ্ণ হোৱা নাছিল। ট্যুইলাৰি প্ৰাসাদৰ নিৰ্মাণৰ পিছত প্ৰকৃত ল্যুভৰ হৈছিল এশাৰী ডাঙৰ গেলাৰী, য'ত চিত্ৰ-ভাস্কৰ্য আৰু প্ৰাচীন মিচৰীয় আৰু ৰোমান নিদৰ্শন আছিল। ১৮৭১ খৃষ্টাব্দত অগ্নিয়ে ট্যুইলাৰি ধ্বংস কৰে, ল্যুভৰৰ অকল গ্ৰন্থাগাৰ থকা অংশহে অগ্নিদগ্ধ হৈছিল।

ল্যুভৰ হৈছে পৃথিৱীৰ সৰ্ববৃহৎ জাতীয় গেলাৰী আৰু বৰ ব্যাপক যদিও সংখ্যাৰ ফালৰ পৰা ফৰাচী চিত্ৰকলাত আটাইতকৈ শক্তিশালী ল্যুভৰৰ 'গ্ৰ্যাণ্ড গেলাৰী' (Grande Galerie) পুনৰ সজাই নতুনকৈ চিত্ৰবোৰ আঁৰি চৰকাৰী ভাবে মুকলি কৰা হয় ১৯৪৭ চনৰ ৬ অক্টোবৰত। যুদ্ধৰ সময়ত ইয়াক খালী কৰি বন্ধ কৰি ৰখা হৈছিল। 'গ্ৰ্যাণ্ড গেলাৰী'ত ৰেঁনেচা চিত্ৰশিল্পীৰ পৰা ১৮ শতিকাৰ ভেনেচীয় শিল্পীৰ চিত্ৰকৰ্ম আছে। গেলাৰীৰ মূৰত গ'য়া, মুৰিলো আদি শিল্পীৰ কালজয়ী চিত্ৰবোৰ আছে। গেলাৰীৰ কেন্দ্ৰ অংশ বিশেষ 'মাষ্টাৰ পীচ'ৰ বাবে সংৰক্ষিত। আছে ৰাফেলৰ **জোৱান অৱ আৰাগন** আৰু ৱাল্টাচৰ কাষ্টিগ্লিওন, টিটিয়ানৰ ফ্ৰাঁচোৱা ১ম আৰু লিওনাৰ্দো দ্যা ভিঞ্চিৰ **মনালিচা**। পৃথিৱীৰ অমূল্য চিত্ৰসম্পদ ল্যুভৰত অতি যত্নেৰে ৰক্ষা কৰা আছে। এসময়ত এই ৰাজপ্ৰাসাদত কিছুদিন শিল্পীবোৰো আছিল। আগতে ৰজাবোৰে ছবিবোৰ চাইছিল। বিপ্লৱৰ সময়ত সাধাৰণ মানুহেও এইবোৰ চোৱাৰ অধিকাৰ পালে। ৰাজপ্ৰাসাদ হৈ উঠিল বিশ্বৰ শ্ৰেষ্ঠ চিত্ৰশালা। লাখ লাখ লোকে বছৰি চাবলৈ আহে। পৃথিৱীৰ ভিতৰতে এটা অতি সমৃদ্ধ এই মিউজিয়ামটোত আছে বহুমূলীয়া কিছুমান পেইন্টিং আৰু ভাস্কৰ্য। এইবোৰৰ ভিতৰত আছে কালজয়ী চিত্ৰ – মনালিচা আৰু ভাস্কৰ্য – ভেনাচ দ্যা মিলো। এই দুই শিল্পকৰ্মৰ সমুখত দৰ্শকসকলে কিবা এক উত্তেজনা অনুভৱ কৰে। ভাস্কৰ্যটো হৈছে 'an achievement of the human spirit that is out of this world'.

মিউজিয়ামৰ অতি জনপ্ৰিয় চিত্ৰ হৈছে ১৬ শতিকাৰ ৰেঁনেচা যুগৰ চিত্ৰসমূহ। তাত নিৰাপত্তাৰক্ষী ঘূৰি থাকে দৰ্শকে কেমেৰা 'ফ্লাছ' কৰাত বাধা দিবলৈ। সকলো উত্তেজনা কোঠাৰ এখন বেৰৰ মাজত থকা এখন কেনভাচত কেন্দ্ৰীভূত হয়। সেই ছলনাময় হাঁহি, যি শতিকা জুৰি পুৰুষ-মহিলা নিৰ্বিশেষে বিহ্বল কৰিছিল। দৰ্শকক বিস্ময় বিমুগ্ধত বন্দী কৰি

আহিছে ।

প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ছবিৰ মডেল মোনালিচাৰ জন্ম হৈছিল ইটালীৰ ফ্লোৰেন্স চহৰত, ১৩৭৯ খৃষ্টাব্দত । পিতৃৰ নাম আনটোনিও ঘেৰাঘডিনি । ষোল বছৰ বয়সত বিয়া হয় ফ্ৰান্সেচকো গিয়েকোণ্ডাৰ লগত । আগৰ দুয়োগৰাকী পত্নীৰ অকাল বিয়োগ হোৱাত গিয়েকোণ্ডাই মোনালিচাক বিয়া কৰাইছিল । লিওনাৰ্দোৰ সমসাময়িক এজন ব্যক্তিৰ লেখাৰ পৰা জনা যায় যে অঙ্কনৰ সময়ত বহু সময় বহি থকা বাবে যাতে আমনি নালাগে, মুখৰ ভাবৰ যেন পৰিৱৰ্তন নঘটে, তাৰ বাবে তেওঁৰ 'ষ্টুডিঅ'ত গায়ক-বাদক ৰাখিছিল । তেওঁলোকে আনন্দৰ গান গাই মডেলৰ মুখৰ হাঁহি অটুট ৰাখিছিল । মোনালিচাৰ এই হাঁহিক লৈ বহুতো কিতাপ লিখা হৈছে ।


ছবিখনৰ দৈৰ্ঘ্য চাৰে ৩০ ইঞ্চি, বহল ২১ ইঞ্চি । শিল্পীয়ে চাৰি বছৰ কঠোৰ পৰিশ্ৰম কৰিছিল । ক'ৰবালৈ গলে ছবিখন লগত লৈ গৈছিল । ছবিৰ সৃষ্টিকাল ১৫০৩-১৫০৬ । ফ্ৰান্সলৈ আনে ১৫১৭ খৃষ্টাব্দত । সম্ৰাট ১ম ফ্ৰাচোৱাঁই ৪ হাজাৰ সোণৰ মুদ্ৰাৰে এই ছবি কিনে শিল্পীৰ জীৱিত কালত তেওঁৰ উত্তৰাধিকাৰী মেনদিৰ পৰা । ১ম চাৰ্লচৰ দিনত ইংৰাজবোৰে এই ছবি নিবলৈ চেষ্টা কৰে । বিয়াৰ প্ৰস্তাৱৰ লগত ছবিখন যৌতুক স্বৰূপে বিচাৰিছিল । ত্ৰয়োদশ ল্যুইৰ সভাসদ সকল এই অমূল্য ছবিখন দিবলৈ মান্তি হোৱা নাছিল । নেপোলিয়নে তেওঁৰ শোৱনি কোঠাত এই ছবিখন ৰাখিছিল ১৮০০ খৃষ্টাব্দৰ পৰা । এবাৰ মনালিচা বিদেশলৈ গৈছিল মাৰ্কিন প্ৰেচিডেন্টৰ অতিথিহৈ । এবাৰ ছবিখন চুৰ কৰিছিল ইটালীয়ে । পিছত সসন্মানেৰে লৈ অনা হয় ফ্ৰান্সলৈ । মনালিচা হৈছে যেন ল্যুভৰৰ চিৰন্তন গৌৰৱ । পেৰিচৰ দৰে এটা অবিচ্ছেদ্য জীৱন্ত সত্তা । এই মিউজিয়ামটোৱে সভ্যতাৰ আদি যুগৰ পৰা আধুনিক যুগলৈকে ফ্ৰান্সৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰত মানুহৰ কৃতিত্ব প্ৰদৰ্শন কৰিছে ।

ল্যুভৰৰ প্ৰথম সংগ্ৰহ আৰম্ভ হয় ১ম ফ্ৰাচোৱাঁৰ দিনত (১৫৫১-১৫৪৭) । তেওঁ চিত্ৰ, ভাস্কৰ্য আৰু আন সামগ্ৰী সংগ্ৰহ কৰিছিল । ৰজাৰ পাৰিষদসকল পণ্ডিত আৰু বাস্তৱবুদ্ধি সম্পন্ন আছিল । মিলানৰ ওচৰৰ সামৰিক অভিযানৰ পৰা আহি তেওঁ ফন্টেনব্লুত থাকিবলৈ ললে আৰু সেই সময়ৰ মহত্তম শিল্পী - লিওনাৰ্দো, ৰুচো আৰু চোলৈনিক মাতি পঠালে ফ্ৰান্সলৈ । ফ্ৰাচোৱাঁই টিটিয়ান, ৰাফেল, চেবাষ্টিনি আদিৰ শিল্প কৰ্মও সংগ্ৰহ কৰিছিল । জীৱনৰ শেষ বছৰত, নদীৰ সোঁ পাৰত মিউজিয়াম নিৰ্মাণৰ কাম হাতত ললে । ১৩ শতিকাৰ এটা দুৰ্গৰ স্থানত বিল্ডিঙৰ কাম শতিকাৰ বাকী সময়খিনিত হৈ আছিল, কিন্তু ৰাজকীয় সংগ্ৰহ বেছি নহ'ল পৰৱৰ্তী ৰজাবোৰৰ আমোলত । কাৰণ ১৬ শতিকাৰ শেষাৰ্দ্ধত ফ্ৰান্সৰ ভীষণ ৰাজনৈতিক সংকটে দেখা দিছিল । ৭ম ল্যুই নিজে এজন উৎসাহী সংগ্ৰাহক নাছিল যদিও ভাগ্যবান আছিল । কাৰ্ডিনেল ৰিচনু নামে এজন প্ৰকৃত কলাপ্ৰেমী আৰু সংগ্ৰাহক তেওঁৰ মন্ত্ৰী আছিল । ৰিচনুৱে লিওনাৰ্দোৰ মেডোনা আৰু চেন্ট অ্যান আৰু আন শিল্পীৰ চিত্ৰ সংগ্ৰহ কৰিছিল । এই সময়তে ৰাণী-মাতৃ মেৰী দ্য মেডিচিয়েও নানাবিধ শিল্প কৰ্ম, যেনে ৰুবেন্দৰ এখন চিত্ৰ সংগ্ৰহ কৰিছিল । এইখন এতিয়াও ল্যুভৰত আছে । যেতিয়া চতুৰ্দশ ল্যুই ৰাজপাটত বহে, তেতিয়ালৈ দুশৰ অলপ বেছিহে চিত্ৰ সংগৃহীত হৈছিল । ইটো-সিটো উৎসৰ পৰা সামগ্ৰীবোৰ আহি আছিল । ৰজাই বহুতো কিনিছিলেও । এইদৰে ৰাজকীয় চিত্ৰশালা অমূল্য ছবিৰে ভৰি



*ল্যুভৰত টিচিয়ানৰ তৈলচিত্ৰ ডেছপ'জিচন (১৫২৫)*





*পুৰুহিত : চিত্ৰশালাত সংগ্ৰহীত মধ্য এচিয়াৰ এটি মূৰ্ত্তি । আনুমানিক খৃঃপূ ২৯০০-২৬৪৫*


পৰিছিল । এইবোৰ আছিল ১৬ আৰু ১৭ শতিকাৰ ইটালীয় আৰু ফৰাচী শিল্পীৰ । ১৮ শতিকাত ডুক দ্য অৰ্লিন্স লুইৰ দৰে আছিল । তেওঁ কলাৰ পৃষ্ঠপোষক হলেও তেওঁৰ সংগ্ৰহ ব্যক্তিগত আছিল । এইবোৰ বিপ্লৱৰ পিছত নীলামত গৈছিল । পঞ্চদশ আৰু ষষ্ঠদশ লুইৰ ৰাজত্বকালত, আগৰ শতিকাৰ বিৰাট ছবিবোৰৰ জনপ্ৰিয়তা কমিছিল । কাৰণ সেইবোৰ কোমল, জটিল আৰু ভিতৰভাগ অলংকৰণ কৰা ঘৰত শোভা নাপাইছিল ।

এই সময়ছোৱাত অতি উল্লেখযোগ্য সংগ্ৰহ হৈছে - অ্যামেদিওৰ সংগ্ৰহৰ পৰা অনা ছবি । এইবোৰৰ বেছিভাগ ১৭ শতিকাৰ ইটালীয় ছবি আছিল । এইসময়তে এচাম প্ৰভাৱশালী মানুহে ভাবিলে যে বিশাল ৰাজকীয় সংগ্ৰহটো উপযুক্ত যত্ন লবৰ বাবে পুনৰ বিন্যাস কৰিব লাগে । ১৭৪৭ খৃষ্টাব্দত তৰুণ শিল্পী সকলে অধ্যয়ন কৰিবৰ বাবে এটা বিশেষ চিত্ৰশালা স্থাপনৰ বাবে আবেদন কৰা হৈছিল । এই অনুৰোধত সংগ্ৰহৰ পৰা ১১০ খন 'মাষ্টাৰ পিচ' ১৭৪৯ খৃষ্টাব্দত লুক্সেমবুৰ্গত প্ৰদৰ্শিত হ'ল । ই অস্থায়ী আছিল যদিও ইয়েই প্ৰথম পাব্লিক গেলাৰী । ল্যুভৰত 'গ্ৰ্যাণ্ড গেলাৰী' সজা হ'ল । কিছুমান সংস্কাৰ হ'ল আৰু কিনাৰ প্ৰণালীবদ্ধ নীতি হ'ল চতুৰ্দশ লুইৰ দৰে । ছবি আহিব ধৰিলে । নত্ৰদাম চাৰ্চৰ পৰাও আহিল । ১৮১৫ খৃষ্টাব্দত, নেপোলিয়ন পৰাজিত হোৱাত, ৫০০০ৰ বেছি শিল্প কৰ্ম ওভতাই দিয়া হ'ল । সংগ্ৰহ পুনৰ সজাই আন ছবি কিনিব ধৰিলে । তৃতীয় নেপোলিয়নে সংগ্ৰহ আৰু বিন্যাসত বৰ ৰাপ লৈছিল । সংগ্ৰহবোৰ বিভিন্ন বিভাগ হিচাপে এনেকৈ থোৱা আছে :-

১। গ্ৰীক আৰু ৰোমান প্ৰাচীন নিদৰ্শন
২। মিচৰীয়
৩। প্ৰাচ্য
৪। মধ্য, ৰেঁনেচা, আধুনিক ভাস্কৰ্য
৫। মধ্য, ৰেঁনেচা, আধুনিক কলা
৬। পেইন্টিং আৰু ড্ৰইং

মধ্য, ৰেঁনেচা আৰু আধুনিক কলা বিভাগত ৰাজকীয় সাজ-পোছাক আদিৰ সকলো মূল্যবান বস্তু আৰু বিপ্লৱৰ সময়ত বাজেয়াপ্ত কৰা বস্তু অন্তৰ্ভুক্ত কৰা আছে । লগত আছে আচবাবপত্ৰৰ জাতীয় সংগ্ৰহশালা ।

মিউজিয়ামত সংস্কাৰ বিভাগ, গ্ৰন্থাগাৰ, মহাফেজখানা আৰু ই কলা ইতিহাসৰ পাঠ দিয়ে । ইয়াত লেকচাৰ ট্যুৰৰ ব্যৱস্থা আছে । বিখ্যাত শিল্পীসকলৰ প্ৰদৰ্শনীও ইয়াত হৈ থাকে । এক হিচাপে ল্যুভৰে ঐতিহাসিক পেৰিচৰ উৎকৃষ্ট মানদণ্ডৰ সংজ্ঞা দিয়ে । ইয়াৰ সুদীৰ্ঘ আৰু ভিন্ন ইতিহাস থকা সত্ত্বেও আৰু বিভিন্ন শতিকাত ইয়াৰ নিৰ্মাণ হলেও ল্যুভৰত এটা একতাৰ ভাব আছে । সেয়ে মিউজিয়ামটো এবাৰতে হোৱা যেন লাগে । মিউজিয়ামৰ ভিতৰখন পোহৰাবলৈ যি গ্লাচ পিৰামিড সাজিছে ১৯৭৮ চনৰ আগৰে পৰা সেইটো বহুতেই ভাল পোৱা নাই । ইয়াৰ স্ৰষ্টা হৈছে চাইনিজ-আমেৰিকান ইও চিংপে !



*ভেনাচ দ্যা মিলো*



*ইজিপ্তৰ পৰা সংগ্ৰহীত এটি মূৰ্ত্তি*

ল্যুভৰ ভালকৈ চাবলৈ কেইবাদিনো সময় লাগে । প্ৰতিটো শাখা, প্ৰতিটো গেলাৰী চাওঁতে, তাৰ ৰস আচ্ছাদন কৰোতে বহু সময় যায় । বেছিভাগ গাইড বুকত মিউজিয়ামৰ বিভিন্ন দিশৰ সকলো তথ্য সন্নিবিষ্ট কৰাৰ লগতে প্ৰতিটো শাখাৰ প্ৰদৰ্শিত সামগ্ৰীৰ মুখ্যাংশ লিখা আছে । বহুতো দৰ্শকে কলা, ভাস্কৰ্য, চিত্ৰৰ ইতিহাস জানে যেন লাগে । প্ৰশংসা দৃষ্টিৰে চাই পাৰ হৈ যায় মাথো । পেৰিচ হৈছে বিশ্বৰ চিত্ৰশিল্পী সকলৰ বাবে তীৰ্থস্থান । ইয়াৰ স্কুলত পঢ়া ল'ৰা-ছোৱালীবোৰক মাজে-সময়ে চিত্ৰশালা আৰু ষ্টুডিঅ'বোৰলৈ লৈ যোৱা হয়, ফলত সৰুতেই তেওঁলোকৰ চিত্ৰশিল্পৰ প্ৰতি, কলাৰ প্ৰতি আগ্ৰহ আৰু জ্ঞান জন্মে ।

কেইবাবছৰৰ পৰা মিউজিয়ামটোৰ পুনৰ্নিৰ্মাণৰ কাম চলি আছে । শেষ হ'ব ১৯৯৬ চনত । আমি যোৱাৰ দিনাও একাংশত মেৰামতি চলি আছিল, গতিকে সেইফালে দৰ্শকক যাবলৈ দিয়া হোৱা নাছিল । সূ

# দেৱালী–দীপান্বিতা

ডাঃ মুক্তি প্ৰসাদ গগৈ

দীপাৱলী, দীপান্বিতা, দিৱালী বা আমাৰ দেৱালী অসমীয়া সমাজৰ এটা ডাঙৰ উৎসৱ কেতিয়াৰ পৰা হ'ল জানিবৰ চেষ্টা কৰা নাই। ই এক সৰ্বভাৰতীয় উৎসৱ যদিও উত্তৰ আৰু পশ্চিম ভাৰতত ইয়াৰ স্থান বহুত ওপৰত আৰু বৰ উলহ মালহেৰে এই উৎসৱ পতা হয়। ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ মানুহ বেছিকৈ অসমলৈ অহা আৰু বসবাস কৰাৰ লগে লগে অসমতো দেৱালী উৎসৱ উৎসাহ উদ্দীপনাৰে পালন কৰা হয়। চাকি জ্বলোৱা, ফট্‌কা ফুটোৱা, মিঠাই খোৱা– এইবোৰেই এই উৎসৱৰ প্ৰধান কথা। দীপান্বিতা কেনেকৈ আৰম্ভ হ'ল সেই সম্বন্ধে দুই এটা কিম্বদন্তী শুনিছো। এই বোৰ বিষয়ে সঠিককৈ কোৱা টান। ৰামে যেতিয়া সীতাকলৈ লঙ্কাৰ পৰা অযোধ্যালৈ ঘূৰি আহে তেতিয়া অযোধ্যাত প্ৰজাসকলে আনন্দত সেই দিনা চাকি লগাই ডাঙৰ উৎসৱ পাতিছিল। তাৰ পৰাই দেৱালী হ'ল।

আৰু এটা কথা হ'ল নৰনাৰায়ণৰ (মানে শ্ৰীকৃষ্ণ) হাতত নৰকাসুৰৰ যুদ্ধত মৃত্যুৰ পাছত মাতৃ বসুমতীয়ে যেতিয়া নৰনাৰায়ণক কলে "মোৰ এতিয়া কি হব ? মই কাক লৈ জীয়াই থাকিম ?" নৰনাৰায়ণে উত্তৰত সেই ঘোৰ অমাৱস্যাৰ ৰাতিটোত আজিৰ পৰা সদায় দীপ জ্বলাই পোহৰ হৈ থাকিব বুলি কলে। দেৱালী সদায় ঘোৰ অমাৱস্যা ৰাতিতেই হয়। মোৰ এই কিম্বদন্তী সম্বন্ধে একো মতামত নাই। এইবোৰ বাক্‌বিতণ্ডাত মই সোমাব নোখোজো কাৰণ কোনো লাভো নাই আৰু আৱশ্যকো নহয়। কথা কেইটা মই ডাক্তৰ জীৱেশ্বৰ চক্ৰবৰ্তীৰ পৰা শুনা।

এতিয়া আমাৰ সকলোৰে কেৱল চাকি জ্বলোৱা, ফট্‌কা ফুটোৱা এইবোৰেই বেছি ভাল লগা কথা। সুবিধা কৰিব পাৰিলে অলপ মিঠাইও বেয়া নহয়।

আমাৰ কাতি বিহুত ধান খেতিৰ পথাৰত চাকি জ্বলোৱাৰ বাহিৰেও যেই কোনো উৎসৱ বা সকাম-নিকাম আদিত মিঠাতেলৰ চাকি এগছ সদায় লগোৱা নিয়ম। অগ্নিৰ লগত মানুহৰ সম্বন্ধ পুৰণিকলীয়া আৰু কটকটীয়া। সকলো ধৰ্মতে জুই বা চাকিৰ স্থান আছে। মচজিদ্, গীৰ্জাঘৰতো মমবাতি জ্বলোৱা হয়। জুই আজিকালি মিঠাতেলৰ চাকিতে আবদ্ধ হৈ থকা নাই। মমবাতিও সুবিধা আৰু সুযোগ অনুযায়ী চাকিৰ সমানে ফেৰ মাৰিছে। দেৱালীত অকল চাকিয়েই জ্বলোৱা নহয়। মমবাতিও সমানে জ্বলোৱা হয়। দূৰৰ পৰা মমবাতি আৰু চাকি দেখাত একেই দেখি।

পদুলিত কল পুলি পুতি কেঁচা জাতি বাঁহৰ কামি দুই কল পুলিত লগাই তাৰ ওপৰত চাকি জ্বলোৱা সৰুকালৰে পৰা দেখি আহিছো। এতিয়াও চলি আছে।

কিন্তু আজিকালি আগতকৈ বহুত বেছি চাকি বা মমবাতি জ্বলোৱা হয়। ডাঙৰ ডাঙৰ তিনি চাৰি মহলীয়া ঘৰৰ চাৰিওফালে সজোৱা শাৰী শাৰী চাকিৰ সৌন্দৰ্যও চাব লগীয়া। সুন্দৰকৈ সজোৱা চাকি দেখিবলৈ বৰ ভাল। আহোম সকলৰ বিয়াত সজোৱা চকলঙৰ চাকিকেইগছো বৰ ধুনীয়া হয়। অলপতে হৈ যোৱা শ্ৰীজাহ্নু বৰুৱাৰ ফিৰিঙতিৰ ছবিত এই চকলঙৰ সজোৱা জ্বলি থকা চাকিবোৰ বৰ ধুনীয়া হৈছিল।

তাহানিৰ "আৰ এচ্ এন্ কোম্পানীত" কাম কৰা এজন পাঞ্জাবী অফিচাৰৰ ঘৰলৈ মোক এবাৰ দেৱালীত মাতিছিল। তেওঁলোকৰ নাম মোৰ এতিয়াও মনত পৰা নাই। তেওঁলোকৰ মহিলা গৰাকীক মই এবাৰ চিকিৎসা কৰিছিলো, বন্ধুত্ব তাৰ পৰাই। আমাৰ চাকি জ্বলোৱা অতি সাধাৰণ ভাবে হয়। তেওঁলোকৰ ঘৰতগৈ দেখিলো দেৱালীৰ চাকি জ্বলোৱাৰ বিশেষ কিছুমান ধুনীয়া নিয়ম আছে। মাইকী মানুহ গৰাকী ওখ পাখ, দেখিবলৈও লাহী গাৰ ধুনীয়া। তেওঁৰ চাকি জ্বলোৱা দেখি মই বৰ মুগ্ধ হলো। কেতিয়াবা উত্তৰ ভাৰতীয় মানুহৰ ঘৰত দেৱালীত যাব চোন। জুৱা খেলা তাচ খেলা ইত্যাদিত মোৰ কোনো ৰাপ নাই। কিন্তু দেৱালীত জুৱাখেলাটো ভাৰতবৰ্ষৰ বহু ঠাইতে প্ৰায় নিয়মেই। আজিকালি আমাৰ ইয়াতো বিশেষকৈ অন্য ৰাজ্যৰ পৰা অহা মানুহৰ ভিতৰত কমবেছি পৰিমানে জুৱা খেলটো চলে। মই সেইদিনা মোৰ বন্ধুৰ অনুৰোধত জুৱা খেলত ভাগ লবলগীয়া হৈছিল। পাঁচ টকা দিছিলো। মই হাৰিলো। তাতেই শেষ। তেতিয়াৰ পাঁচ টকা এতিয়াৰ পঞ্চাশ টকা। বেছিহলেও কম নহয়। গুৱাহাটীৰ খাৰঘুলিৰ পাহাৰত থকা জাহাজ কোম্পানীৰ ডাঙৰ বঙলাত কটোৱা দেৱালীৰ সন্ধিয়াটোৰ কথা এতিয়াও মাজে সময়ে মনত পৰে। তেওঁলোকক কিন্তু আৰু লগ পোৱা নাই।

দেৱালীত কিমান টকাৰ জুৱা খেলিব পাৰে ভাবিব নোৱাৰি। ডাঙৰ ডাঙৰ ঠাইত লাখ বা তাতোকৈও বেছি হয়। আমাৰ গুৱাহাটীতো কিছুমানে বিশ পঁচিশ হেজাৰ টকা জিকে বা হাৰে। মই এইবোৰ কথা ভাবিবই নোৱাৰো। আমাৰ অসমীয়া, অনা অসমীয়া মানুহৰ পইচাৰ হিচাপটো মই নাজানো।

দীপাৱলী উৎসৱটো এটা আনন্দৰ উৎসৱ। মানুহে আনন্দ কৰে। গতিকেই ভাল পায়। মিঠাই খাব পৰা মানুহে ভালদৰেই খায়। মানে স্বাস্থ্যৰ ফালৰ পৰা। কিন্তু প্ৰত্যেকটো বস্তুৰে আজিকালি যি জুই-চাই দাম। ইচ্ছা থাকিলেও বহুত কাম কৰিব নোৱাৰি। মিঠাতেলৰ কথাই নো নাচায় কিয় ? চাকি জ্বলাই লাই বা মূলা শাক ভজা তেলখিনি খৰচ কৰিবলৈ কষ্ট হয়। মিঠাতেলৰ দাম বঢ়াৰ পৰা গাধোৱাৰ আগতে গাত মিঠাতেল ঘহাঁ অভ্যাস থকা বহুত মানুহেই এৰিলে। গতিকে কম চাকি কম সময় পাৰিলে মাজতে দুই এদাল সৰু মমবাতি! কিন্তু ল'ৰা-ছোৱালী নাতি-পুতি বিশেষকৈ সৰু চামে এইবোৰ কথা বুজিবই নোৱাৰে। সিহঁতক সকলোকে চাকি জ্বলাবলৈ লাগে।

আজিকালি কিন্তু অন্য সুবিধাও হৈছে। সেইটো হ'ল বিজুলী বাতি। নানা ধৰণৰ বিজুলী বাতি। বিজুলীৰ মালা "নিয়ন লাইট" পিৰিক্ পাৰাক্‌কৈ জ্বলি থকা, ঘূৰি ঘূৰি থকা নানা ধৰণৰ বিজুলী বাতি। সেইবোৰৰ লগতে মিঠাতেলৰ চাকি আৰু মমবাতিয়ে এক নতুন পৰিবেশৰ সৃষ্টি কৰে। মিঠাতেলৰ চাকিক বিজুলীৰ্বাতিয়ে কিছুমান ঠাইৰ পৰা আঁতৰাইয়েই দিছে। যেনে–দোকানৰ গাদীত। গনেশজীৰ মূৰ্তিৰ ওচৰত আজিকালি চাকি নজ্বলে। তাৰ ঠাইত জ্বলে এটা "জিৰো পাৱাৰ"ৰ সৰু বাল্ব। অতি সুন্দৰ ব্যৱস্থা। কোনে তেল ঢালি থাকে চাকিত। তাতে ঠাইখনো লেতেৰা হয়। বিজুলী সৰবৰাহৰ বিজুতি লাগিলেই অলপ গণ্ডগোল। কিন্তু আজিকালি "জেনেৰেটৰ" ইনভাটাৰৰ" যুগত সেইটোও একো ডাঙৰ সমস্যা নহয়। ফট্‌কা ফুটোৱাতো দেৱালী উৎসৱৰ এক অপৰিহাৰ্য অঙ্গ। ফট্‌কাও আজিকালি নানা ধৰণৰ। আগতে আমি কেৱল





জানিছিলো সৰু সৰু ধান ফট্‌কা, হনুমান ফট্‌কা, টৰৱী ফুলঝাৰি, ৰঙা নীলা ৰঙৰ জুইশলা, বোমা ইত্যাদি। আজিকালি এইবোৰ বস্তুৰে বহুত বেলেগ বেলেগ ধৰণৰ ফট্‌কা। দেখিবলৈও ধুনীয়া। কিছুমান আকাশতহে গৈ ফুটেগৈ। আকাশতগৈ নানা ধৰণৰ ৰঙা নীলা ছবি হয়গৈ। আজিকালি অৱশ্যে ফট্‌কা ফুটোৱা কেৱল দেৱালীতেই আৱদ্ধ নহয়। দৰা আহি পালেও সেই ধৰণেই ফট্‌কা ফুটে !! যেই কোনো কাৰণত অলপ মনৰ আনন্দ প্ৰকাশ কৰিবলৈকে ৰাইজে ফট্‌কা ফুটায়। বৰবেছিকৈ বেয়া পোৱা কোনোবা নেতাৰ কিবা অঘটন ঘটিলেও ৰাইজে ফট্‌কা ফুটায়। খেলাত জিকিলেতো কথাই নাই। যেনে ক্ৰিকেটৰ ৱৰ্ল্ডকাপ ইত্যাদি। আজিকালি অৱশ্যে হকি খেলত জিকাৰ বাবে আমি ফট্‌কা ফুটাব নালাগে। যাহওক কিছু খৰচ কমিল !!

আজিকালি "অলিম্পিক গেমচ্" নাইবা "এচিয়ান গেমচ্" ইত্যাদি খেলাতো নানা ধৰণৰ বিজুলী বাতিৰ প্ৰদৰ্শন আৰু লগতে আকাশত ৰং বিৰঙৰ ফট্‌কা ফুটাই আৰম্ভ কৰা হয়। দেৱালীতকৈ কোনো গুণে কম নহয়।

এই ফট্‌কাবোৰৰ শব্দ কিন্তু মই বৰ টান পাওঁ। বৰ বেছি শব্দ কৰা ফট্‌কা মই ভাল নাপাওঁ। ফটকাৰ পৰা বিপদো আছে। হাতেৰে ধৰি সৰু ফটকা এটা ফুটাওঁতে এবাৰ মোৰ বন্ধু এজনৰ মাজৰ আঙুলিটোৰ আগ ডোখৰ উৰিয়েই গ'ল। একে লগে এগাল বান্ধিথোৱা সৰু ফটকাৰে ইমান জোৰ। ডাঙৰ বোৰৰ কথাই নাই। কলিকতাৰ হস্পিতেলত কাম কৰি দেখিছিলো দেৱালীৰ সন্ধিয়া আৰু বহুতৰে হাত বা আঙুলি চিগি যোৱা অৱস্থাত হস্পিতেললৈ আহে। গাটো জুই লাগে। জানি শুনিও মানুহৰ উৎপাত নকমে। অসাৱধানতাৰ সীমা নাই– সৰু ডাঙৰ সকলোৰে। ক্ষন্তেকীয়া ফুৰ্ত্তিখিনিয়েই ডাঙৰ।

স্কুলীয়া দিনত ডিব্ৰুগড়ত সদায় মাৰোৱাৰী পট্টিত দেৱালী চাবলৈ গৈছিলো। তেখেত সকলেই বৰ বেছিকৈ চাকি জ্বলায়। তুলনা ক্ৰমে আমাৰ কম জ্বলোৱা হয়। অসমৰ সকলো ঠাইতে প্ৰায় একেই। মিঠাতেলৰ ইমান দাম সত্ত্বেও মানুহে দেৱালীৰ চাকি জ্বলায়। হয়তো জ্বলায়েই থাকিব সদায় অন্যকিবা সস্তা তেল নোলোৱালৈকে। লগে লগে মম বাতি আৰু নানা ধৰণৰ বিজুলী বাতি। কিন্তু এই উৎসৱটো ধুনীয়া নুবুলি নোৱাৰি। ✿

# অসমত বুৰঞ্জী চৰ্চাৰ পৰম্পৰা

ডম্বৰুধৰ নাথ

আধুনিক-বুৰঞ্জী অধ্যয়ন আৰু ৰচনা ৰীতি অসমত অতি পুৰণি নহয়। ভাৰত অন্যান্য ঠাইৰ দৰে অসমতো বিশ্লেষণধৰ্মী বুৰঞ্জী প্ৰাচীন কালত ৰচনা হোৱা নাছিল। প্ৰকৃত কথাত ক'বলৈ গ'লে ভাৰতত আলোচনা-সমালোচনামূলক বিজ্ঞানভিত্তিক ইতিহাস বা বুৰঞ্জী ৰচনা ৰীতি পশ্চিমীয়া সভ্যতাৰহে অৱদান। ইংৰাজ সকল ভাৰতলৈ আহি ইয়াৰ প্ৰাচীন ইতিহাস ৰচনাত হাত নিদিয়া হ'লে ভাৰতৰ আধুনিক বুৰঞ্জী বা ইতিহাস ৰচনা ৰীতিৰ বেচ্ পলমকৈহে বিকাশ ঘটিলেহেঁতেন বুলি কোৱাৰ অৱকাশ আছে। সেয়ে ভাৰতীয় সভ্যতা-সংস্কৃতিক যেনেকৈয়ে বিচাৰ নকৰক লাগে পোন প্ৰথম আধুনিক ইতিহাস হিচাপে James Mill ৰ **History of British India** (1818) খনৰ এক সুকীয়া গুৰুত্ব আছে। কিন্তু সেই বুলি প্ৰাচীন বা মধ্যযুগৰ ভাৰতত যে একেবাৰেই বুৰঞ্জী চৰ্চা কৰা হোৱা নাছিল তেনে নহয়। প্ৰাচীন কালত ভাৰতত ছাত্ৰসকলৰ বাবে পুৰাণক ইতিহাস (বা বুৰঞ্জী) হিচাপে অধ্যয়ন কৰাটো প্ৰায় বাধ্যবাধক বুলি গণ্য কৰা হৈছিল আৰু ইয়াক পাঠ্য হিচাপে অধ্যয়নৰ বিষয় তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। উল্লেখনীয় মাথো এইটোৱেই আছিল যে- এপাচি পতান ধানৰ মাজত এটা গোট ধান বিচাৰি উলিয়াবলৈ যেনে কষ্ট কৰিব লগা হয়, ঠিক একেদৰেই পুৰাণ বিলাকতো সহস্ৰ বৃত্তান্ত বা কাহিনীৰ মাজৰ পৰা সত্য ঘটনা একোটা বিচাৰি উলিয়াবলৈ সহজ নাছিল। (দামোদৰ ধৰ্মানন্দ কোশাম্বীৰ মন্তব্য)। প্ৰখ্যাত বুৰঞ্জীবিদ ৰমেশ চন্দ্ৰ মজুমদাৰে উল্লেখ কৰিছে যে, ১৮০০ খ্ৰীঃত কলিকতাত Fort William College স্থাপন কৰাৰ সময়ত ইতিহাস বা বুৰঞ্জী বিষয়ৰ পাঠ্যপুথি তৈয়াৰ কৰিব লগা হোৱাত সেই সময়ৰ উচ্চতম ন্যায়ালয়ৰ প্ৰধান পণ্ডিত মৃত্যুঞ্জয় শৰ্মা নামৰ এজনক বঙালী ভাষাত এখন ভাৰত বুৰঞ্জী পুথি ৰচনা কৰি দিবলৈ দায়িত্ব দিয়া হৈছিল, আৰু তেওঁৰ সেই বুৰঞ্জীখন ১৮০৮ খ্ৰীঃত প্ৰকাশ হৈ ওলাইছিল। কিন্তু দেখা গৈছিল যে- কিছুমান নাভূত-নাশ্ৰুত বৰ্ণনাৰে কিতাপখন ভৰি আছিল। অৰ্থাৎ তেতিয়ালৈকে ভাৰতৰ মানুহৰ অতীত বুৰঞ্জী সম্পৰ্কীয় জ্ঞান আছিল নিচেই তৰল পুৰাণভিত্তিক আৰু সাধু জাতীয়। অৱশ্যে এনে অনৈতিহাসিক ইতিহাস চৰ্চাৰ মাজতে আধুনিক চৰিত্ৰবিশিষ্ট বুলি ক'ব পৰা বুৰঞ্জীও নথকা নহয়। উদাহৰণ স্বৰূপে খ্ৰীঃ দ্বাদশ শতিকাৰ কাশ্মীৰৰ পণ্ডিত কল্‌হনৰ **ৰাজতৰঙ্গিনী** খনৰ কথা উল্লেখ কৰিব পাৰি। কল্‌হনে উল্লেখ কৰিছে যে, তেওঁ তেওঁৰ পূৰ্বৱৰ্তী সকলোবোৰ বুৰঞ্জী গ্ৰন্থ অধ্যয়ন আৰু সংশোধন কৰি, আৰু সেই সময়ৰ প্ৰায় সকলোবোৰ সম্ভাব্য তথ্যপূৰ্ণ সমল বিচাৰ কৰিহে তেওঁৰ গ্ৰন্থখন ৰচনা কৰি উলিয়াইছিল। তেওঁ আৰু কৈছে যে এজন ঐতিহাসিক এজন বিচাৰকৰ দৰে হ'ব লাগে। পক্ষপাতিতা আৰু অসূয়া প্ৰবৃত্তি এৰি অতীতৰ ঘটনাৰাজি নিষ্ঠাৰে বিচাৰ কৰি সত্যখিনি বাছি উলিওৱাটো তেওঁৰ এটা প্ৰধান দায়িত্ব। কিন্তু ৰাজতৰঙ্গিনীৰ শাৰীৰ বুৰঞ্জী চৰ্চাৰ মান আৰু বৈশিষ্ট্য ভাৰতত ইয়াৰ পিছৰ যুগত ৰক্ষা নপৰিল। কেৱলমাত্ৰ সেইখনক এৰি ভাৰতীয় প্ৰাচীন সাহিত্যমালাত আন কোনো ৰচনাই এনে ইতিহাসৰ স্তৰলৈ উত্তীৰ্ণ নহ'ল।

মধ্যযুগৰ ভাৰতৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত এনে অভাৱ কিছু দূৰ হৈছিল। সেই যুগৰ বিশেষকৈ মুছলমান প্ৰশাসক সকলে নিজে বা তেওঁলোকৰ নিয়োজিত পণ্ডিতে আত্মজীৱনী, জীৱনী বা বৰ্ণনামূলক ভালেসংখ্যক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। এইবোৰ অতি আধুনিক অৰ্থত আধুনিক নহ'লেও, পুৰাণবোৰৰ দৰে প্ৰাচীন কালৰ কিংবদন্তি বা সাধু কথাও নাছিল। সি যি কি নহওক, প্ৰাচীন ভাৰতীয় সাহিত্যমালা আৰু মুছলমান ঐতিহাসিক সকলৰ এই সমকালীন গ্ৰন্থবোৰৰ ওপৰত ভিত্তি কৰিয়েই ইংৰাজ পণ্ডিত সকলে ভাৰতবৰ্ষত সেই সেই যুগৰ আধুনিক বুৰঞ্জী প্ৰণয়নৰ কাম আৰম্ভ কৰিছিল আৰু তাৰ ফলতেই পশ্চিমৰ দেশ সমূহত বিকাশ ঘটা আধুনিক ইতিহাস চৰ্চাৰ পৰম্পৰা এটাই ভাৰতবৰ্ষ তথা অসমতো ক্ৰমে বিস্তাৰ লাভ কৰিছিল- বিশেষকৈ ঊনবিংশ শতিকাৰ পিছৰ ফালে।

আধুনিক ভাৰতীয় ইতিহাস চৰ্চাত ইংৰাজৰ আমোলত গঢ় লৈ উঠা কেইটামান গৱেষণামূলক অনুষ্ঠানৰ বিপুল অৰিহণা আছে। সেইবোৰৰ ভিতৰত **Asiatic Society of Bengal** ৰ প্ৰতিষ্ঠাই (১৭৮৪ খ্ৰীঃ) ভাৰতৰ ইতিহাস চৰ্চাত নতুন যুগ এটাৰ সূচনা কৰিছিল। এই অনুষ্ঠানৰ জৰিয়তে প্ৰাচীন আৰু মধ্য যুগৰ ভাৰতীয় সাহিত্য সমূহ খৰচি মাৰি অধ্যয়ন কৰা আৰু সমালোচনামূলক দৃষ্টিৰে এইবোৰৰ আলোচনা কৰা কাম আৰম্ভ হ'ল। উদাহৰণ স্বৰূপে **Asiatic Society**ৰ প্ৰতিষ্ঠাপক William Jonesৰ কথাই উল্লেখ কৰিব পাৰি। তেওঁ নিজেই পোন প্ৰথম **মনুসংহিতা** খন ইংৰাজী ভাষালৈ অনুবাদ কৰি উলিয়াইছিল। ইয়াৰ পৰৱৰ্তী কালত **Archaeological Survey of India** প্ৰতিষ্ঠা হয় আৰু ইয়াৰ লগে লগে ভাৰতৰ প্ৰত্নতাত্বিক সমল সমূহ আৰু প্ৰাচীন ফ'লি বা লিপি বিলাকৰ অধ্যয়নৰ কামো আৰম্ভ হয়। এই ক্ষেত্ৰত আলেকজেণ্ডাৰ কানিংহাম (১৮১৪-১৮৯৩) আৰু জেমচ প্ৰিন্সেপৰ (১৭৯৯-১৮৪০) অৱদান উল্লেখনীয়। প্ৰিন্সেপৰ একাগ্ৰতীয়া যত্ন নোহোৱা হ'লে বোধহয় সম্ৰাট অশোকৰ লিপি সমূহ আৰু বহু পিছলৈকে পঢ়া হৈ নুঠিলহেঁতেন।

ভাৰতৰ দৰে অসমতো প্ৰাচীন কালত বুৰঞ্জী অধ্যয়ন আৰু ৰচনাৰ ৰীতি নাছিল। ইয়াৰ আদিম জনজাতি সকলৰ ভাষাই তেতিয়াও লিখিত ৰূপ পোৱা নাছিল। যেতিয়া সিন্ধু-গঙ্গা উপত্যকাত আৰ্যসকলে বেদ-উপনিষদ ৰচনা কৰি এইবোৰ লিখিত ৰূপ দিছিল। পৰৱৰ্তী কালত আৰ্য সকলৰ বিস্তাৰৰ লগে লগে অসমতো তেওঁলোকৰ এক ক্ষুদ্ৰাংশৰ প্ৰবেশ ঘটে। কিন্তু ইয়াত বেদ উপনিষদৰ দৰে কোনো বিশিষ্ট গ্ৰন্থ তেওঁলোকে ৰচনা কৰা নাছিল। বেদ, উপনিষদ, পুৰাণ, মহাকাব্য, কৌটিল্য-মনু আৰু যজ্ঞবল্ক্য আদিৰ সমাজ শাস্ত্ৰ বা স্মৃতিশাস্ত্ৰ সমূহৰ নীতি নিয়ম আৰু উপকথাবোৰেই অসমতো আৰ্য পৰিয়াল খিনিৰ সমাজখনক আৱৰি ৰাখিছিল। তথাপি স্থানীয় সভ্যতা-সংস্কৃতি আৰু ধ্যান-ধাৰণাৰ সংস্কৃতিকৰণ প্ৰক্ৰিয়াত আৰ্য পণ্ডিত সকলে গঙ্গা উপত্যকাৰ লগত সম্পৰ্ক ৰাখি চলিব পৰাকৈ অসমকেন্দ্ৰিক কিছু আখ্যান উপাখ্যান দেৱ-দেৱীৰ পূজা বিধি আদি ৰচনা কৰিছিল। নৰকাসুৰৰ উপাখ্যান, ৰজা সকলৰ বাবে একোটাকৈ দৈৱিক সূত্ৰ উদ্ভাৱন, কামাখ্যা দেৱীৰ পূজা নিবন্ধন, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ–আদি ৰচনা হৈছিল। ৰজাঘৰীয়া বংশ পৰম্পৰা আৰু ব্ৰাহ্মণক মাটি বৃত্তি দান দিয়া কাৰ্যৰ তথ্য ৰাখিবলৈ তাম্ৰ পত্ৰ, আৰু অন্যান্য গুৰুত্বপূৰ্ণ ঘটনা একোটাৰ বিষয়ে কোনো কোনো শিলৰ ফ'লিত সংক্ষিপ্তভাবে লিখি ৰখা হৈছিল। কিন্তু এইবোৰক বুৰঞ্জীৰ সমল হিচাপেহে ধৰিব পাৰি; বুৰঞ্জী হিচাপে নহয়। ভাৰতীয় পুৰাণ সমূহৰ আৰ্হিত লিখা আৰু প্ৰাচীন অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ বিপুল বতৰা বহণ কৰি ৰখা পুৰণি অসমৰ একমাত্ৰ পুথিখন হৈছে **কালিকা পুৰাণ**। পণ্ডিত সকলৰ মতে সংস্কৃত ভাষাৰ এইখন পুৰাণ খ্ৰীঃ ১০ম–১১শ শতিকামানত (কোনো কোনোৰ মতে ইয়াৰ পূৰ্বৰো হ'ব পাৰে) প্ৰণয়ন কৰা হৈছিল। তথাপি এই গ্ৰন্থখন প্ৰাচীন ভাৰতৰ পুৰাণ সমূহৰ ঠাঁচৰ এখন উপপুৰাণহে; কল্‌হনৰ **ৰাজতৰঙ্গিনীৰ** পৰ্যায়ৰ ইতিহাস নহয়। সমসাময়িক সমাজৰ ছবি একোখনৰ কিছু আভাস পাব পৰাকৈ কেইৰাখনো তান্ত্ৰিক সংস্কৃত গ্ৰন্থ সিদ্ধাচাৰ্য সকলৰ হাতত ৰচিত হৈছিল খ্ৰীঃ ৮ম–১০ম শতিকাৰ ভিতৰত। ইয়াৰ উপৰিও গীত-মাত আৰু পদ জাতীয় সাহিত্য প্ৰাচীন অসম আৰু ইয়াৰ কাষৰীয়া কোনো কোনো অঞ্চলত ৰচনা কৰা হৈছিল। এনে গীত-পদ জাতীয় পুৰণি সাহিত্যৰ ভিতৰত সিদ্ধাচাৰ্য সকলৰ দোহা বা চৰ্য্যাপদ সমূহ ধৰিব পাৰি। এইবোৰৰ উপৰিও খ্ৰীঃ ১৮শ শতিকাৰ ভিতৰত **চৰিত পুথি** আৰু **বংশাৱলী** নামৰ আন এক শ্ৰেণীৰ সাহিত্য ৰচিত হৈছিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰক ধৰ্মগুৰু, সত্ৰাধিকাৰ আৰু ৰজাঘৰীয়া বংশ পৰম্পৰা আৰু কাৰ্যাৱলীৰ বৰ্ণনা এই শ্ৰেণীৰ ৰচনাত পোৱা যায়। সেয়ে বুৰঞ্জীৰ সমল হিচাপে **চৰিত পুথি** আৰু **বংশাৱলী** বোৰৰ পৰা সমসাময়িক সমাজৰ ধৰ্ম, ৰাজনীতি, অৰ্থনীতি–আদি বিভিন্ন দিশৰ বিষয়ে জানিব পাৰি। কিন্তু গুৰুৰ অলৌকিক মহিমা আৰু ৰজাৰ অহেতুক প্ৰশংসাৰ সমাহাৰে এইবোৰক বুৰঞ্জী বা ইতিহাসৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰাত ব্যৰ্থ হৈছে।

মধ্যযুগৰ আহোম প্ৰশাসনৰ কালছোৱাত এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে-'বুৰঞ্জী' চৰ্চা কৰাৰ ধাৰাবাহিক ৰীতি এটা সৃষ্টি নোহোৱালৈকে অসমত ইতিহাস বা History চৰ্চাৰ কোনো ঐতিহাসিক পৰম্পৰা সৃষ্টি হোৱা নাছিল। ভাৰতৰ অন্যান্য ঠাইৰ দৰে ইয়াতো সাধু কথা, কিংবদন্তি আদি পুৰাণৰ আৰ্হিৰ বৰ্ণনা কিছুমানতেই প্ৰাচীন সমাজৰ ঘটনা বা জীৱন যাত্ৰাৰ বিষয়ে চৰ্চা কৰা হৈছিল। কিন্তু ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগতেই অসমত যি ৰাজনৈতিক পৰিৱৰ্তনৰ পাতনি আৰম্ভ হ'ল, তাৰ ফলস্বৰূপে পৰৱৰ্তী কালত ইয়াৰ সামাজিক আৰু সাংস্কৃতিক জীৱনবো উল্লেখনীয় পৰিবৰ্তন আহিল। নতুন ৰাজ্য এখনৰ ভেটি স্থাপন কৰিয়েই আহোম স্বৰ্গদেউ চুকাফাই পণ্ডিত সকলক 'যেতিয়া যি কথা হয়, যি মৰে, যাক পাঁও সকলো কথা' লিখি যাবলৈ আদেশ দিলে আৰু তেতিয়াৰ পৰাই অসমত ধাৰাবাহিক ভাবে বুৰঞ্জী চৰ্চা আৰু ৰচনা কৰাৰ এটা স্থায়ী ৰীতিৰ জন্ম হ'ল। আহোম ৰাজত্বৰ কালছোৱাত সুদীৰ্ঘ ছশ বছৰ ধৰি বুৰঞ্জী ৰচনা কৰোৱাটো এটা ৰাষ্ট্ৰীয় নীতি বা policy হিচাপে কাৰ্যকৰী কৰা হৈছিল।

বিষয়-বস্তুৰ ফালৰ পৰা অসমৰ এই 'বুৰঞ্জী' বিলাক মূলতঃ ৰাজনৈতিক ঘটনাৰ বিৱৰণহে এইবোৰক আধুনিক ইতিহাস বা বুৰঞ্জীৰ শাৰীত ধৰিব নোৱাৰি। কাৰণ ইয়াত বিশ্লেষণ আৰু আলোচনা পোৱা নাযায়। সেয়ে আহোম যুগৰ 'বুৰঞ্জী' বোৰ বৈশিষ্ট্যগত ভাবে chronicle হে বুলিব পাৰি। অৱশ্যে এইবোৰ ৰাজপুতসকলৰ গদ্য আৰু পদ্যত লিখা 'খ্যাত' আৰু মাৰাঠা সকলৰ 'বাখাৰ' বিলাকৰ লগৰো নহয়। তথাপি প্ৰত্যক্ষ অভিজ্ঞতাৰ উপৰিও ৰচয়িতা সকলে নানা ধৰণে সমল সংগ্ৰহ কৰি বুৰঞ্জীবোৰ লিখি উলিওৱাত সমাজৰ অন্যান্য বিষয় বস্তুৱেও ইয়াত মাজে মাজে ঠাই পাইছিল। আহোম ৰাজ্যৰ কেউকাষে থকা ৰাজ্য সমূহলৈ দূত হিচাপে পঠোৱা কটকী সকলৰ report বা প্ৰতিবেদনবোৰ সংযোজন কৰি গুৰুত্বপূৰ্ণ বুৰঞ্জী একোখন ৰচনা কৰি উলিওৱা হৈছিল। তেনে বুৰঞ্জীবোৰক **কটকী বুৰঞ্জী** বুলিয়েই জনা গৈছিল। এইবোৰ বুৰঞ্জীত অসমৰ বাহিৰেও চুবুৰীয়া ৰাজ্যবোৰৰ যেনে–ত্ৰিপুৰা, মণিপুৰ আদি ৰাজ্যৰ বুৰঞ্জী লিখি ৰখা হৈছিল। ইয়াৰ উপৰি বেলেগ বেলেগ ৰাজ্যৰ বিষয়ে কোনো কোনো স্বাধীন বুৰঞ্জীও আহোমৰ দিনত লিখি উলিওৱা হৈছিল। **পাদছাশ বুৰঞ্জী** (Eng - **Annals of the Delhi Budshahate.** (ed) S.K.Bhuyan) খন তেনে এখন প্ৰধান বুৰঞ্জী। ৰাজ্যৰ ঘৰ-দুৱাৰ, আলি-পদুলি, দলং-সাঁকো নিৰ্মাণ আদি কাৰিকৰী বিষয় সামৰিও বুৰঞ্জী লিখা হৈছিল। এনে বুৰঞ্জীবোৰক চাংৰুং ফুকন নামৰ এজন বিষয়াৰ তত্বাৱধানত ৰচনা আৰু সংৰক্ষণ কৰা হৈছিল বাবে শ্ৰেণী হিচাপে এই বুৰঞ্জী সমূহক **চাংৰুং ফুকনৰ বুৰঞ্জী** বুলি কোৱা হয়। কাৰিকৰী বিদ্যাৰ দৰে একোটা বিষয়ৰ অগ্ৰগতিৰ ওপৰত বুৰঞ্জী লিখি ৰখা ব্যৱস্থাটোৱে নিশ্চিত কৰি প্ৰমাণ কৰে যে–আহোমৰ দিনত দেশৰ বুৰঞ্জী চৰ্চাক দেশৰ উন্নতিৰ এক প্ৰধান উপায় হিচাপেই গণ্য কৰা হৈছিল।

দেখা যায় যে–বিভিন্ন বিষয় বস্তুক লৈ আহোমৰ দিনত বুৰঞ্জী লিখাৰ উপৰিও, বিভিন্ন ব্যৱস্থাৰেও বুৰঞ্জী ৰচনা কৰা হৈছিল। চৰকাৰী আৰু বেচৰকাৰী–উভয় পক্ষই বুৰঞ্জী লিখিছিল আৰু সংৰক্ষণ কৰিছিল। বুৰঞ্জী অধ্যয়ন আৰু ৰচনাৰ ওপৰত এনে গুৰুত্ব আৰোপ কৰাৰ মূলতে আহোম সকলৰ বুৰঞ্জীৰ প্ৰতি থকা গুৰুত্বকে বুজায়। প্ৰখ্যাত ভাষাতত্ববিদ গ্ৰীয়াৰ্চন চাহাবে মন্তব্য কৰিছে যে–প্ৰতিজন সম্ভ্ৰান্ত বংশীয় আহোমৰ বাবে বুৰঞ্জীৰ জ্ঞান থকাটো বাধ্যবাধক আছিল; কাৰণ সমাজত সম্মানিত ব্যক্তি হিচাপে গণ্য হ'বলৈ হ'লে মানুহৰ বুৰঞ্জীৰ জ্ঞান থকাটো নিশ্চিত অৰ্হতা বুলি ধৰা হৈছিল। উল্লেখনীয় যে–ভৱিষ্যত বিপদ-বিঘিনি বা সৌভাগ্য-দুৰ্ভাগ্যৰ বতৰা আগতীয়াকৈ পাবলৈ আহোম সম্ভ্ৰান্তসকলে বুৰঞ্জীৰ পাঠ আৰু জ্ঞান ব্যৱহাৰ কৰিছিল। আৰু সেই বাবেই চক্‌লং প্ৰথাৰ বিয়াত দৰা-কন্যাৰ আগত বুৰঞ্জী পাঠ কৰি শুনোৱা ৰীতি এতিয়াও তেওঁলোকৰ মাজত প্ৰচলন আছে। 'History' বিষয়ত যাক 'prediction' বা ভৱিষ্যত বাণী বুলি কোৱা হয়, সেই prediction ৰ লগত আহোম বুৰঞ্জী অধ্যয়নৰ গুৰিত নিহিত থকা এনে ধাৰণাক ৰিজাব পাৰি। সেয়ে আহোমৰ দিনৰ বুৰঞ্জী সমূহ মধ্যযুগীয় হৈয়ো কিছু পৰিমাণে আধুনিক। যি সময়ত সমগ্ৰ ভাৰততে কল্‌হনৰ কাশ্মীৰক এৰি, ইতিহাস বা বুৰঞ্জী চৰ্চাৰ কোনো পৰম্পৰাই নাছিল, সেই সময়ত নিজকে ভদ্ৰ সমাজৰ অন্তৰ্ভুক্ত কৰিবলৈ 'বুৰঞ্জী' বা ইতিহাসৰ জ্ঞান চৰ্চা কৰা পৰম্পৰা নিশ্চয় আশ্চৰ্যজনক। উল্লেখনীয় যে য'ত আধুনিক বুৰঞ্জী ৰচনাৰ প্ৰথম বাট মুকলি হয়, সেই ইউৰোপতো খ্ৰীঃ ১৭শ শতিকাৰ পূৰ্ব ভাগলৈকে chronicle বা ঘটনা পঞ্জী জাতীয় কিছুমান পুথিহে ৰচনা কৰা হৈছিল, আৰু সেইবোৰতো আলোচনা-সমালোচনাই বিশেষ ঠাই পোৱা নাছিল। আনহাতে বিষয়বস্তুৰ ফালৰ পৰাও খ্ৰীষ্টান গীৰ্জা বা ধৰ্ম সম্পৰ্কীয় বিষয়েহে প্ৰধান ভাবে ঠাই পাইছিল আৰু সকলোবোৰ গুৰুত্বপূৰ্ণ ঘটনাই ভগৱানৰ ইচ্ছাতে সম্পন্ন হোৱা বুলি ঐতিহাসিক সকলে ধৰি লৈছিল।

খ্ৰীঃ অষ্টাদশ শতিকাৰ পৰা ইউৰোপত আধুনিক বিজ্ঞানভিত্তিক বুৰঞ্জী ৰচনাৰ কাম আৰম্ভ হয়। সেই যুগৰ ঐতিহাসিক নেবুহাৰ আৰু ৰাংকে এই ক্ষেত্ৰত অগ্ৰণীপুৰুষ আছিল। এই নতুন ৰীতিৰ বুৰঞ্জীত-সমলৰ বিচাৰ বিশ্লেষণ আৰু ঘটনাৰ সমালোচনাই ঠাই পাইছিল। ফলত ভাৰতত ইংৰাজৰ আধিপত্য স্থাপন হোৱাৰ লগে লগে আধুনিক ইতিহাস ৰচনাৰ বিজ্ঞানসম্মত ধাৰা এটাবো ইয়ালৈ আমদানি হৈছিল। লগে লগে বুৰঞ্জী ৰচনা আৰু ইয়াৰ গুণাগুণ ৰক্ষাৰ ওপৰতো গুৰুত্ব বাঢ়িল। আগতে উল্লেখ কৰি অহা হৈছে যে James Mill (১৭৭৩–১৮৩৬)ৰ **History of British India** খনেই ভাৰতৰ বিষয়ে লিখা প্ৰথম আধুনিক ইতিহাস। অৱশ্যে সৰ্বপ্ৰথম আধুনিক ইতিহাস হ'লেও Mill ৰ গ্ৰন্থখন উপৰ্য্যুপৰি সমালোচনা কৰাৰ স্থল আছে। কাৰণ এখন স্থায়ী উপনিবেশ স্থাপন কৰা আৰু ইয়াৰ দ্ৰুত সম্প্ৰসাৰণ ঘটাব খোজা এটা জাতিৰ প্ৰতিনিধিমূলক ঐতিহাসিক হিচাপে ভাৰতীয় মানুহৰ মনত উপনিবেশিক বীজ ৰোপণ কৰাৰ এয়া আছিল প্ৰথম গোপন আৰু কৃতকাৰ্য প্ৰচেষ্টা। সুদূৰৰ দেশ এখনত বিভাজন আৰু শোষণ প্ৰক্ৰিয়া এটা সহজে আৰু সুন্দৰকৈ চলাই যাব পৰাকৈ বৃটিছ সকলে ভাৰতৰ প্ৰতিটো জাতি-জনজাতি, তেওঁলোকৰ ভাষা, ইতিহাস আৰু তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্য সমূহ অধ্যয়ন কৰিছিল। এওঁলোকৰ এনে অধ্যয়নৰ পৰিধিৰ পৰা অসম আৰু ইয়াৰ দাঁতি-কাষৰীয়া ঠাইৰ জনজাতিসমূহো বাদ পৰা নাছিল।

বৃটিছ সকলৰ নতুন ইতিহাস চৰ্চাৰ পৰম্পৰাই অসমত আহোমৰ দিনৰ বুৰঞ্জী চৰ্চাৰ ওপৰত খোপনি পুতি আগুৱাবলৈ সুবিধা পালে–

যদিও মূলতে আহোমৰ 'বুৰঞ্জী' লিখা ৰীতি বৃটিছৰ যুগৰ আধুনিক ৰীতিতকৈ বেলেগ আছিল। পূৰ্বে আহোমৰ দিনৰ বুৰঞ্জী সমূহত নথকা বিচাৰ-বিশ্লেষণে বৃটিছৰ সময়ৰ বুৰঞ্জীত অগ্ৰণী ভূমিকা লাভ কৰিলে। কিন্তু সেই বুলি সেই সময়ছোৱাত ৰচনা কৰা অসমৰ বুৰঞ্জীসমূহত যে সকলোবোৰ বিচাৰ-বিশ্লেষণেই নিখুঁত আছিল তেনে নহয়। তেতিয়াও মূলতঃ ৰাজনৈতিক ঘটনা পঞ্জীৰ বৰ্ণনাৰেহে প্ৰায়বোৰ বুৰঞ্জী ৰচনা হৈছিল। উদাহৰণ স্বৰূপে অসমৰ প্ৰথম আধুনিক আৰু পূৰ্ণাঙ্গ বুৰঞ্জী Sir Edward Guit ৰ **A History of Assam** খনৰ কথা উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰিও স্বদেশী লেখকৰ হাতত সৃষ্টি হোৱা বুৰঞ্জী সমূহতো James Millৰ ভাৰত বুৰঞ্জী বিভাজনৰ অনুপ্ৰেৰণা এটাই অজানিতে কাম কৰি গৈছিল। তাৰ ফলত ভাৰতৰ অন্যান্য ঠাইত হোৱাৰ দৰে সেই সময়ৰ বুৰঞ্জীবোৰে প্ৰশাসনীয় কামত বৃটিছ সকলৰ বিস্তৰ সহায় কৰাৰ উপৰিও স্বাধীনোত্তৰ কালতো উত্তৰ-পূব ভাৰতৰ সমাজৰ গতি নিৰ্ণয় কৰাত প্ৰভূত প্ৰভাৱ পেলোৱা দেখা গৈছে।

বৃটিছৰ দিনৰ পৰা এটা বিশ্লেষণ ধৰ্মী ইতিহাস ৰচনাৰে পৰম্পৰা সৃষ্টি হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ পৰম্পৰাত আন এটা অতি গুৰুত্বপূৰ্ণ অধ্যয়নৰ দিশ মুকলি হৈছিল। বুৰঞ্জী ৰচনাৰ বাবে উপযুক্ত আৰু যথেষ্ট সমলৰ আৱশ্যক হোৱাত ইংৰাজ পণ্ডিত সকলে আহোমৰ দিনৰ বুৰঞ্জীবোৰ সম্পাদিত, প্ৰকাশিত আৰু অনূদিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। সেই সময়তে ইংৰাজ কোম্পানী চৰকাৰৰ সহায়-সহযোগত উত্তৰ-পূব ভাৰতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰত ব্যস্ত থকা আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকলেই সৰ্বপ্ৰথমে প্ৰাচীন বুৰঞ্জী পুথিবোৰ সংগ্ৰহ আৰু প্ৰকাশ কৰি বুৰঞ্জী চৰ্চাৰ অন্য এটা অবিশ্ৰান্ত যুগ সৃষ্টিত সহায় কৰিলে। উল্লেখ কৰিব পাৰি যে খ্ৰীঃ ১৮৫০-৫২ৰ ভিতৰত শিৱসাগৰ Baptist Mission Press ৰ পৰা প্ৰকাশ পোৱা **অৰুনোদয়** কাকতত **পুৰণি অসম বুৰঞ্জী** নামে এখন বুৰঞ্জী খণ্ড খণ্ডকৈ প্ৰকাশ পায়। ইয়াৰ পৰৱৰ্তী কালত ডঃ সূৰ্য কুমাৰ ভূঞাই ইয়াক পৰিবৰ্দ্ধিত আকাৰত **দেওধাই অসম বুৰঞ্জী** নামে ১৯৩১ খ্ৰীঃত প্ৰকাশ কৰে। এইদৰে ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই আহোম ভাষাৰ বুৰঞ্জী এখন ইংৰাজীলৈ অনুবাদ কৰি দি অসমৰ আধুনিক বুৰঞ্জী ৰচনালৈ মূল্যবান সমলৰ যোগান ধৰে। পুৰণি বুৰঞ্জীবোৰৰ সংকলন, প্ৰকাশন বা অনুবাদ হোৱাৰ লগে লগে আধুনিক বুৰঞ্জী ৰচনাৰ কামো আগবাঢ়ি যায়। ইতিমধ্যে Sir Edward Guit এ ১৯০৫ খ্ৰীঃত **A History of Assam** লিখি উলিয়াইছিল। তাৰ আগে আগে গুণাভিৰাম বৰুৱাৰ **আসাম বুৰঞ্জী** (১৮৮৪) পদ্মনাথ গোহাঁই বৰুৱাৰ **অসমৰ বুৰঞ্জী** (১৮৯৯) আৰু তাৰ বহু পূৰ্বে ১৮২৯ খ্ৰীঃত বঙালী ভাষাত হলিৰাম ঢেকীয়াল ফুকনৰ **আসাম বুৰঞ্জী** প্ৰকাশ পাইছিল। অকল- সেয়ে নহয়, চৰকাৰী সাহায্যত বুৰঞ্জী চৰ্চা হ'ব পৰাকৈ ১৯১২ খ্ৰীঃত **কামৰূপ অনুসন্ধান সমিতি** আৰু ১৯২৮ খ্ৰীঃত **বুৰঞ্জী আৰু পুৰাতত্ত্ব** অধ্যয়ন বিভাগ এটা গুৱাহাটীত প্ৰতিষ্ঠা হয়। এই দুটা চৰকাৰী অনুষ্ঠানে অসমৰ বুৰঞ্জী অধ্যয়ন আৰু ৰচনাত বিপুল অৰিহণা যোগাইছে। কিন্তু বৃটিছৰ হাতত ঠন ধৰি উঠা নতুন ইতিহাস চৰ্চাৰ পৰম্পৰাই যি গোষ্ঠীবিভেদ নীতি বা সাম্প্ৰদায়িক মনোবৃত্তি সৃষ্টি কৰিলে সি অসমৰ বুৰঞ্জী প্ৰণয়নত এনে এটা দৃষ্টিকোণ বা Out look সৃষ্টি কৰিলে যে স্বাধীনোত্তৰ কালতো সেই দৃষ্টি দোষৰ পৰা ঐতিহাসিক সকলৰ বহুতেই মুক্ত হ'ব নোৱাৰিলে।

উনবিংশ শতিকাৰ শেষৰ ফালে ভাৰতত মধ্যবিত্ত শিক্ষিত শ্ৰেণীটোৰ মাজত জাতীয়তাবোধৰ জন্ম হোৱাত সমগ্ৰ ভাৰততে ইতিহাস চৰ্চাৰ আন এটা নতুন ধাৰা সৃষ্টি হয়–যাক জাতীয়তাবাদী ধাৰা বুলিব পাৰি। ইয়াৰ ফলত দেশৰ অতীত ইতিহাস চৰ্চাৰ বাবে এচাম বুদ্ধিজীৱী অনুপ্ৰাণিত হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰতো এই ধাৰাটোৰ প্ৰবল ভাবে সৃষ্টি হৈছিল। কিন্তু বুদ্ধিজীৱী সকলৰ প্ৰায় সকলোৱেই ইংৰাজৰ বিশ্ববিদ্যালয় সমূহৰ ধ্যান-ধাৰণা, অনুপ্ৰেৰণা আৰু আদৰ্শেৰে পুষ্ট হোৱাত তেওঁলোকৰ সৃষ্টি বুৰঞ্জীবোৰত Oxford London বা Cambridge আদি বিশ্ববিদ্যালয় সমূহৰ ৰচনা ৰীতি আৰু বিশেষকৈ দৰ্শন নিসৃত হৈ থকাও দেখা যায়। উল্লেখযোগ্য যে আহোমৰ দিনৰ বুৰঞ্জী ৰচনাৰ ৰীতি সলনি কৰি হ'লেও ইংৰাজ সকলে অসমত বুৰঞ্জী অধ্যয়নৰ প্ৰণালী, ব্যৱস্থা আৰু যি দৰ্শনৰ পাতনি মেলিলে, তাৰ ফলত অসমত বুৰঞ্জী চৰ্চাৰ পূৰ্বৰ পৰা চলি অহা ধাৰাটো অবিচ্ছিন্ন হৈ ৰৈ গৈছিল আৰু সি অধিক প্ৰবল ভাবে এতিয়াও চলি আছে।

আধুনিক কালত হোৱা বুৰঞ্জী অধ্যয়নৰ ৰীতিৰ কিছু নিজা বৈশিষ্ট্য আছে। ইয়াত বিষয়-বস্তুৰ পৰিধি যেনে বহল, ব্যাখ্যাৰ ৰীতিও বিশ্লেষণাত্মক। ইংৰাজৰ ঔপনিবেশিক ৰীতি, বস্তুবাদী দৰ্শন, ক্ষুদ্ৰ জাতীয়তাবাদ বা সাম্প্ৰদায়িকতাবাদী ধ্যান-ধাৰণা আদিয়ে বুৰঞ্জী ৰচনাৰ পৰম্পৰাক প্ৰতিক্ৰিয়া কৰিছে। তাৰ ফলত অসামাজিক বা নিকৃষ্ট শ্ৰেণীৰ বুৰঞ্জীও সৃষ্টি নোহোৱাকৈ থকা নাই। তেনে শ্ৰেণীৰ বুৰঞ্জীত অসমৰ সভ্যতা-সংস্কৃতিৰ ভুল ব্যাখ্যা দিয়া বা ইয়াৰ আচল ছবিখন ঢাকি ৰাখিবলৈ বুৰঞ্জী লেখক সকলে চেষ্টা কৰাও দেখা যায়। আহোম প্ৰশাসনৰ সময়তো বুৰঞ্জীত ভুল ব্যাখ্যা দিবলৈ প্ৰয়াস কৰা হৈছিল বুলি জনা যায়; কিন্তু সেয়া সম্পূৰ্ণ ব্যক্তি কেন্দ্ৰিক হৈ আছিল, জাতি বা সমাজ কেন্দ্ৰিক নাছিল। মন কৰিব লগা যে সেই সময়ত বুৰঞ্জী লিখা হৈছিল যেনেকৈ, সেইবোৰৰ পৰীক্ষনো চলিছিল তেনেকৈ। নিৰ্বাচনত নুঠা বুৰঞ্জীবোৰ সংৰক্ষণ নহৈছিল। কিন্তু তাৰ অৰ্থ এইটো নাছিল যে বুৰঞ্জী ৰচনা ৰাজনীতিয়ে গৰকা আছিল। 'বুঢ়া গোহাঁই' ৰ দৰে উচ্চতম পদৰ অধিকাৰী হাবিৰ মাজত হেৰাই থাকি যোৱা, আৰু তিৰোতা মানুহে ৰজা আৰু মন্ত্ৰীক মেখেলা পিন্ধাবলৈ সাহস কৰা–আদি দুৰ্ভাগ্যজনক ঘটনাত সেইবোৰ বুৰঞ্জীত নিৰ্বিবাদে বৰ্ণিত হৈছিল। সেই বাবেই অকল ভাৰততে কিয় সমগ্ৰ বিশ্বতে মধ্যযুগৰ অসমৰ বুৰঞ্জীবোৰ সাহিত্য আৰু বুৰঞ্জী উভয় ক্ষেত্ৰত অনন্য মূল্যৰ প্ৰতীক বুলি ক'ব পাৰি।

দেখা যায় যে আধুনিক অসমৰ বুৰঞ্জী ৰচনাৰ পৰম্পৰা ভাৰতৰ অন্যান্য ঠাইৰ দৰে এতিয়াৰ সৃষ্টি নহয়। কাশ্মীৰৰ একমাত্ৰ বুৰঞ্জী লেখক কলহনক এৰি সমগ্ৰ ভাৰতবৰ্ষতে যি পৰম্পৰা আন ক'তো গঢ়ি উঠা নাছিল, তেনে এক গুৰুত্বপূৰ্ণ বিষয়ৰ অধ্যয়ন আৰু চৰ্চা অসমত বাধ্যবাধক আৰু ৰাষ্ট্ৰনীতি ৰূপে হৈছিল মধ্য যুগৰ আহোম-প্ৰশাসনৰ ছশবছৰ ধৰি চলা শাসন কালত। এই পৰম্পৰা তেতিয়া এনে নিখুঁত আৰু একেধাৰে চলিছিল যে ১২২৮ খ্ৰীঃত প্ৰথম আহোম ৰজা চুকাফাই চৰাইদেউত ৰাজধানী পাতি দেশৰ বুৰঞ্জী লিখি যাবলৈ পণ্ডিত সকলক নিৰ্দ্দেশ দি যোৱাৰ পৰা ১৮৩৮ খ্ৰীঃত পুৰন্দৰ সিংহ স্বৰ্গদেউক আঁতৰাই অসমখন বৃটিছৰ খাচ দখললৈ নিয়া সময়লৈকে বুৰঞ্জী লিখা ৰীতি চলি আছিল। উল্লেখনীয় যে অন্যান্য কেইবাখনো অপ্ৰকাশিত অৱস্থাত থকা বুৰঞ্জী পুথিৰ উপৰিও তেওঁৰ অতি দুৰ্যোগৰ কাল চলি থকা সময়ছোৱাতো পুৰন্দৰ সিংহই কাশীনাথ তামুলী ফুকনৰ **আসাম বুৰঞ্জী** আৰু পদ্যবুৰঞ্জীৰূপে প্ৰকাশ পোৱা দুতিৰাম হাজৰিকাৰ **কলিভাৰত বুৰঞ্জী** আৰু বিশ্বেশ্বৰ বৈদ্যাধিপৰ **বেলিমাৰৰ বুৰঞ্জী** দুখন লিখোৱাইছিল। তেনে এক চহকী পৰম্পৰাৰ শেষ নৌ হওঁতেই অসমলৈ আমদানি হৈছিল ইউৰোপৰ ইতিহাস চৰ্চাৰ আন এক পৰম্পৰা–য'ত ঘটনাৰ বিচাৰ-বিশ্লেষণক অধিক গুৰুত্ব দিয়া হৈছিল আৰু ইতিহাসক বিজ্ঞানৰ শাৰীলৈ উত্তোলন কৰাৰ বাবে সত্যৰ অন্বেষণ চলিছিল। কিন্তু বিষয় বস্তুৰ বিচাৰ-বিশ্লেষণে ঐতিহাসিকৰ মনত পূৰ্বৰে পৰা ভুমুকি মাৰি থকা একো একোটা ধ্যান-ধাৰণাক পৰোক্ষ ভাবে উপস্থাপন কৰিবলৈ সুবিধা দিয়াত বৰ্তমানৰ বুৰঞ্জীবোৰত পূৰ্বনিৰ্দ্ধাৰিত মন্তব্যই ক্ৰিয়া কৰা দেখা যায়। কিন্তু সেই বুলি এই নতুন পৰম্পৰাৰ ইতিহাস বা বুৰঞ্জীয়ে পূৰ্বৰ পৰা চলি অহা বুৰঞ্জী চৰ্চাৰ পৰম্পৰাক দুৰ্বল কৰা নাই বা ই নিজেও এক দুৰ্বল পৰম্পৰাৰ প্ৰতীক নহয়। বৰঞ্চ এই নতুন পৰম্পৰাই পূৰ্বৰ পৰম্পৰাক পুনৰ সুদৃঢ় কৰিলে আৰু ইয়াৰ পৰিধি আৰু গুণাগুণ বৃদ্ধি কৰি অসমত বিজ্ঞান ভিত্তিক বুৰঞ্জী সাহিত্য সৃষ্টিৰ পথ মুকলি কৰিলে। সূ





# অসমত কুৰিটা বছৰ

নিৰ্মলা খৰ্কৱাল

(১)

১৯৬৩ চনত, লাজুকী কইনাৰ বেশত কেনেকৈ মই অসম পাইছিলোহি, সেই কথা মোৰ আজিও মনত আছে। লক্ষ্ণৌৰ পৰা হাফলঙলৈ বহুদূৰ বাট; বাটটোৰ যেন ওৰ নপৰিবই এনেকুৱা লাগি গৈছিল। বাটৰ প্ৰথম ছোৱাত দুকাষৰ দৃশ্যবোৰ–ঘৰ বাৰী আৰু গছ-গছনিবোৰ চিনাকি যেনেই লাগি আছিল। কিন্তু পাছছোৱাত সেই দৃশ্যবোৰত কোনোবাই যেন যাদুৰ পৰশহে বুলাই দিছিল; চাই চাই মোৰ দুচকুৰ হেঁপাহ পলোৱা নাছিল। শিলিগুড়িৰ পৰা এই পৰিৱৰ্তন বেছিকৈ চকুত পৰিছিল। মই তাৰ আগতে দেখি অহা যি কোনো পাৰ্বত্য-নিবাসতকৈ অসমৰ শ্যামলিমা বেছি গভীৰ, বেছি মনোহৰা। ঘন সেউজীয়া অৰণ্যভূমি, ওখ ওখ বাঁহ গছবোৰ, পৰিপাটিকৈ ৰোৱা শাৰী শাৰী চাহগছৰ জোপোহাৰে সৈতে মাইলৰ পিছত মাইল জুৰি থকা ডাঙৰ ডাঙৰ চাহ-বাগিচাবোৰৰ দৃশ্যই মোক এখন একেবাৰে নতুন জগতলৈ লৈ গৈছিল। মে' মাহত যেতিয়া দেশখনৰ আন কিছুমান ঠাইত গৰম ধূলি-বতাহৰ কোবত মানুহৰ অৱস্থা কাহিল হৈছিল, চকুৱে-মুখে ধূলি-বালি সোমাই নগুৰ-নাস্তি হৈছিল, আৰু পিয়াহত অনবৰতে অণ্ঠ-কণ্ঠ শুকাই আছিল, তেতিয়া গহন বনৰ শ্যামলিমা, ধাৰাষাৰ বৰষুণ আৰু শীতল বতাহে মোৰ গা-মন জুৰ পেলাই আছিল আৰু মই মগ্ন হৈ আছিলো বাটৰ দুকাষৰ ক্ষণে ক্ষণে সলনি হৈ থকা প্ৰকৃতিৰ অপৰূপ ৰূপসুধা পান কৰাত। চকুৰ পলক পেলাবলৈকো মোৰ সত যোৱা নাছিল–জানোচা কিবা এটি এনেকুৱা দৃশ্য মোৰ দৃষ্টিৰ আঁৰ হৈ যায়, যিটো দৃশ্য মই আৰু কেতিয়াও দেখিবলৈ নাপাওঁ! পিছত অৱশ্যে মই বহুবাৰ বহুতো মনোৰম দৃশ্য দেখিবলৈ পালো। কিন্তু সেয়া এক অন্য কাহিনী। ব্ৰহ্মপুত্ৰ নৈখন প্ৰথমবাৰ দেখাৰ স্মৃতি আজিও মোৰ মনত সজীৱ হৈ আছে। ব্ৰহ্মপুত্ৰৰ দৰে নদীৰ বিশাল আৰু গম্ভীৰ ৰূপ মই আগতে দেখা নাছিলো।

লামডিং পাওঁহি মানে মই ভাগৰত লালকাল দিছিলো। হাফলং পালোগৈ মাজনিশা। সেইটোৱেই ৰেল গৈ পোৱাৰ নিৰ্ধাৰিত সময় আছিল। ৰেল-ষ্টেচনৰ প্লেটফৰ্মত হাতত লেম্প লৈ ফুৰা বুঢ়া এজনক দেখি মোৰ 'মহল' বোলা পুৰণি হিন্দী বোলছবি এখনৰ দৃশ্য এটালৈ মনত পৰি গৈছিল। কিজানি সেই ৰাতিখন চকুত টোপনিয়ে হেঁচা মাৰি ধৰা কাৰণেহে মোৰ তেনে লাগিছিল! ভালেমান খট্‌খটী বগাই আৰু অকোৱা-পকোৱা পাহাৰী ৰাস্তাইদি মটৰ-গাড়ীৰে আধাঘণ্টামান যোৱাৰ পিছত আমাৰ গন্তব্যস্থল–ৰেলৱে বঙলাত উপস্থিত হ'লোগৈ।

পিছদিনা জানিব পাৰিলো যে হাফলং এখন ধুনীয়া পাহাৰী চহৰ–আধা-আধি পাৰ্বত্য-নিবাস। তাৰ বতৰ কোমল। কেবাটাও সৰু সৰু হ্ৰদেৰে সৈতে চাফ-চিকুণ চহৰখন দেখাত বৰ ডাঙৰ 'গল্ফ ক'ৰ্ছ' (Golf Course) এটাৰ দৰে। অকোৱা পকোৱা আলিবাট আৰু সুদৃশ্য চাং–বঙলাবোৰে চহৰখনৰ ৰূপত ৰহণ চৰাইছিল। বিজুলী চাকিৰ ব্যৱস্থা তেতিয়াও হোৱা নাছিল। টেলিফোন কৰিবলৈ হ'লে 'প'ৰ্টেৱল গ্ৰামোফোন'ৰ দৰে -হেণ্ডেল পকাব লাগিছিল। শাক–পাচলি আৰু ফল-মূলৰ সাপ্তাহিক হাটৰ পৰা মই দুঅনাত এক ডজন কল আৰু দহ টকাত এশটা সুমথিৰা টেঙা কিনিছিলো। নতুন ঠাইত নতুনকৈ আৰম্ভ কৰা সেই জীৱনটোৰ সৈতে মই যথাসাধ্য নিজকে খাপ খুৱাই লৈছিলো। মাজে মাজে বৰ অকলশৰীয়া বোধ কৰিছিলো। ঠাইখনৰ ভাষা আৰু ৰীতি-নীতিবোৰ নজনাৰ কাৰণেও অলপ অসুবিধা হৈছিল। কিন্তু বেছ সোনকালেই মই ভালেমান শব্দ শিকি পেলাইছিলো আৰু অঙ্গী-ভঙ্গীৰেও বহুত কথা বুজিব আৰু বুজাব পৰা হৈছিলো। কেৱল এবেলিহে বেচ বিপদত পৰিছিলো। এদিন আবেলি পৰত মই অকলশৰে বাৰান্দাত বহি নানানটা কথা ভাবি-গুণি আছো। এনেতে অৰ্দালিটোৱে আহি ক'লে, "বাইদেউ, জমাদাৰ আহিছে।" মই তেতিয়া তাক বাথৰুমৰ দুৱাৰখন খুলি দিবলৈ কলো। পিছে সি আকৌ একেটা কথাকে মোক প্ৰায় ফুচফুচাই কোৱাদি ক'লে। ময়ো আগৰবাৰৰ দৰেই তাক উত্তৰটো দিলো–অলপ উচ্চস্বৰত। অৱশেষত সি ক'বলৃগীয়া হ'ল, "চাৰ চাহাব বাহিৰত আছে; আপোনাক কিবা জিনিছ লাগে নেকি বুলি সুধিছে।" তেতিয়াহে মই মোৰ ভুলটো বুজি পালো আৰু লাহেকৈ ভিতৰ সোমাই থাকিলো। তাৰ পিছত মোৰ সেই অস্বস্তিটোক ঢাকিবৰ বাবে একাপ গৰম কফি কৰি খাবলৈ গৈ মই মোৰ জিভাখনকে পুৰিবলৈ ওলাইছিলো।

হাফ্‌লঙত থকা দিনবোৰত কেতিয়াবা টিপ্‌-টিপ্‌ টাপ্‌-টাপ্‌ কৈ আৰু কেতিয়াবা লেথাৰি নিছিগাকৈ ধাৰাষাৰ বৰষুণ দিছিল। তেনেকুৱা দিনবোৰত মই সময় কটাইছিলো সেই মৌসুৰীয়া গীতবোৰ শুনি শুনি, যিবোৰ গীত মোৰ বাবে আছিল একেবাৰে নতুন। যিমানেই শুনো, সিমানেই বেছি ভাল লাগিছিল। অননুকৰণীয় দীপালী বৰঠাকুৰৰ সেই 78 R.P.M গ্ৰামোফোন ৰেকৰ্ড কেইখন এতিয়াও মোৰ হাতত আছে। আৰু আছে ৰীৰেণ দত্তৰ 'আকাশ', 'বহাগৰ' দুপৰীয়া', 'ধুন ধুন ধুনীয়া' ইত্যাদি, ইত্যাদি। আজিও যেতিয়া সেই গীতবোৰ মই শুনো, তেতিয়া মোৰ মন উৰি যায় হাফলঙৰ সেই দিনবোৰলৈ। মোৰ সমস্ত হৃদয়-মন আনন্দেৰে ওপচাই ৰখা তাৰ মধুৰ পৰিবেশৰ কথা মাত্ৰ ৰোমন্থন কৰিব পাৰি, আনক তাৰ ভাগ দিব নোৱাৰি। কথাতে কয় বোলে হৃদয় আৰু মন কেতিয়াও বুঢ়া নহয়। সঁচাকৈয়ে মই সেই ঠাইখনৰ সৌন্দৰ্যৰ কথা সুঁৱৰি এতিয়াও একে সমানেই আবেগ অনুভব কৰো। হাফলঙৰ জোনাক নিশাবোৰৰ কথা বাৰু কেনেকৈ পাহৰিব পাৰো? মই নিজে যিখন ঠাইৰ জীয়ৰী, সেই ঠাইখনক পাৰ্বত্য-নিবাস হিচাপে ব্ৰিটিছবিলাকেও বৰ প্ৰশংসাৰ চকুৰে চাইছিল। কিন্তু মোৰ সেই নিজৰ ঠাইখনৰেই কিয়, আন যি কোনো ঠাইৰে সৌন্দৰ্যই হাফলঙৰ জোনাক নিশাৰ সৌন্দৰ্যৰ ওচৰত হাৰ মানিবলৈ বাধ্য। হাফলঙৰ জোনাক নিশাবোৰে যেন প্ৰতিটো চুককোণৰ পৰা হাত বাউল দি মাতে–সেই সৰগীয় জ্যোৎস্নাধাৰাত অৱগাহন কৰিবলৈ।

হাফলঙত থাকোতে কেতিয়াবা অৱসৰ বিনোদনৰ বাবে লগে-ভাগে তাৰ চিনেমা হলত চিনেমা চাবলৈ যোৱাটোও বৰ স্ফুৰ্তিৰ কথা আছিল। কেইটামান খুঁটাৰ ওপৰত ভৰ দি থকা সেই চিনেমা হলটোৰ বেৰ কেইখন আছিল ঢাকিছ; মুকলি ৰঙ্গমঞ্চৰ সৈতে তাৰ সামান্যহে হেৰফেৰ। হলটোৰ মূধচত এটা লাউড স্পীকাৰত বৰ ডাঙৰ ডাঙৰকৈ ষাঠিৰ দশকত জনপ্ৰিয় হোৱা শেহতীয়া হিন্দী ফিল্মৰ গানবোৰ বাজি থাকিছিল। আসনবোৰত বহি অকণো সুখ পোৱা নগৈছিল। তাতে আকৌ উৰহ আৰু পঁইতাচোৰাৰ উপদ্ৰৱ। বহিলেই তলত কিবাবোৰ বগাই ফুৰা বুলি গম পায়। এইবোৰ আহুকালকো সামান্য বুলি আওকাণ কৰো। কিন্তু এবাৰ চিনেমাৰ পৰ্দা আৰু মোৰ মাজত এটা ডাঙৰ খুঁটা পৰিল আৰু মই পূৰা তিনিঘণ্টা ধৰি ডিঙিটো এবাৰ সোঁফালে আৰু এবাৰ বাওঁফালে বেঁকা কৰি থাকোতেই গ'ল। পিছে যিবোৰ দিনৰ কথা কৈছো, সেইবোৰ দিনত দিলীপ কুমাৰ আৰু মীনাকুমাৰীক চাবলৈ পালে এনেকুৱা অশান্তিবোৰ গাতেই

নালাগিছিল।

আৰু এটা ঘটনাৰ কথা মনলৈ আহিছে। এদল অসাধাৰণ 'ডকাইতে' এবাৰ আমাৰ বাৰান্দাত আশ্ৰয় লৈছিলহি আৰু সিহঁতৰ ভয়ত মই পেপুঁৱা লাগিছিলো–অৱশ্যে সিহঁতক নেদেখালৈকেহে। সেই নিশা মই এটা চীনা সাধু পঢ়িছিলো আৰু নিশ্বাসত জুই বাহিৰ কৰা ড্ৰেগনবোৰৰ কথা ভাবি আছিলো। ভাবোতে ভাবোতে সঁচাকৈয়ে ড্ৰেগন দেখা পোৱা যেন লাগি গৈছিল। সেই কাৰণেই কিহবাৰ শব্দত সাৰ পাই বৰ ভয় খাই গৈছিলো আৰু মোৰ স্বামীক এই মাজনিশাখন কোননো আহিছে আৰু কিহৰ শব্দ হৈছে চাবলৈ কৈছিলো। অলপ পিছতে যেতিয়া খিৰিকিয়েদি জুমি চালো, তেতিয়া আমি দেখি আচৰিত হলো যে আঠজনীমান গৰুৱে বৰষুণৰ হাত সাৰিবলৈ আমাৰ বাৰান্দাত আহি আশ্ৰয় লৈছে।

আমি বনভোজ খাবলৈ প্ৰায়েই ওচৰৰে জাটিংগা গাঁৱলৈ গৈছিলো। জাটিংগাৰ সুমথিৰা টেঙাবোৰ মৌৰ দৰে মিঠা। তেনেকুৱা সুমথিৰা টেঙা আৰু কেতিয়াও খাই পোৱা নাই। এটা কথা জনাজাত আছিল যে জাটিংগালৈ আগষ্ট-ছেপ্তেম্বৰ মাহত বহুতো পৰিব্ৰজী চৰাই আহে, গাঁৱৰ মানুহবোৰে ৰাতি পেট্ৰমাক্স লাইট জ্বলাই থ'লে চৰাইবোৰ তাৰ ওচৰলৈ উৰি আহে আৰু তেতিয়া সিহঁতক বৰ অনায়াসে ধৰিব পাৰি। গাঁৱৰ মানুহে তেনৈকে চৰাই মাৰি সিহঁতৰ মঙহৰ জুতি লয়। কথাটো আন সকলোৱে জনাৰ দৰে আমিও জানিছিলো। কিন্তু তাৰ বিষয়ে একো গুণা-গথাঁ কৰা নাছিলো। পিছত হঠাতে দেখিবলৈ পালো যে চৰাইবোৰৰ এনে অসাধাৰণ আচৰণৰ বাবেই জাটিংগা বিশ্ববিখ্যাত হৈ পৰিছে আৰু বিষয়টোক লৈ অনেক গৱেষণাও হ'বলৈ ধৰিছে। সেইবাবে কৌতূহলৰ বশৱৰ্তী হৈ ১৯৯১ চনত আকৌ এবেলি জাটিংগালৈ গলো। তাত গৈ দেখিলো যে ঠাইখনে মানুহৰ আচৰণকো প্ৰভাৱিত কৰে। তাত কুঁৱলী, ডাৱৰ, ঘনঘোৰ বৰষুণ আৰু কোবাল বতাহে আমাক আঁকোৱালি ল'লে। চৌদিশে পাহাৰে আগুৰি থোৱা ঠাইখনৰ পৰা পলাই সাৰিবলৈ কেনিও যেন বাট নাই। পৰ্যবেক্ষণ স্তম্ভলৈ এটা থিয় খটখটীৰে উঠি যাব লাগে। সেইখিনি গৈ পোৱাৰ আগতেই আমাৰ লগৰে ছয়জন বেলেগ বেলেগ বাটেৰে ইপিনে সিপিনে গুচি গ'ল। এগৰাকী মহিলা দহ মিনিটমানৰ পিছত উভতি আহিল। মোৰ বোধেৰে ঠাইখনৰে কিবা এটা সম্মোহনী শক্তি আছে, তাত প্ৰকৃতিৰ ৰূপো অতি উগ্ৰ। আমাৰতো দিনতেই সেই অৱস্থা হৈছিল; গতিকে ৰাতি চৰাইবোৰৰ কি দশা হ'ব পাৰে ভাবি চাইছো। সেইবাবেই দিশ নিৰূপণৰ ক্ষেত্ৰত ইমান পাৰ্গত হৈও চৰাইবোৰে তাত গৈ ইমান কৰুণভাৱে মৃত্যু বৰণ কৰিবলগীয়া হয়। ঠাইখন পিছে অতি সুন্দৰ। তেনেবোৰ ঠাইত মই আন কোনো ঠাইতে বিচাৰি নোপোৱা এক অপূৰ্ব সুখানুভূতি আৰু পুলক অনুভৱ কৰো। প্ৰকৃতি সদা ৰহস্যময়ী আৰু সকলো মানুহৰ আগত প্ৰকৃতিয়ে কিছুমান ৰহস্যৰ ভেদ ভাঙিব নোখোজে। প্ৰকৃতিয়ে আমাক দিয়া সমস্ত দানৰে আমি মোল বুজিবলৈ যত্ন কৰিব লাগে; প্ৰকৃতিৰ সৈতে আমি সহযোগ কৰি, প্ৰকৃতিৰ সৈতে মিলিজুলি থাকিব লাগে। তেনেকৈহে মানুহে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰে; আৰু তাকে নকৰিলে মানুহ হয় ধ্বংসকাৰী–ৰাক্ষস।

পূজাৰ সময়ত তাৰ জন-জীৱনত জোৱাৰ জাগে। সকলো মানুহে–বিশেষকৈ তিৰোতাসকলে আৰু ল'ৰা–ছোৱালীবোৰে ধুনীয়াকৈ সাজি-কাচি পূজা মণ্ডপবোৰত পূজা-সেৱা কৰেগৈ। এই সময়টো তেওঁলোকৰ বাবে মহা আনন্দ উৎসৱৰ সময়। পূজা মণ্ডপবোৰ ইমান জাক-জমককৈ সজোৱা-পৰোৱা দেখি মই আচৰিত হৈছিলো; কাৰণ, আমাৰ পিনে পূজা মানেই ব্ৰত, উপবাস আৰু কঠোৰ সংযমৰ উপলক্ষ্য, এনেকুৱা উৎসৱ আৰু আনন্দৰ পৰিবেশ তাত দেখা নাযায়। যি কি নহওক, পূজাৰ পিছৰে পৰা বতাহত এটা সিৰ্ সিৰণিৰ ভাব অনুভূত হয় আৰু ইয়েই জাৰকালিটো পালেহি বুলি নিশ্চতভাৱে জাননী দিয়ে। জাৰকালি মানেই মুকলি ঠাইত গৈ ৰং–তামচা কৰাৰ বতৰ, বনভোজ খোৱাৰ বতৰ আৰু অসমৰ বিখ্যাত অভয়াৰণ্যবোৰ চাবলৈ যোৱাৰো বতৰ। কেৱল চৰকাৰী অফিচৰ মানুহবোৰেই নহয়, লাউডস্পীকাৰত গান বজাই বাছভৰ্তি–হৈ স্কুল–কলেজীয়া ছাত্ৰ-ছাত্ৰীবোৰো ওলায়। গীটাৰ হাতত লৈ অনাই বনাই ফুৰা ডেকা গাভৰুৰ দলবোৰকো য'তে ত'তে লগ পোৱা যায়। বৰ পীতিকৰ আছিল সেই পৰিবেশ! ৰং-ধেমালি আৰু আমোদ-আহলাদ কৰিবৰ বাবে প্ৰকৃতিয়ে যেন সেই পৰিবেশ নিজ হাতে তৈয়াৰ কৰি থৈছিল! পিক্‌নিক্ পাৰ্টিবোৱে সাধাৰণতে ঢল পুৱাতে যাত্ৰা আৰম্ভ কৰি চাহ-জলপান খাবৰ পৰত পিক্‌নিকৰ ঠাইখন পায়গৈ আৰু একেবাৰে আবেলি চাহ খোৱাৰ পিছতহে তাৰ পৰা উভতি আহে। মই আছিলো নিৰামিষভোজী; সেইকাৰণে পিক্‌নিকত মাত্ৰ চালাড আৰু নিৰামিষ পোলাও খাই আধাপেটি হৈয়েই থাকিবলগীয়াত পৰিছিলো। বাকীবোৰে কিন্তু মাছে-মঙহে পেট ভৰাই ভোজ-ভাত খাই আহিছিল।

জীয়াই থকাৰ আনন্দ-উত্তেজনা আৰু উৎসাহ-উদ্দীপনাৰ পূৰ্ণ প্ৰকাশ ঘটিছিল সেই বন-বিহাৰ আৰু বনভোজবোৰত। এবেলি আমি মায়াঙলৈ যোৱাৰ কথা মোৰ বিশেষভাৱে মনত আছে। মায়াঙৰ ভেল্কীবাজী আৰু যাদুৰ কথা কৈ বহুতেই আমাক আগতীয়াকৈ সাৱধান কৰি দিছিল। তালৈ গৈ আমি 'বুঢ়া-বুঢ়ী' বোলা দুটা মাটিৰ টিপ্ দেখা পালো। সেই টিপ্ দুটা বৰ্তমানৰ ৰূপ লোৱাৰ আগলৈকে সঁচাসঁচিকৈয়ে এহাল মানুহ আছিল বুলি জন-বিশ্বাস এটা আছে। ভাগ্যে যেনিবা আমাৰ একো অঘটন নঘটিল। বনভোজ খাবলৈ আমি আমচৈলৈকো গৈছিলো। তাত প্ৰতিটো পৰিয়ালৰ বাবে একোটাকৈ সৰু ঘৰ (বন বিভাগৰ) পোৱা গৈছিল। তাৰ কেম্প-ফায়াৰ, দিনটোৰ চৌব্বিশ ঘণ্টা চলি থকা ৰান্ধনিশাল আৰু গীত মাতবোৰৰ কথা আজিও পাহৰা নাই। হাঁহি-মাতি, নাচি-গাই, খাই-বৈ মানুহ খিনিয়ে তাত প্ৰাণভৰি আনন্দ উপভোগ কৰিছিল। সেই দিনবোৰলৈ উভতি চালে আৰু বৰ্তমানৰ সৈতে তাক ৰিজাই চালে বুকুখন মোচৰ খাই উঠে।

*(আগলৈ)*


সূত্ৰধাৰ

ডাকযোগেও আপুনি পাব

বছৰেকীয়া বৰঙণি: ১৪৪ টকা

ছমহীয়া বৰঙণি: ৭২ টকা

ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰ্বী প্ৰকাশন প্ৰা: লি:, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:

চাৰ্কুলেচন মেনেজাৰ

সূত্ৰধাৰ

মনজেৰা হাউচ, মতিলাল নেহৰু পথ

পানবজাৰ, গুৱাহাটী ৭৮১০০১







# আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনঃ

## ক্লিণ্টনৰ অব্যাহত জয়যাত্ৰা

বিশ্ব দৰবাৰত আমেৰিকা যুক্তৰাষ্ট্ৰই বছৰৰ পিছত বছৰ এনে নেতৃত্বৰ আসন অধিকাৰ কৰি আছে যে সেই দেশৰ ওপৰত পৃথিৱীৰ বহু কথাই নিৰ্ভৰ কৰে। অৰ্থাৎ আমেৰিকাৰ ৰাষ্ট্ৰপতিজনৰ ৰাষ্ট্ৰ পৰিচালনাৰ ওপৰত সেই দেশৰ জনসাধাৰণৰ জীৱন যাত্ৰা নিৰ্ভৰতো কৰেই তেওঁৰ নীতি আৰু দৃষ্টিভঙ্গীৰ ওপৰত আন দেশৰ জনসাধাৰণেও বহু পৰিমাণে নিৰ্ভৰ কৰিব লগা হয়। বিশ্ব সমাজ পৰিচালনাৰ সমূহীয়া মুখ্য অনুষ্ঠান ৰাষ্ট্ৰসংঘৰ (U.N.O) বিভিন্ন শাখা সংস্থাবোৰত নীতি




*জৰ্জ বুশ্ব। ৰিপাব্লিকান প্ৰাৰ্থীজনৰ পুনঃ নিৰ্বাচিত হোৱাৰ আশা ক্ষীণ হৈ আহিছে।*

নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত মূল ভুমিকা লয় আমেৰিকাৰ চৰকাৰে। সেয়ে বিশ্ববেঙ্ক (I.M.F), বিশ্ব স্বাস্থ্য সংস্থা W.H.O), ইউ, এন, এচ, কো, (U.N.E.S.C.O.) ইউনিচেফ (U.N.I.C.E.F) আদিৰ দৰে অনুষ্ঠানবোৰৰ পৰা বুজন পৰিমাণৰ ঋণ পোৱা নোপোৱাৰ কথাটোও নিৰ্ভৰ কৰে বহুলাংশে আমেৰিকাৰ ৰাষ্ট্ৰপতিজনৰ ইচ্ছা অনিচ্ছাৰ ওপৰত। আনকি তৃতীয় বিশ্বৰ কিছুমান দেশত কাৰ নেতৃত্বত চৰকাৰ গঠিত হব সেয়াও নিৰ্ভৰ কৰে আমেৰিকাৰ ওপৰত। আমেৰিকাৰ গোপন নিৰ্দেশতেই আনকি বহু দেশত সংঘটিত হয় চৰকাৰৰ উত্থান-পতন। উন্নয়নশীল দেশবোৰৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা আৰু আনকি স্বাস্থ্যনীতি পৰ্যন্ত আমেৰিকাই প্ৰভাৱিত কৰিব পাৰে। কৰে।


ভাৰতবৰ্ষৰ কথাই ধৰা হওক। ষাঠিৰ দশকত আমেৰিকাৰ সতে ভাৰতৰ এক অতি সৌহাৰ্দপূৰ্ণ সম্পৰ্কৰ মূলতে আছিল তাহানিৰ ৰাষ্ট্ৰপতি জন, এফ, কেনেডি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত নেহেৰুৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক। ফলত সেইবোৰ দিনত ভাৰতবৰ্ষই আমেৰিকাৰ পৰা বিভিন্ন দিশত অশেষ সহায় সুবিধা লাভ কৰিছিল। আনকি ভাৰতক খাদ্য সাহায্য দিবৰ বাবে আমেৰিকাৰ কংগ্ৰেছত পি, এল, ৪২-ৰ দৰে আইন পৰ্যন্ত পাছ্ কৰা হৈছিল। আনবিক ৰিয়েক্টৰ স্থাপন, পৰিশোধিত ইউৰেনিয়াম যোগান আদিৰ দ্বাৰা ভাৰতৰ উদ্যোগিক নিৰ্মাণ আৰু বিকাশতো যথেষ্ট অৰিহণা যোগাইছিল। চীনা আক্ৰমণৰ সময়ত প্ৰভূত সামৰিক সাহায্যও দান কৰিছিল।

কিন্তু সত্তৰৰ দশকৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰিচাৰ্ড নিক্সনে ভাৰতৰ সতে খুব বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰা নাছিল। বৰঞ্চ বাংলাদেশ লিবাৰেশ্বনৰ পিছতেই আমেৰিকা ভ্ৰমণ কৰা ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ প্ৰতি তেওঁ সম্পূৰ্ণ অৱজ্ঞাসূচক ব্যৱহাৰ কৰিছিল। শ্বেখ মুজিবৰৰ মুক্তি বাহিনীক সহায় সমৰ্থন কৰি ভাৰতে আমেৰিকাৰ ৰোষত পৰিছিল। বাংলাদেশৰ মুক্তি যুদ্ধ চলি থকা কালত নিক্সন



*নিৰ্দলীয় প্ৰাৰ্থী ৰছ পেৰট। "মানুহে বিচাৰে এনে এটা ৰাজনৈতিক বাতাবৰণ য'ত ক্ষমতালোভী বা অহংকেন্দ্ৰিক নেতা 'চিষ্টেম'টোৰ প্ৰতি আকৰ্ষিত নহয়"*

প্ৰশাসনে বঙ্গোপসাগৰত আমেৰিকান আনৱিক অস্ত্ৰবাহী সপ্তম নৌ বহৰ অৱস্থান কৰাই ভাৰতক ভাবুকি দিয়াৰ অপমান আজিও ভাৰতবাসীৰ মনত আছে। আনকি ইয়াৰ পিছতেই আমেৰিকাই ভাৰতৰ আনবিক প্ৰকল্পৰ বাবে পৰিশোধিত ইউৰেনিয়াম যোগানো বন্ধ কৰি দিছিল। আজি ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ পুনঃ উন্নতি হৈছে সঁচা কিন্তু বৃহৎ পৰিমাণৰ বিশ্ব বেঙ্কৰ ঋণৰ সৈতে যিবোৰ চুক্তি ভাৰতবৰ্ষৰ ওপৰত জাপি দিয়া হৈছে সেইবোৰে ভাৰতবৰ্ষৰ ওপৰত আমেৰিকাৰ খবৰদাৰী যে আওপকীয়াকৈ





*প্ৰায় নিশ্চিত বিজয়ৰ সম্ভাৱনাৰে সমুজ্জ্বল মি বিল ক্লিণ্টন।*

বহু বৃদ্ধি কৰিছে সেয়াও অবিদিত নহয়।

এইবোৰ কাৰণতে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ আলেখ-লেখে ভাৰতৰ জনসাধাৰণৰ মনতো কম ঔৎসুক্যৰ সৃষ্টি নকৰে।

শুনা গৈছে এইবাৰৰ সম্ভাব্য বিজয়ী ডেমোক্ৰেট প্ৰাৰ্থী বিল ক্লিণ্টন নিৰ্বাচিত হ'লে ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশবোৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শিক্ষা আদিৰ দৰে ক্ষেত্ৰত ব্যাপক সাহায্য পোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিব কাৰণ ক্লিণ্টন নিজে এইবোৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিবলৈ অতি আগ্ৰহী আৰু এইবোৰ দিশত তেওঁ যথেষ্ট উদ্ভাৱনী শক্তিৰো অধিকাৰী বুলি প্ৰমাণ কৰিব পাৰিছে।

নিৰ্বাচনলৈ আৰু দুদিনমান বাকী। যোৱা




*আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰদেশত ৰাষ্ট্ৰপতি পদৰ বাবে ভোট বিন্যাসৰ সম্ভাৱনা।*

কেইটামান মাহ এই নিৰ্বাচনক কেন্দ্ৰ কৰি গোটেই আমেৰিকা উখল-মাখল। পৃথিৱীৰ অন্যতম বৃহৎ গণতান্ত্ৰিক দেশ আমেৰিকা। ইয়াৰ গণতান্ত্ৰিক ব্যৱস্থাসমূহ অতি উচ্চ খাপঃ আৰু বেছ চিত্তাকৰ্ষকো। গণতন্ত্ৰ বিকাশৰ এক সুদীৰ্ঘ সংগ্ৰামৰ ঐতিহ্যপূৰ্ণ ইতিহাসক লৈ আমেৰিকাই গৰ্ব কৰিব পাৰে। আধুনিক গণতন্ত্ৰৰ সৰ্বজন স্বীকৃত সংজ্ঞাও লিখিছিল এই দেশতেই একালৰ ৰাষ্ট্ৰপতি মহান আব্ৰাহাম লিংকনে। এনে এক মহান পৰম্পৰাৰ উত্তৰাধিকাৰী আমেৰিকাত আজি যি মুক্ত ব্যক্তি চিন্তা বিৰাজ কৰিছে– তাৰ বাবেই সেই দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়া আৰু ইয়াৰ ফলাফলে আন দেশৰ নাগৰিকৰো যথেষ্ট মনোযোগ আকৰ্ষণ কৰে।

বিগত দুই-তিনি মাহ জুৰি পৃথিৱীৰ সকলো দেশৰ মূল বাতৰি কাকত আৰু বাৰ্তালোচনীবোৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বা-বাতৰি, আলোচনা-বিলোচনা আদি প্ৰায় ধাৰাবাহিকভাৱে প্ৰকাশ কৰিয়েই আছে। অত্যন্ত সচেতন আৰু স্পৰ্শকাতৰ আমেৰিকাৰ নাগৰিকে এইবাৰ তেওঁলোকৰ দেশৰ কৰ্ণধাৰ হিচাপে কাক বাছি লব সেই কথাকৈলে মানুহৰ মনত অদম্য কৌতূহল আৰু চঞ্চলতা বিৰাজ কৰিছে। কাৰণ যোৱা ৪ বছৰে শাসনাধিষ্ঠ বুশ্ব চৰকাৰে এক বিৰাট নিবনুৱা সমস্যাটো সৃষ্টি কৰিলেই দেশখনক জাতীয় আৰু আন্তৰ্জাতিক ঋনেৰে (৪ ট্ৰিলিয়ন ডলাৰ) ডিঙিলৈকে পোত খুৱালে। ইয়াকে লৈ আমেৰিকাৰ নাগৰিক জৰ্জ বুশ্বৰ প্ৰতি একেবাৰেই আস্থাহীন হৈ পৰিছে। জাপানৰ দৰে এখন সৰু দেশৰ চৰকাৰৰ ওচৰলৈ অৰ্থনৈতিক বুজাপৰা আৰু বাণিজ্যিক লেন-দেনৰ বাবে মিনতি কৰিবলৈ আগবাঢ়ি আহিব লগা হৈছে পৃথিৱীত এক নম্বৰ মহাশক্তি আমেৰিকাৰ ৰাষ্ট্ৰপতি স্বয়ং জৰ্জ বুশ্ব। নিৰ্বাচনলৈ মাথো আৰু কেইটামান মাহ। তেনে এক সময়তে ডলাৰৰ মূল্য হ্ৰাস কৰিব লগা হ'ল বুশ্ব চৰকাৰৰ। ইয়ে আৰু উদং কৰি দেখুৱালে আমেৰিকাৰ প্ৰকৃত অৰ্থনৈতিক অৱস্থা। সকলো ক্ষেত্ৰতে আমেৰিকাৰ একালৰ প্ৰতিদ্বন্দী মহাশক্তিমান ছোভিয়েট গণৰাজ্যসমূহৰ পতন সত্তেও, তেলৰ ভাণ্ডাৰ উপসাগৰীয় দেশসমূহত আমেৰিকাৰ আধিপত্য পুনৰুদ্ধাৰ কৰিও আমেৰিকাই অৰ্থনীতিত যেনেকৈ ঘাটে-ঘাটে পানী খাবলৈ ধৰিছে, সেই দেশৰ নাগৰিকে জৰ্জ বুশ্বক ক্ষমতাৰে গাদীত পুনৰ অধিষ্ঠিত নকৰিবই যেন লাগে। জৰ্জ বুশ্বৰ Buy American শ্লোগানে কোনো কাম নিদিয়া পৰিলক্ষিত হৈছে

নিৰ্বাচন যিমানেই চমু চাপি আহিছে সিমানেই ডেমোক্ৰেটিক দলৰ প্ৰাৰ্থী বিল ক্লিণ্টনৰ বিজয় অনিবাৰ্যতাৰ দিশত অগ্ৰসৰ হৈছে। অৱশ্যে এইবোৰ দেখি-শুনিও বৰ্তমানৰ ৰাষ্ট্ৰপতিজনৰ মুখৰ মাত হৰা নাই। তেওঁ বৰঞ্চ কবলৈ ধৰিছে হেৰি ট্ৰুমেনৰ দৰে তেওঁ পিছপিনৰ পৰা আহি বিজয় সাব্যস্ত কৰিব।

ইউৰোপৰ ৰাজনৈতিক বিশেষজ্ঞ-সকলেও জৰ্জ বুশ্বৰ জনপ্ৰিয়তাৰ গৰাখহনীয়া দেখি হতবাক। কাৰণ তেওঁলোকেও ভাবিছিল যে যিহেতু, আমেৰিকান সাম্ৰাজ্যবাদৰ প্ৰধান অন্তৰায় ছোভিয়েট যুক্তৰাষ্ট্ৰৰ পতন ঘটিছে বুশ্বৰ নেতৃত্ব কালতেই গতিকে জৰ্জ বুশ্ব আমেৰিকাৰ ৰাজনৈতিক ইতিহাসৰ এক অন্যতম গণ্যমান্য নেতাত পৰিণত হৈছে। এই কথা সকলোৱে জানে জেনেৰেশ্বনৰ পিছত জেনেৰেশ্বন আমেৰিকাৰ জনসাধাৰণৰ Psyche ত কমিউনিষ্টসকলৰ প্ৰতি এক প্ৰকাৰৰ জেদ আৰু যথেষ্ট শংকাও বিৰাজ কৰি আহিছে। সেইখন কমিউনিষ্টৰ প্ৰধান দুৰ্গটোকেই নিষ্ক্ৰিয় কৰি পেলাবলৈ সক্ষম হোৱা বুশ্ব আমেৰিকাৰ এক ঐতিহাসিক বীৰ পুৰুষ আৰু অসামান্য নেতা হিচাপে সকলো আমেৰিকানৰে আস্থাৰ পাত্ৰ হব লাগিছিল। তাৰোপৰি মাত্ৰ ঐকেশ দিনৰ যুদ্ধৰে উপসাগৰীয় দেশবোৰৰ অন্যতম ইৰাকৰ শক্তিশালী নেতা ছাদ্দাম হুচেইনৰ সামৰিক শক্তিক সমূলঞ্চে পৰাস্ত কৰি ইৰাকে হস্তগত কৰা তেলৰ বিশাল ভাণ্ডাৰ কোৱাইট নামৰ দেশখনক মুক্ত কৰি আমেৰিকানসকলৰ মনত বুশ্ব হৈ পৰিব লাগিছিল এক পৰম আস্থাৰ পাত্ৰ আৰু



| শিতান | ক্লিণ্টন | বুশ্ব |
|---|---|---|
| ৰাজহ বৃদ্ধি ঃ | ১৫৪.৪ বি. ড. | শূন্য |
| ব্যয় সংকোচন | ১৪০.৩ বি. ড. | ৪৫৬.৪ বি. ড. |
| কৰ ৰেহাই | ৬০. বি. ড. | ১৩.৬ বি. ড. |
| নতুন ধন নিয়োজন | ২১৯.৫ বি. ড. | ৪.০ বি. ড. |
| নতুন ঘাটি পূৰণ | ১৫.২ বি. ড. | ৪৩৫.৭ বি. ড. |


জৰ্জ বুশ্ব আৰু বিল ক্লিণ্টনৰ ভৱিষ্যত খচৰা অৰ্থনৈতিক আঁচনিৰ সাৰাংশ। বিলিয়ন ডলাৰৰ (বি. ড.) হিচাপত।

সৰ্ব-সম্মানিত নেতা। অকল যুদ্ধ জিকাই নহয়, উপসাগৰীয় সংকটৰ সময়ত ইউৰোপৰ সকলো শক্তিশালী দেশক তেওঁ আমেৰিকাৰ পক্ষত ৰাখি ইৰাকৰ বিপক্ষে অৰ্থনৈতিক অৱৰোধ গঢ়ি তুলিবলৈ সৈমান কৰিব পাৰিছিল। আনকি কমিউনিষ্ট শক্তিকো তেওঁ এই যুদ্ধত নিৰপেক্ষ হৈ থাকিবলৈ বাধ্য কৰিব পাৰিছিল। কূটনৈতিক বিচক্ষণতাৰ ই এক তুলনাহীন নিদৰ্শন। তৎসত্তেও জৰ্জ বুশ্বৰ জনপ্ৰিয়তা কিয় এনেকুৱা নিম্নগামী? সকলোৰে মুখত আজি এই প্ৰশ্ন। কিন্তু ইউৰোপ আমেৰিকাৰ বুৰঞ্জীত ই এক নতুন প্ৰশ্ন নহয়। কেলেই, দ্বিতীয় মহাযুদ্ধৰ সময়ত উইনষ্টন চাৰ্চিলে ইংলণ্ডবাসীক যি অতুলনীয় নেতৃত্বৰে উদ্বুদ্ধ কৰিছিল আৰু যুদ্ধ সমাপ্ত কৰাৰ ক্ষেত্ৰতো যি এক ঐতিহাসিক ভূমিকা লবলৈ সক্ষম হৈছিল, সেই চাৰ্চিলকে ইংৰাজসকলে পৰৱৰ্তী নিৰ্বাচনত প্ৰধানমন্ত্ৰী হোৱাৰ পৰা বিৰত কৰা নাছিল জানো? পাহৰিলে নচলিব জীৱন জীৱিকাৰ প্ৰশ্ন আৰু প্ৰাণৰ দায়, ই সবাৰো উৰ্দ্ধত। তাৰ পিছতহে আনবোৰ ভাব, চিন্তা। আজি গৰিষ্ঠ সংখ্যক আমেৰিকানে এই কথা অনুভৱ কৰে যে অৰ্থনৈতিক দিশত জৰ্জ বুশ্বৰ কোনো বিশেষ পাৰিদৰ্শিতা নাই। "He has utterly failed to right the wrong in American economics" আমেৰিকাৰ আজি প্ৰয়োজন অৰ্থনৈতিক ক্ষেত্ৰত সৃজনীশীল প্ৰতিভাধাৰী ব্যক্তিৰ নেতৃত্ব।

বুশ্ব চৰকাৰৰ দিনত আমেৰিকাত যি চৰম অৰ্থনৈতিক মন্দা চলিছে। নিবনুৱা সমস্যাই যি বিৰাট আকাৰ ধাৰণ কৰিছে আৰু ৪ ট্ৰিলিয়ন ডলাৰৰ ধাৰত দেশখন যেনেকৈ পোত গৈছে, বুশ্ব পুনৰ গাদীত বহিলে ভৱিষ্যৎ অন্ধকাৰ। এনে এক চিন্তাই এক বুজন সংখ্যক আমেৰিকানৰ মনত দৌলেকে শিপাইছে। সেয়ে, বুশ্বৰ এই ক্ৰমহ্ৰাসমান জনপ্ৰিয়তা।

ইপিনে আমেৰিকানসকলৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰতো এই চৰকাৰে বেয়াকৈ উজুটি খাইছে। এইদ্ছৰ দৰে এক মাৰাত্মক মহামাৰীয়ে হাজাৰ হাজাৰ আমেৰিকান তৰুণ-তৰুণীক অকালতে মৃত্যুৰ মুখলৈ ঠেলি দিলে বুশ্ব চৰকাৰৰ শাসনকালত। এই ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ বিশাল ধন-ৰাশি প্ৰয়োগ কৰা সত্তেও, কোনো গৱেষণাই এতিয়ালৈকে সম্পূৰ্ণ নিৰ্ভৰযোগ্য এক চিকিৎসাৰ উদ্ভাৱন কৰিব নোৱৰাতো জৰ্জ বুশ্বৰ আন এক দুৰ্ভাগ্যজনক ব্যৰ্থতা বুলি আমেৰিকানসকলে ভাবে। আগন্তুক বছৰবোৰত আৰু কিমান আমেৰিকান এই ৰোগৰ চিকাৰ হ'ব? অতিকে বিব্ৰতকৰ এই প্ৰশ্নৰ কোনো উত্তৰ জৰ্জ বুশ্বৰ ওচৰত নাই। আমেৰিকাৰ বাবে ই এক বিৰাট ট্ৰেজেদি। স্বাভাৱিকতে ক্ষমতাধীষ্ঠ চৰকাৰ আৰু নেতৃত্বৰ প্ৰতি জনসাধাৰণৰ বিতুষ্টিয়ে চৰম পৰ্যায় পাইছে।

ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হব তিনিকোণীয়া। ৰিপাব্লিকান প্ৰাৰ্থী বৰ্তমানৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব, ডেমোক্ৰেটিক প্ৰাৰ্থী বিল ক্লিণ্টন আৰু নিৰ্দ্দলীয় প্ৰাৰ্থী ৰছ পেৰট। জুলাই মাহৰ মাজভাগত নিৰ্দ্দলীয় প্ৰাৰ্থীজনে তেওঁৰ প্ৰচাৰ অভিযান সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিয়াত সকলোৱে ভাবি লৈছিল বুশ্ব আৰু ক্লিণ্টনৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হব। ৪৫ বছৰীয়া সুদৰ্শন পুৰুষ বিল ক্লিণ্টন এক অতি আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী আৰু সামৰ্থবান নেতা হিচাপে জনপ্ৰিয়তাৰ তুংগত।



*মিচেছ হিলাৰী ক্লিণ্টন। এওঁ নাৰীবাদী আৰু প্ৰগতিশীল দৃষ্টিভঙ্গীৰ। মহিলাই ল'ৰা-ছোৱালীক লৈ ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থকাৰ বিৰুদ্ধে সোচ্চাৰ।*

অক্টোবৰ মাহৰ পহিলা ভাগতে টেক্সাচবাসী উদ্যোগপতি নিৰ্দ্দলীয় প্ৰাৰ্থী ৰছ পেৰটে নিষ্ক্ৰিয় কৰি থোৱা (Suspended animated) প্ৰচাৰ বাহিনীক পুনঃ সক্ৰিয় কৰি তোলে আৰু নিৰ্বাচনটোত এক নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰে। অৱশ্যে প্ৰাৰ্থী হিচাপে তেওঁক প্ৰথমৰে পৰা বৰ গুৰুত্ব দিয়া হোৱা নাছিল। জুনৰ শেহৰ পিনে বুশ্বৰ বিপৰীতে ৰছ পেৰটৰ সম্ভাবনীয় সমৰ্থন আছিল বৰ বেছি ২৫ শতাংশ। অৱশ্যে অক্টোবৰৰ প্ৰথম ভাগত তেওঁ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত নামি পৰাৰে পৰা তেওঁৰ জনপ্ৰিয়তা ক্ৰমাৎ বৃদ্ধি পাবলৈ লৈছে। টেক্সাচৰ এই ধনপতিজনে তেওঁৰ বিশাল ধনৰাশি খটুৱাইছে দূৰদৰ্শনৰ বিজ্ঞাপনৰ বাবে নিয়মিত সময় ক্ৰয় কৰি। পেৰট নিষ্ক্ৰিয় হৈ থকা কালত যি নিৰ্বাচনী চিত্ৰ ফুটি ওলাইছিল তাতো ক্লিণ্টনৰ জনপ্ৰিয়তা বুশ্বতকৈ বহুগুণে উৰ্দ্ধত আছিল আৰু পেৰটৰ পুনৰ আবিৰ্ভাৱৰ পিছতো ক্লিণ্টনৰ অৱস্থানৰ কোনো পৰিৱৰ্তন ঘটা নাই। আনহাতে বুশ্বৰ অৱস্থান পেৰটতকৈও শোচনীয় যে পৰিলক্ষিত হৈছে। পেৰটৰ উপস্থিতিয়ে বৰঞ্চ মধ্য আমেৰিকাৰ কেইখনমান সম-প্ৰভাৱশীল আৰু তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনা থকা প্ৰদেশত ক্লিণ্টনক বুশ্বৰ বিপৰীতে সহায়হে কৰিব যেন থাৱৰ কৰা হৈছে। সেইবোৰ প্ৰদেশৰ যি ভোট পেৰটে কাঢ়ি আনিব সেয়া আহিব বুশ্বৰ পক্ষৰ পৰাহে। কাজেই ক্লিণ্টনৰহে সুবিধা হব এই ক্ষেত্ৰত। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ এনে সম্ভাৱনা থকা প্ৰদেশ কেইখনমান হ'ল টেক্সাচ, ৱাশ্বিংটন, এৰিজোনা, ওক্লাহোমো আৰু ভেনেজুৱালা। ক্লিণ্টনে সৰহ ভোট পোৱাৰ সম্ভাৱনা হৈ উঠিছে এইবোৰ প্ৰদেশত ঃ কালিফোৰ্নিয়া, ৱাশ্বিংটন, মিন্নেছোটা. উইস্কনচিন, আৰাকানচাচ, চটন, ইহোৱা, নিউইয়ৰ্ক, মেচাচুচেট। আনহাতে বুশ্বৰ প্ৰাধান্য আছে এইবোৰ প্ৰদেশত ঃ আলাস্কা, নিভেদা, নৰ্থ ডাকোটা, ইদাহো, উটা, এৰিজোনা, ফ্লৰিদা, মিচিচিপি, ওকলাহোমা, টেক্সাচ, ক্যানচাচ, নেব্ৰাস্কা, ফ্লৰিদা আৰু ৱমিং। (চিত্ৰত চাওক)

আমেৰিকাৰ নিৰ্বাচনত মুখামুখি বিতৰ্কৰ এক সুন্দৰ ব্যৱস্থা আছে। একেখন মঞ্চত প্ৰাৰ্থীকেইজনক গোট খুৱাই তেওঁলোকৰ প্ৰত্যেককে বিভিন্ন বিষয়ত চমু বক্তব্য দিয়া হয় আৰু বিপৰীত প্ৰাৰ্থীবোৰক সেই বক্তব্য খণ্ডন কৰিবলৈ অলপ সময় দিয়া হয়। এই মুকলি

বিতৰ্কৰ অনুষ্ঠান আমেৰিকাৰ নাগৰিকসকলে দূৰদৰ্শনৰ পোনপটীয়া প্ৰদৰ্শন যোগে চাবলৈ পায়। এই বিতৰ্কৰ ঠিক পিছতেই ততাতৈয়াকৈ জনসমীক্ষা চলোৱা হয় আৰু তাৰ ফলাফলো লগে লগে প্ৰচাৰ কৰা হয়। এই ব্যৱস্থাই নিৰ্বাচনৰ ফলাফলৰ সম্পৰ্কে পূৰ্বৰ পৰাই এক সম্ভাৱনাৰ চিত্ৰ দাঙি ধৰে। এনেকুৱা প্ৰথমখন বিতৰ্ক অনুষ্ঠিত হৈ যায় যোৱা ১১ অক্টোবৰত মিচৌৰিৰ ৱাশ্বিংটন ইউনিভাৰচিটিত। এই বিতৰ্কানুষ্ঠানৰ শেষত যুগুতোৱা এক জন-সমীক্ষাত ক্লিণ্টনে লাভ কৰে ৪৫ শতাংশ, বুশ্বে ৩৫ শতাংশ আৰু পেৰটে পায় ৩১ শতাংশ।

তৃতীয় আৰু চূড়ান্ত পোনপটীয়া বিতৰ্ক অনুষ্ঠানখনৰ বাবে সকলোৱে অধীৰ ভাবে অপেক্ষা কৰি আছিল, যোৱা ১৯ অক্টোবৰত মিচিগানত অনুষ্ঠিত হৈ যোৱা এই অনুষ্ঠানত ক্লিণ্টনে যথেষ্ট প্ৰাধান্য বিস্তাৰ কৰে। এইবাৰৰ জনসমীক্ষাত ক্লিণ্টনে লাভ কৰে ৩৯ শতাংশ জনপ্ৰিয়তাৰ ভোট, পেৰটে লাভ কৰে ৩১ শতাংশ আৰু বুশ্বে পায় মাথো ১৯ শতাংশ ভোট অৰ্থাৎ এই চূড়ান্ত পৰ্যায়তো ক্লিণ্টনৰ জয়যাত্ৰা অব্যাহত থাকে। আনহাতে পেৰটে জনপ্ৰিয়তাৰ হিচাপত বুশ্বকো যথেষ্ট পিছ পেলাই থয়। এ বি চি টিভিয়ে চলোৱা আন এক সমীক্ষা অনুসৰি শেহতীয়াকৈ ৩১খন ৰাজ্যত ৩৬৮ ভোটেৰে ক্লিণ্টনে বাকী দুজনতকৈ বহু আগবাঢ়ি আছে। বুশ্বে ১১খন ৰাজ্যত ৭৪ ভোটেৰে আগবাঢ়িছে। ৯৬টা ভোট অনিশ্চিত হৈ আছে যদিও ইয়াৰে অধিকাংশ ক্লিণ্টনৰ ফাললৈকে অহাৰ সম্ভাৱনা আছে।

পৰাভূত সৈনিক লক্ষ্যত আঘাত হানা অস্ত্ৰ নেথাকিলে চালে বেৰে কোবোৱাৰ দৰে জৰ্জ বুশ্বেও পৰাজয়ৰ নিশ্চয়তা দেখি চৰিত্ৰ হননৰ সস্তীয়া, পলায়ণবাদী কৌশল অৱলম্বন কৰা দেখা গৈছে। প্ৰথমতে তেওঁ মেকাৰ্থিৰ কমিউনিষ্ট ভীতিৰ কৌশলটো খটুৱাব খুজিলে। পিছে আজি যেতিয়া কমিউনিষ্ট দুৰ্গটোৱেই থান-বান হৈ গৈছে সেই কৌশল এতিয়া অপ্ৰাসংগিক হৈ পৰিছে। ইয়াৰ পিছত জৰ্জ বুশ্বে ক্লিণ্টনৰ বিৰুদ্ধে দেশপ্ৰেমহীনতাৰ এক আবেগিক অভিযোগ উত্থাপন কৰিলে। তেওঁ কৈ ফুৰিলে ক্লিণ্টনে ৬৯-৭০ ইংলণ্ডৰ মাটিত নিজ দেশৰ বিৰুদ্ধে বিক্ষোভত যোগ দিছিল। ক্লিণ্টনে প্ৰত্যুত্তৰত ক'লে অক্সফোৰ্ডত পঢ়ি থকা কালত ভিয়েটনাম যুদ্ধ বন্ধ কৰিবলৈ দাবী কৰা বিক্ষোভত যোগ দিয়াতোৱে দেশদ্ৰোহিতা নুসূচায়। ই আছিল তেওঁৰ শান্তিৰ পক্ষত ঠিয় দিয়াৰ এক প্ৰচেষ্টা মাথোন। তেওঁ ইয়াকো কৈছে যে চিনেটৰ হিচাপে তেওঁৰ পিতাকেও ভিয়েটনাম যুদ্ধৰ বিৰোধিতা কৰিছিল। বুশ্বে ক্লিণ্টনে ছাত্ৰাৱস্থাত যোৱা মস্কো ভ্ৰমণতো কমিউনিজমৰ ভূত দেখিছে। ক্লিণ্টনে উত্তৰ দিছে, ছাত্ৰাৱস্থাৰ বিদেশ ভ্ৰমন জ্ঞান অন্বেষণৰ ভিতৰতে পৰে।



*মিচেছ বাৰবাৰা বুশ্ব। ৰিপাব্লিকান শিবিৰৰ এক সম্পদ। জৰ্জ বুশ্বতকৈও সন্তুলিত ব্যক্তিত্বসম্পন্না মহিলাগৰাকী নম্ৰ আৰু কোমল মনৰ। সমকামী আৰু এইদছ আক্ৰান্তসকলৰ প্ৰতিও এওঁ খুব সমদৰদী।*

কথা হ'ল, আমেৰিকানসকলক পতিয়ণ নিয়াব পৰা কোনো অৰ্থনৈতিক কাৰ্যসূচী জৰ্জ বুশ্বে দাঙি ধৰিব পৰা নাই। আনহাতে ক্লিণ্টনে আগবঢ়োৱা অৰ্থনৈতিক আঁচনিখনে তেওঁলোকক কিছু আশাৰ ৰেঙণি দেখুৱাইছে। বুশ্বে কিন্তু ডেমোক্ৰেটিকসকলৰ অৰ্থনীতিক Tax and spend বুলি ইতিকিং কৰিছে। বুশ্বৰ দিনত কৰ্ম-সংস্থান সৃষ্টিত চৰকাৰ যেনেকৈ ব্যৰ্থ হ'ল তাৰ বিপৰীতে ক্লিণ্টনৰ আচনিত যথেষ্ট কৰ্ম-সংস্থান সৃষ্টিৰ সম্ভাৱনা আছে। আনহাতে নিয়োগৰ ক্ষেত্ৰত বৰ্ণ-বৈষম্য হ্ৰাসকৰণৰ প্ৰচেষ্টাও তেওঁৰ আঁচনিত পৰিলক্ষিত হৈছে। তেওঁ Infra structureৰ ওপৰত অধিক গুৰুত্ব দিছে। শিক্ষা, সংস্কাৰ আৰু প্ৰশিক্ষণৰ ওপৰত যথেষ্ট ধন খটুৱাবলৈ আঁচনি কৰিছে। ৰিপাব্লিকান বুশ্বৰ গৰ্ভপাত সম্পৰ্কীয় সংৰক্ষণশীল নীতিৰ বিপৰীতে ক্লিণ্টনে জনসংখ্যা নিয়ন্ত্ৰণ আৰু স্বাস্থ্যৰ শিতানত অধিক ধন ধাৰ্য্য কৰিছে। আৰাকানচাচৰ গভৰ্ণৰ হিচাপে যোৱা ১২ বছৰত তেওঁৰ এই নীতিবোৰ হাতে কামে কৰি ফল দেখুৱাব পাৰিছে। যদিও দুখীয়া প্ৰদেশ আৰাকানচাচ প্ৰদেশৰ জনমূৰি আয় আমেৰিকাৰ গড় জনমূৰি আয়তকৈ এতিয়াও বহু কম তেওঁৰ ১২ বছৰীয়া শাসন কালত সেই প্ৰদেশত জনমূৰি আয় ৬১ শতাংশ বৃদ্ধি পাইছে। তদুপৰি শিক্ষাৰ ক্ষেত্ৰত আৰাকানচাচ প্ৰদেশত যিবোৰ পৰীক্ষামূলক সংস্কাৰ সাধন কৰিছে সি আমেৰিকান শিক্ষা পদ্ধতিত এক নতুন প্ৰাণ সঞ্চাৰ কৰিব পাৰে। মুঠতে অৰাকানচাচ প্ৰদেশৰ গভৰ্ণৰ হিচাপে বিল অভাবনীয় দক্ষতাৰ পৰিচয় দিছে। তেওঁ এক সাফল্যৰ প্ৰতীক। ৪৫ বছৰীয়া এই সুদৰ্শন আৰু তজবজীয়া চেহেৰাৰ ব্যক্তিজনে আৰাকানচাচত যি মিৰেকল কৰি দেখুৱাইছে ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'লে তেওঁ যে আমেৰিকাক এক নতুন ৰূপ দিবলৈ সমৰ্থ হব তাত সন্দেহ নাই।

ডেমোক্ৰেট প্ৰাৰ্থীজন ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তা আৰু নিৰ্বাচনত জিকাটো খাটাংপ্ৰায় দেখি কবলৈ ধৰিছে যে আমেৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰ জোখাৰে চৰিত্ৰ বিল ক্লিণ্টনৰ নাই। কাৰণ ক্লিণ্টনে যৌৱন অতিবাহিত কৰিছে সেই সময়ছোৱাত যেতিয়া আমেৰিকাত মুক্ত আচৰণৰ জোৱাৰ উঠিছিল। যৌন স্বাধীনতা, নাৰী স্বাধীনতা আদিৰ বাবে আন্দোলিত সময় আছিল সেয়া। কিন্তু তাহিনিৰ সেই ইচ্যুবোৰেই যে আজি আমেৰিকাতো জীৱনৰ বাস্তৱতা হৈ পৰিছে বুশ্বে যেন তাৰ খবৰেই নাপায়।

অতৰ্কিতে পিছপিনৰ পৰা ট্ৰুমেনৰ দৰে জিকাৰ দম্ভ মাৰা বুশ্বে কিজানি তেনে এক মতলব লৈয়েই ক্লিণ্টনৰ বিৰুদ্ধে এক নাৰী কেলেংকাৰীৰ কাহিনী কৌশলেৰে প্ৰচাৰ কৰিছে। ৰিপাব্লিকান পন্থী ৱাশ্বিংটন পোষ্টত মিচেছ জেনিফাৰ ফ্লাৱাৰ নামৰ মহিলা এগৰাকীৰ সৈতে ক্লিণ্টনৰ অবৈধ সম্বন্ধ থকাৰ খবৰ এটা প্ৰচাৰ হৈছে। ৪২ বছৰীয়া এই মহিলাগৰাকীয়ে ক্লিণ্টনৰ সৈতে ১৫ বছৰ আগত তেওঁৰ সম্পৰ্ক থকাৰ এক সুদীৰ্ঘ সাক্ষাৎকাৰত প্ৰকাশ কৰিছে। আনকি তেওঁ ক্লিণ্টনৰ ফালৰ এক সন্তানৰ গৰ্ভপাত কৰা বুলিও কৈছে। সাক্ষাৎকাৰতো লৈছিল Penthouse নামৰ আলোচনী এখনে। সেইখনে বজাৰত আত্মপ্ৰকাশ কৰাৰ আগতেই ৱাশ্বিংটন পষ্টত খবৰটো প্ৰকাশ পাইছে। Penthouse ত মিচেছ ফ্লাৱাৰৰ নুড ফটোগ্ৰাফও প্ৰকাশ পাইছে। অৱশ্যে ক্লিণ্টনৰ কেম্পেইন মেনেজাৰে এই কাহিনী সম্পূৰ্ণ মনে সজা বুলি মন্তব্য কৰিছে আৰু কৈছে মিচেছ ফ্লাৱাৰে উদ্দেশ্য প্ৰণোদিত এই গোকাট মিছা কাহিনী প্ৰচাৰ কৰিছে। উল্লেখযোগ্য যে ফ্লাৱাৰৰ কাহিনীৰ যি সময় সেই সময়তে ক্লিণ্টনে হিলাৰী ক্লিণ্টনৰ সতে বিবাহ পাশত আবদ্ধ হয়।

শেষ বিচাৰত দেখা গৈছে এইবাৰৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচন দুটা বেলেগ বেলেগ প্ৰজন্মৰ মাজৰ দ্বন্দ্বৰ আত্মপ্ৰকাশ। গোড়ামি আৰু মুক্ত চিন্তাৰ মাজৰ এই দ্বন্দ্বখন বৰ আকৰ্ষণীয় হৈ উঠিছে। এফালে বীৰত্ব আৰু একাধিপত্য প্ৰদৰ্শনৰ সামন্তযুগীয় Obsession। আনফালে মুক্ত,উন্নত আৰু ৰোগ মুক্ত জীৱনৰ বাবে হাবিয়াস আৰু আন্তৰিক প্ৰচেষ্টা। পুৰণি, স্থবিৰ আৰু আশাহত বুশ্ব। নতুন, উদ্দীপ্ত, আশাবাদী আৰু সৃজনীশীল ক্লিণ্টন। বুশ্বে সৃষ্টি কৰা নৈৰাশ্য আৰু ক্লিণ্টনে উজলাই তোলা আশাৰ ৰেঙণি। মাজত ৰছ পেৰটেও এক নিৰ্ণয়কাৰী ভূমিকা লব।

**ডাঃ ৰণেন পাঠক**





# মানুহ আৰু বিপ্লৱৰ কবি ধীৰেণ দত্ত

**হৰেন্দ্ৰ কুমাৰ দত্ত**

*[কবিজনাৰ যোৱা ২২ অক্টোবৰত পালন কৰা স্মৃতি দিৱস উপলক্ষে]*

"আজি আমাৰ ধৰ্ম-কৰ্ম, সমাজ সকলোতে দেখা দিছে এটা অৱসাদ–গ্লানি! চাৰিওফালে পুঞ্জীভুত অন্ধকাৰ লানি নিচিগাকৈ তৰঙ্গৰ পাছত তৰঙ্গ তুলি কোন অন্ধকাৰৰ গভীৰ গাঁতৰ ফালে ঠেলি দিছে! দৰিদ্ৰ কৃষক, খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, কিন্তু দেখিবা মুখত ধোদৰ হাঁহি; -------- কিন্তু সঁচাকৈয়ে আমি মৰিমনে ? যদি মৰিবলগীয়া হয়েই এবাৰ ভালকৈ যুঁজ দি মৰিম। ----- এই যুদ্ধৰ উদ্দীপনাই মোৰ মনত যি ধুমুহাৰ আবৰ্তৰ সৃষ্টি কৰিছিল তাৰ পৰাই হৈছে এই কবিতাৰ সৃষ্টি। মোৰ অভিযান সকলো প্ৰকাৰৰ জড়তা দীনতা হীনতাৰ বিৰুদ্ধে, সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে।"–এইষাৰেই আছিল "অভিযান"ৰ কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত মানুহজনৰ স্বীকাৰোক্তি।" "কবিজন" বুলি কোৱাতকৈ "মানুহজন" বুলি ক'বলৈহে বেছি মন যায়; কাৰণ এইজন মানুহৰ কাব্যাদৰ্শ আৰু জীৱনাদৰ্শৰ মাজত কোনো পাৰ্থক্য নাছিল। এই স্বীকাৰোক্তিৰ মাজত নিহিত হৈ আছে তেওঁৰ কৰিতা ৰচনাৰ উদ্দেশ্য। ব্যক্তি হৃদয়ৰ সুকোমল সূক্ষ্ম অনুভূতিক কল্পনাৰ সোণকাঠিৰ পৰশ বুলাই স্বচ্ছন্দ গীতৰ ৰুণ জুননিৰ মাজেদি প্ৰকাশ কৰাৰ তাগিদাত তেওঁ কাব্যচৰ্চা কৰা নাছিল। তেওঁৰ কাব্যচৰ্চাৰ মূল তাগিদা অনুসৃত হৈছিল বৃটিছ উপনিবেশৰ শাসন-শোষণত মৃতপ্ৰায় হোৱা খেতিয়ক শ্ৰেণীটোৰ প্ৰতি থকা দায়বদ্ধতাৰ চেতনাৰ পৰাহে। তাৰ দ্বাৰা অৱশ্যে এইটো ক'বলৈ বিচৰা নাই যে এনে দায়বদ্ধতাৰ তাগিদাৰ পৰা জন্মলাভ কৰা কলাসৃষ্টিয়ে নান্দনিক সংবেদনৰ সূচনা কৰিব নোৱাৰে। আচলতে বিষয়ৰ লগত স্ৰষ্টাৰ সম্পৰ্কৰ অন্তৰঙ্গতা আৰু নিষ্ঠাৰ গভীৰতাইহে কলাক সংবেদনময় অথবা হৃদয়গ্ৰাহী কৰি তোলে। বিষয়ৰ উপলব্ধি যদি উপৰুৱা আৰু কৃত্ৰিম হয় তেতিয়া হলে সেই কলাৰ সংবেদনো নিশ্চয় উপৰুৱা হ'ব। আনহাতেদি উপৰুৱা আ-অলংকাৰ অথবা বাক্‌ভংগীৰ চতুৰালিয়েও যে সংবেদনময় অথবা মহৎ কলাৰ জন্ম দিব নোৱাৰে সেই কথাও ইতিমধ্যে প্ৰমাণ হৈ গৈছে। ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ কেইটিমান কৰিতা যে এই দিশৰ পৰা বিশেষভাবে সাৰ্থক সৃষ্টি হৈছে সেইকথা ইতিমধ্যে আমাৰ ৰসজ্ঞ, কবি, আলোচকে স্বীকাৰ কৰি লোৱা দেখা গৈছে।

এজন কবিৰ কাব্য সৃষ্টিৰ পৰ্যালোচনা কৰোতে আমি নিশ্চয় তেওঁৰ কাব্য সৃষ্টিৰ উৎস স্বৰূপ বাস্তৱ পৰিমণ্ডলটোৰ প্ৰতি লক্ষ্য কৰা উচিত। "ধীৰেণ দত্তৰ কৰিতা" সংকলনত সন্নিবিষ্ট মুঠ উনৈশটা কবিতাৰ ভিতৰৰ সোতৰটা কৰিতা ১৯৩৪ আৰু ৩৫ এই দুবছৰৰ ভিতৰত ৰচনা আৰু এই কেইটা ১৯৩৫ চনতে প্ৰকাশিত হোৱা "অভিযান" নামৰ সংকলনটোত অন্তৰ্ভুক্ত হৈছিল। আনহাতেদি "কাঠ মিস্ত্ৰীৰ ঘৰ" আৰু "জয়া মৰা নাই" শীৰ্ষক কৱিতা দুটি ক্ৰমে ১৯৩৯ আৰু ১৯৪৩ চনত ৰচনা কৰা।

আমি জনাত ১৯১০ চনত জন্ম লাভ কৰা ধীৰেণ দত্ত ১৯৩৪-৩৫ চনত একুৰি পাঁচ বছৰীয়া যুৱক। ১৯২৮ চনতে স্কুলীয়া শিক্ষা সাং কৰি তেওঁ দেশৰ আহ্বানত আন্দোলনত জঁপিয়াই পৰিছিল আৰু আজীৱন সক্ৰিয় ৰাজনীতিৰ লগত জড়িত হৈ পৰিছিল। আনহাতেদি তেওঁ সমাজবাদী আদৰ্শেৰে অনুপ্ৰাণিত হৈ আপোচহীন অৱস্থান গ্ৰহণ কৰিছিল। অৰ্থসংকট আৰু নানা ঘাত প্ৰতিঘাতৰ সমুখীন হৈও কেতিয়াও তেওঁ আদৰ্শৰ ক্ষেত্ৰত কোনো আপোচ কৰা নাছিল। সেইদিশৰ পৰা বহুশিক্ষিত মধ্যবিত্ত দেশসেৱকতকৈ ধীৰেণ দত্তৰ ব্যক্তিত্ব আছিল ৰিশেষত্ব পূৰ্ণ। আচলতে স্বৰ্গীয় দত্ত যেন আছিল আজন্ম
বিপ্লৱী আৰু নিপীড়িত শ্ৰমজীৱী মানুহৰ পক্ষত দৃঢ়ভাৱে থিয় দিয়া মানৱতাবাদী। তেওঁ কম বয়সতেই গান্ধীৰ নেতৃত্বাধীন ভাৰতীয় মুক্তি আন্দোলনৰ সক্ৰিয় অংশীদাৰ হয় আৰু পিছত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ পতাকাৰ তলত সাম্যবাদী আদৰ্শেৰে শোষিত শ্ৰমজীৱী মানুহৰ মুক্তিৰ সাধনা কৰে। আমি জানো যে পশ্চিমীয়া প্ৰভাৱৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান হ'ল ভাৰতীয় সমাজ আৰু সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত ই মধ্যযুগৰ অথবা সামন্তযুগৰ দৈৱবাদী আৰু ৰক্ষণশীল দৃষ্টিভংগীৰ অৱসান ঘটাই এক মানৱীয়বাদী দৃষ্টিভংগী আৰু সাংস্কৃতিক মূল্যবোধৰ সূচনা ঘটায়। উনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণ বিলাতী স্বৰ্গ কলিকতাতেই আৰম্ভ হৈ সমস্ত ভাৰতত ক্ৰমে বিয়পি পৰে। নৱজাগৰণৰ তাৎপৰ্য কেৱল সাহিত্যক্ষেত্ৰৰ পৰা ধৰ্ম, দেৱতা, ৰক্ষণশীলতা কুসংস্কাৰ আদিক বিদায় দি মানুহক প্ৰতিষ্ঠা কৰাতেই নিহিত হৈ থকা নাই, ই ক্ৰমে জীৱন আৰু কলাত মানুহৰ বিচাৰ বুদ্ধিৰ স্বাধীনতাকো ৰজা পুৰোহিতৰ হাতৰ পৰা উদ্ধাৰ কৰি নতুন সভ্যতাৰ পাতনি তৰে। ভাৰতীয় সমাজ আৰু সাহিত্যত মানৱীয়বাদৰ মূল তৰংগ হ'ল দুটা–এটা উদাৰ মানৱীয়বাদ আৰু আনটো হ'ল মাৰ্ক্সীয় প্ৰেৰণাপুষ্ট সাম্যবাদী মানৱীয়বাদ। প্ৰথম তৰংগটো বংগদেশত ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, কেশব চন্দ্ৰ সেন আদিৰ চিন্তা আৰু সমাজ সংস্কাৰমূলক উদ্যমৰ মাজেদি সূচিত হৈ সাহিত্য ক্ষেত্ৰলৈ বাগৰি যায়। ইয়াৰ অন্তৰালত পশ্চিমীয়া গণতান্ত্ৰিক মূল্যবোধে ক্ৰিয়া কৰিলেও সাহিত্য ক্ষেত্ৰত প্ৰধানকৈ জাতীয়তাবাদ অথবা স্বদেশ প্ৰীতিৰ যোগেদিয়েই ইয়াৰ প্ৰকাশ ঘটে। দ্বিতীয়টো তৰংগৰ সূচনা ত্ৰিছৰ দশক মানৰ পৰাই সূচনা ঘটি পৰৱৰ্তী সময়ছোৱাত বিকশিত হৈ পৰে। ধীৰেন্দ্ৰ চন্দ্ৰ দত্তই কবিতা ৰচনা কৰা সময়লৈ গান্ধীৰ নেতৃত্বত এফালেদি ভাৰতীয় মুক্তি আন্দোলনে এক শক্তিশালী দৃঢ় স্থিতি লাভ কৰাৰ উপৰিও ভাৰতীয় জনসাধাৰণক সামৰি লবলৈ সক্ষম হৈছিল। আনহাতেদি ১৯২২ চনত তৃতীয় "ইণ্টাৰ্‌নেছনেল"ৰ আদৰ্শ আৰু প্ৰভাৱত ভাৰতীয় কমিউনিষ্ট পাৰ্টি গঠিত হৈ ১৯৩০ চনত এই দল উক্ত "ইণ্টাৰনেছনেল"ৰ শাখাৰূপে অন্তৰ্ভুক্ত হয়। আচলতে ভাৰতীয় কমিউনিষ্ট পাৰ্টি গঠন হোৱাৰ আগৰে পৰাই সাম্যবাদী আদৰ্শত বিশ্বাসী বিপ্লৱী চেতনা এটাই জীপলৈ উঠিছিল। ১৯১১ চনত চান্ ইয়ৎ-চেনৰ নেতৃত্বত সৃষ্টি হোৱা মহাচীনৰ জাগৰণ আৰু ৰুছ বিপ্লৱে ভাৰতীয় শিক্ষিত মধ্যবিত্ত যুৱকক প্ৰেৰণা যোগাইছিল। ১৯২০ চনৰ ৩১ ডিচেম্বৰত বোম্বাই চহৰত "নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ জন্ম হোৱাটোও এক উল্লেখযোগ্য ঘটনা। এই সময়ত বহুতৰ মনত সাম্যবাদী দৰ্শন একমাত্ৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক নিদানৰূপে প্ৰতিভাত হয়।

তদুপৰি জঙ্গী জাতীয়তাবাদৰ অন্যৰূপ সন্ত্ৰাসবাদৰ সুঁতি এটাও ১৯০২ চন মানৰ পৰা বৈ আছিল ভাৰতত। ই প্ৰথমতে মহাৰাষ্ট্ৰত জন্ম হয় আৰু বাসুদেৱ বলৱন্তৰাও প্ৰথম বিপ্লৱী আছিল। উনবিংশ শতিকাৰ শেষৰ ফালে লোকমান্য তিলকে মোগলৰ বিৰুদ্ধে বীৰ শিৱাজীয়ে প্ৰদৰ্শন কৰা সাহস আৰু দেশপ্ৰেমক স্মৰণ কৰিয়েই শিৱাজী উৎসৱ পালনৰ ৰীতি প্ৰচলন কৰি ভাৰতৰ বিপ্লৱী চেতনাক উদ্বুদ্ধ কৰিছিল। এনে প্ৰেৰণাৰেই উদ্বুদ্ধ হৈ হৰিচাভৰকৰ নামৰ বিপ্লৱী এজনে বৈপ্লৱিক অনুষ্ঠান গঢ়ি তুলিছিল। তেওঁৱেই "চিপাহী বিদ্ৰোহ"ক প্ৰথম স্বাধীনতা যুদ্ধ বুলি ঘোষণা কৰি তাৰপৰা প্ৰেৰণা লবলৈ আহ্বান জনাইছিল। আচলতে নৱলব্ধ জাতীয় প্ৰেৰণাৰ দ্বাৰা উদ্বুদ্ধ হৈ নিজ নিজ অঞ্চলত জাতীয় বীৰ বীৰাঙ্গনাসকল এই সময়ছোৱাতেই নতুন প্ৰেৰণাৰ স্থল হৈ পৰিছিল। এই প্ৰেৰণাত কেৱল দেশীয় বীৰ-বীৰাঙ্গনাই নহয় বহিৰ্দেশীয় গেৰিবল্ডি, মেট্‌ছিনিৰ দৰে বীৰ বীৰাঙ্গনাৰ জীৱন আৰু বাণীয়েও অহৰহ জাতীয় আৰু মুক্তি আন্দোলনৰ

বাবে প্ৰেৰণাৰ ঢল বোৱাইছিল। সাহিত্যৰ ক্ষেত্ৰত এই জাতীয়তাবাদী আৰু আন্তৰ্জাতীয়তাবাদী মানৱীয় মুক্তিৰ সুৰে অভূতপূৰ্ব হেন্দোলনি তুলিছিল। তেতিয়ালৈকে আন্তৰ্জাতীয় ক্ষেত্ৰত বিশেষভাবে ফৰাছী বিপ্লৱ, ৰুচবিপ্লৱ, আমেৰিকাৰ মুক্তিযুদ্ধ, মহাচীনৰ জাগৰণ আদিয়ে পৃথিৱীৰ সমস্ত জাতি সত্তাক উপনিবেশবাদ আৰু পুঁজিবাদী শাসন-শোষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ প্ৰেৰণা যোগাইছিল। আমি এনে এটা আন্তৰ্জাতিক আৰু ভাৰতীয় পৰিমণ্ডলৰ মাজতেই ধীৰেণ দত্তৰো বিপ্লৱী চেতনা আৰু মানৱীয় দায়বদ্ধতাৰ কথা বিচাৰ কৰি চাব লাগিব। ধীৰেণ দত্ত নিজেই আছিল গান্ধীবাদী মুক্তি আন্দোলনৰ অংশীদাৰ। নজৰুলৰ দৰেই জুইসুৰীয়া গীতৰ ৰচনাৰে আন্দোলনকাৰীসকলক প্ৰেৰণাৰে উদ্বুদ্ধ কৰিছিল। আমি এই কথা জানো যে অসমত মুক্তি আন্দোলনৰ জোৱাৰ উঠে অসহযোগ আন্দোলনৰ সময়ৰ পৰাই আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনলৈকে মুক্তি আন্দোলনত অসমৰ জনসাধাৰণৰ অৱদান অনবদ্য। গান্ধীবাদী মুক্তি আন্দোলনৰ প্ৰভাৱ অসমত গভীৰ আৰু সুদূৰপ্ৰসাৰী হলেও বংগদেশৰ মাজেদি বাগৰি অহা উগ্ৰ বিপ্লৱী সুৰটোও প্ৰতিধ্বনিত নোহোৱাকৈ থকা নাছিল। আগতে উল্লেখ কৰা ১৮৯০ চনত "গণপতি মেলা" আৰু "শিবাজী উৎসৱৰ"ৰ জৰিয়তে পশ্চিম ভাৰতত যি উগ্ৰ সংগ্ৰামী মনোভাবে জীপ্ লৈ উঠিল তাৰ প্ৰভাৱেই বঙ্গভংগৰ পৰিপ্ৰেক্ষিতত বঙ্গদেশত বিশেষভাবে আলোড়ন তুলিলে। ১৯৩৫ চনত লৰ্ড কাৰ্জনে যেতিয়া বঙ্গদেশক দ্বিখণ্ডিত কৰিবলৈ বংগভঙ্গ কাৰ্যকৰী কৰিলে তেতিয়া দাবানলৰ দৰে জনবিক্ষোভৰ সৃষ্টি হ'ল; হিন্দু-মুছলমান দুয়ো সম্প্ৰদায়ৰ লোকে এই জনবিক্ষোভত সমানে অংশগ্ৰহণ কৰিলে। এই আন্দোলনক স্বদেশী আন্দোলন বুলিয়েই কোৱা যায়। ১৯০৩ৰ পৰা ১৯১০ চনৰ ভিতৰত মহাৰাষ্ট্ৰ আৰু বঙ্গদেশত এই আন্দোলনে তীব্ৰবেগ লাভ কৰিছিল আৰু এক বিপ্লৱী প্ৰাণশক্তিৰ বিদ্যুৎস্পৰ্শ সঞ্চাৰিত কৰিছিল। আচলতে বাংলা সাহিত্যক অহিংসানীতি, অসহযোগ, আইন অমান্য আদিৰ দ্বাৰা পৰিচালিত গান্ধীবাদী আন্দোলনে অতি কমেইহে প্ৰভাৱান্বিত কৰিছিল। তাতকৈ অসহযোগৰ পৰৱৰ্তী সামাজিক আৰু ৰাষ্ট্ৰীক আন্দোলনে (যেনে কৃষাণ্ মজদুৰ আন্দোলন, আগষ্ট বিপ্লৱ, আজাদ হিন্দু ফৌজৰ বীৰত্ব ইত্যাদি) বাংলা সাহিত্যক বহু স্থলতেই নতুন পথৰ সন্ধান দিছে। প্ৰথমতে বঙ্গভংগ আন্দোলনতে সৰ্বপ্ৰথম দেশপ্ৰেমে প্ৰবল আবেগৰূপে আত্মপ্ৰকাশ লাভ কৰিলে। প্ৰায় একে সময়তে চলিল সন্ত্ৰাসবাদী আন্দোলন, যাৰ ৰহস্যময় গতিবিধি, মৃত্যুৰ লগত মিতালি আৰু ৰোমান্টিক ত্যাগ তিতিক্ষাই বাংলা সাহিত্যক যথেষ্ট প্ৰবুদ্ধ কৰিছিল। অসমত গান্ধীবাদী আন্দোলনে অসহযোগৰ সময়ৰ পৰা ক্ৰমে অসমীয়া সমাজ আৰু সাহিত্যক যথেষ্টভাৱে প্ৰভাৱান্বিত কৰিছিল। তদুপৰি বঙ্গদেশৰ পৰা উগ্ৰবিপ্লৱী চেতনা আৰু সাম্যবাদী আদৰ্শৰ প্ৰেৰণাৰ সোঁতো যে বৈ আছিল সেইটোও অনস্বীকাৰ্য। অসমত ত্ৰিশৰ দশকৰ ভিতৰতে সাম্যবাদী দলৰ সংগঠন গঢ়ি উঠে। মধ্যবিত্ত বুদ্ধিজীৱী সম্প্ৰদায়ৰ এটা শক্তিশালী অংশই কংগ্ৰেছৰ ধনতন্ত্ৰৰ গাত ভেঁজা দিয়া আন্দোলনৰ প্ৰতি বীতশ্ৰদ্ধ হৈছিল আৰু সাম্যবাদী আন্দোলনৰ অন্তৰ্ভুক্ত হৈছিল। অৱশ্যে এইটোও সঁচা যে ভাৰতীয় কমিউনিষ্ট পাৰ্টি বৃটিছ উপনিবেশবাদৰ বিৰুদ্ধে মুক্তি আন্দোলনৰ অংশীদাৰ হৈছিল আৰু বহু নেতাই কাৰাদণ্ডও ভোগ কৰিছিল। এনে এটা পৰিমণ্ডলতেই ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ কবিমানসে গঢ় লৈছিল, কাৰণ এফালে গান্ধীবাদী মুক্তি আন্দোলনৰ তেওঁ সক্ৰিয় অংশীদাৰ হৈছিল আনহাতেদি সাম্যবাদী দলত পিছৰ ফালে অন্তৰ্ভুক্ত হৈ আজীৱন "কমৰেড্ ধীৰেণ দত্ত" হিচাপে নিজৰ পৰিচয় আৰু ব্যক্তিত্বক প্ৰতিভাত কৰি তুলিছিল।

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ ১৯৩৪/৩৫ চনত ৰচিত সংস্কাৰ, স্বাধীন ৰায়ত, সমাজ বিপ্লৱ, শুনাশুনা শুনা ৰুদ্ধ দেৱতা, পৃথিৱীৰ প্ৰতি, শুনা, নৱযুগ, "কাৰ কান্দোনত স্বৰগ ভাগি" (গান), "উঠ খেতিয়ক নাঙল চলা" (গান), বিহাৰ কোৱেটা, ধুমুহা, পতাকা সঙ্গীত, যাত্ৰী, নবদৃষ্টিত সৃষ্টি, মহা বলিদান, অভিযান, মহাপ্ৰলয় আদি কবিতাত স্বদেশ আৰু জনতাৰ প্ৰতি যুৱক কবিৰ একনিষ্ঠ দায়বদ্ধতা আৰু আবেগ প্ৰৱণ বিপ্লৱী চেতনা পাৰ ভাঙি বৈ গৈছে। এই যাত্ৰাত ৰোমান্টিক আবেগৰ উত্তাপ আৰু বিপ্লৱী চেতনা একাকাৰ হৈ বৈ গৈছে। সিয়েই স্বাভাৱিক, কাৰণ কবি আছিল তেতিয়া একুৰি চাৰি পাঁচ বছৰীয়া যুৱক। ধীৰেণ দত্তৰ যৌৱনে প্ৰাচীন জৰাগ্ৰস্ততা, সমসাময়িক স্থিতিস্থাপকতা আৰু শাসন-শোষণৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি তেতিয়া এক নতুন পৃথিৱীৰ ৰচনা কৰিবলৈ উদ্বাউল হৈ পৰিছিল; "নৱযুগ" কবিতাত সেই বিপ্লৱী চেতনাই সৰব হৈ পৰিছে ঃ "পৃথিৱীৰ অন্তৰে অন্তৰে/সৃষ্টিৰ আঁৰত চলে/অগ্নিগিৰি উত্তাপ তৰল,/মানৱৰ হৃদয়ৰ গোপন গুহাত/জমি উঠে তলে তলে/ভীষণ গৰল। ----- অন্ধকাৰ ৰাতিৰ পাছত,/আহিব আকৌ ঘূৰি/পোহৰৰ সোণালী প্লাৱন,/ভয়ৰ ভৈৰৱ ছন্দত/সৌন্দৰ্যৰ নিতোল নৰ্তন। ---------- পাপযুগ সভ্যতাৰ ক্লীৱময় যুগ অৱসান,/সত্যৰ আলোকপাতে সৌন্দৰ্যৰ নতুন বিধান।" এই প্ৰত্যয়েই তেওঁৰ সমস্ত কবিতাৰে মূলমন্ত্ৰ।

ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত মূলতে মানৱীয়বাদী কবিহে, কাৰণ ক্লীববাদী (Mechanical) পশ্চিমীয়া সভ্যতাৰ প্ৰবাহ আৰু ধনতান্ত্ৰিক বৃটিছ উপনিবেশৰ প্ৰভাৱত ভাৰতীয় কৃষক আৰু শ্ৰমিক জনতাৰ দুৰৱস্থাই তেওঁৰ চেতনাক বিশেষভাবে বিদ্ৰোহী কৰি তুলিছিল। আধুনিক মানৱীয়বাদী কবিৰ দৰেই তেওঁ প্ৰথমতেই নিৰীশ্বৰবাদী পৰিচয়টো সুন্দৰকৈ ফুটাই তুলিছে ঃ "বিদ্ৰোহী মন প্ৰাণ/নুবুজোঁ একোকে নাজানো একোকে/নাজানো ভগৱান; ------পাপযুগ অৱসান, চিৰসুন্দৰ মূৰতি মধুৰ/জাগিছে মানৱ প্ৰাণ,/মানুহেই ঈশ্বৰ সৰ্বদেৱতা মানুহেই ভগৱান, পাপযুগ অৱসান।" এই ক্ষেত্ৰত প্ৰথম দৃষ্টিত অসমীয়া সাহিত্যৰ প্ৰথম ৰোমান্টিক আৰু মানৱীয়বাদী কবি চন্দ্ৰ কুমাৰৰ লগত তেওঁৰ যেন বিশেষ পাৰ্থক্য নাই। পজিটিভিষ্ট কঁটেৰ (Comte) "মানৱ ধৰ্ম"ৰ সুৰটোয়েই জীৱন্ত ৰূপত ধৰা দিছে। চন্দ্ৰকুমাৰৰ লগত ধীৰেণ দত্তৰ পাৰ্থক্য কিন্তু আছে; তেওঁৰ কবিতাৰ ভিতৰলৈ সোমাই গলেই পাৰ্থক্যটো ফটফটীয়া হৈ পৰে। চন্দ্ৰকুমাৰৰ "বীণ বৰাগী" কবিতাত "দুখীয়াৰ দুখ দুৰ্বলীৰ শান্তি" দেখি হিয়া ফাটি গৈছে। স্বাৰ্থ, অহংকাৰ আৰু নানা ভণ্ডামিৰে ভৰা মানুহৰ সমাজ খনক ভাঙিচিঙি চূৰ্ণ কৰি "নতুন সৃষ্টিৰ অৰুণ কিৰণেৰে" উদ্ভাসিত কৰিবলৈ হাবিয়াস কৰিও তেওঁ আকৌ "দিব্যদৃষ্টি"ৰ (intution) দ্বাৰা মানুহৰ প্ৰেম আৰু সৌন্দৰ্যৰ মহিমাৰে উদ্ভাসিত ভৱিষ্যত দেখা পাই শান্ত সমাহিতৰূপ লাভ কৰিছে। ধীৰেণ দত্তৰ কবিতাত কিন্তু তেনে আধ্যাত্মিক প্ৰশান্তিৰ ৰেশ নাই; তেওঁ চিৰবিদ্ৰোহী আৰু বিদ্ৰোহী চেতনাই তেওঁৰ আচল পৰিচয়। ৰোমান্টিক আবেগৰ উত্তাপ আছে সঁচা, কিন্তু তেওঁৰ বিদ্ৰোহী চেতনা প্ৰৱাহিত হৈছে প্ৰধানকৈ সমাজৰ খাটিখোৱা কৃষক শ্ৰেণীটোৰ দুৰ্দশাৰ উপলব্ধিৰ পৰাহে। তেওঁৰ মানৱতা উদাৰতাবাদী মানৱতা (Liberal humanism) বুলিও কব নোৱাৰি। মূলতেই তেওঁ এটা শ্ৰেণীৰ পক্ষত আছে। সেইবাবেই খেতিয়কক তেওঁ উদ্‌গাইছে ঃ 'উঠ খেতিয়ক নাঙল চলা/লগাই দে ভাই গণ্ডগোল,/নতুন যুগৰ বাবুক দেখি ফাঁকত পৰি নকৰ ভুল।" তেওঁ ইংৰাজ আমোলত গঢ়ি উঠা মধ্যবত্তি বাবুসকলৰ সুবিধাবাদী চৰিত্ৰকো ভালদৰে বুজি পাইছিল আৰু উদণ্ডাইছিল–"ভাষা জ্ঞানী ভদ্ৰলোকৰ/কথাৰ কম্‌তি নাপাৱ তই,/গোলামিত ভাই পাকৈত ইহঁত/দহ টকাতে বাবু হয়।" অনাহাৰতে মাটি চহাই ভাৰে ভাৰে শস্য যোগোৱা দুখী কৃষক "প্ৰহলাদ ৰূপী অৱতাৰ" বুলি কৈ কৃষক বিদ্ৰোহৰ বাবে যেন তেওঁ মন্ত্ৰহে উচ্চাৰণ কৰিছিল। আচলতে ধীৰেন্দ্ৰ চন্দ্ৰ দত্তই বৃটিছ উপনিবেশৰ তললৈ যোৱাৰ পিছত ভাৰতীয় কৃষকৰ ওপৰত যি শোষণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল তাৰ যথাৰ্থ অবলোকন কৰিছিল আৰু তাৰেই বাস্তৱ চিত্ৰ আঁকিছিল। দৃঢ়ভাবেই তেওঁ কৈছিল–

"সাচ্ছা মালিক ভোকত মৰে,
কাচ্ছা মালিক দুগুণ খায়
দেশৰ মালিক শ্ৰমিক কৃষক, মাটিৰ মালিক



হালোৱাই।"

বৃটিছৰ আমোলত ভাৰতবৰ্ষই মধ্যযুগীয় অথবা সামন্তযুগীয় ধ্যান ধাৰণাৰ পৰা আঁতৰি আহি পৃথিৱীৰ নব্য আধুনিক গণতন্ত্ৰবাদী মানৱ সংস্কৃতিৰ লগত সাঙোৰ খাবলৈ সুবিধা পালেও অথবা নানা দিশত এই বিদেশী শাসনৰ কল্যাণকৰ দিশ সূচিত হলেও উপনিবেশবাদী আৰু পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰচলনৰ বাবে খেতিয়ক সকলৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল, ব্যৱসায়িক লাভৰ বাবে ধান, ঘেঁহুৰ পথাৰত নীল খেতি কৰিবলৈ বাধ্য কৰা হৈছিল, অত্যধিক কৰৰ বোজাই কৃষকক পঙ্গু কৰিছিল। ভাৰতীয় কৃষক ক্ৰমে দৰিদ্ৰতা আৰু দুৰ্ভিক্ষৰ কবলত পৰিছিল। ভয়াবহ দুৰ্ভিক্ষৰ ফলত যি সময়ত অগণন মানুহ মৃত্যুমুখত পৰিছিল সেই সময়তে ভাৰত চৰকাৰে ইংলণ্ডৰ ৰাণীক ভাৰত সাম্ৰাজ্ঞী উপাধি প্ৰদান কৰিবলৈ মহোৎসৱ পাতি অজস্ৰ ধন খৰচ কৰিছিল। আচলতে সকলো ব্যৱসায়িক পৰিকল্পনাকে তেতিয়া ইংৰাজ ব্যৱসায়ীসকলৰ লাভৰ প্ৰতি লক্ষ্য ৰাখিয়েই কৰা হৈছিল। এই বাস্তৱৰ অবলোকন আৰু উপলব্ধি প্ৰেমচাঁদৰ দৰে লেখক আৰু ধীৰেণ দত্তৰ দৰে কবিৰ বাবেহে সম্ভৱ হৈছিল। বহু কবিয়েই সেই সময়তো ৰোমান্টিক বায়বীয় জগতখনত বিচৰণ কৰিছিল আৰু বহুতে আবেগিক উগ্ৰ বিমূৰ্ত দেশপ্ৰেম অথবা জাতিপ্ৰেমৰ জোৱাৰ তুলিছিল। এওঁলোকৰ বহুতেই দূৰ দূৰণিৰ ৰিং শুনিছিল, কিন্তু সময়ৰ অথবা বাস্তৱৰ ৰিং শুনা নাছিল যিটোৱেই আচলতে ৰোমান্টিক দুৰ্বলতা। সেইবাবেই মাৰ্গাৰেট চেটাৰ্জীয়ে বাংলা সাহিত্যৰ ক্ষেত্ৰত কোৱা কথাটো যথাৰ্থঃ The distant in time and place, whether it be India's past history, or the revolutionary happenings in the countries, seems to have captured the imagination of creative writers more than events taking place in their immediate environs........" (**Indian Literature**, Indian Institute of Advance Study, 1972, P-262 ). ধীৰেণ দত্তৰ এই কবিতাখিনিতে মুক্তিৰ বাসনাই বিপ্লৱৰ তূৰ্যধ্বনি তুলিছে। হাবিলদাৰ কবি কাজী নজৰুল ইচ্‌লাম ( ১৮৯৯–১৯৭৬ ) ৰ দৰেই দুৰ্দম উন্মাদনা, অসহিষ্ণু প্ৰাণবেদনা, বীৰৰস আৰু ৰৌদ্ৰৰস, উৎসাহ-উদ্দীপনাৰ অগ্নিপ্ৰবাহ সৰ্বোপৰি বিশ্বমানৱৰ মুক্তিৰ বাবে নৱজীৱনৰ স্বপ্নদৰ্শন আদিয়ে এই কবিৰ কবিতাতো এক অগতানুগতিক বিশেষত্ব প্ৰদান কৰিছে ঃ

"প্ৰলয় নাচোন নাচ অ' তৰুণ
সবুজ ৰঙ্গীন যাত্ৰীদল,
বুকুৰ খুনেৰে লাল কৰি ল
কঁপক জগত হেন্দোলদোল।"
("ধুমুহা")
"আহৰে পাগল আপোন ভোলা
বান্ধোন চিণ্ডাৰ সময় হ'ল,
ব'ল উৰি ব'ল বিশ্বজুৰি
মুক্তি গানৰ তুলি দে ঢল।"
("ধুমুহা")
"কৰা চূৰ্ণিত/কৰা ধ্বংসিত/কৰা ধ্বংসৰ
জয় গান,
ভাঙ্গা শৃখল/ভাঙ্গা বন্ধন/ভাঙ্গা
বন্ধ দুৱাৰ খন ----" ("শুনা")

"স্বাধীন ৰায়ত", "সমাজ বিপ্লৱ", "শুনা শুনা ৰুদ্ধ দেৱতা" আদি কবিতাত নিপীড়িত ভাৰতীয় কৃষক বনুৱাক জাগ্ৰত কৰি তুলিবলৈ যেন জাগৰণ উচাটন মন্ত্ৰহে ফুঁকিছে। কেতিয়াবা যেন অগ্নিকবি কমলাকান্তৰ অগ্নিসুৰটোও আহি নিনাদিত হৈছে। কমলাকান্তই "হিমালয়ৰ প্ৰতি সম্বোধন" নামৰ সুদীৰ্ঘ কবিতাত বৈশ্য ৰাজত্বৰ (ধেনিক বা বণিক সভ্যতা) পিছত শূদিৰৰ ৰাজত্ব প্ৰতিষ্ঠিত হ'ব আৰু সমস্ত অশান্তিৰ ওৰ পৰিব বুলি ভাবিছে। ভাৰতীয় জাতিভেদ, অন্ধবিশ্বাস, ৰক্ষণশীলতা আদিত ঘোৰ বিদ্ৰোহী কমলাকান্তই শূদিৰৰ (Working class) ৰাজত্বৰ নতুন পৃথিৱীৰ কথা এনেদৰে কৈছে ঃ

"নতুন পৃথিৱী এবে হ'ব ক্ৰমে ক্ৰমে,/যাব হিংসা ঘিণ, নৰ হ'ব বন্ধা প্ৰেমে,/জগত ভিতৰ শান্তি কৰিব বিৰাজ,/শূদিৰৰহে শকতি বাঢ়ি যাব ক্ৰমে, ভুগিছে অত্যাচাৰ বহুদিন শূদিৰে/বামুণ, ক্ষত্ৰিয় আৰু বৈশ্য সকলৰ,/আহিব লাগিছে শুভদিন শূদিৰৰ,/পূৰ্ণ হ'ব অভিপ্ৰায় মংগলময়ৰ।" (হিমালয়ৰ প্ৰতি সম্বোধন) আকৌ ধীৰেণ দত্তই কৈছে ঃ "শূদ্ৰ শূদ্ৰ কিহৰ শূদ্ৰ সকলো মিথ্যা সকলো ছল,/পুৰণি কলীয়া মিথ্যা ছলন হীন দাসত্বৰ ভাঙি দে বল॥ মাটি ফালি তই আৰ্জি শস্য তয়েই পুহিছ ছত্ৰিশ জাত,/তাৰ ফল পালি মহাহীন হলি শাস্ত্ৰৰ কঠিন বান্ধোন গাত॥" "পৃথিৱীৰ প্ৰতি" কবিতাটো–কমলাকান্তৰ দৰেই কবিয়ে স্ত্ৰী শূদ্ৰক অৱহেলা আৰু শোষণ কৰা বৰ্ণভেদ প্ৰথাৰ প্ৰতি তীব্ৰ বিদ্বেষ আৰু অসহিষ্ণু মনোভাব প্ৰকাশ কৰিছে। অস্পৃশ্যতাও হ'ল এই "শাস্ত্ৰ গঢ়ি অকৃতজ্ঞ ভণ্ডৰ সমাজে" কৰা প্ৰচাৰৰে ফল অথবা "প্ৰভুত্ব হেতু অস্পৃশ্য সৃজন, চুৰই নাপায় তোক।"

এফালে অমানৱীয় আচাৰ নীতিৰে পৰিপূৰ্ণ ভাৰতীয় সমাজ আনহাতেদি "নগ্নতাক ঢোল পিটি" নিজকে ভদ্ৰ জ্ঞানী বুলি প্ৰচাৰ কৰা পশ্চিমীয়া সভ্যতাৰ নানা অমানৱীয় দিশৰ অৱতাৰণা কৰি কবিয়ে এই সমস্ত ব্যৱস্থা ধ্বংস কৰি এক নতুন সমাজৰ সপোন দেখিছে ঃ (১) "সাম্যৰ বেদীত পাতি/শান্তিৰ আসন, বৰিম দেৱতা,/কৰিম স্খলন আত্মদোষ নিজা ------ ভাঙ্গা–কৰা চূৰমাৰ/জাত পাত যত ভেদাভেদ,/নাই হিন্দু মুছলমান,/সকলোৱে মানৱ সন্তান,/সাম্যময় বিশ্বমানৱতাৰ,/প্ৰেমৰ ভেটিত–হোৱা/সকলো মিলিত, নাই ধনী,/নাই দীন উচ্চ নীচ/কোনো ভেদাভেদ,/সকলোৰে সম আশা,/সমভোগ সমান বিচাৰ,-----"(পৃথিৱীৰ প্ৰতি); (২) "মৃত্যুৰ ভীষণ কূপত/অমৃতৰ মিলিব সন্ধান,/গৰলৰ বিষাক্ত সোঁতত/উঠিব উঠিব ভাহি/অমৃতৰ মৃত্যুহীন প্ৰাণ॥ পাপযুগ–সভ্যতাৰ ক্লীৱময় যুগ অৱসান,/সত্যৰ আলোকপাতে সৌন্দৰ্যৰ নতুন বিধান॥" (নৱযুগ)। ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ কাব্য পৰিক্ৰমাই সমাজ অবলোকনৰ মাজেদিয়েই গতি কৰিছিল আৰু সমাজৰ মাজত দেখা বৈষম্য আৰু অসুন্দৰ দিশবোৰে তেওঁৰ হৃদয়ত একুৰা দাবানল দপ্‌দপ্‌কৈ জ্বলাই তুলিছিল যাৰ প্ৰচ্ছন্ন প্ৰকাশ ঘটিছে তেওঁৰ "মহাপ্ৰলয়" কবিতাত ঃ "নাচা নাচা নাচা ৰুদ্ৰ দেৱতা প্ৰলয় নৃত্য ধ্বংসৰাজ/মহা হুঙ্কাৰে উঠা হুঙ্কাৰি/কৰচি কৰচি বাজক বাজ। গুৰু গুৰু গুৰু গুম্ গুম্ গুম্/কড়্ কড়্ কড়্ গিৰিং ৰিং/নিত্য লালসে হিল্লোলি উঠ/বাগৰি পৰক পৰ্বত টিং ------- চূৰ্ণিত হৈ যক গুড়ি হৈ/নিখিল অমিল আকাশ তল। নাচা নাচা নাচা, নাচা ৰুদ্ৰানী চলক প্ৰলয় আবহ কাল/অবিচ্ছেদ তৱ নৰ্তন লীলা/অযুত অসীম অনন্তকাল।". (মহাপ্ৰলয়)। ধীৰেণ দত্তৰ এই কবিতাসমূহৰ মাজত বিপ্লৱী আবেগৰ উচ্ছ্বাস পাৰ ভাঙি বৈ গৈছে যদিও তেওঁৰ কবিতাই ৰোমান্টিক ছান্দসিক ধ্বনি সুষমা আৰু বিপ্লৱী চেতনাৰ মাজেদি স্বাস্থ্যকৰ অভিব্যক্তিহে লাভ কৰিছে; ৰোমান্টিক ৰুগ্নবিষাদ আৰু ধুঁৱলি কুঁৱলি স্বপ্নবিলাসৰ পৰা ই সম্পূৰ্ণ মুক্ত। তদুপৰি ইবোৰৰ মাজত অহৰহ বাজি আছে সুস্থ আশাবাদ আৰু বিপ্লৱীদৰ্শনৰ দৃঢ় সংগ্ৰামী সুৰটো; কতো হতাশা বা ক্লান্তিৰ আঁচোৰ আৰু ৰোমান্টিক ৰুগ্ন আত্মাৰ নিৰ্জনতাৰ কাৰুণ্য নিগৰি ওলোৱা নাই।

কবিয়ে ভালদৰে বুজি পায় "আন্ধাৰৰ দুৰ্যোগ ৰাতিত, শিলা বৃষ্টি ধুমুহাৰ" মাজেদিয়ে তেওঁৰ সংগ্ৰামী যাত্ৰা (যাত্ৰী)। নিৰ্ভীক "স্বাধীনতা যাত্ৰী" কবি পৰাজয় স্বীকাৰ কৰাতকৈ "মৃত্যুক প্ৰেয়সী ৰূপে" গ্ৰহণ কৰিবলৈ সাজু। অনিৰ্বাৰ অনিৰুদ্ধ এই যাত্ৰাৰ গতি। বিপ্লৱী-যাত্ৰীৰ বাবে "শান্তি ? সুখ.?? ইটো বিলাসিতা আৰামৰ ক্লীৱতাৰ লক্ষণ মাথোন।" এই অভিযানৰ লক্ষ্য হ'ল–"জগতৰ দুৰ্ভিক্ষতা ------ যত পাপ – যত অনাচাৰ, ---- অনাহাৰ --- অবিচাৰ ---- সকলোৰে ধ্বংস হেতু।" কবিয়ে কাৰো পৰা ইয়াৰ বাবে "অভিনন্দন" নিবিচাৰে কাৰণ তেওঁ জানে "আৰামত যি সকল আছে স্ফুৰ্তি লৈ "তেওঁলোকৰ পৰা অভিনন্দন বিচৰা নিৰৰ্থক। "দুখ-বিপদ-ঝাঞ্ঝা-- অন্যায় অনাচাৰ ইয়াৰ মাজতে" তেওঁ প্ৰাণৰ স্পন্দন বিচাৰি পায়। তেওঁ জানে যে তেওঁৰ "বলিষ্ঠ বাহুত আছে তড়িতৰ শক্তি" আৰু তাৰ বলতেই তেওঁ অগ্ৰসৰ হ'ব লাগিব। সেয়েই তেওঁৰ জীৱনৰ লয় আৰু আত্মদৰ্শন হ'ল ঃ

"জীৱনৰ লয়তেই জীৱনৰ জয়"। কবিৰ এই জীৱন দৰ্শন কেৱল কবিতাৰ সুৰীয়া ছন্দৰ হেন্দোলনিতে নিবদ্ধ হৈ ৰোৱা নাই, ধীৰেণ দত্ত মানুহজনৰ জীৱনৰ গতিতো মুখৰ হৈ

বিয়পি পৰিছিল। আচলতে জীৱন আৰু কবিতাৰ এনে অন্তৰংগ একান্ত সম্মিলনেই ধীৰেণ দত্তৰ কবিতাক সাৰ্থক কৰি তুলিছে।

অভিযানৰ অন্তৰ্ভুক্ত কবিতাসমূহৰ ২৪/২৫ বছৰীয়া ডেকা কবিৰ দুৰ্বাৰ ৰোমাণ্টিক বিপ্লৱী চেতনাই "কাঠমিস্ত্ৰীৰ ঘৰ" (১৯৩৯) আৰু "জয়া মৰা নাই" কবিতাৰ স্তৰত প্ৰায় ত্ৰিশ বছৰীয়া পূৰঠ যৌৱনৰ জীৱন চেতনাৰে পূৰ্ণ হৈ এক উচ্ছ্বাসহীন প্ৰশান্ত কাব্যকান্তি লাভ কৰিছে। যি দুৰ্দমনীয় বিপ্লৱী উচ্ছ্বাসেৰে কবিয়ে যাত্ৰা আৰম্ভ কৰিছিল সি যেন সাম্যবাদী চেতনাৰ পূৰঠ অভিজ্ঞতাৰ মাজেদি সৰকি গৈ জীৱন আৰু জগতৰ সুস্থ অৱলোকন ঘটাই এক সৌম্য-সংযত ৰূপ লাভ কৰিছে। কবিৰ আদৰ্শ স্তিমিত কিন্তু হোৱা নাই, সি এক অভিজ্ঞতাপ্ৰসূত গম্ভীৰ শৌৰ্যহে লাভ কৰিছেগৈ। "অভিযান"ৰ কবিতাসমূহৰ বিষয়ে এই কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব যে এই সময়ত ডেকা কবিৰ আবেগৰ পৰিমাণ যিমান আছিল, সেই পৰিমাণৰ সংযম আৰু শুচিতা হয়তো নাছিল। শুচিতা বুলি কওঁতে কাব্যৰ সংযমজনিত বিকাশ গতিৰ পৰিপূৰ্ণতাকে বুজিব লাগিব। সকলো সাৰ্থক কলাকাৰৰ বিকাশগতিৰ পূৰ্ণতা আহে জীৱন অভিজ্ঞতাৰ পূৰ্ণতাৰ মাজেদিয়েই। সেই পূৰ্ণতাৰ আস্বাদ ধীৰেণ দত্তৰ এই পিছৰ কবিতা কেইটাই দিব পাৰিছে। বহু বিপ্লৱী অথবা মাৰ্ক্সীয় প্ৰেৰণাৰে উদ্বুদ্ধ প্ৰখ্যাত কবিকো প্ৰথমতে বিপ্লৱী চেতনাৰে কবিতাত উত্তাল তৰংগৰ বিস্ফোৰণ ঘটাই শেষত ৰহস্যবাদৰ মাজত আত্মজাহ যোৱা দেখা পাইছো। কবি নজৰুলেও প্ৰথমতে অগ্নিবীণাৰ অগ্নিবৰ্ষণ কৰি শেষত প্ৰেম আৰু ভক্তিৰ কবিতাৰ মাজত হেৰাই গ'ল। বাংলা আধুনিক কবি বিষ্ণুদেই প্ৰথমতে মাৰ্ক্সবাদী হৈ পিছত ৰোমান্সৰ জগতত স্থায়ী আসন পাতিলেগৈ। সেইদৰে ত্ৰিশৰ দশকৰ ইংৰাজ "সমাজবাদী গোষ্ঠী"ৰ অন্তৰ্ভুক্ত সমাজবাদী বাস্তৱ চেতনাৰে কাব্যচৰ্চা কৰা কবিসকলৰো কোনো কোনো পিছত মিষ্টিক কবিতাৰ মায়াজালত আত্মজাহ গ'ল। বহু কবিয়ে আকৌ সেই টি, এচ, এলিয়েটে আধুনিক সভ্যতাৰ বৈচিত্ৰ্য আৰু জটিলতাই কবিমানসৰ সংস্কৃত চেতনাক আলোড়িত কৰি বিচিত্ৰ আৰু জটিল ফলশ্ৰুতিৰ সৃষ্টি কৰে বুলি কোৱা কথাটোকে ("Our civilisation comprehends great variety and complexity, and this variety and complexity, playing upon a refined sensiblity must produce various and complex results.) বেদবাক্য ৰূপে লৈ বাস্তৱতাৰ নামত নানা অসংগতিপূৰ্ণ জটিলতাৰ সূচনা ঘটালে। ফলত কবি সকল বিচ্ছিন্ন হ'ল, নিঃসংগ হ'ল। আকৌ আৰম্ভ হ'ল বাস্তৱতাৰ নামতে ৰুগ্নবিষাদ, বিমূৰ্ত ভাৱবাদ। যেই কি নহওক কবি ধীৰেণ দত্তৰ এনে স্খলন অথবা আত্ম সমৰ্পণ জীৱনতো নাই, কবিতাতো নাই। তেওঁ মহৎ কবি হ'লনে নাই নাজানো, কিন্তু তেওঁ যে মানুহৰ কবি, জীৱনৰ কবি, বিপ্লৱৰ কবি আৰু লাঞ্ছিত মানুহৰ বেদনা, ক্ষোভ তেওঁৰ তেজৰ মাজেদি সৰকি গৈ কবিতাত যে গুঞ্জন তুলিবলৈ সক্ষম হৈছিল সেইটো ধ্ৰুপ। সেই দিশৰ পৰা তেওঁ ডাঙৰ কবি হয়নে নহয়, তাকো নাজানো কিন্তু তেওঁ যে "আচল কবি" (genuine poet) আছিল তাৰ সঁহাৰি কবিতাৰ ছত্ৰে ছত্ৰে বিৰিঙি ওলাইছে।

শ্ৰদ্ধেয় কবি নৱকান্ত বৰুৱাৰ এই মন্তব্য অৱশ্যে সঁচা—"ধীৰেণ দত্তৰ কবিতাই এটা কথা বাৰে বাৰে সকীয়াই দিয়ে—কবিতা উচ্চাৰিত বাণীৰ কলা ··· ক'ব খোজা কথা খিনিয়ে যাতে কাণৰ ভিতৰেৰে গৈ মৰ্ম স্পৰ্শ কৰিব পাৰে তাৰ উপযোগী তেওঁৰ ভাষা আৰু ছন্দ। আংগিকৰ পৰীক্ষা নিৰীক্ষা কৰাসকলে তেওঁৰ কবিতাত কবিতাৰ এই মৌলিক চৰিত্ৰটোৰ অনুধাৱন কৰিব পাৰে।" বৰুৱাদেৱে ধীৰেণ দত্তৰ "কাঠ মিস্ত্ৰীৰ ঘৰ'ৰ প্ৰসংগত উচ্ছ্বসিত হৈ কৈছে—"ধীৰেণ দত্তৰ কবিতাই মোৰ সেই অতীতৰ কোলাহলময় স্মৃতিক যেন ছন্দলয়েৰে বান্ধি পেলালে, শব্দ বাণী হ'ল। মোক যদি কোনোবাই দহটা শ্ৰেষ্ঠ অসমীয়া কবিতাৰ নাম সোধে, তাৰ মাজত এটা হ'ব "কাঠমিস্ত্ৰীৰ ঘৰ"। আচলতে ধীৰেণ দত্তৰ কবিতাত আধুনিক জীৱন চেতনাৰ ধ্বনি কাব্যসংগীতৰ মূৰ্ছনাৰ মাজেদি স্বচ্ছন্দ ভাবেই বাজিছে। আধুনিক কৃত্ৰিম জটিলতা অথবা মধ্যবিত্ত বুদ্ধিজীৱীৰ বুদ্ধিৰ কছৰৎ অৱশ্যে তেওঁৰ কবিতাত ঘটা নাই। সেইবাবেই নেকি জয়ন্তীযুগৰ দুৱাৰডলিতে নতুন চেতনাৰ শংখধ্বনি নিনাদিত কৰা ধীৰেন্দ্ৰ চন্দ্ৰ দত্তক আমাৰ সাহিত্য আলোচক সকলে নুসুঁৱৰিলে? সঁচা কথা ধীৰেণ দত্তৰ কবিতাক আধুনিক ছন্দ মুক্তি আন্দোলনে স্পৰ্শ কৰা নাছিল। কিন্তু কবিতাৰ গতিশীল ইতিহাসত ছন্দ মুক্তি জানো সদায় কাব্য কলাৰ একমাত্ৰ উপযুক্ত মাধ্যম হৈ ৰব? এতিয়াই যেন কবিতাই জটিল চিত্ৰকল্পবাদৰ পৰা অব্যাহতি বিচাৰি নতুনকৈ স্বচ্ছন্দ গতিৰে মনৰ কথা কাব্যভংগীত প্ৰকাশ কৰিবলৈ বিচাৰিছে, তেওঁৰ কাব্যভংগীত অভিনৱত্ব নথকাকৈ নাছিল। "নাচা নাচা ৰুদ্ৰ দেৱতা প্ৰলয় নৃত্য ধ্বংসৰাজ", লালে লাল নন্দ দুলাল কংসক বধিছে তাথৈ থৈ," দুঃখী কৃষক প্ৰহলাদৰূপী অৱতাৰ", "ত্ৰুচত বিদ্ধ দেৱতা প্ৰহলাদ পৰিল শিলৰ তল", "জ্বলা তই অগ্নি দাও দাও কৰি ঘটোৎকচৰ বংশধৰ", "দধীচি তুমি পচালা শৰীৰ মাটিত খাটি গেলালা হাড়", "বলোৰাম তুমি নাঙল চলোৱা কৰা চিৰাচিৰ ধৰিত্ৰীক" আদি খণ্ডবাক্যৰ যোগেদি যিদৰে পৌৰাণিক "মিথ'ৰ নতুন অভিব্যঞ্জনা ঘটাইছে সেইদৰে "সোণালী সূৰ্যই তুৰ্য ৰজায়", "নবীন সন্ন্যাসী নবাৰুণ স্নিগ্ধ জ্যোতিলৈ," "ভয়ৰ ভৈৰৱ ছন্দত সৌন্দৰ্যৰ নিতোল নৰ্তন", "সাচ্ছা মালিক ভোকত মৰে, কাচ্ছা মালিক দুগুণ খায়", "জীৱনৰ লয়তেই জীৱনৰ জয়", "গৰিলাই জয় গান গায়" আদি অৰ্থপূৰ্ণ খণ্ডবাক্য সমূহ আধুনিক মানসৰ সফল সৃষ্টি। কবিৰ দৃষ্টিৰ পৰিধিত কোনো ভৌগোলিক পৰিসীমা নাই; সি অসমৰ পৰা ভাৰতলৈ, ভাৰতৰ পৰা সমস্ত পৃথিৱীলৈ, পৃথিৱীৰ পৰা ক্ৰমে অসীম জগতলৈ গতি কৰিছে। তেওঁ অসমৰ পৰিস্থিতিৰ মাজতে যি দৰে বিশ্বদৰ্শন কৰিছে সেইদৰে অসমৰ সুদূৰ প্ৰান্তত ঘটা ঘটনাৱলীত একেই মানৱ ইতিহাসৰ সত্য অবলোকন কৰিছে "কাঠমিস্ত্ৰীৰ ঘৰ" কবিতাটোৰ অপূৰ্ব ধ্বনি প্ৰবাহৰ মাজত "জীৱনৰ লয়তে জীৱনৰ জয়" বিচৰা কবিয়ে যি দৰে খাটিখোৱা মানুহৰ জীৱনৰ লয়তে প্ৰেৰণাময় সংগীতৰ স্বচ্ছন্দ নিজৰা নমাই আনিছে সেইদৰে "মিস্ত্ৰী, কঁহাৰ, কমাৰ" আদিক সংগঠিত হৈ নিজৰ "অধিকাৰ নিজ বাহুবলে" লবলৈ সচেতন কৰিছে। অসমীয়া কাঠমিস্ত্ৰী এটিৰ যোগেদি কবিয়ে বিশ্বৰ খাটিখোৱা মানুহৰ হতভগা জীৱনৰ স্মৰণ কৰিছে ঃ "বিশ্বৰ যত কৰ্মীৰ দল/তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল/মায়াপুৰী মানৱৰ; ----- হায় হতভগা থাকে আন্ধাৰত/বিশ্বশিল্পী মহাবিশ্বৰ/কৰে হাহাকাৰ বিলয় বিকাৰ/প্ৰতিদান নাই কৰ্মৰ---- ।" আনহাতেদি "জয়া মৰা নাই" কবিতাটিত দ্বিতীয় মহাসমৰৰ সময়ত "ফেচিষ্ট দানৱ হিট্‌লাৰ" আৰু নাট্‌চি বাহিনীয়ে ৰুচিয়া আক্ৰমণ কৰোতে কস্মদমিনাচ্‌ স্কায়াস্কুলৰ ছোৱালী "তানিয়া জয়াই" শত্ৰুৰ বিপক্ষে যুঁজি ৰুচিয়াৰ মানুহক প্ৰেৰণাৰে উদ্বুদ্ধ কৰি নাটচি বাহিনীৰ হাতত ধৰা পৰি অশেষ অত্যাচাৰ আৰু যন্ত্ৰণা সহি হাঁহি হাঁহি মৃত্যু বৰণ কৰাৰ ঘটনাটোকে অসম বীৰাঙ্গনা সতী জয়মতী বা জয়াৰ লগত অভিন্নভাৱে গাঁথি দি কবিয়ে কৈছে ঃ সেয়েতো আজিও গাওঁ জয়া মৰা নাই/যুগে যুগে জয়া আহি/জেৰেঙাত তেজেৰে বুলাই। এই জয়া আৰু সেই জয়া,/পৃথিৱীত চাব ৰাখি যায়। তাকেই আগত ৰাখি দুৰ্বল মানুহ/জীৱনত ধাউতি জগায়।"

এইদৰে অনুভূতিৰ প্ৰখৰতা, দৃষ্টিৰ বিশালতা, ছন্দ প্ৰবাহৰ বিচিত্ৰ গীতিময় মুখৰতাৰ মাজেদি ধীৰেণ দত্তৰ কবিতাত মানুহৰ মুকুতিৰ আকৃতি বিপ্লৱী আত্মাৰ উমৰ মাজেদি ধ্বনিত প্ৰতিধ্বনিত হৈছে। কবিয়ে প্ৰকৃত মানৱীয়বাদীৰ দৰেই অনুভৱ কৰে মানুহৰ ভাগ্য বা ভৱিষ্যত মানুহৰ হাতৰ মুঠিতেই আৰু কোনো তৃতীয় শক্তিৰ ওপৰত কোনো ক্ষেত্ৰতে তেওঁৰ ভৰষা নাই। এইয়াই প্ৰকৃত আধুনিক মানৱীয়বাদীৰ দৃষ্টি ভংগী। আহক! আজি আমি সকলোৱে সংকীৰ্ণ সমস্ত ধৰ্মীয়, জাতীয়, সামাজিক, ৰাজনৈতিক গণ্ডীৰ সীমা চূৰ্ণ কৰি "জীৱনৰ লয়তে জীৱনৰ জয়" গান গোৱা কবিজনাৰ কলিজাৰ তপত উমেৰে নিজকে উমাই নতুন আশাৰ পাতনি মেলো ঃ "হ'ব দুখৰ/হ'ব কষ্টৰ হ'ব নিষ্ঠুৰ নিশা অৱসান, নাই ভয়ৰ নাই ক্ষয়ৰ/মুক্ত সকলো প্ৰাণ/জাগ্ৰত ভগৱান ॥" (শুনা) ❖





# অসমক "লেবাননকৰণৰ" দৰ্শন আৰু পৰিণতি

হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

'দৃষ্টিকোণ' শিতানত আমি সকলোকে বিভিন্ন বিষয়ে নিজৰ মতামত প্ৰকাশ কৰিবলৈ সুবিধা দিওঁ—কাৰণ আমি মুক্ত ভাব-বিনিময় আৰু 'আলোচনাৰ সাৰ্বভৌমত্ব'ত বিশ্বাস কৰো। এই সংখ্যা সূত্ৰধাৰৰ 'দৃষ্টিকোণ' শিতানত হিৰণ্যকুমাৰ ভট্টাচাৰ্যই এটা অতি স্পৰ্শকাতৰ অথচ গুৰুত্বপূৰ্ণ বিষয়ত তেওঁৰ মতামত আগবঢ়াইছে। এই বিষয়ে আমি ব্যাপক আলোচনা তথা বিতৰ্ক হোৱাটো বাঞ্ছা কৰো। তেওঁৰ প্ৰবন্ধৰ ওপৰত আমি অসমৰ চিন্তাশীল লোকসকলৰ যুক্তিপূৰ্ণ মন্তব্য আৰু মতামত আহ্বান কৰিলো। *সম্পাদক*

মৌলবাদী ৰাজনীতি আৰু দ্বিজাতিসূত্ৰৰ হলাহলে ভাৰতবৰ্ষৰ হেজাৰ হেজাৰ বছৰীয়া ঐক্য, "সৰ্বধৰ্ম সমভাব"ৰ পৰম্পৰা, সহনশীলতাৰ ঐতিহ্য ধ্বংস কৰি দেশখনক ত্ৰিখণ্ডিত কৰাৰ কথা ইতিহাসৰ কোনো ছাত্ৰই পাহৰিব নোৱাৰে। এই অঙ্গচ্ছেদৰ পৰা হোৱা ৰক্তপাতৰ সামৰণি নৌ পৰোতেই জিন্না-ভাছানী পন্থীসকলৰ দপ্‌দপনি অসমৰ বুকুত আকৌ পৰিলক্ষিত হৈছে; অথচ অসমত বসবাস কৰা ভাৰতীয় নাগৰিকসকলৰ মাজত এই ভয়াবহ সমস্যাৰ বিৰুদ্ধে সৃষ্টি হবলগীয়া সজাগতাৰ অভাৱ আজিও থাকি গ'ল, লেবাননৰ ইতিহাসলৈ এবাৰ চকু দিয়ক; এযুগতকৈও বেছি দিন ধৰি চলিথকা গৃহযুদ্ধই এসময়ৰ সমৃদ্ধিশালী লেবাননক আজি ধ্বংসৰ মুখলৈ টানি নিছে। গৃহযুদ্ধৰ কাৰণ? সৌ সিদিনালৈ সংখ্যাগৰিষ্ঠ হৈ থকা খৃষ্টানগোষ্ঠীৰ লোকসকল আৰবীয় দেশৰ পৰা হৈ থকা অনুপ্ৰৱেশৰ ফলত সংখ্যালঘুলৈ পৰিণত হৈছে। একে পৰিণতিৰ পিনে লাহে লাহে অসমো যে আগবাঢ়ি যাব ধৰিছে সন্দেহ নাই।

অসমলৈ হৈ থকা অবিৰত বাংলাদেশী নাগৰিকৰ অনুপ্ৰৱেশে এটা ভয়াবহ পৰিস্থিতি সৃষ্টি কৰাৰ উপক্ৰম হৈছে।—যেনিবা বিগত দশকটোৰ অশান্তি আৰু উত্তেজনা যথেষ্ট নাছিল। মহন্ত মন্ত্ৰীসভাই অসমৰ প্ৰতি কৰা জঘন্য বিশ্বাসঘাতকতাৰ পিছতো বাংলাদেশৰ পৰা হৈ থকা অনুপ্ৰৱেশৰ সমস্যাটো যে অপ্ৰাসঙ্গিক হৈ পৰা নাই বা ৰাইজে পাহৰি যোৱা নাই তাৰ প্ৰমাণ বিগত কেইসপ্তাহমানত যথেষ্ট পোৱা গৈছে। আনকি ৮৫ চনৰ পৰা এইবিষয়ে নীৰৱে থকা ছাত্ৰসংস্থা আৰু অগপও হঠাতে সৰৱ হৈ উঠিছে—হয়তোবা অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত অপ্ৰাসঙ্গিক হৈ পৰাৰ ভয়তে। আমাৰ প্ৰথম প্ৰশ্নটো হ'ল যে দীনেশ গোস্বামী কেন্দ্ৰীয় আইন মন্ত্ৰী হৈ থকা অৱস্থাত অগপই এই দাবী নুতুলিলে কিয়? আৰু গোস্বামীয়ে যদি আই-এম্‌-দি-টি আইনখন ৰদ কৰিবলৈ ব্যৱস্থাগ্ৰহণ কৰিব নোৱাৰে তেনেহলে দীনেশক পদত্যাগ কৰিবলৈ কোৱা নহ'ল কিয়? তথাপিও যদি একো ফল নধৰে

১৯৭১ ৰ জনপিয়লৰ প্ৰতিবেদনৰ মতে অসমৰ ঘনবসতি আছিল প্ৰতি বৰ্গ কিলোমিটাৰত ২৫৪ জন আৰু ১৯৮১ৰ জনপিয়লমতে অৰুণাচলৰ ঘনবসতি হ'ল প্ৰতি বৰ্গকিলোমিটাৰত মাত্ৰ ৮ জন। (১৯৮১ চনত অসমত জনপিয়ল কৰিবলৈ দিয়া নহ'ল) গতিকে এতিয়া ছাদিকগোষ্ঠীৰ দৃষ্টি অসম চেৰাই গৈ ছিকিম অৰুণাচল আদিতো পৰিছে যে সেইকথাটো ছিকিম আৰু অৰুণাচলত দ্ৰুতগতিত বৃদ্ধি পোৱা ইছলামধৰ্মীয় লোকৰ সংখ্যাই প্ৰমাণ কৰে।

বা কেন্দ্ৰই মনকাণ নকৰে তেনেহ'লে সমগ্ৰ মহন্ত মন্ত্ৰীসভাই পদত্যাগ কৰি বিধানসভা ভাঙি দি বিচাৰৰ ভাৰ আকৌ এবাৰ ৰাইজৰ হাতত তুলি নিদিলে কিয়? কাৰণ ক্ষমতাৰ মোহ ত্যাগ কৰি অসমৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিবলৈ মহন্ত-ফুকন গোষ্ঠী অকণো ব্যগ্ৰ নাছিল। আনহাতে ছাত্ৰসংস্থা ৬-৭ বছৰ ধৰি এইবিষয়ে নীৰৱে থাকিল কিয়? আজি হঠাতে ছাত্ৰসংস্থাৰ উষ্মাৰ এই উদ্গিৰণ কিয়? নেতৃত্ব হাতৰপৰা সৰকি যোৱাৰ ভয়ত ছাত্ৰসংস্থা আৰু অগপৰ এই আকস্মিক আস্ফালন নহয়তো? পিছে এটা কথা ঠিক যে বিদেশী অনুপ্ৰৱেশক কেন্দ্ৰ কৰি ছাত্ৰসংস্থা আৰু অগপক 'আকৌ এবাৰ অসমৰ পৰিবেশ আন্দোলনমুখৰ কৰিবলৈ দিয়া নহব। ইতিমধ্যে প্ৰমাণ হৈ গ'ল যে আন্দোলন কৰি আঞ্চলিক দলক ক্ষমতাসীন কৰিলেও এই সমস্যাৰ ৰাজনৈতিক দৃঢ়তাৰ অবিহনে সমাধান নহবও পাৰে। অৰ্থাৎ চিৰদিনৰ বাবে প্ৰমাণিত হৈ ৰ'ল যে আঞ্চলিক দলৰ চৰকাৰ হ'লেই চৰকাৰখন গাখীৰেৰে ধোৱা তুলসীপাত নহয়। অসমবাসী ৰাইজে এটা কথা নিশ্চয় ইতিমধ্যে হৃদয়ঙ্গম কৰিছে যে অগপ, ছাত্ৰসংস্থা বা যদুবংশীয় অগপৰ পৰা ফাটি গৈ নতুন নতুন আঞ্চলিক ৰাজনৈতিক দল গঠন কৰা দলবোৰৰ তথাকথিত নেতাবোৰে অবৈধ বিদেশী অনুপ্ৰৱেশৰ কথা লৈ উচ্চবাচ্য কৰিলেই "বগা কাউৰী ওলোৱা" কথালৈহে মনত পেলোৱা উচিত হ'ব। পাঁচবছৰ ৰাজপাট খাই নিপোটল হোৱাৰ পিছত এওঁলোকৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ ওপৰত মাত মাতিবলৈ কোনো নৈতিক অধিকাৰ নাই আৰু মাতিলেও অসমৰ ৰাইজে যে বিশ্বাস নকৰে আমি নিশ্চিত। আমি মাজে সময়ে ক্ষমতাসীন হৈ থকা অৱস্থাত অগপই পালন কৰা ভূমিকাৰ বিষয়ে চিন্তা কৰিলে হতবুদ্ধি, হতবাক হৈ পৰো "অগপৰ দিছপুৰ" জালুকবাৰীৰ ইমান ওচৰতে, অথচ "জালুকবাৰীৰ ছাত্ৰসংস্থাৰ বাবে দিছপুৰ ইমান দূৰ বা অগম্য হৈ পৰিল যে অবিশ্বাস্য যেন লাগে।

সি যি নহওক অসমক দ্বিতীয় লেবাননলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়াটো কি হ'ব সেইবিষয়ে চিন্তাচৰ্চা কৰাৰ সময় সমাগত। জানোচা ক'ৰবাত সজাগতাৰ সৃষ্টি হয়েই—জানোচা জোঁৰপুৰি হাত পোৱাৰ উপক্ৰম হোৱাৰ সত্বেও অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক দ্ৰুতগতিত বৰ্দ্ধমান কোটি কোটি বাংলাদেশী নাগৰিকৰ বাসস্থানলৈ (LEBENSRAUM) ৰূপান্তৰিত কৰাৰ ষড়যন্ত্ৰ শেষ মুহূৰ্তত হ'লেও নিষ্ফল কৰা

সম্ভৱ হয়। কথাতে কয়–"নুবুৰে মানে বাবা নমৰে মানে চাবা"। নীৰৱে আত্মহত্যা কৰিবলৈ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ পিছতো জানোচা জাতিটোৰ আত্মসচেতনতা, জীয়াই থকাৰ মোহ পুনৰ জাগৃত হয়। পিছে উৰহিৰ ওৰ বিচাৰি পাবলৈ হ'লে পাকিস্তানৰ জন্ম আৰু মৃত্যু বেদনা বাংলাদেশৰ বাধ্যবাধকতা আৰু বৰ্তমানে জনসংখ্যা বিস্ফোৰণৰ সন্দৰ্ভত বাংলাদেশৰ বুদ্ধিজীৱী আৰু ৰাজনৈতিক মহলত হৈ থকা চিন্তাচৰ্চাৰ বিষয়ে চমুকৈ হ'লেও বিচাৰ বিবেচনা কৰিব লাগিব আৰু আৰবীয় পেট্ৰোডলাৰৰ সহায়ত ইছলামধৰ্মী মৌলবাদীসকলৰ ষড়যন্ত্ৰ কিমানদূৰ আগবাঢ়িছে সেইবিষয়েও এটা সম্যক ধাৰণা থাকিব লাগিব। ইতিমধ্যে মৌলবাদীসকলৰ হুঙ্কাৰ অসমত শুনা গৈছে আৰু "শইকীয়া চৰকাৰ"ক আৱশ্যক হ'লে পাঁচমিনিটৰ ভিতৰতে গাদীচ্যুত কৰিব পৰা ক্ষমতাৰ বিষয়ে কোনো লুকঢাক নকৰাকৈ ৰাজহুৱাভাবে ঘোষণা কৰি আহিব ধৰা দিনবোৰৰ ইঙ্গিত দিয়া হৈছে। অৰ্থাৎ বাংলাদেশী আৰু মৌলবাদী ন্যস্তস্বাৰ্থৰ চক্ৰটোৱে আমি আগতে বহুবাৰ কোৱাৰ দৰে, নিৰ্দ্দিষ্ট আঁচনি লৈ আগবাঢ়িছে; আৰু আনহাতে আমি এতিয়ালৈকে মাথোন আবেগিক বিস্ফোৰণৰ জৰিয়তেহে কোনো প্ৰতিৰোধমূলক ব্যৱস্থাৰ কথা চিন্তা নকৰি, ভাগ্যক ধিয়াই নিৰ্বিকাৰ হৈ বহি আছো –আমাৰ সমগ্ৰ চিন্তাচৰ্চা, ধ্যানধাৰণা আল্ফা, বড়োসমস্যা কাৰ্বি আংলঙৰ পাৰ্বত্য ৰাজ্যৰ দাবী ইত্যাদিক কেন্দ্ৰ কৰি আটাইতকৈ ভয়াবহ সমস্যাটোৰপৰা বিচ্ছিন্ন হৈ পৰিছে– মাথোন ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ দুই এটা ৰাজনৈতিক বা তথাকথিত অৰাজনৈতিক সংগঠনে আকৌ "নীলা শিয়াল"টোৰ ৰূপত আবিৰ্ভাব হ'বলৈ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। নকলেও হ'ব যে অসমৰ প্ৰতাৰিত ৰাইজে ছাত্ৰসংস্থা বা অগপৰ আহ্বানত আকৌ এবাৰ ৰাজপথলৈ ওলাই আহিবলৈ ৰাজী নহব। গতিকে যুক্তি, তথ্য, বস্তুনিষ্ঠ বিশ্লেষণৰ ভিত্তিতহে জনমত গঠন কৰাৰ চেষ্টা চলাব লাগিব। কাৰণ টিভিত প্ৰদৰ্শিত হ'বলৈ বা বাতৰিকাকতৰ শিৰোনামা দখল কৰিবলৈ আশ্ৰয় লোৱা ধৰ্ণা, অনশন আদি কৌশলৰ সাৰশূন্যতা ৰাইজে বুজি পোৱা হৈছে। বিদেশী অনুপ্ৰৱেশৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ গৈ প্ৰফুল্ল মহন্ত, ভৰত নৰহ, জয়নাথ শৰ্মা গোষ্ঠীয়ে আজি ধৰ্ণা দিয়াটো বা অনশন কৰাটো অসমবাসীক আকৌ এবাৰ প্ৰতাৰণা কৰাৰ প্ৰয়াস নহয়নে? ৰাইজে নিজে বিচাৰ কৰক! নিজৰ বিশ্বাসযোগ্যতা হেৰুৱাই পেলালে ৰাজহুৱা জীৱন কিমান বিপৰ্যস্ত হৈ পৰে সেই বিষয়ে জালুকবাৰীৰ বিবেকৰক্ষী আৰু আইন আৰু ৰাজনৈতিক দৰ্শনৰ তথাকথিত বিশেষজ্ঞ সকলে এতিয়া নিশ্চয় বুজি পাব। নিশ্চয় বুজি পাব যে "সোণৰ অসম" আৰু "সোণৰ সংসাৰ" সজা প্ৰক্ৰিয়া দুটা বিপৰীতধৰ্মী দৰ্শনৰপৰা নিসৃত ফলশ্ৰুতি। দুয়োটা দৰ্শনৰ সন্ধিস্থল ইতিহাসে আজিও আৱিষ্কাৰ কৰিব পৰা নাই। অৱশ্যে প্ৰথমটোৰ ফলশ্ৰুতি দ্বিতীয়টো হোৱাৰ উদাহৰণ আছে; কিন্তু দ্বিতীয়টোৰ অৰ্থাৎ "সোণৰ সংসাৰ" সজাৰ ফলশ্ৰুতি প্ৰথমটো হোৱাৰ নজীৰ নাই; জালুকবাৰীয়ে দেখুৱাই দিলে কৃতজ্ঞ হৈ ৰ'ম। আনহাতে নিজৰ ঘৰৰ সীমাতে অৱস্থিত ককায়েকহঁতৰ ঘৰত জুইলগাৰ পিছত ককায়েকবিদ্বেষী ভায়েকহঁতে জুই নুমুৱাবলৈ আগবাঢ়ি নোযোৱাৰ যি অৱধাৰিত ফল, সেই একে ফলেই বড়ো আৰু কাৰ্বি ভাইসকলে ভোগ নকৰিব নে? আমাৰ ভাতৃপ্ৰতিম ডঃ জয়ন্ত ৰংপি আৰু পৰমেশ্বৰ ব্ৰহ্মই বাৰু কি যুক্তিত বাংলাদেশৰ লেখত লবলগীয়া বুদ্ধিজীৱী ছাদিক খানক আমাতকৈ বেছি আপোন বুলি সাবটি ল'ব? আহক ছাদিক খানে বাংলাদেশৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ বিষয়ে কবলগীয়া কি আছে এবাৰ পৰীক্ষা কৰি চোৱা যাওক;

১৮-১০-৯১ তাৰিখত বাংলাদেশৰ এখন প্ৰধান বাতৰিকাকত "THE HOLIDAY WEEK END"ত প্ৰকাশিত ছাদিক খানৰ অভিপ্ৰায় তলত উদ্ধৃত কৰা হ'ল। খানে লেখা প্ৰবন্ধটোৰ শিৰোনামা হ'ল : THE QUESTION OF LEBENSRAUM (বসতিস্থানৰ প্ৰশ্ন)। প্ৰথমতে তেখেতে কৈছে, "The question of lebensraum or living space for the people of Bangladesh has not yet been raised as a moot issue. All projections however, clearly indicate that by the next decade of the 21st century, Bangladesh will face a serious crisis of lebensraum" অৰ্থাৎ আমি ইমানদিনে দি অহা সকীয়নিৰে প্ৰতিধ্বনি। ২০০১ চনত বাংলাদেশৰ ১২ কোটি জনসংখ্যা গৈ হ'ব ২০ কোটি আৰু এই অতিৰিক্ত ৮ কোটি মানুহৰ বাবে আৱশ্যক হ'ব অতিৰিক্ত বসতিস্থান–যিটো বাংলাদেশৰ ১,৪৪,০০০ বৰ্গ কিলোমিটাৰ ঠাইত গঢ়ি তোলা সম্ভৱ নহ'ব। উল্লেখযোগ্য যে ১,৪৪,০০০ বৰ্গ কিলোমিটাৰ ঠাইৰ বুজন পৰিমান ঠাই জলাশয় বা নদী অৰ্থাৎ বসতিস্থানৰ বাবে উপযোগী নহয় আৰু সেইবাবেই ছাদিক খান গোষ্ঠীৰ যত চিন্তাচৰ্চা আৰু দুৰ্ভাৱনা! নিজৰ দেশৰ দ্ৰুতগতিত বৰ্দ্ধমান জনসংখ্যাৰ নিয়ন্ত্ৰণৰ কথা চিন্তা নকৰি খান চাহাবে এই সমস্যা সমাধানৰ এক উদ্ভট সূত্ৰ আগবঢ়াইছে এনেদৰে– "It is said that a boarderless world has become the prime requisite for economic growth under the new world order. In fairness, it consumer benefit is considered to be better served by boarderless competitive trade of commodities, why not boarderless competitive trade of labour ? ........" বা! কি সুন্দৰ যুক্তি! তেখেতসকলে কৰি থকা পাপৰ প্ৰায়শ্চিত্ত কৰক সমগ্ৰ বিশ্বই! লগতে মৌলবাদী সম্প্ৰসাৰণৰ আঁচনিখনৰ কথা যদি ছাদিকে ক'লেহেঁতেন তেনেহলে অন্ততঃ তেখেতৰ বৌদ্ধিক সততাৰ বিষয়ে পতিয়ন যোৱাত অসুবিধা নহ'লহেঁতেন। কিন্তু শ্ৰমিকৰ লেনদেনৰ কথা পাহৰি গৈ পিছমুহূৰ্ত্ততে তেখেতে যিটো কৈছে সেইটোৱেহে অসম তথা ভাৰতবৰ্ষৰ সন্দৰ্ভত তেখেতৰ কি আঁচনি সেইটো উদঙাই দিছে : ....... There is no reason why underpopulated regions in the developed world cannot made room for planned colonies to relieve build up of demographic disasters in countries like Bangladesh ........"। দেখদেখকৈ এইখিনি কোৱাৰ প্ৰেৰণা হ'ল যে তেখেতে বাংলাদেশৰ বসতিৰ ঘনত্ব অসম বা অৰুণাচলৰ দৰে ভাৰতীয় ৰাজ্যবোৰৰ বসতিৰ ঘনত্বৰ লগত তুলনা কৰিছে। ১৯৭১ ৰ জনপিয়লৰ প্ৰতিবেদনৰ মতে অসমৰ ঘনবসতি আছিল প্ৰতি বৰ্গ কিলোমিটাৰত ২৫৪ জন আৰু ১৯৮১ৰ জনপিয়লমতে অৰুণাচলৰ ঘনবসতি হ'ল প্ৰতি বৰ্গকিলোমিটাৰত মাত্ৰ ৮ জন। (১৯৮১ চনত অসমত জনপিয়ল কৰিবলৈ দিয়া নহ'ল) গতিকে এতিয়া ছাদিকগোষ্ঠীৰ দৃষ্টি অসম চেৰাই গৈ ছিকিম অৰুণাচল আদিতো পৰিছে যে সেইকথাটো ছিকিম আৰু অৰুণাচলত দ্ৰুতগতিত বৃদ্ধি পোৱা ইছলামধৰ্মীয় লোকৰ সংখ্যাই প্ৰমাণ কৰে। ১৯৬১-৭১ৰ ভিতৰত ছিকিমত মুছলমান লোকৰ বৃদ্ধিৰ হাৰ আছিল ৭২.২৫% আৰু ১৯৭১-৮১ৰ ভিতৰত সকলো অভিলেখ ভঙ্গ কৰি হ'লগৈ ৮৬৭.৪৬%। একেদৰে অৰুণাচলত ১৯৭১-৮১ৰ ভিতৰত মুছলমান মানুহৰ বৃদ্ধিৰ হাৰ হ'ল গৈ ৫০২.৪৯% আৰু নগালেণ্ডত ২৯৮.০৪%। নিঃসন্দেহে ক'ব পাৰি যে উন্নয়নমূলক প্ৰকল্পসমূহ নিৰ্মাণৰ বাবে এইবোৰ ৰাজ্যলৈ ব্যাপক হাৰত বাংলাদেশী শ্ৰমিক আমদানি কৰা হৈছে আৰু এই শ্ৰমিক সকলে বহিবলৈ পোৱাৰ পিছত শুই পৰিবলৈ হেমাহি কৰা নাই। এই সন্দৰ্ভত উল্লেখযোগ্য কথা হ'ল যে বাংলাদেশত বসতিৰ উপযোগী মাটিৰ এলেকা হ'ল ৫৫০০০ বৰ্গ কিলোমিটাৰ আৰু জনবসতিৰ্ৰ ঘনত্ব হ'ল প্ৰতিবৰ্গ কিলোমিটাৰত ২০৫৪ জন। ২০০১ চনত ই হ'বগৈ ২৪৭০ জন। অৰ্থাৎ ছাদিক খানৰ সূত্ৰটো ইতিমধ্যে পূৰ্ণগতিত ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত বাস্তবায়িত হৈছে আৰু এই বিষয়ে অকণো লুকঢাক নকৰাকৈ ছাদিক চাহাবে নিজৰ অভিসন্ধি এইদৰে ব্যক্ত কৰিছে : "......... A natural overflow of population pressure is therefore very much on the eards and will not be restrainable by barbed wire or boarder partrol measures. (যিটো কথা আমি বহুবাৰ চিঞৰি চিঞৰি কৈছো।) The natural trend



of population overflow from Bangladesh is towards the sparsely populated lands of South East in the Arakan side and of the North East in the seven sisters side of the Indian subcontinent ........ ", মনকৰিবলগীয়া যে মায়নমাৰ অৰ্থাৎ ব্ৰহ্মদেশৰ কথা কবলৈ ছাদিকে সাহস কৰা নাই কাৰণ ব্ৰহ্মদেশৰ চৰকাৰে এই সন্দৰ্ভত দিল্লীৰ আওকণীয়া নীতি পৰিহাৰ কৰি নিজৰ দৃঢ়স্থিতি ইতিমধ্যে বিশ্বক জনাই দিছে–যাৰ ফলত এতিয়া ব্ৰহ্মদেশৰ পৰা খেদাখোৱা বাংলাদেশীয়েও আহি মণিপুৰ অসম ত্ৰিপুৰা আদি ভাৰতীয় ৰাজ্যত ইতিমধ্যে পিয়াপি দিছে।

আব্দুল মমিন আছিল বাংলাদেশৰ পৰৰাষ্ট্ৰ দপ্তৰৰ সচিব আৰু পিছলৈ চীনদেশত বাংলাদেশৰ ৰাষ্ট্ৰদূত। তেখেতে ঢাকাৰ পৰা প্ৰকাশিত বাতৰিকাকত Dhaka Courier (ঢাকা কেৰিয়াৰ) অৰ ২২-১১-৯১ তাৰিখে প্ৰকাশিত সংখ্যাত ছাদিক সুৰীয়া কথাকে এনেদৰে কৈছে : ......the table clearly shows not only that Bangladesh has by far the highest density out also that others have several times more space to expand comfortably ......."। অৰ্থাৎ আমি এতিয়াও আমাৰ হাতত থকা বসতিযোগ্য মাটিবোৰ তেখেতসকলক এৰি দি আন এখন ইণ্ডোনেচিয়াৰ জন্ম দিয়াৰ সুযোগ কিয় নিদিম? আব্দুল মমিনে অৱশ্যে এইটো কথা স্বীকাৰ কৰিছে যে জাৰ্মানসকলে কৰাৰ দৰে কঠোৰ পৰিশ্ৰম আৰু আধুনিক প্ৰযুক্তি বিদ্যাৰ সহায়ত বাংলাদেশত বাংলাদেশীৰ বাবে বসতিস্থান তৈয়াৰ কৰা সম্ভৱ। পিছে মৌলবাদী চিন্তাচৰ্চাই, আৰবীয় উচটনিয়ে আৰু "পান ইছলামীয়" দৰ্শনে জাৰ্মানসকলৰ যুদ্ধোত্তৰ বাস্তৱবাদী আৰু বস্তুনিষ্ঠা দৰ্শন যে মমিন চাহাবৰ নিজৰ বাবেও গ্ৰহণযোগ্য হ'বলৈ নিদিয়ে সেই বিষয়ে আমাৰ অন্ততঃ সন্দেহ নাই।

বাংলাদেশৰ জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধিয়ে যে অকল অসম বা ভাৰতবৰ্ষৰ বাবেহে সমস্যাৰ সৃষ্টি কৰিছে তেনে নহয়। বাংলাদেশৰ বুদ্ধিজীৱীসকলে শেহতীয়াভাৱে ওপৰত উল্লেখ কৰা মতাদৰ্শৰ ভিত্তিত বাংলাদেশীয় নাগৰিকসকলৰ পৃথিৱীৰ বিভিন্ন দেশত বিয়পি পৰিছে। যেনে আমেৰিকা যুক্তৰাষ্ট্ৰত ৫০,০০০ কানাডাত ২৫,০০০ আৰু আনকি বিদেশী প্ৰব্ৰজনৰ ক্ষেত্ৰত অতি কঠোৰ দৃষ্টিভঙ্গী অৱলম্বন কৰা জাপানতো ইতিমধ্যে ১০,০০০ বাংলাদেশীয়ে আশ্ৰয় লৈছে। বাংলাদেশৰ কেৱল চিলেট জিলাৰ পৰাই ২,০০,০০০ (দুই লাখ) বাংলাদেশীয়ে গৈ ইংলণ্ডত ইতিমধ্যে থিতাপি লৈছে। ইমানবোৰ কঠোৰ নীতি নিয়মৰ মাজেদি সৰকি গৈ যুক্তৰাষ্ট্ৰ, কানাডা, জাপান আৰু ইংল্যাণ্ডত ইমান বৃহৎসংখ্যক বাংলাদেশীয়ে যেতিয়া অনুপ্ৰৱেশ কৰিবলৈ বা থিতাপি ল'বলৈ সক্ষম হৈছে, সেই ক্ষেত্ৰত বাংলাদেশৰ গাতে লাগি থকা অসম, ত্ৰিপুৰা, মেঘালয়, ছিকিম, অৰুণাচল আদিৰ ক্ষেত্ৰত কেনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে সেয়া সহজে অনুমেয়। প্ৰভেদ মাথোন ইমানেই যে জাপান, ইংল্যাণ্ড আদি দেশত শুদ্ধ হিচাপ এটা পোৱা গৈছে আৰু আমাৰ ইয়াত হিচাপৰ কোনো মা-বাপ নাই। কাৰণ হিচাপ প্ৰস্তুত কৰা হয় শাসনাধিষ্ঠিত ৰাজনৈতিক দলৰ শ্ৰুতলিপিৰ ওপৰত নিৰ্ভৰ কৰিহে। ওপৰত উল্লেখ কৰা তথ্যসমূহৰ বাদেও সগোত্ৰী আৰবীয় দেশবোৰলৈ অহাযোৱা কৰি থকা ৯-১০ লাখ বাংলাদেশীৰ কথা আমি ইয়াত বিবেচনা কৰা নাই। কিন্তু আনহাতে উন্নত দেশবোৰত স্বয়ংক্ৰিয় প্ৰযুক্তিবিদ্যাৰ ক্ৰমবৰ্দ্ধমান প্ৰৱৰ্তনৰ লগে লগে, এই দেশবোৰত শ্ৰমিকৰ চাহিদা লাহে লাহে কমি যাব আৰু তাৰ ফলস্বৰূপেও সম্পূৰ্ণ হেঁচাটো আহি পৰিব ভাৰতবৰ্ষৰ ওপৰত–যাৰ প্ৰমাণ ওপৰত দি অহা হৈছে। মমিনচাহাবে এই কথাটো ভালদৰে বুজি পাইছে। আনকি তেখেতে বহুদূৰলৈ দৃষ্টিপাত কৰি ক'বলৈ বাধ্য হৈছে যে বাংলাদেশীসকলে যিদৰে নিজৰ অস্তিত্ব বজাই ৰাখিব খোজে–ঠিক একেদৰে ভূটানৰ দৰে সৰু ৰাজ্য এখনেও বিচাৰে। গতিকে বাংলাদেশৰ ভিতৰতে বসতিস্থানৰ সম্ভাৱনা সৃষ্টি কৰাৰ তেখেতে কৈছে যদিও মৌলবাদী সম্প্ৰসাৰণবাদৰ ইতিহাসে সম্পূৰ্ণ বিপৰীতধৰ্মী আগ্ৰাসী প্ৰৱণতাৰ কথাহে প্ৰতীয়মান কৰে। তথাপিও সত্যৰ খাতিৰত মানি লব লাগিব যে আব্দুল মমিন ডাঙৰীয়াই পোনপ্ৰথমবাৰৰ বাবে এই সমস্যাটোক ৰাজনৈতিক আৰু মৌলবাদী অভিসন্ধিৰ মাজলৈ টানি নিনিয়াকৈয়ে অৰ্থনৈতিক সমাধানৰ বাবে আহ্বান জনাই ছাদিক খানৰ সম্প্ৰসাৰণবাদ নাকচ কৰিছে। নিঃসন্দেহে অতি বাস্তৱবাদী আৰু সুদূৰপ্ৰসাৰী চিন্তাধাৰা; কিন্তু আবেগিক আৰু মৌলবাদী গোড়ামিৰ আধিক্য আৰু আগ্ৰাসী ভূমিকাই যুক্তিবাদক ইতিমধ্যে এই ক্ষেত্ৰতো অপসৃয়মান কৰি পেলাইছে বুলি ওপৰত দি অহা তথ্যবোৰে প্ৰমাণ নকৰে জানো? অথচ বাংলাদেশতকৈ বহুত বেছি কম প্ৰাকৃতিক সম্পদ আৰু মানৱসম্পদ থকা অনেক এছীয়া দেশো ইতিমধ্যে উন্নত দেশৰ শাৰীত স্থান গ্ৰহণ কৰিছে। দক্ষিণ কোৰিয়াৰ অৱস্থা দুটা দশকৰ আগতেও বাংলাদেশতকৈও বেয়া আছিল; কিন্তু আজি দক্ষিণ কোৰিয়াই আন্তৰ্জাতিক বজাৰত নিজৰ উপস্থিতি সগৰ্বে ঘোষণা কৰিছে। বাংলাদেশৰ দৰে বৃহৎ জনসংখ্যাৰ হেঁচাত হাৰ মানি মৌলবাদী সম্প্ৰসাৰণবাদৰ আশ্ৰয় নলৈ টাৱাইনৰ দৰে ক্ষুদ্ৰ দ্বীপ এটাইও আজি আনকি প্ৰতিবছৰে ৭০০০ কোটি ডলাৰ বিদেশী মুদ্ৰা উপাৰ্জন কৰি নিজৰ নাগৰিক জীৱনৰ মানদণ্ড বহুতো উন্নত কৰিছে। দুৰ্ভাগ্যবশতঃ পাকিস্তান আৰু বাংলাদেশৰ শাসকগোষ্ঠীৰ এনেধৰণৰ গঠনমূলক দৃষ্টিভঙ্গীৰ মৌলবাদী সম্প্ৰসাৰণৰ চিন্তাচৰ্চা কৰি ওচৰ চুবুৰীয়া ভাৰতবৰ্ষক বা ভাৰতবৰ্ষৰ কেতবোৰ অঞ্চলক মুছলমান সংখ্যাগৰিষ্ঠ কৰি তোলাৰ সপোনত বিভোৰ হৈ আছে আৰু ভাৰতবৰ্ষৰ এচাম তথাকথিত ধৰ্মনিৰপেক্ষ নেতা আৰু ৰাজনৈতিক দলে দেশখনক তিলে তিলে আৰবীয় সম্প্ৰসাৰণবাদৰ অটল গহ্বৰলৈ ঠেলি দিবলৈ ধৰিছে। সি যি কি নহওক, দ্বিজাতিসূত্ৰৰ ভিত্তিত আমাৰ দেশখনক ত্ৰিখণ্ডিত কৰাৰ পৰিণতি কি হ'ল আৰু ভৱিষ্যতে কি হ'ব পাৰে সেই বিষয়ে চিন্তা চৰ্চা কৰিলে আৰু আমাৰ নিজৰ দৃষ্টিভঙ্গী দাঙি ধৰিলে মৌলবাদী সকলে আমাক সাম্প্ৰদায়িকতাৰ পৃষ্ঠাপোষকতা কৰিছো বুলি হুলস্থূল লগাব বুলি জানিও আৰু শাস্ত্ৰৰ নিষেধ অমান্য কৰিও কিছু অপ্ৰিয় সত্য লিখিবলৈ বাধ্য হলো। ঢাকাৰ কোনোবা পঞ্চতাৰকাবিশিষ্ট হোটেলত বহি স্কটলেণ্ডৰ পানীয়ৰ আমেজ লৈ অসমক বাংলাদেশৰ বুকুত জাহ নিয়াবলৈ কৰা ষড়যন্ত্ৰৰ উমান পালে কিজানি দুৰ্ভগীয়া আত্মসচেতনতাৰহিত অসমবাসী তথা উত্তৰপূৰ্বাঞ্চলবাসী ভাৰতীয়সকলৰ কণমানো সজাগতাৰ সৃষ্টি হয়। আজিও আশা ৰাখিছো– অসম ভাৰতবৰ্ষৰপৰা বিচ্ছিন্ন হৈ আৰু বাংলাদেশৰ লগত চামিল হৈ আৰবীয় সম্প্ৰসাৰণবাদৰ বলি নহ'ব। এই চিন্তা দুশ্চিন্তাৰ স্বৰূপটো উদঙাই দিয়াৰ মনস্থ কৰিবৰো বহুদিন হ'ল কাৰণ অসমৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যাটোৰ লগত এই কথাবোৰৰ প্ৰত্যক্ষ সম্বন্ধ আছে। জানো পাকিস্তান/বাংলাদেশৰ ৰাজনীতি, শাসনপদ্ধতি অসমবাসীক অৱগত কৰিবলৈ ওলালে বাংলাদেশৰ "লেবেনচ্ৰাম"ৰ (LEBENSRAUM) সপোন ৰূপায়িত কৰিবলৈ সীমান্তৰ এইপাৰে বহিথকা সকল উচপ্ খাই উঠিব; কিন্তু পাঁচ মিনিটৰ ভিতৰত শইকীয়া চৰকাৰৰ পতন ঘটাব পাৰে বুলি ঘোষণা কৰি তেখেতসকলে বুকুৰ ওচৰত হেঁচিৰখা তাচপাতখন উদঙাই দিয়াৰ পিছত আমিও নিশ্চয় উচপ্ খাই উঠাৰ অধিকাৰ আছে। যদিও আৰবীয় ৰাষ্ট্ৰৰ আৰ্হিত গঢ়ি উঠা সমাজত ব্যক্তিৰ মতামতৰ স্বাধীনতা অবান্তৰ। পিছে অসম আজিও ভাৰতৰ অবিচ্ছেদ্য অঙ্গ। গতিকে এই অধিকাৰ মোৰ আজিও আছে। এই অধিকাৰ থকা নথকাৰ যি বিভিন্ন দৰ্শন তাৰ মাজত লুকাই আছে অসমৰ পৰিস্থিতিয়ে সৃষ্টি কৰিবপৰা ভীষণ সংঘাতৰ বীজ। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰা উচিত হ'ব যেন পাওঁ যে আজি মাত্ৰ কেইদিনমান উত্তৰ পূৰ্বাঞ্চলৰ দূৰণিবটীয়া অঞ্চলত অৱস্থিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰালয়ত গোচৰ পৰিচালনা কৰিবলৈ গৈ শেহতীয়াভাবে বিতৰ্কিত ভূমিকাত অৱতীৰ্ণ হোৱা "মুছলিম ফ'ৰাম"ৰ দ্বাৰা অনুপ্ৰাণিত এগৰাকী জ্যেষ্ঠ মুছলমান অধিবক্তাই আজিজ ডাঙৰীয়াৰ লগত সুৰ মিলাই বহুতো গণ্যমান্য ব্যক্তিৰ

আগত ঘোষণা কৰি বহিল যে অদূৰ ভৱিষ্যতত তেখেতেই অসমৰ মুখ্যমন্ত্ৰী হ'ব–অথচ বিগত নিৰ্বাচনত তেখেতে আমানতৰ ধন হেৰুৱাইছিল। হঠাতে এই দুঃসাহসৰ উৎস ক'ত ? আহক, ইয়াৰ বাবেই আমি এবাৰ পাকিস্তান আৰু বাংলাদেশৰ চমু ইতিহাসত ভুমুকি মাৰি চাওঁ ঃ

পৃথিৱীত বহুতো সভ্যতাৰ উত্থান হ'ল আৰু পতন হ'ল। ৰোমান, গ্ৰীক, বাইজেন্টাইন আদিৰ দৰে চহকী সভ্যতাও কালৰ বুকুত নিশ্চিহ্ন হৈ গ'ল। অথচ বহুতো ঘাত-প্ৰতিঘাত দ্বন্দ্ব-অন্তৰ্দ্বন্দ্বৰ সমুখীন হোৱা সত্বেও ভাৰতীয় সভ্যতা, ঐতিহ্য, সংস্কৃতি পাঁচহেজাৰ বা ততোধিক বছৰৰ অভিজ্ঞতা আৰু স্বকীয় পৰম্পৰাৰে মহিমান্বিত হৈ আজিও এক বোৱতীসুঁতি হৈ আছে ; ঠিক এই বোৱতীসুঁতিৰ গতি ৰুদ্ধ কৰিবলৈকে উদ্দেশ্যপ্ৰণোদিত আৰু পৰিকল্পিতভাবে লাখ লাখ বাংলাদেশী মুছলমান নাগৰিকক ভাৰতবৰ্ষৰ উত্তৰপূৰ্বাঞ্চললৈ পঠোৱা হৈছে। সক্ৰিয়ভাবে পৰোক্ষ সমৰ্থন আগবঢ়াইছে আৰবীয় পেট্ৰোডলাৰে। আনহাতে খাৰুৱাতেলৰ যোগানৰ উৎস শুকাই যোৱাৰ ভয়ত জানিও নজনাৰ ভাও জুৰি নতুন দিল্লী নিমাতে আছে; সক্ৰিয় সমৰ্থন আগবঢ়াইছে পাকিস্তানে। কাশ্মীৰ উপত্যকাক নিহিন্দু কৰা হ'ল–এতিয়া অসমৰ পাল। উল্লেখযোগ্য যে হঠাতে গৈ উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশত হস্তক্ষেপ কৰা সম্ভৱ নহয়; গতিকে সীমান্তৱৰ্তী অঞ্চলতহে এই অভিযান আৰম্ভ কৰিব লাগিব। কাশ্মীৰৰ অভিযান সম্পূৰ্ণ হ'ল–নিলাজ নতুন দিল্লীয়ে মানি নল'লেও ! ৰাজস্থানত আৰম্ভ হৈছে, বেছ অগ্ৰগতি লাভ কৰিছে। সেই বিষয়ে পিছত লিখিম বাৰু। এতিয়া পাকিস্তানৰ ইতিহাস পৰীক্ষা কৰা যাওক। "ইছলাম বিপদগ্ৰস্ত" আৰু "হিন্দু-মুছলমান দুটা সুকীয়া জাতি"–এই ধ্বনি তুলিয়েই ভাৰতবৰ্ষৰ অঙ্গচ্ছেদ কৰা হ'ল; কিন্তু দেশবিভাজনৰ ফলশ্ৰুতি হিচাপে পশ্চিম আৰু পূৰ্বপাকিস্তানলৈ যেতিয়া বহুতো মুছলমান ভগনীয়া, কোনো অত্যাচাৰৰ বলি নোহোৱাকৈয়ে ভাৰতবৰ্ষৰপৰা গুচি গ'ল তেতিয়া পাকিস্তানৰ দুয়োটা অংশতে ভীষণ সামাজিক অস্থিৰতা আৰু উত্তেজনাৰ সৃষ্টি হ'ল। অৰ্থাৎ ভাৰতবৰ্ষৰ ঐতিহ্যৰে লালিত পালিত হোৱা এই মুছলমান ভগনীয়া সকলে হঠাতে আৱিষ্কাৰ কৰি বহিল যে অকল "ইছলামে" ওপৰোক্ত সামাজিক বৈষম্য আৰু অস্থিৰতাৰ শাম কটাব নোৱাৰে–যাৰ ফলত বহুলাখ মুছলমান পাকিস্তানৰ পৰা উভতি আহিল–কিয়নো তেখেতসকল লালিত পালিত হৈছিল ভাৰতীয় ঐতিহ্যৰ চৰম সহনশীলতাৰ ছত্ৰছাঁয়াত। ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ ২৫ বছৰ নৌ হওঁতেই পাকিস্তানী মুছলমানসকলে নিজৰ সহনশীলতা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি আনুগত্যৰ অভাৱৰ দ্বাৰা নিজৰ দেশখনক ধ্বংস কৰিলে। ভাৰতীয় উপমহাদেশৰ মুছলমান সকল ভাৰতীয়, পাকিস্তানী আৰু বাংলাদেশী হিচাপে তিনিভাগত বিভক্ত হ'ল। একেলগে থাকিলে পিছে ই এক বিৰাট গণতান্ত্ৰিক শক্তি হ'লহেঁতেন; কিন্তু ভাৰতবৰ্ষক ধ্বংস কৰিবলৈ ওলাই অহা "মৌলবীসকলৰ" ইমান দূৰদৃষ্টি নাই বাবেই হয়তো আমি বৰ্তি থকাৰ এটা খীণ আশাৰ ৰেঙণি আজিও আছে। ভাৰতবৰ্ষত প্ৰায় এহেজাৰ বছৰ থকাৰ পিছতো কিন্তু ইছলামপন্থী মৌলবাদীসকলে এইখনদেশৰ গণতান্ত্ৰিক পৰম্পৰা সম্পৰ্কে কোনো শিকনি নল'লে। বৰঞ্চ ইজনে সিজনক আধিপত্য কৰাৰ ভয়ত মুছলমান সমাজৰ ভিতৰতে বিভিন্ন বিভেদৰ সৃষ্টি হ'ল ঃ ইছলামীয় মৌলবাদীসকলে ভাৰতবৰ্ষৰ জাতীয় জীৱনত সৃষ্টি কৰা বিপৰ্যয়ৰ বিষয়ে বিস্তৃতভাবে আলোচনা কৰা শ্ৰীবলজিত ৰায়ে তেখেতৰ "ভাৰতীয় উপমহাদেশত মুছলিম মৌলবাদ" শীৰ্ষক কিতাপখনত কৰা প্ৰাসঙ্গিক মন্তব্যটো এনেধৰণৰ : It will be interesting to note that prior to 1947, Indian Muslims had fears of being swamped by Hindu majority, but after 1947 West Pakistani Muslims were no less apprehensive of being dominated by East Bengalis who were in majority. So the West Pakistani Muslims resorted to every possible political fraud and subterfuge to undo and nullify the principle of "one man one vote" in their country. It was a strange spectacle of muslims of West Pakistan fearing domination by Muslims of East Pakistan . This has been one of the numerous paradoxes of Pakistani and Bangladesi Muslims ........"। অসমৰ ভাৰতীয় মুছলমানসকলে এই ঐতিহাসিক তথ্যটো হৃদয়ঙ্গম কৰাৰ সময় আজিও উকলি যোৱা নাই।

ভাৰতীয় মুছলমানসকল দেশ বিভাজনৰ সময়ত পাকিস্তানলৈ গুচি নাযাবৰ বাবে মহাত্মাই যৎপৰোনাস্তি চেষ্টা কৰিছিল ; বহুতো গৈ উভতি আহিছিল। মহাত্মাৰ অনশনে বহুত লাখ মুছলমানৰ নিৰাপত্তা সুনিশ্চিত কৰি তুলিছিল; কিন্তু এই মহামানৱ গৰাকীয়েও আনকি পশ্চিম পাকিস্তানৰ এজন হিন্দু বা শিখক ৰক্ষা কৰিব নোৱাৰিলে। আজিও ভাৰতবৰ্ষত ১২ কোটিতকৈও অধিক মুছলমান আছে আৰু তেখেতসকলৰ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ কোনেও ক্ষুণ্ণ কৰিব নোৱাৰে। পাকিস্তানত পিছে ? বাংলাদেশত একা ? কিমান মন্দিৰ ধ্বংস কৰা হ'ল কিমান ধৰ্মান্তৰ গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা হিন্দুনাৰীৰ ক্ৰন্দনে মানুহৰ ইতিহাস কলঙ্কিত কৰিলে তাৰ হিচাপ আমাক সাম্প্ৰদায়িক আখ্যা দিয়াসকলে ৰাখিছেনে ? যদি ৰখা নাই বা জানিও মনে মনে আছে–তেনেহ'লে মনে মনেই থাকক, নিজৰ বৌদ্ধিক আধিপত্য আৰু ভেজাল ধৰ্মনিৰাপত্তাৰ জালখনেৰে আমাক মেৰুৱাই লবলৈ চেষ্টা নকৰিব।

প্ৰায় ৭০০ বছৰ ভাৰতবৰ্ষত ৰাজত্ব কৰাৰ পিছতো বুজনসংখ্যক মুছলমানলোকে ভাৰতীয় জাতীয় জীৱনৰ লগত একাত্মবোধ গঢ়ি তুলিব নোৱৰা কথাটোৱে আকৌ এবাৰ আমাক মুছলমান মৌলবাদীসকলৰ ধৰ্মান্ধতা, আধিপত্য বিস্তাৰৰ প্ৰৱণতা আৰু সহনশীলতাৰ অভাৱৰ কথাকে সোঁৱৰাই দিয়ে। অৱশ্যে এই পৰিস্থিতি জীৱন্ত কৰি ৰাখিবলৈ ন্যস্তস্বাৰ্থৰ প্ৰতিভূ আৰু দলীয় ৰাজনীতিক দেশীয় স্বাৰ্থৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া এচাম ৰাজনৈতিক নেতাও কম দায়ী নহয়। ২-১-৯১ তাৰিখে শ্ৰীৰামস্বৰূপে ইণ্ডিয়ান এক্সপ্ৰেছ নামৰ বাতৰি কাকতখনত প্ৰকাশ কৰা মন্তব্য এটা এই ক্ষেত্ৰত উল্লেখযোগ্য হ'ব : "In his book My Eleven years with Fakhruddin Ali Ahmed, Mr. Fazle Ahmed Rehmany quotes an incident which throws interesting light or the psychology of secularism and its needs to keeps Muslims in isolation and in a sort of protective custody. During the Emergency period, some followers of the JAMAAT-E-ISLAMI found themselves in the same jail as the members of the RSS; here they began to discover that the latter were no mousters as described by the "nationalist" and secularist propaganda. Therefore they began to think better of the Hindus. This alarmed the secularists and the interested Maulvis. Some Maulvis belonging to the Jammat ul-ulema-Hind met the President Fakhruddin Ahmed, and reported to him about the growing rapport between the members of the two communities. This "stunned" the President and he said that this boded an 'Ominous future for his Congress Muslim leaders, and he promised that" he would speak to Indiraji about this dangerous development and ensure that Muslims remain Muslims."

-RAM SWARUP

Indian Express. Jan.2,1991

গতিকে ভাৰতীয় হিন্দু আৰু মুছলমানৰ মাজত ঐক্যসাধনৰ বাধা ক'ত ওলাই পৰিছে আৰু যিখিনি কথা ওলাই পৰা নাই সেই বিষয়েহে গভীৰভাবে চিন্তা কৰা আৱশ্যক। তাকে নকৰিলে ঘাইকৈ অসমৰ অৱস্থা অদূৰ ভৱিষ্যতে শোচনীয় হ'ব। *(ক্ৰমশঃ)*






# আশাপূৰ্ণা দেবী ঃ ত্ৰয়ী

ভাৰতী চক্ৰৱৰ্তী

ভাৰতীয় সাহিত্যৰ প্ৰথম মহিলা জ্ঞানপীঠ পুৰস্কাৰ বিজয়িনী লেখিকা বুলিয়েই নহয়, সৰ্বভাৰতীয় সাহিত্যৰ ক্ষেত্ৰতো আশাপূৰ্ণা দেবী এক অনন্য প্ৰতিভা। এটা সময়ত বাঙালী পাঠক সমাজত শৰৎ চন্দ্ৰ আৰু পাছৰ কালত তাৰাশঙ্কৰ আৰু বিভূতিভূষণে যি জনপ্ৰিয়তা আৰ্জিছিল বৰ্তমান সময়ত আশাপূৰ্ণা দেবী সেই একে জনপ্ৰিয়তাৰ অধিকাৰিণী। তেখেতৰ লেখাৰ সকলোতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল তেখেতৰ ক'তো কোনো অযথা ৰোমাঞ্চ বা চমক সৃষ্টিৰ প্ৰচেষ্টা নাই। জীৱনক যেনেকৈ দেখিছে ঠিক তেনেকৈয়ে দেখুৱাইছে। জীৱনৰ এটা ছন্দ আছে যিটো সামগ্ৰিক ভাবে অব্যাহত গতিত চলে। সাময়িকভাবে কেতিয়াবা বতাহ ধুমুহা আহে, ডাঙৰ ধৰণৰ ঢৌ উঠে। কিন্তু জীৱনৰ গতি তাত থমকি নৰয়। জীৱনৰ এই ছন্দটোক লৈয়েই গঢ়ি উঠে মহৎ সাহিত্য। দুৰ্ভিক্ষ, মাৰিমৰক, ভূমিকম্প, বানপানী ক'ত কি যে ঘটি আছে, কিন্তু মানুহৰ ক্ষুধা-তৃষ্ণা, স্নেহ-প্ৰীতি ৰাগ-অনুৰাগ, ঘৃণা-বিদ্বেষ সকলোবোৰেই যেনে আছিল তেনেকৈ থাকি যায়।

ঘৰে ঘৰে মানুহে য'ত সুখে-দুখে, হাঁহি-কান্দোনেৰে প্ৰতিদিনে জীৱন যাপন কৰিছে তাতেই মানুহৰ সঁচা জীৱনৰ ইতিহাস ৰচিত হৈছে। এই সময়ৰ বাংলা সাহিত্যৰ আশাপূৰ্ণা দেবী সেই ইতিহাসৰ বিশ্বস্ত সাক্ষী। কলেজ বিশ্ববিদ্যালয় দূৰৈতে থাওক, এদিনৰ কাৰণেও তেখেতে স্কুলত ভৰি দিয়া নাছিল। তেখেতৰ গোটেই শিক্ষা জীৱনৰ বিশ্ববিদ্যালয়ৰ জীৱনে তাৰ সমগ্ৰ ৰহস্য বিচিত্ৰভাবে তেখেতৰ ওচৰত উন্মোচিত কৰিছে। তেখেতে চকু মেলি দেখিছে, কাণ পাতি শুনিছে, আৰু অত্যন্ত সজাগ সজীৱ সপ্ৰতিভ মন লৈ যিবোৰ দেখিছে, শুনিছে, তাকে লৈ ভাবিছে। আৰু আমি তেখেতৰ সেই ভাবনাৰ ফচল পাইছো সুদীৰ্ঘকাল ধৰি। সুদীৰ্ঘ কাল ধৰি ইমান বিপুল পৰিমাণৰ লিখিও আজিকোপতি লেখাত যি গুণগত মান তেখেতে ৰক্ষা কৰি চলিছে সেয়াও অসামান্য প্ৰতিভাৰেই পৰিচায়ক।



*গামোচা আৰু ফুলাম জাপিৰে আশাপূৰ্ণা দেৱী*

সেই সময়ৰ এক প্ৰাচীন পন্থী পৰিয়ালত আশাপূৰ্ণা দেবীৰ জন্ম। আইতাকৰ নিশ্চিত বিশ্বাস আছিল লেখাপঢ়া শিকিলেই ছোৱালীৰ বৈধব্য অনিবাৰ্য। সেয়ে ঘৰৰ ছোৱালীবোৰৰ লেখা-পঢ়াৰ কথা ভবাটোও দোষৰ কথা আছিল। কিন্তু মাক সৰলা সুন্দৰী দেবীৰ লেখা-পঢ়াৰ প্ৰতি ধাউতি আছিল। কিন্তু কঢ়া শাহু আইৰ ভয়ত তেওঁ তাপ মাৰি থাকিব লগীয়া হৈছিল। পঢ়াশুনা যি হৈছিল সেয়া লুকাই লুকাই হে হৈছিল। মাকৰ আগ্ৰহতেই বালিকা আশাপূৰ্ণাৰ পঢ়া-শুনাৰ ব্যৱস্থাও মাকৰ দৰেই লুকাই চুৰকৈহে হৈছিল। তেখেতে নিজেই কৈছে, "কেতিয়া যে পঢ়িবলৈ শিকিছিলো সেইটো মনতেই নপৰে। এইকণেই মনত আছে যে পাঁচ বছৰ বয়সত মাৰ প্ৰসূতি ঘৰৰ দুৱাৰৰ কাষত বহি মাক মই পঢ়ি শুনাইছিলো।"

অলপ ডাঙৰ হোৱাৰ পিছতো পঢ়াৰ সকলো সুবিধা ঘৰত যে পাইছিল তেনেও নহয়। কাষৰ ঘৰত থকা শিশু আলোচনী 'শিশুসাথী' আছিল তেওঁৰ কাৰণে এটা ডাঙৰ আকৰ্ষণ। আলোচনীখন তেওঁ তাতে গৈ পঢ়ি আহিছিল। তেৰ বছৰ বয়সত তেওঁ কাকো একো নোকোৱাকৈ মনে মনে এটা কবিতা লিখি

পঠাই দিয়ে 'শিশুসাথী'ৰ সম্পাদকলৈ। কেইদিনমানৰ পিছত হঠাৎ এদিন দাদাকে আহি কলেহি 'শিশুসাথী'ত ঠিক তোৰ নামৰ কোনোবা এজনে এটা কবিতা লিখিছে।" দাদাকে ভাবিবই পৰা নাছিল যে তেওঁৰ সৰু ভনীয়েকৰেই এই কাণ্ড। খবৰটো পাই বালিকা আশাপূৰ্ণাৰ উশাহ ৰোধ হোৱাৰ উপক্ৰম। একেজাঁপে দৌৰি গৈ কাষৰ ঘৰত আলোচনীখন চাই আহিলগৈ। ছপা আখৰত প্ৰকাশ হোৱা নিজৰ প্ৰথম লেখাই তেওঁক ইমান আনন্দিত কৰিলে যে আলোচনীখন আনি তেওঁ নিজৰ গাৰুৰ তলত লুকুৱাই ৰাখে আৰু বাৰে বাৰে উলিয়াই আনি পঢ়ে। কিন্তু সাহ কৰি কাৰো আগত নকয় যে সেই কবিতাটো তেওঁৰেই লেখা। কবিতাৰেই তেওঁৰ লেখিকা জীৱনৰ সূত্ৰপাত। পাছৰ কালছোৱাত তেওঁ নিজেই কৈছে যে সেই প্ৰথম কবিতাটো যদি সম্পাদকৰ পৰা অমনোনীত হৈ ঘূৰি আহিলহেঁতেন তেতিয়াহলে তেওঁ আৰু কেতিয়াও নিলিখিলেহেঁতেন। ইমানেই লাজুকী আৰু ভীৰু আছিল আশাপূৰ্ণা দেৱী। ইয়াৰ পিছত পোন্ধৰ বছৰ বয়সত তেওঁ 'শিশুসাথী'লৈ এটা গল্প লিখি পঠায়। শিশুৰ কাৰণে গল্প লিখিয়েই কথা সাহিত্যৰ জগতত তেওঁৰ প্ৰথম প্ৰবেশ। ডাঙৰৰ কাৰণে লিখিবলৈ তেতিয়াও তেওঁৰ দ্বিধা-সঙ্কোচ। কাৰণ ডাঙৰৰ গল্প মানেই প্ৰেমৰ গল্প। যি নহওক ওঠৰ বছৰ বয়সত তেওঁ লিখিলে ডাঙৰৰ কাৰণে প্ৰথম গল্প 'প্ৰেম আৰু প্ৰেয়সী'। গল্পটো পঢ়ি সেই সময়ৰ বিশিষ্ট সাহিত্যিক-সাংবাদিক মন্মথ সান্যালে তেওঁৰ ঘৰলৈ আহি অভিনন্দন জনায় যায়। এই গল্পই সাহিত্য জগতত তেওঁৰ প্ৰতিষ্ঠাৰ সূচনা কৰে। তেওঁৰ স্বামী কালিদাস গুপ্ত আৰু সমবয়স্ক এজন দেওৰে সাহিত্য চৰ্চাত আশাপূৰ্ণা দেৱীক উৎসাহ দিছিল।

আশাপূৰ্ণা দেৱী নিজেও এগৰাকী আদৰ্শ পত্নী আৰু আদৰ্শ গৃহিণী। তেওঁৰ জীৱনত সংসাৰ-ধৰ্ম আৰু সাহিত্য-কৰ্মৰ মাজত কোনো ধৰণৰ বিৰোধ ঘটা নাছিল। এই সহজ সত্যটো তেওঁ উপলব্ধি কৰিছে যে সাহিত্যই কেতিয়াও জীৱনক লংঘন কৰি নাযায়; জীৱনৰ লগত সি সঙ্গতি ৰাখি চলে। নিজৰ সংসাৰ, প্ৰতিবেশীৰ সংসাৰ, দৈনন্দিন জীৱন-যাত্ৰা, চকুৰ সমুখত চলমান জীৱনৰ ছবি-সাৰ্থক সাহিত্যত এইবোৰৰে প্ৰতিচ্ছবি দেখা যায়।

আশাপূৰ্ণাৰ সকলোতকৈ ডাঙৰ বৈশিষ্ট্য এয়ে যে তেওঁ কেতিয়াও নিজৰ অভিজ্ঞতাৰ জগতৰ বাহিৰত ভৰি দিয়া নাই। ইমানবোৰ গল্প উপন্যাস লিখিছে, ক'ত মানুহৰ কথা কৈছে, সেই সকলোবোৰেই তেওঁৰ চিনাকি মানুহ। মাত্ৰ তেওঁৰেই নহয়, আপোনাৰ মোৰ সকলোৰে চিনাকি মানুহ। এটা অতি সূক্ষ্ম-দৃষ্টিসম্পন্ন, অনুভূতিশীল কবি-মন লৈ সাধাৰণ বাঙালী জীৱনৰ অন্তৰঙ্গ ছবি তেওঁ আঁকি গৈছে সুদীৰ্ঘকাল ধৰি। ডাঙৰ-সৰু নিৰ্বিশেষে তেওঁ সকলোৰে প্ৰিয় লেখিকা।

বহুতে কয় যে আশাপূৰ্ণা দেৱী মূলতঃ মহিলা সকলৰ লেখিকা। অৰ্থাৎ আমাৰ পুৰুষ-প্ৰধান মাটিত নিপীড়িত মহিলা সমাজৰ সুখ-দুখ মিশ্ৰিত অনুভূতিৰ মাজতে তেওঁৰ ৰচনাৰ পৰিধি সীমিত। এফালৰ পৰা চালে হয়তো কথাটো সঁচা। কাৰণ এই দেশৰ-শাস্ত্ৰই নাৰীক বালিকা অৱস্থাত পিতা নাইবা ভাতৃ, যৌৱনত স্বামী আৰু বাৰ্ধক্যত পুত্ৰৰ অধীন কৰি ৰাখিছে। সেয়ে আশাপূৰ্ণা দেৱীৰ 'প্ৰথম প্ৰতিশ্ৰুতি'ৰ সত্যবতীয়ে তেওঁ নজনাকৈয়ে একমাত্ৰ কন্যাৰ বাল্য বিবাহ হোৱাত ক্ষুব্ধ আৰু আহত হৈ যেতিয়া স্বামীৰ সংসাৰ ত্যাগ কৰি কাশীলৈ গৈ স্ব-নিৰ্ভৰ মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিবলৈ লয় তেতিয়া তাৰ মাজতে নিশ্চয় এক স্বাতন্ত্ৰ্যৰ চিহ্ন লক্ষিত হয়। সেই কাৰণেই তেওঁক পুৰুষ-শাসিত নাৰী সমাজৰ মুখাপাত্ৰী বুলি মনলৈ আহিব পাৰে। কিন্তু ই কোনো অবান্তৰ ঘটনা নহয়। স্বয়ং ৰবীন্দ্ৰ নাথৰ মাক সাৰদা দেৱীক তেওঁৰ ছবছৰ বয়সত কলিকতালৈ নি বিয়া দিয়া হয়। তেওঁৰ মাক তেতিয়া গৈছিল গঙ্গা স্নান কৰিবলৈ। ঘৰলৈ উভতি আহি ছোৱালীৰ বিয়াৰ কথা শুনি চোতালৰ এজোপা গছৰ তলত বাগৰি পৰি তেওঁ হুৰাওৱাৰে কান্দিবলৈ ধৰে। সৌভাগ্যৱতী সাৰদাৰ বিয়া হৈছিল মহৰ্ষি দেবেন্দ্ৰনাথৰ লগত। কিন্তু এওঁলোক সকলোৱেইতো সাৰদা নহয়। এওঁলোকৰ বহুতেই বাল্যবিবাহ আৰু বহুবিবাহৰ বলি হৈ প্ৰচণ্ড নিৰ্যাতন সহ্য কৰিবলগীয়া হৈছে।

সেই সময়ৰ বাঙালী মহিলা সকল কেনেকৈ সমাজ আৰু ধৰ্মৰ অনুশাসনত নিৰ্যাতিত হ'বলগীয়া হৈছিল, কেনেকৈ তেওঁলোকে লুকাই চুৰকৈ অৰ্জন কৰা সামান্য আক্ষৰিক জ্ঞানৰ সহায়ত ধৰ্ম গ্ৰন্থ পঢ়িব লগীয়া হৈছিল, তাৰ অজস্ৰ কাহিনী বিয়পি আছে শ্ৰীমতী চিত্ৰাদেৱৰ 'অন্তঃপুৰৰ আত্মকথা'ৰ পাতে পাতে। আৰু আছে কুলীন প্ৰথাৰ কবলৰ পৰা নাবালিকা কন্যাবোৰক ৰক্ষা কৰিবৰ বাবে অসহায়া হিন্দু বিধৱাসকলৰ দলে দলে ব্ৰাহ্ম সমাজত আশ্ৰয় গ্ৰহণৰ কাহিনী। মাত্ৰ এইখন দেশতেই নহয়, বিদেশতো যে মহিলা সকল কেৱল মহিলা বুলিয়েই সমাজৰ দ্বাৰা সৃষ্ট বিভিন্ন সমস্যাৰ সমুখীন হ'বলগীয়া হয় – শ্ৰীমতী কেতকী কুমাৰী ডাইচনৰ লেখাতো তাৰ পৰিচয় পোৱা যায়।

কেৱল সেয়েই নহয়; চৰ্যাপদৰ সেই "অপনা মাখে হৰিণা বৈৰী" – এই পংক্তিটো একবিংশ শতাব্দীৰ দুৱাৰলৈ আহিও সকলো দেশৰ মহিলা সকলৰ সম্বন্ধে আজিও সমানে সত্য। আনন্দবাজাৰ পত্ৰিকাত প্ৰকাশিত শ্ৰীমতী সুভদ্ৰা উৰ্মিলা মজুমদাৰৰ "চাকৰিয়াল মহিলা সকলৰ ওপৰত অত্যাচাৰ বাঢ়িছে" (৮ ডিচেম্বৰ, ১৯৯১) শীৰ্ষক প্ৰবন্ধত আৰু অন্যান্য উন্নত দেশত শিক্ষিতা চাকৰিজীৱী মহিলা সকলৰ সম্বন্ধে প্ৰকাশিত তথ্যাৱলীত সেইটো সুস্পষ্ট হৈ উঠিছে।

কিন্তু আশাপূৰ্ণা দেৱীৰ ৰচনাৰ বৈশিষ্ট্য এই যে সামাজিক বা শাস্ত্ৰীয় অনুশাসনৰ বাহিৰেও মহিলা সমাজৰ চৰিত্ৰ বা চেতনাৰ মাজতেই যি দুৰ্বলতা বা সংকীৰ্ণতা আৰু সংস্কাৰ প্ৰচ্ছন্ন হৈ থাকি বিভিন্ন পৰিস্থিতিত তেওঁলোকক বিভিন্ন ধৰণৰ দুৰ্ভাগ্যৰ চিকাৰ কৰি তোলে তাৰেই সাৰ্থক চিত্ৰয়িত্ৰী তেওঁ। আগতেই কৈছো যে আশাপূৰ্ণা দেৱীৰ ৰচনা-সম্ভাৰ বিপুল। কেৱল সংখ্যাগত দিশৰ পৰাই নহয়, গুণগত দিশৰ পৰাও সেই সকলোবোৰৰে আলোচনা কৰাটো এই সীমিত পৰিসৰত অসম্ভৱ।

কেৱল জ্ঞানপীঠ পুৰস্কাৰপ্ৰাপ্ত তেওঁৰ ত্ৰয়ী উপন্যাস 'প্ৰথম প্ৰতিশ্ৰুতি', 'সুবৰ্ণলতা' আৰু 'বকুল কথাৰ' সংক্ষিপ্ত আলোচনাৰ যোগেদি বাংলাৰ মধ্যবিত্ত সমাজৰ মহিলা সকলৰ জীৱন সম্বন্ধে তেওঁৰ দৃষ্টিভঙ্গিৰ অলপমান পৰিচয় পোৱাৰ চেষ্টা কৰা হ'ব। কাৰণ এই তিনিখন উপন্যাসত বঙ্গদেশৰ তিনিটা জেনেৰেছনৰ ইতিহাস বিবৃত হৈছে। তিনিটা জেনেৰেছনৰ তিনি গৰাকী ৰমণী – মাক, জীয়েক আৰু নাতিনীক লৈয়েই এই কাহিনী। তিনি গৰাকীৰেই জীৱনৰ অজস্ৰ সম্ভাৱনা থকা সত্বেও সেই সকলোবোৰ ব্যৰ্থ হৈছে। আৰু এই অঘটন একমাত্ৰ পুৰুষৰ দ্বাৰাই সংঘটিত হোৱা নাই। নাৰী-পুৰুষ দুয়োৰেই ইয়াত হাত আছে। দুয়ো মিলি সৃষ্ট যি সমাজ – সেই সমাজৰেই এই কীৰ্তি। কিমান মানুহৰ জীৱন লৈযে সমাজে হেতালি খেলিছে, আজিও খেলি আছে। মানুহৰ এই যে দুৰ্বিসহ দুঃখ, ইয়াৰ কাহিনী আশাপূৰ্ণাৰ আগতে এনেদৰে আৰু কোনেও কোৱা নাছিল।

এইখন উপন্যাস ত্ৰয়ীৰ প্ৰথম উপন্যাস : 'প্ৰথম প্ৰতিশ্ৰুতি'। ইয়াৰ কাহিনী গঢ়ি উঠিছে সত্যবতী আৰু তেওঁৰ পিতা ৰায়কালী চট্টোপাধ্যায়ক কেন্দ্ৰ কৰি। এইখন উপন্যাস মহাকাব্যৰ দৰে বিশাল। গোটেইখন উপন্যাসত সত্যৱতী আপোন চৰিত্ৰ-বৈশিষ্ট্যৰে সমুজ্জ্বল। পিতা ৰায়কালীৰ চাৰিত্ৰিক দৃঢ়তা, বলিষ্ঠ আৰু উদাৰ মানসিকতাই সত্যবতীৰ জীৱনক নিয়ন্ত্ৰণ কৰিছে। সৰুকালৰ পৰাই কন্যা-সন্তানৰ প্ৰতি তুচ্ছ তাচ্ছিল্য, লেখা-পঢ়াত বাধা নিষেধ, পত্নীৰ ওপৰত মদাহী, গাজাখোৰ স্বামীৰ অত্যাচাৰ; বিধৱাসকলৰ ওপৰত কঠোৰ সামাজিক অনুশাসন, নীচ জাতৰ প্ৰতি উচ্চজাতৰ মানুহৰ অবহেলাৰ মনোভাব ইত্যাদি বিষয়বোৰে তেওঁৰ মনত হেজাৰ প্ৰশ্ন জগাইছে; তেওঁক কৰি তুলিছে স্পষ্টবাদিনী আৰু জেদী। একমাত্ৰ পিতৃৰ বাহিৰে আৰু কাৰো পৰা তেওঁ এইবোৰ কোনো প্ৰশ্নৰ উত্তৰ পোৱা নাই। পোৱা নাই কোনো আদৰ্শবান মানুহক।

সামাজিক নিয়মমতেই আঠ বছৰ বয়সত গৌৰীদান কৰি তেওঁৰ বিয়া হয় ব্যক্তিত্বহীন নবকুমাৰৰ লগত। পিতৃ গৃহত তেওঁ যেনেকৈ অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল, শহুৰ-শাহুৰ ঘৰলৈ গৈও তাৰ ব্যতিক্ৰম নঘটিল। চৰিত্ৰহীন শহুৰক প্ৰণাম কৰা নাইবা অন্যায়কাৰিণী শাহুৱেকক নিৰ্বিবাদে মানি লোৱা কোনোটোৱেই তেওঁৰ পক্ষে সম্ভৱ নহ'ল। ব্যক্তিত্বহীন স্বামীক যি কৰিব লাগে তেওঁ কৰি আছে; কিন্তু শ্ৰদ্ধা কৰিব পৰা নাই কেতিয়াও। চাৰিওকাষৰ মানুহৰ চৰিত্ৰৰ নীচতা আৰু ক্ষুদ্ৰতাই তেওঁক আঘাত কৰিছে বাৰে বাৰে। ইয়াৰ মাজতেই তেওঁৰ জীৱনলৈ আহিছে ভৱতোষ মাষ্টৰ। স্বামীৰ শিক্ষক এই আদৰ্শবান ব্যক্তিজনৰ মাজতেই তেওঁ নিজৰ পিতাকৰ আদৰ্শক বিচাৰি পাইছে। সেয়ে গ্ৰাম্য সমাজৰ নীচতা আৰু সংকীৰ্ণতাৰ পৰা ভৱিষ্যত প্ৰজন্মক মুক্ত কৰি ৰাখিবৰ বাবে তেওঁ শহুৰ-শাহু সকলৰ বিৰোধিতাক তুচ্ছ কৰি কলিকতালৈ গৈ বাস কৰিছে। নিজৰ দুটা সন্তানক সাৰ্থক মানুহ কৰাৰ সাধনাত তেওঁ ব্ৰতী হৈছে। ইয়াৰ মাজতেই তেওঁৰ নিজৰ বিদ্যাও বৃদ্ধি কৰিছে। মাষ্টৰ মহাশয়ৰ সহায়ত বয়স্কা মহিলাসকলৰ কাৰণে পাঠশালা খুলি তেওঁলোকক পঢ়োৱাৰ ব্যৱস্থা কৰিছে। জ্ঞানৰ সাধনাই তেওঁৰ চৰিত্ৰক আৰু দীপ্ত কৰিছে। সৰু কালত সম্পৰ্কীয় এগৰাকী বৌক আত্মহত্যাৰ পৰা ৰক্ষা কৰাৰ বাবে তেওঁ দুৱাৰত শিকলি দি ৰাখিছিল। আৰু এতিয়া স্বামীৰ বন্ধু পত্নীৰ সৰু ভনীয়েকক হত্যা কৰাৰ অপৰাধত অপৰাধী সেই ছোৱালীজনীৰ শহুৰৰ ঘৰৰ মানুহৰ বিৰুদ্ধে তেওঁ ইংৰাজ পুলিচ কমিচনাৰক চিঠি লিখি নিজৰ ঘৰলৈ অনাইছে। আৰু মুক্তকণ্ঠে দেশৰ শাসক সকলৰ ওচৰত এইবোৰ অন্যায়ৰ প্ৰতিকাৰ বিচাৰিছে। গৃহত্যাগিনী শঙ্কৰীৰ কন্যা সুহাসক তেওঁ আশ্ৰয় দিছে আৰু শিক্ষা-দীক্ষাত কেৱল ছোৱালী হিচাপেই নহয়, মানুহ হিচাপেও সাৰ্থক কৰি গঢ়ি তুলিছে। আৰু ইয়াৰ মাজতেই তেওঁ সপোন দেখিছে : তেওঁৰ দুটা ল'ৰাৰ এজন হ'ব ডাক্তৰ আৰু আনজন উকিল। এজনে মানুহৰ ৰোগ নিৰাময় কৰাৰ সেৱাব্ৰতত আৰু আনজন ন্যায়ৰ মৰ্যাদা ৰক্ষা কৰাত ব্ৰতী হ'ব। কিন্তু তেওঁৰ স্বপ্ন ব্যৰ্থ হৈছে। ডাঙৰ ল'ৰা তাৰ পিতাকৰ দৰে ব্যক্তিত্বহীন আৰু আত্মকেন্দ্ৰিক হৈ উঠিছে। সৰু ল'ৰাটোৱে সবল মাকৰ মানসিকতা পালেও ব্যক্তিত্ব বা সাহসিকতা একোৱেই নাপালে। অৱশেষত একমাত্ৰ ছোৱালী সুবৰ্ণলতাক লেখা-পঢ়া শিকাই নিজৰ জীৱনৰ অপূৰ্ণতা চৰিতাৰ্থ কৰাৰ যি বাসনা তেওঁৰ আছিল সিও হৈ ৰ'ল অপূৰ্ণ। স্বামী আৰু শাহুৰ চক্ৰান্তত তেওঁ নজনাকৈয়ে ন-বছৰীয়া সুবৰ্ণলতাৰ বিয়া হৈ গৈছে। এই ঘটনাই তেওঁক বিমূঢ় কৰি তুলিছে। সেয়ে ছোৱালীৰ জীৱনৰ মূল্য নিৰ্ণয়ৰ প্ৰশ্নত স্বামী-সন্তান-সংসাৰ-ঘৰ এৰি মৰ্যাদা সহকাৰে জীৱন যাপনৰ আকাংক্ষাত তেওঁ কাশীলৈ পিতৃৰ ওচৰলৈ যাত্ৰা কৰিছে।

'প্ৰথম প্ৰতিশ্ৰুতি'ৰ দ্বিতীয় পৰ্ব 'সুবৰ্ণলতা'। 'সুবৰ্ণলতা সত্যবতীৰ একমাত্ৰ কন্যা। তেওঁৰ জীৱনৰ ট্ৰেজেদি আৰু দুঃসহ। গ্ৰাম্যজীৱনৰ পঙ্কিলতাই সত্যবতীক চহৰ অভিমুখী কৰিছিল। কিন্তু তেওঁৰ কন্যা সুবৰ্ণলতাৰ জন্ম আৰু বিয়া কলিকতা চহৰত হলেও তেওঁৰ জীৱন যে কি অপৰিসীম গ্লানিৰ মাজেৰে অতিবাহিত হ'ল সেয়ে এই উপন্যাসৰ কাহিনী।

সুবৰ্ণলতা বাংলা সাহিত্যৰ এটা নিখুঁত ট্ৰেজিক চৰিত্ৰ। তেওঁৰ জীৱনৰ ট্ৰেজেদি চিনি নোপোৱা, বুজি নোপোৱাৰ ট্ৰেজেদি। সুবৰ্ণলতাক সংসাৰৰ কোনেও নুবুজিলে। মা, পিতা, স্বামী, সন্তান সকলোৰে দ্বাৰা তেওঁ প্ৰত্যাখ্যাতা। মাক সত্যবতী নিজে সুশিক্ষিতা, তেওঁৰ চখ আছিল কন্যা সুবৰ্ণলতাক শিক্ষা-দীক্ষাত নিজৰ মনোমত কৰি তৈয়াৰ কৰিব। তেওঁৰ জীৱনৰ সমস্ত অপূৰ্ণতাই পূৰ্ণতা লাভ কৰিব সুবৰ্ণলতাৰ মাজত। কিন্তু বিধাতাই আঁৰত বহি হাঁহিছিল। আইতাকৰ চক্ৰান্তত আৰু ব্যক্তিত্বহীন পিতৃৰ দুৰ্বলতাৰ সুযোগ লৈ তেওঁৰ কন্যাৰ ন-বছৰতে গৌৰীদান হৈ গ'ল মাকক-নজনোৱাকৈয়ে। সত্যবতী তেজস্বিনী মহিলা। নিদাৰুণ অভিমানত তেওঁ সংসাৰ ত্যাগ কৰিলে। ছোৱালী কালৰ পৰাই সুবৰ্ণলতা মাকৰ চেনেহৰ পৰা বঞ্চিতা। ব্যক্তিত্বহীন পিতাৰ থকা-নথকা একেই কথা। স্বামী প্ৰবোধ অত্যন্ত স্থূল প্ৰকৃতিৰ, সন্দিগ্ধচিত্ত এজন পুৰুষ। তেওঁ সুবৰ্ণলতাৰ স্বামী হোৱাৰ সম্পূৰ্ণ অযোগ্য। সুবৰ্ণলতাই দুৰ্ভাগ্যক্ৰমে উচ্চ শিক্ষাৰ সুযোগ পোৱা নাই; কিন্তু মাকৰ চিত্তবৃত্তি আৰু অলপ মাৰ্জিত ৰুচিবোধ তেওঁ নিঃসন্দেহে পাইছিল। ফলত শহুৰৰ ঘৰত অৰ্দ্ধশিক্ষিত প্ৰাচীনপন্থী পৰিয়ালটোৰ লগত নিজকে তেওঁ একেবাৰেই খাপ খুৱাব পৰা নাছিল। বিশেষতঃ প্ৰথম জীৱনত মাকৰ দৰে স্বাধীনতা তেওঁৰ কাৰণে আছিল অকল্পনীয়। তেওঁৰ মাক চহৰলৈ আহি ইংৰাজী শিকিছিল, পাঠশালাত শিক্ষা দান কৰিছিল। কিন্তু সন্দেহপৰায়ণ কূটচক্ৰী স্বামী আৰু প্ৰবল প্ৰতাপী মুখৰা শাহুৰ কাৰণে কিতাপ পঢ়া নাইবা ঘৰৰ পৰা বাহিৰলৈ গৈ ঘূৰা-ফুৰা কৰা সুবৰ্ণলতাৰ বাবে আছিল অসম্ভৱ। কেৱল ৰান্ধি-বাঢ়ি খুওৱা আৰু অযোগ্য স্থূল-ৰুচি স্বামীৰ শয্যাসঙ্গিনী হোৱাৰ বেদনাত সুবৰ্ণৰ জীৱন হৈ উঠিছিল এক দুঃসহ ভাৰ মাত্ৰ। সেয়ে পাছৰ সময়ত তেওঁৰ কন্যা পাৰুলে মনে মনে ভাবিছিল যে ইয়াতকৈ তেওঁৰ মাক যদি কম বয়সতে বিধৱা হৈ গ'লহেঁতেন তেন্তে সিও বেছি ভাল হ'লহেঁতেন।

বহু সন্তানৱতী তেওঁ, কিন্তু সৰু দুজনী ছোৱালীক বাদ দিলে ল'ৰা-ছোৱালীহঁতৰ সকলোটিয়েই কুলিৰ বাহত কাউৰী পোৱালি। কাউৰীৰ বাহত পালিত হলেও কুলিৰ পোৱালি ডাঙৰ হৈ কুলিৰ মাতেই মাতে। কিন্তু এই ক্ষেত্ৰত হৈছে ঠিক তাৰ বিপৰীত। পুত্ৰ সন্তানহঁতে মাকৰ পৰা একো নাপালে। বংশগত স্থূল স্বভাৱটো পাইছে পূৰামাত্ৰাই।

ইয়াৰ মাজতে অনবৰত যুঁজবাগৰ কৰি কৰি সুবৰ্ণলতাই বহুতখিনি স্বাধীনতা অৰ্জন কৰিছে। সংসাৰৰ বহুত ক্ষেত্ৰতেই নিজৰ মত প্ৰতিষ্ঠা কৰিছে। এনেকি শেষ পৰ্যন্ত ছবিৰ দৰে সুন্দৰ ঘৰ সাজি তালৈ উঠি আহিছে। ল'ৰা-ছোৱালী ডাঙৰ হৈছে। তেওঁলোকৰ কেইজনমানৰ বিয়াও হৈছে। টকা-পইছা ঘৰ, গাড়ী সকলো লৈ তেওঁৰ সৌভাগ্যই বহুতক ঈৰ্ষান্বিত কৰি তুলিছে। কিন্তু তথাপিও সুবৰ্ণলতাৰ মন ভৰি উঠা নাই।

সুবৰ্ণলতাৰ গোটেই জীৱন কাটি গৈছে যেন বিদেশত কিংবা প্ৰবাসত, – বিজাতীয় মানুহৰ মাজত। য'ত কোনেও তেওঁক নুবুজে, নিচিনে। বিৰাট সংসাৰৰ অলেখ মানুহৰ ভিৰৰ মাজতো তেওঁ আছিল নিঃসঙ্গ। এটা সময়ত সেই অভাৱ তেওঁ নিজেই পূৰাই লৈছিল। অৱসৰ মুহূৰ্তত বহি বহি নীৰৱে নিভৃতত তেওঁৰ মনৰ ভাবনাক তেওঁ মেলি লৈছিল এখন বহীৰ পাতত। চাৰিওকাষৰ সকলোৱেই যাৰ ডিঙি চেপা মাৰি ধৰি ৰাখিছিল তেওঁৰ কাৰণে এই আত্মপ্ৰকাশৰ আনন্দকণ আছিল জীৱনত এক পৰম ধন। সম্পৰ্কিত এজন বৰজনাকৰ এটা প্ৰেছ আছিল। বৰজনাকক তেওঁ ধৰিছিল কিতাপখন ছপাই দিবৰ বাবে। মানুহজনে সুবৰ্ণলতাক মৰম কৰিছিল। আনন্দ মনেৰে তেওঁ ছপা কৰাৰ ভাৰ ললে। কিতাপ ছপা হৈ ওলাব। নিজৰ লেখা ছপা আখৰত দেখিব, আনে দেখিব, সকলোৱে পঢ়িব বুলি ভাবি সুবৰ্ণলতাৰ চিত্তত শিহৰণ জাগে; দিন-ৰাতি কাটি যায় অধীৰ অপেক্ষাত। অৱশেষত কিতাপ ওলাল। মান্ধাতাৰ আমোলৰ ছাপাখানা, ভঙা টাইপ, সস্তীয়া কাগজত ছপোৱা বৰ্ণ পৰিচয়ৰ দৰে কিতাপ। ইমান চখৰ মানস-সন্তানৰ মূৰ্তি দেখি সুবৰ্ণৰ হৃদয় বিদীৰ্ণ। তাৰ ওপৰত ঘৰত তোলপাৰ – ডাঙৰ সকলে গালি পাৰিছে। নিজৰ ল'ৰাই হাঁহি-স্ফূৰ্তি কৰিছে – আমাৰ – মা লেখিকা হৈছে। বস্তাত ভৰাই গোটেইখিনি কিতাপ সুবৰ্ণলতাই নিজ হাতেৰে জুই জ্বলাই দিলে।

নুমলীয়া ছোৱালী বকুলে সেই জুইৰ পোহৰত বিজুলী চমকনিত মুহূৰ্তৰ বাৰে দেখিছিল অসীম ক্লান্তি আৰু অপৰিসীম অন্তৰ্বেদনাৰ ছাপ। জীৱনৰ সহস্ৰ আঘাতত যিটো হোৱা নাছিল এইবাৰ সেইটোৱেই ঘটিল। চিৰদিন হাৰ নমনা সুবৰ্ণলতাই এইবাৰ তেওঁৰ অতি চখৰ দক্ষিণৰ বাৰান্দাত শেষ শয্যা পাতিলে। ল'ৰা-ছোৱালী, স্বামী, ডাক্তৰ ঔষধ সকলোৰে মুখ ঘূৰাই স্বয়ং বিধাতাৰ প্ৰতিয়েই যেন এক ভয়ঙ্কৰ অভিমানত ৰোগ-জীৰ্ণ

সুবৰ্ণলতাই যেতিয়া চকু মুদিলে, তেতিয়াও তেওঁক কোনেও নুবুজিলে। কেৱল কাৰোবাৰ কন্যা, নাইবা পত্নী – নহয় কেৱল মানুহ হিচাপে জীয়াই থকাৰ বাসনাত আজীৱন সংগ্ৰাম কৰি এটি মানুহ চিৰকালৰ বাবে এই পৃথিৱীৰ পৰা নিশ্চিহ্ন হৈ গ'ল।

কিন্তু তথাপিও সুবৰ্ণলতা হাৰি নগ'ল। তেওঁ বাচি থাকিল তেওঁৰ কনিষ্ঠা কন্যা বকুলৰ মনত – যাৰ নামত লিখা হৈছে 'ত্ৰয়ী'ৰ ৩য় পৰ্ব 'বকুল কথা'। মাক সুবৰ্ণলতা, আইতাক সত্যবতীৰ দৰেই বকুলৰ জীৱনো ব্যৰ্থই বুলিব পাৰি। কিশোৰী বকুলক লেখা-পঢ়াৰ শিকোৱাৰ চখ আছিল তেওঁৰ মাকৰ। মাক বা আইতাক কাৰো দৰেই তেওঁ তেজস্বিনী বা স্পষ্টবাদিনী নাছিল; বৰং সংসাৰৰ সকলোৰে চকুৰ আঁৰত নিজকে তেওঁ লুকুৱাই ৰাখিছিল নম্ৰ সুৰভিত বকুল ফুলৰ দৰেই। তাৰ মাজতেই কিশোৰী বকুলৰ জীৱনলৈ প্ৰেম আহিছে। ল'ৰাটোৱেও তেওঁক ভাল পাইছিল খুব গভীৰ ভাবে। কিন্তু দুয়োজনেই আছিল ভীৰু। সেয়ে বহু ক্ষেত্ৰত যেনে হয়, ল'ৰাটোৱে সুবোধ বালকৰ দৰে অভিভাবকৰ আজ্ঞামতে আন এজনী ছোৱালীক বিয়া কৰাইছে। বকুলৰ বিয়াৰ বাসনা ইয়াতেই শেষ হৈছে। বিয়াৰ চিন্তাক আৰু তেওঁ মনত কেতিয়াও ঠাই দিয়া নাই। মাকৰ দৰেই নিঃসঙ্গ তেওঁৰ জীৱন। পিতৃ গৃহতেই বাস, কিন্তু সুবৰ্ণলতাৰ দৰেই তেঁৱো নিজ বাসভূমিতে প্ৰবাসী।

কিন্তু ইয়াৰ মাজতেই তেওঁ হৈ পৰিছে লেখিকা। গল্প উপন্যাস লিখি খ্যাতি অৰ্জন কৰিছে। গুণগ্ৰাহীৰ অন্ত নাই। সভা সমিতিলৈ নিমন্ত্ৰণ সদায় আহিয়েই থাকে। তথাপিও মন নভৰে। ভাবে, সেই ব্যক্তিত্বহীন ল'ৰাটো যদি আজিও আহি কয়, 'আহা দুয়োজনে মিলি ঘৰ বান্ধো', তেতিয়া হলে ইমান যে খ্যাতি, ইমান যে মান-সন্মান সকলো এৰি দি এই মুহূৰ্ততে গুচি যাওঁ। কিন্তু সিও আৰু সম্ভৱ নহয়, সেই ল'ৰাটোৱে অকালতে সংসাৰ এৰি গুচি গৈছে।

খ্যাতিৰ শীৰ্ষত বহি লৈও বকুলে সেয়ে আপোন মনে, নিঃসঙ্গতাৰ দুঃসহ ভাৰ বৈ চাই থাকে সংসাৰৰ ফালে – যি সংসাৰ আধুনিক কালৰ। য'ত ল'ৰা-ছোৱালীয়ে সমান অধিকাৰ পাইছে। তেওঁলোকৰ এজন বকুলৰ ডাঙৰ দাদাকৰ ল'ৰা অপূৰ্বৰ ছোৱালী সত্যভামা আৰু দ্বিতীয় গৰাকী সৰু দাদাকৰ ছোৱালী শম্পা। এই দুজনৰ মাজতেই আধুনিক কালক দেখিবলৈ পায় বকুলে। সত্যভামা অত্যাধুনিক। মাক দেউতাকৰ অত্যধিক প্ৰশ্ৰয়ত প্ৰথমতে তেওঁ এয়াৰ হোষ্টেচৰ চাকৰি আৰু পাছত ক্যাবাৰে ডান্সাৰ হৈ চৰম ক্ষতিৰ সমুখীন হবলৈ বাধ্য হয়। তথাপিও তেওঁৰ মাক-দেউতাকৰ ছোৱালীৰ গ্লেমাৰৰ মোহ কটা নাই। অতিৰিক্ত স্বাধীনতা যেতিয়া উচ্ছৃংলতাৰ পৰ্য্যয়লৈ যায় তেতিয়া যে তাৰ ফল কি মাৰাত্মক হৈ উঠে সত্যভামাৰ জীৱনেই তাৰ প্ৰমাণ। ইয়াৰ কাষে কাষে আছে বকুলৰ সৰু দাদাকৰ ছোৱালী শম্পা। যুগৰ বতাহত তেঁৱো বহুত দিন ধৰি প্ৰজাপতিৰ দৰে ঘূৰি ফুৰিছে। কিন্তু অৱশেষত সমাজৰ সাধাৰণ স্তৰৰ (কাৰখানাৰ ফ'ৰ মেন) সত্যবানক জীৱন সঙ্গী নিৰ্বাচিত কৰি ঘৰ বান্ধিছে মাক-দেউতাকৰ বিনা অনুমতিত। জীৱনৰ পথত আগবাঢ়িবলৈ গৈ সত্যভামা নহয়, শম্পাৰেই জয় হৈছে, কাৰণ তাইৰ মাজত আছে একনিষ্ঠ ভালপোৱাৰ জোৰ। আৰু সেই জোৰতেই তাই নিজকে প্ৰতিষ্ঠিত কৰিছে।

আশাপূৰ্ণা দেৱীৰ 'ত্ৰয়ী'য়ে আমাক অতীত আৰু বৰ্তমান দুই কালৰ সমাজৰ লগত পৰিচয় কৰি দিয়ে। অতীতত সুবৰ্ণলতাৰ জীৱনত যি প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও বিনষ্ট হৈ গ'ল – সেইটো কি কেৱল তেওঁৰ পিতা আৰু স্বামীৰ দোষত? তেওঁৰ আইতাক আৰু শাহু আইৰ দোষ কি কম? শিল্পীৰ দৃষ্টি কেতিয়াও খণ্ডিত বা পক্ষপাত দুষ্ট নহয়। তাত ভাৰসাম্য থাকে। তাৰ সুস্পষ্ট প্ৰমাণ আশাপূৰ্ণা দেৱীৰ নিজ-মুখৰ উক্তি। তেওঁ কৈছে, "অধিকাৰহীনা অবলাদের দুঃখের কথা বলেছি বৈকি, কিন্তু আজকের স্বাধিকার-মত্তা সবলাদের দেখেও খুব একটা আনন্দ পাচ্ছিনা।" অথচ আশাপূৰ্ণা দেৱীক কোনোমতেই পুৰাতনপন্থী বুলি ক'ব নোৱাৰি। নবীন সকলৰ প্ৰতি তেওঁ সম্পূৰ্ণ সহানুভূতিশীল। তেওঁ কেৱল বিচাৰে যে তেওঁলোক অকণমান সুস্থিৰমতি হওক। স্বাধীনতা আৰু স্বেচ্ছাচাৰৰ মাজৰ পাৰ্থক্যটো বুজিবলৈ শিকক। নাৰী আৰু পুৰুষৰ সম্মিলিত শক্তিত গঢ়ি তোলক নতুন সমাজ – যি সমাজৰ ভিত্তি হ'ব পৰস্পৰৰ প্ৰতি সন্মানবোধ আৰু বিশ্বাসনিৰ্ভৰ ভালপোৱা। তেতিয়া হলেই হয়তো অলেখ অলেখ সত্যবতী আৰু সুবৰ্ণলতাৰ প্ৰতি ঋণ শোধ কৰিবলৈ সমৰ্থ হ'ব তেওঁলোকৰ উত্তৰ পুৰুষসকল।

পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ পাতি পঠোৱাৰ ঠিকনা:
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)







অংকন ▫ চম্পক বৰবৰা

# জাত

গোবিন্দ প্ৰসাদ শৰ্মা

শেষ পৰিণাম তেন্তে এয়েই হ'লগৈ। হৃদয়ক এই মাত্ৰ পুৱাৰ বাছখনত উঠাই দি বিদায় দিলো। বাছৰ ঘন্টা পৰিল। ইঞ্জিনে গোঁ গোঁ কৰিলে। মই হৃদয়ৰ পিনে খিৰিকিৰে চাই বাহিৰৰ পৰা হাত জোঁকাৰি কলো, যাবাগৈ তেন্তে। উত্তৰত তেওঁ শেঁতা হাঁহি এটাহে মাৰিলে। বাছখন গ'লগৈ। এৰা হৃদয় গ'লগৈ। আগতে হৃদয়ক বহুবাৰ এনেদৰে বিদায় দিছো। তেওঁৰ মুখত সেই বিদায়ৰ সময়ত এনে ভাব কেতিয়াও দেখা পোৱা নাই। শেঁতা হাঁহি, বিমূঢ় অৱস্থা, বিষণ্ণ ভাব। আনন্দিত হ'বলগীয়া অৱস্থাতো আনন্দ কৰিব নোৱৰাৰ এক বেদনা।

অথচ হৃদয় আনন্দিত হ'ব লাগিছিল বাৰুকৈয়েই। হাঁহি হাঁহি উৎসাহত, উদ্দীপনাত তেওঁ মোৰ পৰা বিদায় লব পাৰিব লাগিছিল– তেওঁৰ পৰিয়ালক, অধীৰ অপেক্ষাত তেওঁৰ বাবে বৈ থকা তেওঁৰ পত্নী মায়া আৰু তেওঁৰ ল'ৰা-ছোৱালী দুটিক এই খবৰটো দিবগৈ পাৰিব বুলি যে তেওঁলোকৰ ল'ৰাই, তেওঁলোকৰ কৌস্তভে মেডিকেল কলেজত চীট্ পালে। কিন্তু এয়া চীট্ পোৱাৰ খবৰ লৈ গুৱাহাটী এৰাৰ সময়ত তেওঁ আনন্দিত হ'ব নোৱৰাই অকল নহয়, শিৱসাগৰ পাইও তেওঁ নিশ্চয় তেওঁৰ পৰিবাৰ আৰু ল'ৰা ছোৱালী দুটিৰ আগত আনন্দ কৰিব নোৱাৰিব। তেওঁৰ পত্নী মায়া, তেওঁৰ মেডিকেল কলেজত চীট পোৱা ল'ৰা কৌস্তভ, তেওঁৰ ছোৱালী অঞ্জনা – সকলোৱে কৌস্তভৰ খবৰটো পোৱাৰ লগে লগে একে উশাহতে প্ৰশ্ন তুলিব অনুপেও, মানে মোৰ ল'ৰাইও চীট্ পাইছে নিশ্চয়? হৃদয়ে একো কব নোৱাৰিব। কাৰণ তেওঁৰ সত নাযাব সঁচা কথাটো কবলৈ যে অনুপে চীট নাপালে, কৌস্তভতকৈ একেটা পৰীক্ষাত মুঠ পঁচিছ নম্বৰ বেছি পায়ো চীট কিন্তু নাপালে। হৃদয় নিৰুত্তৰ হ'লেও ঘৰৰ সকলোৱে বুজিব দৰাচলতে কি হৈছে, কিয় হৈছে। লগে লগে গোটেই ঘৰ খনৰে পৰিস্থিতিটো গধুৰ হৈ পৰিব বিষণ্ণ গধুৰ।

অথচ এনে হোৱাটোত কোনো স্বাভাৱিকতা নাই। তেওঁলোকৰ ল'ৰাই মেডিকেলত চীট্ পালে; আমাৰ ল'ৰাই নাপালে–ইয়াত আমাৰ দুখ কৰিবলগীয়া আছে। তেওঁলোকৰ কি? তেওঁলোকৰ আনন্দ ব্যাহত হ'ব কিয় তাৰ বাবে? পল্টন বজাৰৰ বাছ ষ্টেশ্যনৰ পৰা বেংগলী হাই স্কুললৈনো কেই খোজ? কিন্তু এয়া মোৰ লাগিল কিমান সময়? আৰু ৰাস্তাৰো যে চেহেৰা! বাছ আৰু মিনি ট্ৰাকৰ পৰা ৰিক্সা-অটোৰিক্সালৈ কত ধৰণৰ যান-বাহনেৰে যে গোটেই ৰাস্তাটো ভৰা। ইখনৰ পৰা সিখনৰ মাজত এক আঙুলিও ঠাই নাই। আৰু আগুৱাবও পৰা নাই তেনেকৈ কোনোখন। সকলোৰে কুমজেলুকাৰ গতি। আনকি ৰাস্তা পাৰ হ'বলৈকো কাৰো এতিয়া উপায় নাই। গতিকে ময়ো পোনে পোনে গৈ থাকিব লাগিব ফুটপাথেৰেই। ফুটপাথ–পল্টন বজাৰৰ ফুটপাথ-ট্ৰেন্সপোৰ্ট ষ্টেশ্যনৰ পৰা বেংগলী হাই স্কুললৈ, মানে আজিকালিৰ বেংগলী হায়াৰ চেকেণ্ডৰী স্কুলৰ সমুখলৈ এই ছোৱাৰ ফুটপাথ–নে নৰকৰ পথ? ৰূপেই চাবানে গুণেই চাবা। নে গন্ধেই চাবা। ধেৎ গন্ধো জানো চাব পাৰি? আৰু গুণ? সি যি কি নহওক, ইয়াত কিন্তু বিপদো আছে। ফুটপাথত শ্লেবৰোৰ মাজে মাজে ভাঙি যোৱা, ফুটি যোৱা। নহলে ইন্‌চ্‌পেক্‌শ্যন হোলৰ মেটেল্ ডোৰ্‌বোৰ কোনোবাই উঠাই নিয়া। প্ৰকাণ্ড প্ৰকাণ্ড গাঁত। তলত দুৰ্গন্ধময়, কদৰ্য নলা। এবাৰ পৰিব লাগিলে আৰু ৰক্ষা নাই। কততো পৰিছেও! এইবোৰ বিপদৰ প্ৰতি সজাগ হৈয়েই আগুৱাব লাগিব। স্বাভাৱিকতে মোৰ গতি কুমজেলুকাৰ গতি। কোনো কাহানিতে হৃদয়ক বাছ ষ্টেশ্যনত বিদায় দিলো, তথাপি এই পৰ্যন্ত পল্টন বজাৰৰ তিনি আলিৰ পুলিচ পইণ্টটোৱেই দেখোন পোৱাহি নাই।

হয়, হৃদয়ৰ লগত সৰুৰে পৰা একে লগে ডাঙৰ হ'লো, একে লগে পঢ়িলো, আৰু একে সময়তে কামতো সোমালো। অৱশ্যে বেলেগ বেলেগ কাম। কামেই তেওঁক মোৰ পৰা আঁতৰাই নিলে; আৰু মই থাকি গ'লো গুৱাহাটীত। কিন্তু ভিন ভিন ঠাইত থাকিলো বুলিও আমাৰ বন্ধুত্ব একেদৰেই থাকিল। ইয়াৰ কাৰণ আমাৰ নিশ্চয় বন্ধুত্বৰ গাঢ়তা, প্ৰকৃতিৰ মিল। ইয়াৰ উপৰি দুয়োৰে হোৱা বিয়াৰ পিছত দুয়োৰে পত্নীৰো বুজাপৰাৰ নিশ্চয় অভাৱ হোৱা নাছিল। মোৰ পত্নীৰ মোৰ প্ৰতি সহৃদয়তা সঁচাই মোৰ ভাগ্যৰ কথা। এই সহৃদয়তাৰ বাবে মোৰ অন্তৰংগ বন্ধুৰ প্ৰতিও তেওঁৰ সমান সম্ভাৱ। একেদৰে মোৰ প্ৰতিও হৃদয়ৰ পত্নী মায়াৰ।

হৃদয়ৰ পত্নী মায়া–সঁচাই ছোৱালীজনী বেছ শলাগিবলগীয়া। ছোৱালী মানে এতিয়া অৱশ্যে আদহীয়াই–মোতকৈ বা হৃদয়তকৈ তেওঁনো হ'ল বুলি কিমান সৰু? কিন্তু তেওঁক ছোৱালী যেনেই লাগে এতিয়াও। কাৰণ আমি দুয়ো যেতিয়া এম, এ, পঢ়ি আছো, মায়া-মানে হৃদয়ৰ বোৱাৰী তেতিয়া কলেজৰ তলৰ শ্ৰেণীৰ ছাত্ৰী। প্ৰেম হ'ল হৃদয়ৰ লগত দুয়ো ওচৰা ওচৰিকৈ থাকে বুলি। প্ৰতিভাশালী ছাত্ৰ হৃদয়–প্ৰতিটো পৰীক্ষাতে উচ্চ আসন লাভ কৰা। তথাপি অৱশ্যে তেওঁৰ পৰিয়ালৰ তেনে প্ৰতিপত্তি নাই। গাঁৱৰ দুখীয়া খেতিয়কৰ ল'ৰা। চহৰত মেচ কৰি থাকে আৰু পঢ়ে। তেনেস্থলত দুয়োৰে মাজত প্ৰেম গঢ়ি উঠিল বুলিয়ে দুয়োৰে বিয়া হ'ব–তেনে আশা ক্ষীণ। হৃদয়েও তেনে কোনো আশা কৰা নাছিল। ছোৱালীজনী আগবাঢ়ি আহিছে বুলিয়েই তেওঁৰ সঁহাৰি – নিৰাশ সঁহাৰি। মায়াও অৱশ্যে বৰ ধনী ঘৰৰ ছোৱালী নহয়। দেউতাক অৱশ্যে চৰকাৰী কাৰ্যালয়ৰ বিষয়াই। কিন্তু দ্বিতীয় শ্ৰেণীৰ; তদুপৰি উপৰুৱা পইচা নাই। তাতে আকৌ ল'ৰা-ছোৱালী কেবাটাও। তথাপি, আগতে যিয়েই নহওক, এতিয়া চহৰীয়া মানুহ। সৰু হ'লেও চহৰতে নিজা ঘৰ-বাৰী। চহৰীয়া পৰিয়ালৰ লোকে ছোৱালীৰ বাবে চহৰীয়া ল'ৰা বিচৰাই স্বাভাৱিক। অগত্যা গাঁৱৰ ল'ৰা হ'লেও প্ৰতিষ্ঠাৱান গাঁৱলীয়া পৰিয়ালৰ হ'ব লাগিব। হৃদয়ক কোনোমতেই কোনেও প্ৰতিষ্ঠাৱান

পৰিয়ালৰ বুলি নকব। এয়া হৃদয়ৰেই সেই সময়ৰ কথা - প্ৰেমত হাবুডুবু খাই বিয়াখন হোৱাৰ ইচ্ছা কৰিও আশা কৰিব নোৱৰা অৱস্থাৰ তেওঁৰ ভাবৰ বুৰবুৰণি - যি ভাবৰ বুৰবুৰণি তেওঁৰ অন্তৰংগ বন্ধু হিচাপে শুনিবলৈ পাইছিলো মই।

হৃদয়ৰ মায়াৰ লগত বিয়াৰ আৰু এটা দুৰ্লঙ্ঘ্য অন্তৰায় আছিল - হৃদয়ৰ জাত। মায়া আছিল বামুণ ছোৱালী আৰু হৃদয় আছিল তথাকথিত শূদিৰ। আৰ্থিক অৱস্থাৰ প্ৰভেদৰ বাবে নহ'লেও এনে সামাজিক প্ৰভেদৰ বাবেই বিয়াখনত নিশ্চয় মায়াৰ মাক-দেউতাকে বাধাৰ সৃষ্টি কৰিব - প্ৰচণ্ড বাধা। হৃদয় সেই বাবেও বৰ উৎসাহিত হ'ব পৰা নাছিল; আৰু আন কি মায়াকো অত্যুৎসাহী হোৱাৰ পৰা বাধা দি ৰাখিবলৈ প্ৰকাৰান্তৰে হলেও চেষ্টা কৰিছিল। এই ক্ষেত্ৰত হৃদয় অকল হৃদয়বানেই নহয় - বিবেকবানো। অৱশ্যে হৃদয়ে এই জাতিভেদৰ অস্তিত্ব স্বীকাৰ কৰি মায়াক যে বিয়াৰ বাবে আগুৱাৰ পৰা বিৰত কৰি ৰাখিছিল সেয়া নহয়।

সৰুৰে পৰাই আমি একেলগে ডাঙৰ হৈছো আৰু সৰুৰে পৰাই মই দেখি আহিছো - সমাজৰ জাতপাত বিচাৰৰ ক্ষেত্ৰত হৃদয় অতি স্পৰ্শকাতৰ। মই অৱশ্যে নিজেও তেনে। জাতিভেদ প্ৰথা অমানৱীয় আৰু ইয়াক সমাজৰ পৰা আঁতৰাবই লাগিব। এই মত আমাৰ দুয়োৰেই। কিন্তু ক্ষেত্ৰবিশেষে ইয়াক আমি আঁতৰাব নোৱৰালৈকে ইয়াৰ অস্তিত্ব মই যেতিয়া স্বীকাৰ কৰো, হৃদয়ে আনকি তাক স্বীকাৰ কৰিবও নোখোজে। সেয়েহে এবাৰ এটা বৃত্তিৰ বাবে এখন চৰকাৰী আবেদন পত্ৰৰ খালী ঠাই পূৰণ কৰিবলৈ ওলাওঁতে যেতিয়া দেখা গ'ল, এঠাইত আমি নিজৰ নিজৰ জাতৰ ঘোষণা কৰিব লাগে, তেতিয়া মই সেয়া অন্যায় বুলি কৈয়ো তাত মোৰ জাতৰ উল্লেখ কৰি দিলো। হৃদয়ে কিন্তু তাৰ বিপক্ষে গৰ্জি উঠিল আৰু সেই ঘৰটো খালী কৰিয়েই ৰাখিব বুলি ঘোষণা কৰিলে। তেওঁক হেনো তেনে চৰকাৰী বৃত্তি নালাগে। অথচ মই জানো, বৃত্তিৰ ধনৰ হৃদয়ৰ অতি প্ৰয়োজন। ঘৰৰ পৰা আনিব পৰা আৰ্থিক সাহায্যখিনি তেওঁৰ চহৰত চলিবলৈ যথেষ্ট নহয়; আৰু দুই এটা টিউশ্যন কৰিহে চলিব পাৰে। কিন্তু তেওঁ নামানিলে। জাত ঘোষণা কৰা ঠাইখিনি, বৃত্তিটো তাৰ বাবে হেৰুওৱাৰ ভয় থকাৰ সত্ত্বেও, খালী কৰিয়েই ৰাখিলে।

জাতি ঘোষণাৰ প্ৰতি তেওঁৰ স্পৰ্শকাতৰতাৰ উদাহৰণ আৰু বহুত। আনকি তেওঁ বৰ্তমান কৰি থকা চৰকাৰী চাকৰিটোৰ বাবে আবেদন কৰা সময়তো তেওঁৰ দৃঢ়তা প্ৰকাশ পাইছিল। অন্যান্য পিছপৰা জাতিৰ বুলি ঘোষণা কৰি আবেদন কৰিলেই তেওঁৰ দৰে চোকা ছাত্ৰ এজনে সহজে প্ৰথম শ্ৰেণীৰ চৰকাৰী চাকৰি এটা পাই যায়। কিন্তু তেতিয়াও তেওঁ লাগিলে চৰকাৰী চাকৰিয়েই নালাগে বুলি জাত ঘোষণা নকৰিলে আৰু সাধাৰণ গোষ্ঠীৰ প্ৰাৰ্থী হিচাপেই তেওঁ প্ৰথম শ্ৰেণীৰ চাকৰিটো পাই গ'ল। পিছে এয়া ওভাৰব্ৰিজৰ পুলিচ পইণ্টত কি যে ভিৰ। ৯-৩০ বা ১০টা এতিয়াও হোৱা নাই। এতিয়াও দেখোন ৯টা বজা নাই। অথচ এয়া ৰাস্তাত ভিৰ - মানুহ, গাড়ী, ৰিক্সা কিমান যে মানুহ, কিমান কাম। একেখন চহৰে অতবোৰ মানুহ - একেখন দেশে অতবোৰ মানুহ আৰু কেনেকৈ কিমান দিন বহণ কৰিব?

মাথ্ৰাচাটোৰ সমুখৰ ৰাস্তাৰ ভাঁজটোতে এই খালী ঠাই ডোখৰৰ কি যে অৱস্থা। ৰাজহুৱা প্ৰস্ৰাৱাগাৰৰ অভাৱত মানুহে ইয়াত জৰমেধে প্ৰস্ৰাৱ কৰে। অগুহীন পদযাত্ৰীৰ অবিৰাম প্ৰস্ৰাৱে ঠাইডোখৰ বোকা কৰি পেলাইছে। দুৰ্গন্ধময় ক'লা বোকা। আৰু সেই ক'লা বোকাৰ মাজে মাজে ঠায়ে ঠায়ে হালধীয়া ৰঙৰ চেকা কিয়? কোনো নিৰুপায় পথিকে বা দুৰ্ভগীয়া অথৰ্বীয়ে বৰ নোৱাৰি নিশ্চয় ইয়াৰ ওপৰতেই সময়ে সময়ে মলত্যাগো কৰে। পেচাবে সৃষ্টি কৰা ক'লা বোকাৰ ওপৰত সেই বাবেই নিশ্চয় সেয়া ঠায়ে ঠায়ে হালধীয়া বা ইটাবৰণীয়া ৰং। এনেকুৱা হকেক কিচিমৰ ৰং আৰু গন্ধৰ মাজত মানুহবোৰ বৈ থাকিব লাগিব বাছৰ বাবে। বাছতো সময় উপাৰ নোপোৱা ভিৰ। লগা বাছখন বহু সময়ৰ মূৰত আহি ৰ'লেও উঠিব পাৰিব বুলি কোনো আশ্বাস নাই। মোৰ কিন্তু আজি ভাগ্য ভাল - মই বাছৰ বাবে ৰ'ব নালাগে। মোৰ ছোৱালীজনীয়ে তাই নতুনকৈ লোৱা ঘড়ীটোৰ ফিটা ডাল সলাই নিজৰ ৰুচিমতে অন্য এডাল ফিটা লগাই লোৱাৰ সম্মতি মোক পটাই লৈ আদায় কৰি ললে। এতিয়াই মই লাখটকীয়াৰ পৰা ফিটাডাল কিনি নিব লাগিব - প্লাষ্টিকৰ ৰঙীন ফিটা যেনেকুৱা ফিটা এতিয়া তাইৰ লগৰ স্কুলীয়া ছোৱালীৰ হাতে হাতে। কিন্তু তাৰ ৰং হ'ব লাগিব ডীপ পিংক নাইবা ভায়লেট্। ৰং আৰু গন্ধৰ প্ৰতি মোৰ ৰুচিৰ ওপৰত মোৰ ছোৱালীৰ কোনো আস্থা নাই। সেই বিষয়ত সেই বাবে তাই মোক সদায় তাইৰ ডিক্টেশ্যনত ৰাখিব খোজে। ফিটাৰ ৰং ডীপ পিংক নাইবা ভায়োলেট্ হ'বই লাগিব - কথাষাৰ সেই বাবেই তাই মই হৃদয়ৰ লগত ওলাই অহা সময়ত বহুবাৰ সোঁৱাই দিছে। ডীপ পিংক নাইবা ভায়োলেট্। চাবা, যাতে নাপাহৰা; যাতে পাহৰি অন্য কিবা ৰঙৰ নানা আকৌ। ময়ো এই লৈ বেছ সাৱধান হৈ আছো। সময়ে সময়ে আওৰাই আছো - ডীপ পিংক অথবা ভায়োলেট্ - গাঢ় ৰংচুৱা অথবা বেঙেনাবুলীয়া। আনকি মাথ্ৰাচাৰ সমুখৰ ৰাস্তাৰ ভাঁজৰ সেই ঠাই ডোখৰত ক'লা আৰু হালধীয়া বা ইটাবৰণীয়া ৰঙৰ সমাহাৰ দেখা পাওঁতেও মনে মনে আওৰাইছিলো - ডীপ পিংক অথবা ভায়োলেট্।

কিন্তু এয়া কি সমস্যা। ৰাস্তাটো এতিয়া পাৰ হৈ মই বাওঁপিনে যাব লাগিছিল। কিন্তু গোটেই ওভাৰব্ৰিজখন গাড়ী মটৰ-ৰিক্সাৰে ভৰা। সেইবোৰৰ মাজেদি ইফালৰ ফুটপাথৰ পৰা সিফালৰ ফুটপাথলৈ যাব নোৱাৰি। কোনো দিশত গাড়ীয়েই আগুৱাবও পৰা নাই। গতিকে ময়ো সোঁফালৰ ফুটপাথেৰেই গৈ থাকিব লাগিল। এতিয়া মানে হৃদয়ৰ শিৱসাগৰ মুখী গাড়ীৰে কিমান দূৰ পালে গৈ? দিছপুৰৰ বাছ ষ্টপ নে যোৰাবাটৰ গনেশ মন্দিৰ? গনেশ মন্দিৰ পোৱাৰ লগে লগে বাছৰ ধৰ্মভীৰু লোকসকলে খিৰিকিৰে নিশ্চয় দহ পইচা, পাঁচ পইচা গনেশ বাবালৈ দলিওৱাত লাগিল। কিন্তু এজন মানুহেই এতিয়া নিশ্চয় সেই কাম তাত কৰা নাই। হৃদয়ে। হৃদয়েও মোৰ দৰে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে নিশ্চত হ'ব নোৱাৰে। আৰু ঈশ্বৰ যদি আছেও, এনেকৈ পইচা দান কৰি তেওঁক নিশ্চয় সন্তুষ্ট কৰিব নোৱাৰি। মোৰ যদি যোৰাবাটৰ এই বিপদসংকুল পথত দুৰ্ঘটনাগ্ৰস্ত হৈ মৰিব লগীয়া আছে, তেন্তে ঈশ্বৰক পইচা দি তাৰ পৰা ৰক্ষা পাব নোৱাৰো। কাৰণ ঈশ্বৰে নিশ্চয় ভেটি নাখায়। আমাৰ এই মত মোৰ পৰিবাৰ বা মায়াৰ বাবে কিন্তু তেনেই উগ্ৰমত। তেওঁলোকে ইয়াক নামানি আমাৰ চকুৰ আগতে গনেশ বাবালৈ পইচা চটিয়াই। বোধহয় আমাৰ মৃত্যুৰ বাবেও মনে মনে প্ৰাৰ্থনা কৰে।

যি হওক, হৃদয় আমাৰ সমাজৰ তথাকথিত শূদিৰ। কিন্তু তেওঁ জাত নামানে। সেই পিনৰ পৰা বামুণ ছোৱালী মায়াই তেওঁক ভাল পাই বিয়াৰ বাবে সঁহাৰি দিয়াত তেওঁ আনন্দিত হ'ব লাগিছিল। মায়াৰ পৰিয়ালে যদি তাত হকাবাধা কৰে, তেন্তে দৰকাৰ হ'লে তাৰ বাবে যুঁজ দিবলৈকো হৃদয় প্ৰস্তুত হ'ব লাগিছিল। কিন্তু হৃদয়ৰ শংকা-তাৰ বাবে শেষত মায়াই যদি কষ্ট পাবলগীয়া হয়, ভুগিবলগীয়া হয়! তাতকৈ বৰং সিমান দূৰলৈ নগৈ এতিয়াতে তেওঁক শান্তিৰ বাটেৰে ঘূৰাই পঠিয়াই ভাল। অৱশ্যে মায়া তাত মান্তি নহ'ল, হৃদয়ে ভয় কৰা মতে তেনে কোনো গুৰুতৰ পৰিস্থিতিৰ সৃষ্টিও নহ'ল। হৃদয়ৰ জাত লৈ মায়াৰ দেউতাকৰ আপত্তি আছিল যদিও, আনকি হৃদয়তকৈ বহুত নিম্নখাপৰ এটি চাকৰি কৰা কিন্তু তেওঁলোকৰ লগত একে জাতৰ এটি ল'ৰাৰ লগত মায়াৰ বিয়াৰ কথা তেওঁ প্ৰায় ঠিক কৰিছিল যদিও, জীয়েকৰ দৃঢ় মতত তেওঁ শেহান্তৰত বিপক্ষে নগ'ল। আনুষ্ঠানিকভাৱে হোম পুৰিয়েই বিয়াখন পতাৰ প্ৰস্তাৱ দেউতাকে অৱশেষত হৃদয়ক দিছিল। কিন্তু হৃদয়ৰ ইচ্ছা আৰু অনুৰোধক্ৰমেই অৱশেষত দেউতাকে ৰেজিষ্ট্ৰেশ্যন কৰিয়েই বিয়াখন পাতিলে। কিন্তু ওভাৰব্ৰিজৰ এয়া ইমুৰ আহি পালোহিয়েই। এতিয়া পাৰ হোৱা যায় কেনেকৈ ৰাস্তা? সৌভাগ্যক্ৰমে গাড়ীবোৰ কেতিয়াবা লৰিবলৈ ধৰিছে। সোনকালেই নিশ্চয় জামটো কাটিব। ময়ো ৰাস্তা পাৰ হৈ লাখটকীয়াৰ ৰাস্তা উঠিব পাৰিম নিশ্চয় কিছু সময় পিছতে।

ৰাস্তা পাৰ হোৱাৰ সুযোগ পায়েই ওভাৰব্ৰিজখন পাৰ হৈ লৈ লাখটকীয়া ৰাস্তা উঠিলো। বিয়াখন হোৱাত হৃদয় বেছ সুখী হৈছিল-তেওঁৰ মনৰ ইচ্ছামতে ছোৱালী এজনী পাইছিল বাবে অকল নহয়; তেওঁৰ আদৰ্শৰ এখন সামাজিক বিবাহ তেওঁ কৰিবলৈ সক্ষম হৈছিল বাবেও। এনে এখন সমাজেইতো তেওঁ সৰুৰে পৰা বিচাৰিছিল, য'ত মানুহৰ সকৰ বিচাৰ জাতিৰ ভিত্তিত কৰা নহ'ব। হৃদয়ৰ বিবাহখনে মোকো অপাৰ আনন্দ দিছিল। স্বাধীনতাৰ লগে লগেই স্কুলীয়া ছাত্ৰ হিচাপে আমি ক্ৰমে ক্ৰমে আমাৰ ৰাজনীতিৰ দৰে আমাৰ সমাজনীতি সম্পৰ্কেও সচেতন হৈছিলো। গান্ধী নেহেৰুৰ সামাজিক আদৰ্শৰ কথাত বাহিৰেও অনেক গান্ধীটুপী পিন্ধা ৰাজনৈতিক নেতাৰ সেই বিষয়ৰ বক্তৃতা শুনিছিলো। কিন্তু জাতিভেদশূন্য এখন সমাজ আমি যে গঢ়িবই লাগিব-এই অনুভূতি যেন আমাৰ তেনেই নিজস্ব, আপোন অন্তৰতে ওপজা। অথচ অন্তৰত এনে অনুভূতি গঢ় লবলৈ আমাৰ সামাজিক পৰিস্থিতি অনুকূল আছিল বুলি মুঠেই কব নোৱাৰি।

জাতি লৈ মোৰ গাঁৱত মোৰ বাল্যকালৰ অভিজ্ঞতা। সেইবোৰ কথা মনত পৰিলে মই হাঁহিমেই নে কান্দিমেই আজিও কব নোৱাৰো। সৰুতে আমাৰ ঘৰলৈকে যিসকল লোক আহে আলহী হিচাপে তাৰে ভিতৰত নিম্ন জাতৰ লোক সকলে খোৱা-বোৱা কৰা নিজৰ কাঁহী-বাটি নিজে ধুব লগা সদায় দেখা পাইছিলো। তেনে জাতৰ লোক দিবলগীয়া কাঁহী-বাটিও আছুতীয়াকৈ ৰখা দেখা পাইছিলো। হিন্দু সম্প্ৰদায়ৰ বাহিৰৰ লোক হ'লে সেইসকলক বহিবলৈকো দিয়া হয় ঘৰখনৰ সাধাৰণ বহা আসন পীৰা, মূঢ়া, চকী বেঞ্চ আদি নহয়, তেনে সম্প্ৰদায়ৰ লোকসকলৰ বাবে আছুতীয়াকৈ ৰখা এখন তক্তাহে। আমাৰ ঘৰৰ লোকসকলে এনে প্ৰথাত যেনেকৈ অস্বাভাৱিকতা একো দেখা নাছিল, আমাৰ ঘৰৰ সেই তথাকথিত নিম্ন বৰ্গৰ আলহী সকলেও নিৰ্বিবাদে তাক মানি লৈ আমাৰ লগত সৌহাৰ্দ্যপূৰ্ণ অৱস্থা অটুট ৰখা দেখিছিলো। কিন্তু এনে প্ৰথাৰ বৈসাদৃশ্য পিছত মোৰ মনত ধৰা পৰিল, মোৰেই এটি অভিজ্ঞতাৰ লগে লগে।

হাইস্কুলৰ ওপৰ শ্ৰেণীলৈ উঠাৰ পিছত মোৰ অন্তৰংগ বন্ধু হৃদয়ক আমাৰ ঘৰলৈ ভাত খাবলৈ বুলি এবাৰ মাতিলো। তেওঁৰ মই ইমানেই অন্তৰংগ যে দুয়ো বেলেগে বহি খোৱাৰ কথা ভবাৰ প্ৰশ্নই নুঠে। হৃদয়েও সেই কথা জানে বুলি মই সেই লৈ মূৰ নঘমাই হৃদয় অহাৰে পৰা খোৱাৰ সময়লৈ কেৱল মছগুল হৈ কথা পাতিলো। খাবৰ হ'লত যেতিয়া আমাক খাবলৈ মাতিলে, আমাৰ স্বাভাৱিকতে সকলোৱে একেলগে বহি খোৱা কোঠাটোত আমি দুয়োকে নিদি আয়ে আমাক বহুৱালে অন্য এটা কোঠাত। এই কথাত মই ভালেই পালো। দুয়ো একান্ত মনে খাব পাৰিম। আয়ে দুয়োৰে মাজত কিছু দূৰত ৰাখি আমাৰ পীৰা-পানী দি থৈছিল যদিও হৃদয়ে তাক ধৰিব পৰাৰ আগতেই মই আমাৰ খোৱা আসন ওচৰা ওচৰি কৰি ললো। কিন্তু হ'লে হ'ব কি। খোৱা হোৱাৰ আগে আগে আয়ে হৃো বুজি আমি দুয়োৰে খোৱা কোঠালৈ আহি তেনেই মৰমকৈ হৃদয়ক ক'লে-বাপা, আমাৰ সাজ-বাচন ধোৱা কোনো মানুহ নাই নহয়। গতিকে খাই উঠি সাজ-বাচন ধুবলৈ বেয়া নাপাবা। আমাৰ অকণো তোমাৰ লগতে তাৰ সাজ-বাচনখিনি ধুব। মোকো হৃদয়ৰ লগতে মোৰ সাজ-বাচন ধুবলৈ দি পৰিস্থিতিটো বহুখিনি পাতল কৰিছিল যদিও, মই লাজ-অপমানত যেন মাটিৰ লগত মিলি যাম। আই পিছত মিয়েই নকওক, মই হৃদয়ৰ সাজ বাচন যিনিও অৱশ্যে জোৰকৈ তাৰ হাতৰ পৰা কাঢ়ি আনি ধুই আইৰ ভুলৰ বাবে যেন প্ৰায়শ্চিত কৰিলো। হৃদয়ক কিন্তু আইৰ ভুলৰ বাবে ক্ষমা খোজা দূৰৰৈ কথা, এই বিষয়ৰ কোনো কথাই আৰু তেওঁৰ আগত উলিয়াব নোৱাৰিলো। তথাপিও হৃদয়ৰ মোৰ প্ৰতি বা মোৰ আইৰ তথা পৰিয়ালৰ প্ৰতি ভাব তাৰ পিছতো একেই থকা দেখিলো-যদিও জাতৰ প্ৰতি স্পৰ্শকাতৰতা তেতিয়াও তেওঁৰ একেই আছিল। তাৰ বহু দিন পিছত আমাৰ ঘৰৰ বা আমাৰ বামুণ জাতৰ ৰক্ষণশীলতাৰ কথা কৈ এটা উদাহৰণ দিওঁতে, হৃদয়ে আকৌ মোকেই বুজাইছিল-ইয়াৰ বাবে অকল আমাৰ পৰিয়ালেই বা জাতিটোয়েই দায়ী নহয়। এয়া আমাৰ গোটেই হিন্দু সমাজখনৰেই কলংক। উদাহৰণ স্বৰূপে হৃদয়ে কৈছিল যে তেওঁলোক যদিও নিম্ন জাতৰ লোক, তেওঁলোকতকৈ তথাকথিত আৰু নিম্ন জাতৰ লোক বা হিন্দু সম্প্ৰদায়ৰ বাহিৰৰ লোক তেওঁলোকৰ ঘৰলৈকো আহিলে বহিবলৈ বাহিৰতে ৰখা এখন তক্তা বা পানী খাবলৈ কচুপাততে দিয়া হয়।

সেই হৃদয়েও কিন্তু অৱশেষত বামুণ ছোৱালীকে বিয়া কৰাব পাৰিলে, বামুণ ছোৱালীৰ পৰিয়ালৰ সন্মতিক্ৰমেই এনে কাম একেখন সমাজতে সম্ভৱ হৈ গ'ল প্ৰায় কুৰিটা বছৰৰ ভিতৰতে। ইয়াৰ বাবে এই ছোৱাকালত চৰকাৰে কোনো আইন নতুনকৈ কৰিবলগীয়া হোৱা নাই; জাতিভেদ দূৰ কৰাৰ কোনো নতুন চৰকাৰী প্ৰচাৰ অভিযানো চলোৱা নাই। ই এক সন্তোষজনক স্বতঃস্ফূৰ্ত সামাজিক ৰূপান্তৰ মানুহৰ মনৰ অভিজ্ঞতা নিৰ্ভৰ পৰিবৰ্তন স্বতঃস্ফূৰ্ত পৰিবৰ্তন। পুৰণি চাম মানুহ-আমাৰ আইৰ চাম মানুহ সমাজত পৰা ক্ৰমে ক্ৰমে আঁতৰি গৈছে, নতুন চাম মানুহে-হৃদয়ৰ শহুৰ-শাহুৰেকৰ শ্ৰেণীৰ নতুন চাম মানুহে তেওঁলোকৰ মাক দেউতাকৰ বহুতো প্ৰথা ক্ৰমে ক্ৰমে বাদ দিছে। হৃদয় আৰু মই একেখন সমাজতে হৈ পৰিব পাৰিছো, আমাৰ জাতৰ ভিন্নতাৰ সত্ত্বেও, অভিন্ন। কিন্তু ক'তা? এয়া চোন লাখটকীয়া কেতিয়াবাই এৰি ফাঁচি বজাৰৰ শিখমন্দিৰ পালোহি? মানে মাজনীৰ বাবে ডীপ পিংক বা ভায়োলেট্ ৰঙৰ ঘড়ীৰ ফিটাৰ দোকানখন পাহৰি পাৰ হৈ আহিলো। নাই, নাই। ফিটা ডাল নিনিলেই নহ'ব।

পুনৰ উভতি খোজ কাঢ়িলো। পুনৰ ৰাস্তা পাৰ হোৱাৰ সমস্যাই দেখা দিলে। মানুহ আৰু যান-বাহনৰ ভিৰ আৰু বাঢ়িছে। চাৰিওফালে কেৱল মানুহ আৰু মানুহ; গাড়ী আৰু গাড়ী। কাৰো ক'তো বিশ্ৰাম নাই; কোনোৱে শান্তিত একো কৰিব নোৱাৰে। মানুহৰ বাবেই নোৱাৰে। কেৱল মানুহ আৰু মানুহ। এতিয়া ঘড়ীৰ দোকান খনত সোমায়ো মই মোৰ প্ৰয়োজন মতে, মনৰ শান্তিৰে ধীৰে সুস্থিৰে মোৰ পছন্দৰ, বা মোৰ ছোৱালীৰ পছন্দৰ ঘড়ীৰ ফিটাডাল কিনি লব পাৰিমনে?

টকা বাঁচিছটা প্ৰায় দলিয়াই দিয়াৰ দৰে ভায়োলেট্ ৰঙৰ ফিটা এডাল লৈ ওলাই আহিলো। প্ৰায় একে উশাহতে কৰা কাম-সময় নাই বাবে নহয়-আনকো সময় দিব লাগিব বুলি। সোনকালেই শিখমন্দিৰৰ সমুখৰ চাৰিআলিটো পাৰ হৈ নদীৰ পাৰলৈ খোজ দিলো। খোজ দিবলৈকো পিছে ৰাস্তাত ঠাই নাই। অকল মোৰ দৰে খোজ কঢ়া অজস্ৰ মানুহৰ বাবেই নহয়, ৰখাই থোৱা, চলি থকা অনেক গাড়ী মটৰৰ বাবেই নহয়। তাৰ বাহিৰেও আৰু ৰাস্তাত আৰু ফুট পাথত অজস্ৰ সৰু সৰু দোকান, সেইবোৰৰ গ্ৰাহক, মাজে মাজে সা-সৰঞ্জাম লৈ বহি থকা জোতাৰ মিস্ত্ৰী; তাৰো মাজে মাজে থিয় হৈ লটাৰী টিকেটৰ, নিগনি মৰা, এন্দুৰ মৰা দৰবৰ কেনভেচাৰ; বেলুন বেচা, হেৱাৰ বেচা, ক্লথ-ক্লিপ বেচা ভেণ্ডৰ-আৰু যে কত কি!

এই গোটেইবোৰৰ ওৰিতে কি? আচল কথাটো কি? জনসংখ্যাৰ সমস্যা নহয়নে? অপ্ৰতিৰোধ্যভাৱে বৃদ্ধি হৈ গৈ থকা জনসংখ্যাৰ সমস্যা? সকলো জীয়াই থাকিব লাগিব-কিবা এটা কৰি খোৱা মুঠা আৰ্জিব লাগিব; সেইটো হ'লে আৰু যিমান পাৰি বেছিকৈ আৰ্জি ল'ৰা-ছোৱালীৰ ভৱিষ্যত নিশ্চিত কৰিব লাগিব; কৰিবলৈ একো নোহোৱাই বাটে ঘাটে থিয় দি, খোজ কাঢ়ি বা বাছত ভিৰ কৰি হ'লেও সময় কটাব লাগিব। সকলোৱে জন্মিছে যেতিয়া, কৰিবলৈ একো নহ'লেও কিবাকৈ নহয় কিবাকৈ জীৱনৰ কালছোৱা কটাব লাগিব।

তথাপি ইয়াৰ মাজেদিও আমাৰ জাতিভেদ প্ৰথা ক্ৰমে ক্ৰমে আঁতৰি গৈ আছিল। চৰকাৰে তাৰ বাবে বিশেষ তেনেকৈ একোকে

কৰিবলগীয়া হোৱা নাছিল। কিন্তু আমাৰ কিছুমান ৰাজনৈতিক দল যেতিয়া আদৰ্শত দেউলীয়া হৈ গ'ল – আদৰ্শৰ বক্তৃতাৰ ফুলজাৰি মাৰি থাকোতেই, তেতিয়া এই জনসংখ্যা বৃদ্ধিৰ সমস্যা তেওঁলোকে কোনো স্বাস্থ্যকৰ অৰ্থনৈতিক আঁচনিৰ মাজেদি সমাধান কৰাৰ বাট স্বাভাৱিকতে বিচাৰি নাপালে। এনে আদৰ্শত দেউলীয়া দলে ক্ষমতালৈ আহি জনসংখ্যা বৃদ্ধিৰ সমস্যা, দাৰিদ্ৰ্যৰ সমস্যা সমাধান কৰিব খুজিলে চাতুৰীৰে-দুষ্ট বুদ্ধিৰে – মানুহৰ মনত পুনৰ এই আওপুৰণি জাতিভেদৰ ভাব জাগ্ৰত কৰি। অনগ্ৰসৰ শ্ৰেণীৰ লোক মানে অনগ্ৰসৰ জাতিৰ লোক বুলি তেওঁলোকে অতিসৰলীকৰণৰ সহায়ত জাতিবিদ্বেষৰ অভিযান ৰাজনৈতিকভাৱেই আৰম্ভ কৰিলে। ফলত সমাজত আজি দাৰিদ্ৰ্যৰ সমস্যা, নিবনুৱা সমস্যা জনসংখ্যা বৃদ্ধিৰ সমস্যা সমাধান কৰাৰ বেলিকাও দেখা গৈছে জাতিৰ বিপক্ষে জাতি। চৰকাৰী চাকৰি, বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ আদিত ভৰ্তিৰ ক্ষেত্ৰত যোগ্যতা আৰু প্ৰকৃততে সমাজত বঞ্চিত শ্ৰেণীৰ লোকৰ বিবেচনাৰ সলনি এনে ৰাজনৈতিক দল বা চৰকাৰে বিচাৰে জাতিৰ বিবেচনা। তাৰেই কুফল আজি ভোগ কৰিছো এনেদৰে – হৃদয়ে তেওঁৰ ল'ৰাই মেডিকেল কলেজত চীট্ পোৱাৰ পিছতো এক বিষণ্ণ আৰু বিমূঢ় মনেৰেহে মোৰ ওচৰৰ পৰা বিদায় লবলগীয়া হোৱা অৱস্থাৰ সমুখীন হৈ।

এৰা, মোৰ ল'ৰা অনুপে হৃদয়ৰ ল'ৰা কৌস্তভতকৈ ২৫ নম্বৰ বেছিয়েই পাইছিল। কিন্তু হৃদয়ৰ ল'ৰা কৌস্তভেহে মেডিকেলত চীট্ পালে। হৃদয়ে এইবাৰ তেওঁৰ ল'ৰাৰ জাত ঘোষণা কৰিবলৈ বাধ্য হ'ল, নহ'লে তেওঁ মিছা কথা কৈ অন্য জাতৰ, হয়তো তথাকথিত কোনোটো উচ্চ জাতৰ বুলি ঘোষণা কৰিব লাগিব। যি মিছা কথা হৃদয়ে নকয়। গতিকে তেওঁৰ ল'ৰাই মেডিকেল কলেজত চীট্ পালে; কিন্তু মোৰ ল'ৰাই ২৫ নম্বৰ বেছি পাইও চীট্ নোপোৱাৰ ফলত হৃদয় উভতি যাবলগীয়া হ'ল বিষণ্ণ মনেৰে।

মেডিকেল কলেজত চীট্ পোৱা নোপোৱাৰ খবৰটো ওলোৱাৰ পিছত কালি গধূলি হৃদয় আৰু মই উজান বজাৰৰ নদীৰ পাৰে পাৰে একেলগে খোজ কাঢ়োতে হৃদয়ে মোক কৈছিল তেওঁৰ অন্তৰৰ কথা। তেওঁৰ দুখ অকল মোৰ ল'ৰাই সাধাৰণ শ্ৰেণীৰ বুলি চীট্ পোৱাৰ পৰা বঞ্চিত হোৱাতেই নহয়; তেওঁৰ দুখ অন্য এটা কথাত। তেওঁ ভিন্ন জাতৰ ছোৱালী বিয়া কৰাই সন্তুষ্টি লভিছিল, তেওঁ আৰু তেওঁৰ পত্নী তাৰ দ্বাৰা জাতিমুক্ত হ'ল আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰো ভৱিষ্যতে জাতিমুক্ত হৈ জন্মিব বুলি – জাতিভেদৰ ওপৰলৈ উধাও হ'ব বুলি। তেওঁলোকৰ ল'ৰা-ছোৱালী দুটিৰ এটিকো জাতি সম্পৰ্কে সচেতন হবলৈ কেতিয়াও দিয়াও নাছিল তেওঁলোকে। কিন্তু কৌস্তভে মেট্ৰিক পাছ্ কৰি কলেজত নাম ভৰ্তিৰ বাবে আবেদন কৰা সময়তে তাক সচেতন কৰিবলগীয়া হ'ল জাত সম্পৰ্কে। তেতিয়ালৈকে তেওঁ নিজেও ঠিক কৰা নাছিল ল'ৰা-ছোৱালী দুটিৰ জাত কি হ'ব। এনে জাতিহীন এখন সমাজেই আমাৰ নিশ্চয় কাম্য আছিল আৰু আমাৰ চৰকাৰেও তাৰ বাবেই চিঞৰি আছিল। কিন্তু কলেজত চীট্ৰ বাবে, পিছত চৰকাৰী চাকৰি পাবৰ বাবে আৰু নাইবা সমাজত নেতা হিচাপে নিৰ্বাচনত উঠিবলৈকো জাত এতিয়া অপৰিহাৰ্য হৈ উঠিছে। গতিকে তেওঁৰ ল'ৰা-ছোৱালীৰ কোনো জাত নহ'লেও সিহঁতক আকৌ এটা জাত দান কৰিব লাগিব। কিন্তু কি জাত ?

অ' এয়াচোন নদীৰ পাৰৰ বাছ ৰোৱা ঠাইখন এৰিয়েই আহিলো। সেইখিনিতে মই মিনি বাছ এখনত উঠি লোৱা কথা আছিল। কিন্তু ৰাস্তা পাৰ হোৱাৰ অসুবিধাৰ বাবেই নে কি, নদীৰ পাৰৰ ৰাস্তাত উঠি মই সোঁফালে দিয়েই যন্ত্ৰবৎ আহি থাকিলো। সেই ইন্স্পিওৰেঞ্চ অফিচৰ কোণটিৰ উৎকট পেচাবৰ গন্ধ আৰু পেচাবৰ ডোঙা কেতিয়ানো কেনেকৈ পাৰ হলো গমকেই নাপালো। মোৰ জোতাৰ তলি এতিয়া তেনেহলে নিশ্চয় পেচাবৰ পানী আৰু বোকাৰে তিতি আছে। মই মন্দিৰ, পাকঘৰ আদিত জোতাসহ প্ৰৱেশ নিষেধ– এই প্ৰথাটোৰ বিপক্ষে। জোতা খুলিব লাগে বাবে মই পাৰ্যমানে মন্দিৰত নোসোমাওঁ। আৰু আমাৰ পাকঘৰলৈকে জোতাৰেই প্ৰৱেশ কৰো। তাকে দেখি মোৰ ল'ৰা-ছোৱালী দুটিয়েও। কিন্তু আজি এই যোৰ জোতাৰেও মই আমাৰ পাকঘৰত সোমামনে ? যি হওক, চিটি বাছত উঠাৰ সুযোগ হেৰুৱালো যদিও ৰাস্তাটো পাৰ হৈ ল'ব লাগিল। এইখিনিতে ৰাস্তাটো আকৌ যি বহল। ইপিনে কোনো জেব্ৰা ক্ৰচিং বা পুলিচ কণ্ট্ৰোল নাই। তথাপি কিছু সময় চেষ্টা কৰি ৰাস্তাটো পাৰ হলো। গছৰ ছাঁই ছাঁই ফুট পাথেৰে এতিয়া খোজ কাঢ়িবলৈ পাইহে অনুভৱ কৰিলো, ইমান সময়ে কিমান ৰ'দ আৰু গৰমত খোজ কাঢ়ি আছিলো। এৰা, চিটি বাছত নাহিয়েই ভাল হ'ল। খোজ কাঢ়িবলৈ উপযুক্ত পথ পালে খোজ কঢ়াও এক আৰামৰ কাম। তদুপৰি এই মুহূৰ্তত মোৰ এনে নিৰ্জনতাৰেই দৰকাৰ। মই এতিয়া নিজকে অকণ অকলে লগ পাব খোজো।

হৃদয়ে মোক কলে, তেওঁ অৱশেষত তেওঁৰ ল'ৰা-ছোৱালীৰ জাত ঠিক কৰিলে মায়াৰ লগত আলোচনা কৰি। আমাৰ পিতৃপ্ৰধান সমাজত ল'ৰা-ছোৱালীৰ উপাধিৰ পৰা সকলো অৱশ্যে পিতৃকূলৰ মতেই হয়। সেই হিচাপে জাতিটোও। কিন্তু হৃদয়ে তথাপি এই বিষয়ে ঘৈণীয়েকৰ লগত আলোচনা কৰা সমীচীন বুলি ভাবি ঘৈণীয়েকৰ লগত কথা পাতিলে আৰু কলে, ঘৈণীয়েকে বিচাৰিলে ল'ৰা-ছোৱালী দুটিৰ জাত ঘৈণীয়েকৰ জাতেই হ'ব পাৰিব। কিন্তু ঘৈণীয়েকৰ হৃদয়ৰ ওপৰত ইমান ভাল পোৱা, শ্ৰদ্ধা আৰু আস্থা যে তেওঁ ল'ৰা-ছোৱালী দুটিৰ জাত হৃদয়ৰ জাতেই হওক বুলি আশা কৰিলে। হৃদয়ৰ মতে, কথাষাৰ কৈ কিন্তু ঘৈণীয়েকে এটা হুমুনিয়াহ কাঢ়িছিল। কাৰণ তেওঁৰ মতেও তেওঁলোকৰ ল'ৰা-ছোৱালী হোৱা উচিত আছিল জাতিমুক্ত। হৃদয়ে কালি মোক কোৱা মতে, ল'ৰা-ছোৱালীৰ জাত তেওঁৰ জাতেই বুলি ঘোষণা কৰোতে তেওঁৰ নিজৰ হেনো অনুভৱ হৈছিল, তেওঁৰ ঘড়ীটোৰ কাঁটা দুডাল বাওঁমুখে ঘূৰাই দিয়া যেন। কিন্তু এয়া যে আমাৰ চৰকাৰৰেই কাম আৰু আদৰ্শ – প্ৰগতিবাদৰ বক্তৃতা দিয়া, সাধাৰণ লোকৰ স্বাৰ্থৰ কথা কোৱা প্ৰগতিবাদী ৰাজনৈতিক দলৰ সহযোগত দেশ চলোৱা চৰকাৰৰ আদৰ্শ আৰু কাম।

যি হওক, হৃদয়ৰ ল'ৰা কৌস্তভে কলেজত নাম লিখিলে। ল'ৰাৰ ৰিজাল্ট ভাল আছিল বাবে যদিও 'অন্যান্য পিছ পৰা শ্ৰেণী' হিচাপে চীট্ পাব নালাগিল, তথাপি তাৰ জাত সেই বুলিয়েই ঘোষণা কৰিবলগীয়া হ'ল। হৃদয়ে মোক কোৱা মতে, এই সময়ত তেওঁৰ এক চোকা জিভাৰ সহকৰ্মীয়ে তেওঁক হেনো তাচ্ছিল্য কৰি তেতিয়া কৈছিল, তইতো ল'ৰা-ছোৱালী দুটি ঘৈণীয়েৰৰ জাত মতে বামুণ বুলিও ঘোষণা কৰিব পাৰিলিহেঁতেন। নকৰিলি, কাৰণ তোৰ নিজৰ জাতৰ বুলি সিহঁতক ঘোষণা কৰিলে বৃত্তি, চীট্, চাকৰি সকলোতে সুবিধা। কথাষাৰ শুনি তেওঁ মনে মনে আঘাত পাইছিল। কাৰণ জাতিৰ ঘোষণাৰে সুবিধা আদায় কৰাৰ কথা তেওঁ কাহানিও ভবা নাছিল। অৱশ্যে তেওঁ জানে, ৰাজনৈতিক নেতা বহুতেই জাতৰ এনে স্বাৰ্থপৰ ব্যৱহাৰেৰেই নেতা হৈ থাকে, নিৰ্বাচনত জিতে আৰু জাতিভেদ প্ৰথা নিৰ্মূল কৰাৰ ব্যৱস্থা লবলৈ যায়। তেওঁৰ দৰে বহুতো সাধাৰণ লোকেও জাতিৰ খেল খেলিয়েই বৃত্তি, চাকৰি, চীট্ৰ সুবিধা কৰি লয়।

শুক্লেশ্বৰৰ এই উদ্যানখনৰ ওচৰৰ ৰাস্তাৰ দুয়োকাষ সঁচাই বৰ বিচিত্ৰ। এপিনে নদী আৰু উদ্যান – ৰূপালী জলস্ৰোতত বতাহৰ ৰিব ৰিব খেল। তাৰ পাৰতে উদ্যানত সেউজীয়া ঘাঁহৰ মাজে মাজে ৰং বিৰঙৰ ফুল ফুলাই তোলাৰ মানুহৰ সুকোমল আশা। এক বিখ্যাত কবিৰ স্মৃতি জনমানসত মচ খাই নোযোৱাকৈ ৰখাৰ চেষ্টা। এটি ঐতিহাসিক ঘটনাৰ সৈতে জড়িত এডোখৰ ঠাই আৰু এখন প্ৰাচীন গেটক ধ্বংসৰ গ্ৰাসত পৰিবলৈ নিদিয়াৰ প্ৰশংসনীয় চেষ্টা। আৰু সিপিনে হাস্পাতালৰ প্ৰাচীৰৰ কাষে কাষে ফুলৰ বজাৰ, ৰং বিৰঙৰ, বিভিন্ন সুবাসৰ ফুলৰ মালা, ফুলৰ তোৰা। চালে চকু ৰোৱা ফুল আৰু মালা – কিন্তু নিতান্ত দৃষ্টিকটুভাবে সজা কেতবোৰ খুপৰিত সেইবোৰ ৰুচিহীনভাবে ৰাখি থোৱা। গুৱাহাটী বা তাৰ ওচৰে পাঁজৰে ফুলৰ ব্যাপক হাৰত ব্যৱসায়িক উৎপাদন আৰম্ভ হোৱা নাই বাবে, ইয়াতে বহুতো ফুল হয়তো আহিছে নিচেই পুৱাতে, ঘৰৰ মানুহ টোপনিত থাকোতেই ফুল চোৰে চোৰাং কৈ পাৰি-তুলি আনি ইয়াত যোগান ধৰা পদ্ধতিৰ ফল হিচাপে। সি যিয়েই নহওক, ইয়াতকৈ আৰু দুখোজমান আগুৱাই আহিলেই, এয়া যে কি দৃশ্য ! ৰাস্তাৰ দুয়োকাষে ফুটপাথত, কোনো দিন গা ধোৱাৰ সুবিধা নোপোৱা, কাপোৰ সলাই কাপোৰ ধুবলৈ কোনো দিন উপায় নোহোৱা, ৰুগ্ন, অৰ্ধনগ্ন, অনাহাৰ কত লোকৰ যে ইয়াত সমাবেশ – সমুখত প্ৰত্যেকৰ একো একোটা সস্তীয়া বাটি বা একোখন সস্তীয়া কাঁহী বা কিহবাৰ পাত; আৰু চকুত ওচৰৰ শুক্লেশ্বৰ মন্দিৰৰ পৰা আহিব আহিব বুলি আশা কৰি থকা এমুঠি প্ৰসাদৰ প্ৰতীক্ষা – সিহঁতৰ সমগ্ৰ দিনটোৰ আহাৰ ! হায় আমাৰ সমাজ, আমাৰ চৰকাৰ, জাতি-সম্প্ৰদায়ৰ বিচাৰ-বিবেচনাৰে শ্ৰেণীহীন সমাজ গঢ়িবলৈ যোৱা আমাৰ ৰাজনৈতিক দল। আমাৰ ৰাজনৈতিক দলৰ আৱাজ আৰু কুচকাৱাজ।

আমাৰ আদৰ্শ সমাজ শ্ৰেণীহীন এখন সমাজ। তাৰ বাবেই এয়া আসন আচুতীয়াকৰণ নীতি – ৰিজাৰ্ভেশ্যন পলিচি। কিন্তু আমাৰ বহুতো নেতাৰ দৃষ্টিত শ্ৰেণী মানেই হ'ল গৈ জাত – ক্লাচ মানে হ'ল কাষ্ট। আৰু ইয়াৰ খেলা খেলি তেওঁলোকে শ্ৰেণীহীন সমাজ গঢ়িবলৈ গৈ গঢ়ি তুলিব খোজে দৰাচলতে পুনৰ জাতি বৈষম্যময় এখন মধ্যযুগীয় সমাজ। এখন সমাজ – য'ত ৰিজাৰ্ভেশ্যনৰ সুবিধা পোৱা জাতিবোৰে পূৰ্বৰ বামুণ আৰু অন্যান্য তথাকথিত উচ্চ বৰ্ণৰ জাতবোৰৰ সুবিধা আদায় কৰি লোৱাৰ সুযোগেৰে নতুন বামুণ শ্ৰেণী এটি গঢ়ি তুলিব। নব্য-ব্ৰাহ্মণ। এয়ে নহয় জানো আমাৰ ৰিজাৰ্ভেশ্যনৰ ৰাজনীতি খেলা নেতা সকলৰ প্ৰকৃত উদ্দেশ্য ? এই নব্য-ব্ৰাহ্মণ সকলে এতিয়াৰ সমাজৰ আৰু প্ৰশাসনৰ সকলো সুবিধা আদায় কৰি পুনৰ শোষণত লাগিব পূৰ্বৰ বামুণ আৰু উচ্চ বৰ্ণৰ নতুন শূদ্ৰিৰ সকলৰ ওপৰত। নব্য-শূদ্ৰৰ ওপৰত শোষণ।

ল'ৰাক মেডিকেল কলেজলৈ আগুৱাই দিয়াৰ সুবিধা পাইও সেই বাবেই হৃদয়ে সুখী হ'ব নোৱাৰিলে। দৰাচলতে কালি গধূলি নদীৰ পাৰত খোজ কাঢ়োতে হৃদয়ে মোক এই কথাকেই কৈছিল। তেওঁৰ দুখ হেনো মোৰ ল'ৰাই মেডিকেল কলেজত চীট্ নোপোৱাৰ বাবে যিমান, তেওঁৰ ল'ৰাক এনে ৰাজনৈতিক চাতুৰীৰে গঢ়িব খোজা এখন সমাজলৈ ঠেলি দিবলগীয়া হোৱা বাবেও সমানেই।

হঠাৎ হৃদয়লৈ মোৰ এক গভীৰ সহানুভূতি জাগি উঠিল। এই মাত্ৰ তেওঁক বিদায় দি আহিলো যদিও, পুনৰ তেওঁকে লগ পাবলৈ উদগ্ৰীৱ হৈ উঠিলো। কিন্তু হৃদয় যে এতিয়া বহুত দূৰত। সূ





# 'মা, তুমিও চুপ্ৰীম কোৰ্ট পাইছিলাগৈ ?'

ৰসানন্দ অভাজন

তিনবছৰ ৰাঁচীৰ পগলা ফাটেকত ৰখাৰ পিছত কিছু ভাল পোৱাত কালিচৰণক ঘৰলৈ অনা হৈছিল। কিন্তু ছমাহ ভালেৰে থকাৰ পিছত আকৌ উক্ দিলে। এইবাৰ এনে এটা চৰম অৱস্থা পালেগৈ যে তেওঁক বশ কৰি ধৰি ৰখাটো টান হৈ পৰিল। কালিচৰণৰ গজ্‌গজীয়া ডেকা ল'ৰা আৰু ভায়েকো ক্ষীণকায় শৰীৰৰ কালিচৰণৰ আসুৰিক শক্তিৰ আগত হাৰ মানি যায়। পগলাৰ চূড়ান্ত অৱস্থা পোৱা উন্মাদ কালিচৰণক স্থানীয় ডাক্তৰে আহি মাজে মাজে মৰ্‌ফিন্ জাতীয় ইনজেকচন্ দি সাময়িক ভাবে ঠাণ্ডা কৰি থলেও কেইঘণ্টামানৰ পিছত মদমত্ত হাতীৰ শক্তিৰে ঘৰখন লণ্ড-ভণ্ড কৰি দিয়ে।

শৰীৰৰ অৱস্থা অবৰ্ণনীয়। দীঘল দীঘল দাঢ়ি আৰু চুলি। মুখমণ্ডলত মাত্ৰ চকু আৰু নাকটোহে ওলাই আছে। ভাগ্যে শৰীৰৰ নিম্নাংশ এতিয়াও এখন লেতেৰা ধুতিয়ে আৱৰি ৰখাত মানুহক চকু লজ্জাৰ পৰা ৰক্ষা কৰিব পাৰিছে।

এনেদৰে সময় বাগৰি যোৱাৰ লগে লগে প্ৰকৃতিয়েও বোধকৰো উন্মাদ কালিচৰণৰ ওপৰত প্ৰভাৱ পেলালে। দেখা গ'ল, তেওঁৰ শৰীৰত থকা আসুৰিক শক্তি লাহে লাহে টুটি আহিবলৈ ধৰিলে। মুখৰ ভিতৰতে বিৰ্‌বিৰকৈ বকি বকি ক্ৰমবৰ্দ্ধমান চহৰ খনৰ ৰাস্তা আৰু অলিয়ে-গলিয়ে ঘূৰি ফুৰিবলৈ ধৰিলে। কালিচৰণ মাষ্টৰৰ আজিৰ এনে দুৰ্গতিত মানুহে তেওঁক মৰমতে ঘৰলৈ আনি ইটো সিটো খাবলৈ দিয়ে। কালিচৰণে কেতিয়াবা খায়, কেতিয়াবা সেইবোৰলৈ চকুকে নিদিয়ে। মানুহৰ এতিয়া হুমুনিয়াহ কঢ়াৰ বাহিৰে আন একো উপায় নাই। এজন সৎ মানুহৰ কি কৰুণ পৰিণতি ! ভগৱানৰ ই কেনে বিচাৰ !

কালিচৰণ মাষ্টৰ কি পৰিস্থিতিত পৰি উন্মাদ হ'ল, সি এক দীঘলীয়া মৰ্মন্তুদ কাহিনী। আজিৰ পৰা আঠাইশ বছৰৰ আগতে তেওঁ সেই স্কুল খনত সোমাইছিল। তেতিয়া তেওঁ চফল ডেকা। শিক্ষকতাকেই আদৰ্শ আৰু জীৱনৰ ব্ৰত বুলি গ্ৰহণ কৰি প্ৰধান শিক্ষক পৰেশ বাবুৰ উপদেশ মৰ্মে তেওঁ স্কুলখনত সোমাই জীৱনটো ধন্য হ'ল বুলি দৃঢ়ভাবে বিশ্বাস কৰিছিল। কিন্তু মেট্ৰিক পাছৰ একমাত্ৰ শিক্ষাগত অৰ্হতা আৰু বৃত্তিগত প্ৰশিক্ষণৰ অভাৱেই যে শেষত গৈ তেওঁৰ সুদীৰ্ঘ একুৰি আঠবছৰৰ অভিজ্ঞতাকো বিশ্বাসঘাতকতা কৰিব সেই কথা তেতিয়া কালিচৰণে সপোনতো ভাবিব পৰা নাছিল। এজন মানুহৰ আজীৱন সততা আৰু সেৱাব্ৰতী আদৰ্শৰ ওপৰত হঠাতে আকস্মিকভাবে আঘাত পৰিলে যি ভাৰসাম্যহীন অৱস্থা হয়, কালিচৰণৰো সেয়ে হৈছিল।

স্কুলখন হাইস্কুললৈ উন্নীত হোৱাৰ পিছৰ্ত আৰু উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষকৰ আশাশুধীয়া যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্কুলখনে একেৰাহে মেট্ৰিকত ২/৩ বছৰ খুব ভাল ফল দেখুওৱাত ই চৰকাৰৰ প্ৰাদেশিকীকৰণৰ তালিকাত অন্তৰ্ভুক্ত হ'ল আৰু তেতিয়াই কালিচৰণৰ মূৰত যেন বজ্ৰপাত পৰিল। অৱশ্যে তেওঁৰ চাকৰিটো যোৱা নাছিল। যথেষ্ট সহানুভূতিৰে বিচাৰ কৰি তেওঁক ওচৰৰে প্ৰাথমিক স্কুল এখনত নিযুক্তি দিয়া হৈছিল। কিন্তু এনে প্ৰস্তাৱত কালিচৰণৰ আত্ম-সন্মানত লাগিল। সুদীৰ্ঘ আঠাইশ বছৰ দিন পৰম আন্তৰিকতাৰে কাম কৰা এই স্কুলখনৰ পৰা তেওঁক লৰচৰ কৰিব নোৱাৰিব। এয়ে আছিল তেওঁৰ জেদ। কিন্তু এনে অযুক্তিকৰ জেদত চৰকাৰ সন্মত নহ'ল। ফলত তেওঁ চাকৰিটো হেৰুৱাব লগাত পৰিল।

এইটো কালিচৰণৰ জীৱন মৰণৰ প্ৰশ্ন। তেওঁ ওপৰলৈ আবেদন নিবেদন জনাই দৰ্খাস্ত কৰিলে, অধিকৰ্ত্তাৰ কাৰ্যালয়লৈ কেবাবাৰো গ'ল। এই বোৰে কাম নিদিয়াত তেওঁ দুই তিনিবাৰ ৰাজধানীলৈ গৈ বিভাগীয় মন্ত্ৰী, মুখ্যমন্ত্ৰীক দেখা কৰি সুবিচাৰৰ বাবে প্ৰাৰ্থনা জনালে। কিন্তু একো কামত নাহিল। মন্ত্ৰীক দেখা কৰিবলৈ গৈ আশাৰ মুখ নেদেখি ঘূৰি অহাৰ সময়ত এজন ৰাজনৈতিক দালালকো লগ পাইছিল, যি জনে দহহেজাৰ টকাৰ বিনিময়ত একেখন স্কুলতে বাহাল ৰখাই দিব বুলি কৈছিল। কিন্তু বিবেক সম্পন্ন কালিচৰণে সেই টোপ গিলিবলৈ মান্তি নহল আৰু মনে মনে স্থিৰ কৰি সুবিচাৰৰ বাবে আদালতত মোকৰ্দমা তৰি দিলে। মোকৰ্দমাত সাঁচতীয়া পইচা যি আছিল সকলো শেষ কৰি দিলে, কিন্তু তেওঁ হাৰিল। কিন্তু ইমান সহজতে হতাশ হোৱা বিধৰ মানুহ কালিচৰণ নহয়। দ্বিতীয় পদক্ষেপ হিচাপে হাইকোৰ্ট পালেগৈ। এইবাৰ ঘৈণীয়েকৰ

সকলো সোণৰ অলংকাৰ শেষ কৰিলে । কিন্তু হাইকোৰ্টতো কালিচৰণ পৰাজিত হ'ল। ইতিমধ্যে তেওঁৰ স্বাস্থ্য ভাগি পৰিছে, শৰীৰৰ অৱস্থা কাহিল । তথাপিও তেতিয়াও মনৰ জোৰ শেষ হৈ যোৱা নাছিল । তাৰপিছত পৰিয়ালৰ সকলোৰে দুৰ্ঘোৰ আপত্তি আৰু হাকবচন সত্ত্বেও তেওঁৰ ভাগত থকা খেতিৰ মাটি কেইবিঘা বেচি চুপ্ৰীম কোৰ্টত আবেদন পেচ্ কৰিলে । তাত বহুত দিন কেচ্ চলিল । তেওঁৰ অনুকূলেই চুপ্ৰীম কোৰ্টে ৰায় দিবলৈ বাধ্য হ'ব বুলি বৰ আশা কৰি তেওঁ সকলো ধন ঢালি দিছিল । কিন্তু এইবাৰো বিধাতাই চকু মুদি দিলে । চুপ্ৰীম কোৰ্টে হাইকোৰ্টৰ ৰায়কেই বাহাল ৰাখিলে । সেই দিনা ভৰিৰ তলৰ মাটি সম্পূৰ্ণৰূপে খহি যোৱাত কালিচৰণ সংজ্ঞাহীন হৈ পৰি গ'ল । ইয়াৰ পিছত যেতিয়া জ্ঞান ঘূৰি আহিল তেতিয়া শূন্য দৃষ্টিৰে চাই থকা কালিচৰণ এটা বেলেগ মানুহ । আৰম্ভ হ'ল তেওঁৰ মানসিক চিকিৎসা । ফল নিদিয়াত তেওঁক ৰাঁচীৰ মানসিক চিকিৎসালয়ত থৈ অহা হ'ল । ইয়াৰ পিছৰ খিনি কোৱা হৈছেই ।

এতিয়া সম্পূৰ্ণ উলঙ্গ অৱস্থাত উন্মাদ কালিচৰণক নিজৰ ঘৰতে বন্দী কৰি ৰখা হৈছে । তেওঁক কাপোৰ পিন্ধোৱাৰ সাধ্য কাৰো নাই । ঘৈণীয়েকে দুৱাৰখন আধা মেলি লৰালৰিকৈ ভাত-পানী দি থৈ যায় । সেইবোৰ পিছে ঠিকমতেই খায় । এটা নিৰ্দিষ্ট সময়ত পুতেক আৰু ভায়েকহঁতে ধৰি মেলি বাহিৰলৈ নিয়ে আৰু আকৌ সুমুৱাই দুৱাৰ বাহিৰৰ পৰা মাৰি দিয়ে । কটকটীয়া পহৰাৰ ব্যৱস্থা । সেই কোঠাটোলৈ সকলোৰে সজাগ নজৰ ।

পাছে এদিন দুপৰীয়া সময়ত হঠাতে এটা আকস্মিক ঘটনা ঘটিল । অৱশ্যে এইখন ঘৰত নহয় । ঘৈণীয়েকে দুৱাৰখন আধামেলা কৰি ভাত পানী ভিতৰত থওঁতেই হঠাৎ কাষৰ মানুহ ঘৰৰ পৰা বিকট হুলস্থূলীয়া চিঞৰ বাখৰ শুনা গ'ল । ওচৰৰ কালিপদৰ গাভৰু ঘৈণীয়েকৰ শাৰীত ষ্টোভৰ জুই লাগিল । কালিপদ ঘৰত নাই । মাকে আতংকত তীব্ৰভাবে চিঞৰি হুলস্থূল কৰি দিছে । কালিচৰণৰ ঘৈণীয়েকে ভাত পানী তাতেই এৰি থৈ ওচৰ চুবুৰীয়াৰ ঘৰলৈ ঢাপলি মেলিলে । সকলো সময়তেই ঘৰত থকা ভায়েকটোও তালৈ লৰ মাৰি গৈছে । ঘৰ এতিয়া একেবাৰে উদং । আনকি কালিচৰণৰ কোঠাৰ দুৱাৰখনো খোলা হৈ থাকিল ।

এতিয়া শান্ত মানুহত পৰিণত হোৱা কালিচৰণে যেতিয়া দেখিলে দুৱাৰ খন মেলা হৈ আছে, তেওঁ সাধাৰণ আৰু স্বাভাৱিক প্ৰবৃত্তিৰেই কোঠাৰপৰা ওলাই আহিল । তেওঁক তেতিয়া বাধা দিয়া মানুহ ঘৰত কোনো নাই । সকলোৰে অজ্ঞাতে সম্পূৰ্ণ উলঙ্গ কালিচৰণ টুকটুককৈ ওলাই আহি ৰাস্তা পালেগৈ । তেতিয়া ৰাস্তাত মানুহ প্ৰায় নাছিলেই । ওচৰৰ মানুহবোৰতো সকলো শাৰীত জুই লগা



দুৰ্ঘটনাৰ ঘৰলৈ গৈ ব্যস্ত হৈ পৰিছে । ইয়াৰ পিছত কালিচৰণে ৰাস্তাৰ বাওঁপিনে যোৱা লুংলুঙীয়া বাট এটাইদি গৈ থাকিবলৈ ধৰিলে । তেতিয়া সেইটো আলিত জন-প্ৰাণী নাই ।

সেইটো আলিৰ এমূৰে বটগছ জোপাৰ তলত এটা কালী গোসানীৰ মন্দিৰ আছে । বৰ জাগ্ৰত বুলি মানুহে বিশ্বাস কৰে । সেই সময়ত মন্দিৰৰ গেট্ খোলা । সেইফালেদি সোমাই দিলে কালিচৰণে আৰু মন্দিৰৰ বাৰান্দাত থিয় হলগৈ । ভৰদুপৰীয়া সেই সময় খিনিত তেতিয়া মন্দিৰৰ পুৰোহিত বা অন্য কোনো মানুহ নাছিল । গতিকে বিনা বাধাই মন্দিৰত প্ৰৱেশ কৰি উলঙ্গ কালিচৰণ একেবাৰে কালী মূৰ্তিজনাৰ সমুখত থিয় হৈ দিলেগৈ । এই কালী গোসানীৰ মূৰ্তিজনা যথেষ্ট ওখ আছিল । লক্লক্কৈ জিভা মেলি থিয় হৈ থকা এই কৰাল মূৰ্তি অকলশৰীয়া অৱস্থাত দেখিলে যি কোনো মানুহৰে বুকু কঁপি উঠিব ।

কিন্তু কালিচৰণৰ মনত ভয় বা আতংক সৃষ্টি হোৱাৰ প্ৰশ্ন নুঠে । কালিচৰণে তেতিয়া চকু কিটা ডাঙৰকৈ মেলি গোসানীৰ সৰ্বশৰীৰ নিৰীক্ষণ কৰাৰ পিছত একেথৰে মুখখনৰ পিনে চাবলৈ ধৰিছে । এনেদৰে কেইবা মিনিটো চাই থকাৰ পিছত হঠাৎ যেন তেওঁৰ এটা ভাবান্তৰ ঘটিল । ওঁঠ দুটা কঁপিবলৈ ধৰিলে আৰু লগে লগে ফেঁকুৰিবলৈ আৰম্ভ কৰি দিলে । কালী গোসানীৰ মুখখনলৈ চাই থাকি পগলা কালিচৰণে কিহৰ দুখত কান্দিছে সেইটো জনা সম্ভৱপৰ নহয় । তাৰ পিছতেই তেওঁৰ দুখবেজাৰৰ মুখখনত এটা আচৰিত ধৰণৰ তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল আৰু গদগদ স্বৰেৰে কবলৈ ধৰিলে- "মা, তোমাৰ দুখ মই বুজিছো মা । মোৰ নিচিনা তোমাৰো চাগৈ একে কেচ্ । তুমিও নিশ্চয় চুপ্ৰীম কোৰ্টলৈকে গৈছিলা । নহলে মোৰ দৰে এনে উলঙ্গ আৰু ফতুৰ দশা কিয় হ'ব ? তুমি কোনখন স্কুলত কাম কৰিছিলা মা ?"

হৰহৰকৈ বৈ অহা চকুপানী মচি এইবাৰ কালিচৰণে এটা ক্ষোভৰ স্বৰত কলে-'তোমাৰ হাতত তথাপিও এপাট অস্ত্ৰ আছে । মোৰ যে তাকো নাই মা, মোৰ একো নাই । মই ৰিক্ত, মই শূন্য ................. ।'

এই দৰে কৈ কৈ হুক্হুক্কৈ কান্দি কালিচৰণে কালী মূৰ্তিৰ বেদীত মূৰটো খুন্দিয়াবলৈ ধৰিলে । ভাগ্যে, ঠিক তেনে সময়তেই কালিচৰণৰ ঘৈণীয়েক, পুতেক আৰু ভায়েক উধাতু খাই আহি তেওঁক টানি আজুৰি ঘৰৰ পিনে লৈ গ'ল । ■





## আধুনিক গীতৰ জনপ্ৰিয় শিল্পী

# পুলক বেনাৰ্জী আৰু তেওঁৰ জীৱন

স্বপ্না বেজবৰুৱা

সংগীতৰ যি মাধুৰ্য তাৰ লগত কেৱল মানুহেই কিয় পশু পক্ষী গছ লতাইও নিজকে বিলীন কৰি প্ৰগতিৰ প্ৰেৰণা বিচাৰি পায়, জীৱন সংগ্ৰামত সঞ্জীৱনী পায় । সংগীতৰ সুৰত শস্যৰো উৎপাদন বৃদ্ধি হয়, বনৰীয়া জন্তুৱেও বশ মানে । ৰিণিকি ৰিণিকি সুৰ এটা ভাহি আহিলেও সকলোৰে মন ক্ষন্তেক থমকি ৰয়-'ক'ৰ পৰা আহিছে এই সুৰ !' তেওঁ লাগিলে কৰ্তব্যৰত সশস্ত্ৰ সৈনিকেই হওক বা হিংস্ৰ পশুৱেই হওক সকলোকে সংগীতে মোহিত কৰে ।

বৰ্তমান অসমীয়া সংগীতপ্ৰেমী ৰাইজক সুৰেৰে মোহিত কৰি ৰখা এজন শিল্পী হ'ল- পুলক বেনাৰ্জী । তেওঁৰ গীতত শাস্ত্ৰীয় সংগীতৰ প্ৰাধান্যতা এক বৈশিষ্ট্য । পশ্চিমীয়া বাদ্যযন্ত্ৰ তথা সুৰেৰে বেসুৰা কৰা অসমীয়া সংগীত জগততো পুলক বেনাৰ্জীৰ স্থান সুকীয়া । তেওঁৰ জনপ্ৰিয়তা সৰ্বজন বিদিত যদিও শেহতীয়া ভাবে প্ৰকাশ পোৱা তেওঁৰ 'সোঁৱৰণী' কেছেটটোৰ জনপ্ৰিয়তাই অসমৰ সংগীত জগতত চমকনি তুলিছে । কোনো ঠাইত কেছেটটো কিনিবৰ বাবে দোকানৰ মুখত গ্ৰাহকে শাৰী পাতিছে, কোনোৱে আকৌ অধিক দামতেই কিনি পেলাইছে । মুঠতে সংগীতপ্ৰেমী ৰাইজক পুলক বেনাৰ্জীৰ গীত লাগে ।

কোনো এজন শিল্পী, সাহিত্যিকৰ সৃষ্টিৰ জনপ্ৰিয়তাৰ লগে লগে তেওঁৰ ব্যক্তিগত জীৱন সম্পৰ্কে জানিবলৈও অনুগামীসকল কৌতূহলী হৈ উঠে । তেনে এক কৌতূহলী মন লৈয়েই এদিন উপস্থিত হৈছিলো গুৱাহাটীৰ উলুবাৰীত থকা গায়ক পুলক বেনাৰ্জীৰ ঘৰত । যোৱাৰ আগতে ভাবিছিলো এটা ডাঙৰ অত্যাধুনিক ঘৰৰ গহীন পৰিবেশৰ মাজত সোমাই যাব লাগিব বেনাৰ্জীৰ ঘৰলৈ । বহিমেই বা কেনেকৈ, কথাই বা পাতিম কি সুৰত ! গৈ ওচৰৰ দোকানত সুধিলত যিটো পুলক বেনাৰ্জীৰ ঘৰ বুলি দেখুৱাই দিলে সেইটো হ'ল অসম আৰ্হিৰ এটা বাটাম দিয়া সৰু পুৰণি ঘৰ । ভিতৰত সোমাই দেখিলো বেনাৰ্জীয়ে এখন এৰি কাপোৰ মেৰিয়াই এজন মানুহৰ লগত চিনেমা সম্পৰ্কীয় কথা পাতি আছিল । বতৰটো কিছু ঠাণ্ডা আছিল । শৰতৰ কোমল নিয়ৰে শীতৰ বতৰা আনিছে । মানুহজন উঠি যোৱাৰ লগে লগে বেনাৰ্জীৰ ঘৰ সম্পৰ্কে মোৰ ধাৰণাৰ কথা স্পষ্ট ভাবেই ব্যক্ত কৰিলো । হাঁহি হাঁহিয়ে তেওঁ ক'লে-এইটো আমাৰ নিজা ঘৰ । ১৯১৬ কি



পুলকবেনাৰ্জী

১৯১৮ চনতে বনোৱা । মোৰ, মোৰ বাইদেউহঁতৰ সকলোৰে জন্ম এই ঘৰতেই । আগতে পাহাৰীয়া ঠাই আছিল; বাঘ, হাতী আদি বনৰীয়া জন্তু ওলাইছিল । লাহে লাহে পাহাৰটো কাটি কাটি নগৰ হৈ পৰিল । সমুখৰ পাহাৰটোৱেই মোৰ ল'ৰালিৰ খেলাৰ ঠাই ।

বেনাৰ্জীৰ ককাক বৰপেটা থানাৰ অ' চি, আছিল । বিভিন্ন ঠাই ঘূৰি পকি পাণবজাৰ থানাৰ O. C. হৈ থাকোতেই উলুবাৰীত নিজা ঘৰ কৰিছিল । দেউতাকে কেন্দ্ৰীয় চৰকাৰৰ চাকৰি কৰিছিল কিছুদিন । পৰিয়ালৰ ব্যৱসায়ও আছিল । প্ৰথমে গুৱাহাটীৰ পৰা বৰপেটালৈ বেনাৰ্জী পৰিয়ালৰ বাছেই চলিছিল হেনো । পৰিয়ালটোত মাক দেউতাকক ধৰি সকলোৰে মাজত সংগীতৰ চৰ্চা আগৰে পৰাই আছিল । বিশেষকৈ পুলক বেনাৰ্জীৰ ডাঙৰ গৰাকী বায়েকেই তেওঁৰ পথ প্ৰদৰ্শক । উল্লেখযোগ্য যে বেনাৰ্জীয়ে ৪ বছৰ বয়সতেই ৰাগ প্ৰধান গান প্ৰতিযোগিতাত পুৰস্কৃত হৈছিল । সংগীতৰ ক্ষেত্ৰত কোনো ধৰণৰ নিয়মীয়া পাঠ্যক্ৰম নকৰাকৈ কেৱল ঘৰুৱা নিয়মীয়া অভ্যাসেই পুলক বেনাৰ্জীক বৰ্তমানৰ অৱস্থাত উপনীত কৰিছে । মনত নপৰা শিশু কালৰ পৰাই তেওঁ কেৱল শাস্ত্ৰীয় সংগীতৰ অ আ ক খ আৰু ভজন আদিয়েই অভ্যাস কৰিছিল ।

শিশু আৰু কিশোৰ অৱস্থাত তেওঁ কেৱল গাইছিলহে, হাৰমনিয়ম বজোৱাৰ পৰা সকলো যোগাৰ তেওঁৰ বায়েকেই কৰিছিল । বায়েকৰ বিয়াৰ পাছত কিছু অকলশৰীয়া অনুভৱ কৰিলেও বেনাৰ্জীয়ে বিৰতি নপৰাকৈ তেওঁৰ সাধনা চলাইয়েই আছিল । শেষলৈ কেৱল মাত্ৰ ৬-৭ মাহ মানৰ বাবে ভাইঅ'লিন বাদক হীৰালাল বেনাৰ্জীৰ ওচৰত শাস্ত্ৰীয় সংগীতৰ শিক্ষা লৈছিল । এই চৰ্চাৰ লগতে কাৰোবাৰ পৰা কিবা শুনিলে তাৰ পৰা নিজৰ লগত কিছু মিলাই লৈ নিজৰ ভঁৰালত সাঁচি ৰাখিছিল । কথা প্ৰসঙ্গত বেনাৰ্জীয়ে গীত শুনাৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দিয়ে । তেওঁৰ টেপ ৰেৰ্কডাৰৰ ব্যৱস্থা নথকাতেও সদায়েই ৰেডিঅ'ৰ যোগে প্ৰচাৰ হোৱা সকলো কেন্দ্ৰৰ সকলো সংগীতৰ অনুষ্ঠান মনোযোগেৰে শুনিছিল । সেয়া শাস্ত্ৰীয়ই হওক বা হিন্দী গানেই হওক ।

পুলক বেনাৰ্জীয়ে স্কুলীয়া শিক্ষা লৈছিল পল্টন বজাৰ বেংগলী হাইস্কুলত । তাৰপাছত কলেজীয়া শিক্ষা সাং কৰে গুৱাহাটী বি, বৰুৱা কলেজৰ পৰা । বৰ্তমান তেওঁ গুৱাহাটী ইউকো বেংকৰ এজন কৰ্মচাৰী । ককায়েক, বৌৱেক, বায়েক, ভাগিন ভতিজাৰ লগতে নিজৰ পৰিবাৰ আৰু দুই পুত্ৰ-কন্যাৰ সৈতে বেনাৰ্জীৰ পৰিয়ালটো এটা যৌথ পৰিয়াল । চাকৰি, পৰিয়াল, সামাজিক দায়বদ্ধতাৰ মাজত সংগীত সাধনা যে এক কঠিন কাম সেয়া তেওঁ ৰাৰুকৈয়ে উপলব্ধি কৰিছে । আমাৰ দৰে দেশত এজন শিল্পী বা সাহিত্যিক কেৱল তেওঁলোকৰ সৃষ্টিত মনোনিবেশ কৰাৰ সুবিধা নাই । যেতিয়া এটা চাকৰি বা ব্যৱসায় জীৱিকা হিচাপে বাছি ল'ব লগা হয় তেতিয়া স্বাভাৱিকতেই সৃষ্টিৰ সীমাবদ্ধতা আহি পৰে । ইয়াৰ মাজতে বেনাৰ্জীয়ে পুৱা বেলা এক ঘণ্টাৰ পৰা ডেৰ ঘণ্টা সময় নিয়মীয়া সংগীত চৰ্চাৰ বাবে আচুতীয়াকৈ ৰাখে । কণ্ঠৰ সাৱলীলতাৰ বাবে নিয়মীয়া শাস্ত্ৰীয় সংগীত গোৱাৰ অভ্যাস এতিয়াও এৰা নাই । যিটো নবীন আধুনিক গীতৰ শিল্পী সকলৰ বাবে আদৰ্শ তথা প্ৰেৰণা । পুলক বেনাৰ্জীৰ মতে শাস্ত্ৰীয় সংগীতৰ জ্ঞান তথা নিয়মীয়া চৰ্চা নথকাৰ বাবে অসমীয়া আধুনিক গীতৰ মানদণ্ড নিম্নগামী হ'বলৈ ধৰিছে । তেওঁ অতি দুঃখৰে ক'লে-প্ৰতি বছৰে ৰেডিঅ'ৰ কণ্ঠ পৰীক্ষা হোৱাৰ পাছত কৰ্তৃপক্ষক অতি আগ্ৰহেৰে সোধো-কোনোবা ভাল গায়ক, গায়িকা আহিছেনে ? কিন্তু সদায়েই এটা হতাশাজনক উত্তৰেই পাওঁ । সঁচাকৈয়ে আমি হতাশ হওঁ । অথচ আজিকালি ইমান সংগীত বিদ্যালয় হৈছে ইমান ল'ৰা-ছোৱালীয়ে শিক্ষা লৈছে তথাপিও প্ৰকৃত সাধনাৰ অভাৱতেই এনে অৱস্থাৰ সৃষ্টি হৈছে । সংগীতা কাকতি, সংগীতা বৰঠাকুৰ



OKDISCO

আদি দুই এক গায়িকা ওলাইছে কিন্তু পুৰুষ কণ্ঠ বৰ হতাশাজনক।

পুলক বেনাৰ্জীয়ে স্কুলত পঢ়ি থকা অৱস্থাৰ পৰাই অসমীয়া আধুনিক গীত পৰিবেশন কৰি, প্ৰতিযোগিতাত নামি পুৰস্কৃত হৈছিল যদিও সম্পূৰ্ণভাৱে অসমীয়া আধুনিক গীতৰ মাজত সোমাই পৰে ১৯৬৮ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ যোগে পৰিবেশন কৰা 'হালৰ মুঠিত ধৰ অ' হালৰ মুঠিত ধৰ' গীতৰ যোগেদি। এই ধৰণৰ গীত তেতিয়া আবেলি পৰত ৰাস্তাৰ কোণ বোৰত সদায়েই গ্ৰাম'ফ'ন যোগে প্ৰচাৰ কৰিছিল। আকাশবাণীত গীত পৰিবেশনৰ বাবে তেওঁক দেবেন শৰ্মা আৰু হীৰালাল বেনাৰ্জীয়ে বিশেষ ভাবে উৎসাহ যোগাইছিল বুলি বেনাৰ্জীয়ে উল্লেখ কৰে।


'সোঁৱৰণী' কেছেটৰ জনপ্ৰিয়তাৰ কথা উল্লেখ কৰি যেতিয়া বেনাৰ্জীক প্ৰশ্ন কৰিছিলো যে ইমান দিনে নিজৰ কিয় কেছেট উলিওৱা নাছিল তাৰ উত্তৰত তেওঁ ক'লে–আগতে বহুত প্ৰযোজক আহিছে। কিন্তু আমাৰ অসমত এনে এটা কথা আছে যে সকলো কাম কৰাই ল'ব কিন্তু তাৰ লাভটো তেওঁ গ্ৰহণ কৰিব। আমি নাপাওঁ। গান বাজনাৰ ক্ষেত্ৰত মই সম্পূৰ্ণ প্ৰফেচনেল। কাৰণ গান বৰ সাধনাৰ বস্তু। গানৰ বাবে মই বহুত কষ্ট কৰিছো, বহুত কষ্ট কৰিছো! গতিকে প্ৰকৃত প্ৰাপ্য নাপালে কোনো প্ৰস্তাৱ মানি নলওঁ।

এইবাৰ যি কেইজন ব্যক্তিয়ে কেছেটটো বনাইছে তেওঁলোকে কেৱল গান ভাল পায় কাৰণে কৰিছে, সংৰক্ষণৰ বাবে কৰিছে। কোনো ব্যৱসায়িক লাভৰ বাবে নহয়। যথেষ্ট কষ্টৰে টকা পইছা সংগ্ৰহ কৰি যথেষ্ট খৰচ কৰি উন্নত কৰাৰ প্ৰচেষ্টা তেওঁলোকৰ আছে। তেনে সৎ প্ৰচেষ্টাক আদৰণি নিশ্চয় জনাব লাগিব। কিন্তু ক্ষতিত কোনেও একো কাম নকৰে। গতিকে শিল্পীয়ে কিয় কৰিব বা সাহিত্যিকে কিয় কৰিব? এই কথাটো মই সমগ্ৰ সাহিত্য সংস্কৃতিৰ দিশটো সামৰি কৈছো। এই মূল্য অসমীয়া সমাজে দিয়া উচিত আৰু সকলোৱে জনা উচিত।'

গীত ৰচনাৰ ক্ষেত্ৰত পুলক বেনাৰ্জীয়ে হাত দিছে যদিও এতিয়াও বাহিৰত পৰিবেশন কৰা নাই। ইয়াৰ কাৰণ তেওঁ পুৰ্ণতা পোৱা নাই বুলিয়েই ভাবে, যদিও ভৱিষ্যতে লেখাৰ দক্ষতা বঢ়াব পাৰিলে নিজৰ স্বৰচিত গীত শুনাব পাৰিব বুলি আশা দিয়ে। আমি অৱশ্যে এই দক্ষতা তেখেতৰ কলমত আহিব বুলিয়েই আশাবাদী।

বেনাৰ্জীৰ গীতৰ ক্ষেত্ৰত অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰেৰণা কেনে বুলি সোধাত ক'লে–শ্ৰোতাই যেতিয়া আদৰি লয় সকলোবোৰেই প্ৰেৰণা। গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰায়েই তেওঁক আমন্ত্ৰণ কৰাৰ প্ৰসংগত ক'লে-তেওঁলোকেমোৰ গীত বৰ ভাল পায়। শেহতীয়া ভাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ গীত পৰিবেশনৰ বাবে যাওঁতে শ্ৰোতাই মোক মঞ্চৰ পৰা নামিবলৈকে নিদিয়ে। উঠি আহিলেও পুনৰ বহুৱাই দিয়ে। এনে সঁহাৰি সঁচায়ে প্ৰেৰণাদায়ক। বিশেষকৈ এইটোৱেহে বেছি গুৰুত্বপূৰ্ণ কথা যে আজিকালিৰ ল'ৰা-ছোৱালীয়ে এনেধৰণৰ গান অৰ্থাৎ চেমি ক্লাচিকেল গান যে ইমান ভাল পায় সেইটোহে ভাল লাগিল। তেওঁলোকতো আজিকালিৰ ল'ৰা-ছোৱালী। বৰ্তমান অসমীয়া সংগীতত পশ্চিমীয়া সংস্কৃতিৰ সুৰ-অসুৰৰ যি প্ৰভাৱ সেই ঠাইত এনেধৰণৰ চেমি ক্লাচিকেল গীত গোৱা যিকোনো শিল্পীক আদৰি লোৱাতো শুভলক্ষণেই বুলিব পাৰি।

বেনাৰ্জী যথে মথে অত্যাধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰৰ পক্ষপাতী নহয়। সীমিত বাদ্যযন্ত্ৰৰে



পুলক বেনাৰ্জীৰ পৰিয়াল

মাটিত বহি গীত পৰিবেশন কৰাটো পুলক বেনাৰ্জীৰ এক বৈশিষ্ট্য। গীতৰ কথা, সুৰৰ লগত একাত্ম হৈ তাত নাটকীয়তা আনিব পাৰিলেহে প্ৰকৃততে গীতে পূৰ্ণতা পায়। একাত্মতা আৰু নাটকীয়তাৰ অবিহনে গীত হ'ব নোৱাৰে; এয়া বেনাৰ্জীৰ উপলব্ধি। তেখেতৰ প্ৰিয় গীতৰ ভিতৰত অন্যতম হ'ল–'তুমি কৈছিলা আমাৰ সপোন এদিন সফল হ'ব', 'পাৰ হৈ গ'ল ধুমুহা এজাক', 'কাৰ বাবে এই গীত গোৱা', মন কঁপে দুৰু দুৰু, 'মই জানো তুমি ৰাতিৰ জোনাক', 'মই আজি সংগীবিহীন' ইত্যাদি। 'তুমি অনেক কথাই গোপনে ৰাখিলা' এই গানটো তেখেতৰ অতি প্ৰিয়। তেখেতৰ মতে-গীতটোত কি ক'বলৈ বিচাৰিছে সেইটো স্পষ্ট হোৱা প্ৰয়োজন। প্ৰকাশ ভংগী স্পষ্ট হোৱা বৰ প্ৰয়োজন। 'মই বহুত আগৰ পৰা এই চেষ্টা কৰি আছো আৰু এতিয়াও চেষ্টাই কৰি আছো।'

অসমৰ বৰগীতৰ ক্ষেত্ৰতো পুলক বেনাৰ্জীৰ অৱদান কম নহয়। কিন্তু বৰগীতৰ ক্ষেত্ৰতো নতুনত্বৰ প্ৰয়োজন আছে বুলি বেনাৰ্জীয়ে মন্তব্য কৰে। 'যিহেতু নতুন যুগৰ বাবে, নতুন পুৰুষৰ মাজত জনপ্ৰিয় কৰিবৰ বাবে এইটো বৰ প্ৰয়োজন। এইটো হয়তো কোনোবাই বেয়া পাব পাৰে কিন্তু এদিন উপলব্ধি কৰিব। যিহেতু সময় গতিশীল। মই বৰগীতত কিছু নতুনত্ব আনিয়েই গাইছিলো। আৰু সেইদৰে আনেও গোৱাটো বিচাৰো।'

জীৱনত নোপোৱাৰ বেদনা আছে নেকি বুলি প্ৰশ্ন তোলাত বেনাৰ্জীয়ে টপৰাই ক'লে–নিশ্চয় আছে, জীৱনত সংগীত ভালদৰে শিকিবলৈ নোপোৱাটোৱেই বৰ দুখ। যদি ভালদৰে শিকিব পাৰিলোহেঁতেন!' অসমৰ বাহিৰলৈ সংগীতৰ যোগেদি যোৱা প্ৰচেষ্টা সম্পৰ্কে প্ৰশ্ন কৰাত বেনাৰ্জীয়ে ক'লে· আগতে ৰুদ্ৰ বৰুৱাই চৰকাৰী কাৰ্য্যসূচীত প্ৰতিনিধিত্ব কৰিবলৈ অসমৰ বাহিৰলৈ দুবাৰমান পঠিয়াইছিল। অলপতে টি.ভি.ৰ ৰাষ্ট্ৰীয় কাৰ্য্যসূচীত ১০ মিনিটৰ প্ৰগ্ৰাম এটা কৰিবলৈ পাইছিলো। এইবোৰত অসমৰ বাহিৰৰ পৰা বহুতো প্ৰশংসাসূচক মন্তব্য পাইছিলো। 'আমাৰ অসমত সংগীত বৰ সীমাবদ্ধ। আপুনি বৰ প্ৰগ্ৰেছিভ মনৰ কথা কৈছে। কিন্তু বহু অসমীয়া ব্যক্তিয়ে ইয়াকে নিবিচাৰে। লগতে ইমান চাকৰিৰ ব্যস্ততাপূৰ্ণ জীৱন এটাৰে বাহিৰলৈ যাবৰ বাবে যিমান সাধনাৰ প্ৰয়োজন সেয়াই অভাৱ। উন্নতিৰ বাবে ধৰক ভাল সমালোচকৰ অভাব। সকলোকে গঠনমূলক সমালোচনাৰ প্ৰয়োজন। লগতে প্ৰয়োজন প্ৰচাৰৰ। কিন্তু অসমৰ সংবাদ সেৱাত শিল্প-সংস্কৃতিৰ স্থান বৰ কম।'

সুযোগ সুবিধা পালে নিজস্ব সাধনাৰে অসমৰ ৰাইজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ পুলক বেনাৰ্জী সংকল্পবদ্ধ। এতিয়াও সংগীত ভালদৰে শিকিবলৈ সুবিধা নোপোৱা বেদনাৰে ভৰা সহজ সৰল বেনাৰ্জীৰ ডেৰ বছৰীয়া শিশুটিয়ে মোক বিদায় দিলে–সা ৰে গা মা পা ধা নি সাঁ ----।





## লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ


# ঢোৰা সাপ

মই এটা ঢোৰা সাপ
চেঙেলীয়া তজবজাই থকা
ঢোৰা সাপ নহয়।
এটা ডাঙৰ লেখা
ৰৰকৈ লৰচৰ কৰিব নোৱৰা
ঢোৰা সাপ!
পথাৰৰ ন-ধানৰ
মাজৰ পানী ডোঙাত
জঁপিয়াই থকা
গৰৈচিৰিকা পুঠিমাছ সোপা,
বাৰিষাৰ পানীৰ ৰেঙ,
নাইবা অভাৱত পৰিলে
ডাঙৰ চুক ভেকুলীজনী
কোনোমতে ধৰি
গিলিব পৰা এটা
ঢোৰা সাপ!
অভিধানত লিখামতে
পানীত থকা মই
এক বিষহীন সাপ।
এই বিষহীনতাই খালে!!
গোটেই ঢোৰাৰ জাতিটোক।
আমি যিমানেই হৃষ্টপুষ্ট
আৰু দেখনিয়াৰ নহওঁ লাগে
মানুহে সদায় আমাক
হেয়জ্ঞান কৰে।
"কি সাপ ঐ ?"
"এইটো ঢোৰা"।
ইমানতেই শেষ!
মন গ'লে কোব এটা
মাৰি মাৰি পেলালে
নাইবা এৰি দিলে!
আমি প্ৰাণ লৈ পলালো।
এয়েই আমাৰ
জাতিগত অৱস্থা!

আমি কিন্তু কাৰো
অন্যায় নকৰো।
হঠাতে আমাক দেখি
অলপ ভয় খোৱাৰ
বাহিৰে
আমাৰ পৰা কাৰো
একো অপকাৰ নহয়।
কিন্তু ফেটী
শকা সাপ
আফ্ৰিকাৰ "ব্লেকমাম্বা"
এইবোৰ বিষাক্ত সাপলৈ
নাচায় কিয় ?
কি প্ৰতাপ সিহঁতৰ!
মানুহে সিহঁতলৈ
বৰ ভয় কৰে।
সিহঁতক যথেষ্ট সমীহ
কৰি চলে।
আমাৰ দৰে ইহঁতক
তুচ্ছজ্ঞান নকৰে।
সিহঁতক মাৰিবলৈ হলেও
কেইবাজনো সাহসী মানুহে
ডাঙৰ টোকোন লৈ
যায় অতি সাৱধানেৰে।
কিন্তু আমাক
সামান্য হালোৱা এছাৰিৰেই
কোবাই মাৰে।
ইমান আস্পৰ্দ্ধা
মৰণতো শান্তি নাই!
বেংকক মাদ্ৰাজ
আদি চহৰত শুনিছো

"স্নেক্ ফাৰ্ম" আছে।
তাত নানা ধৰণৰ
অলেখ লেখ সাপ।
চকৰীফেটী, শকাসাপ
"কিংকোব্ৰা"
আৰু বা কিমান
ধৰণৰ বিষাক্ত সাপ।
মানুহে হেনো
সদায় পুৱা গধূলি
ধৰি ধৰি ইহঁতক
মাংস খুৱায়।
সিহঁত কেইটাৰো কপাল!
আমি জনাত তাত
ঢোৰাসাপৰ স্থান নাই।
কিয়নো থাকিব ?
আমাৰ যে বিষ নাই!
আমাক কোনেনো
চাবলৈ যাব ?
তাতে ফেটীৰ
বিষটোও বোলে
দৰৱত লাগে
যাৰ ভাল সকলোৱেই
ভাল!!
আমিনো হিংসা কৰি
কি পাম ?
মানুহৰ মাজতো
আমাৰ দৰে এচাম
আছে
যি একো কামত নলগা।
যালৈ ঘূৰি চাবলৈও
কাৰো সময় নাই।
যাক মানুহে
ঘৃণা নকৰিলেও
হেয় জ্ঞান কৰে।
মই কিন্তু নিৰাশবাদী

নহওঁ।
মোক দেখিলে
তেনে লাগে নেকি বাৰু ?
মোক নাইবা
মোৰ নিচিনা
অন্য ঢোৰা সাপক ?
মই আশাবাদী
সঁচাকৈয়ে আশাবাদী।
বাৰিষা পানীৰ
সৰুমাছ সোপা
খেদি খেদি খাওঁ।
মাছ খেদিবলৈ গৈ
কেতিয়াবা পাতি থোৱা
জাল নাইবা খোকাতো
লাগো।
কাৰৈ মাছ ডিঙিত
লাগে বুলি
মূৰৰ ফালে
আগতে গিলো।
কেতিয়াবা উত্তেজনাতে
মাছ ধৰা মানুহৰ
ভৰিতে মেৰিয়াই ধৰো।
তেনেস্থলত প্ৰায় মৰণেই।
কপাল বৰ ভাল নাথাকিলে।
বৰ অভাৱত পৰিলেহে
চুক ভেকুলী ধৰো।
বৰ বেয়া দেখিবলৈ
চুক ভেকুলীজনী।
সুবিধা পালেই কিন্তু
ফোঁচ কৰি উঠো।
অৱশ্যে তাতেই শেষ!!
যিয়েই নহওক লাগে
মই এটা ঢোৰা সাপ।
এটা ডাঙৰ বিষহীন
ঢোৰা সাপ।
ইচ্ছা হলেও মই
চকৰী ফেটী হ'ব নোৱাৰো।
হোৱাৰ এতিয়া
প্ৰয়োজনো নাই।
যিয়েই যি নাভাবক লাগে
মই এটা ঢোৰা সাপ
হৈয়েই থাকো।
এটা আশাবাদী ঢোৰা সাপ!
জীৱনত বহুত দেখাৰ পিছতো।



# সেই প্ৰাণোচ্ছল হাঁহিৰ গোপন কথা গোটেই পৃথিবীতে ৬৫০ লাখ তিৰোতাই জানে





## আপুনি এই গোপনীয়তাৰ ভাগ লবনে?

বিশেষ
সাহায্যকৃত মূল্য
প্ৰতি চাইকল
মাত্ৰ ২ টকা






davp 92/239 ASS

সকলো ঔষধালয়ত পোৱা যায়ে।




# অপৰাজিত

মনোৰমা বৰুৱা

এই ৰিক্সা যাবা ?

যাক উদ্দেশ্য কৰি মই সুধিছিলো, সেইজনে শুনিলে নে নুশুনিলে ধৰিব নোৱাৰিলো কাৰণ ইতিবাচক বা নেতিবাচক কোনো অভিব্যক্তি তেওঁৰ মুখত নেদেখিলো।

হেৰা, তুমি যাবা নে ?

তুমি ?

পল্টন বজাৰৰ ৰেল আস্থানৰ বাহিৰত শাৰী পাতি ৰৈ থকা প্ৰায় প্ৰতিজন ৰিক্সা চালককে মই প্ৰশ্নটো কৰিলো। ৰিক্সাবোৰৰ ওপৰত ভৰি হাত তুলি তামোল, বিড়ি খাই থকা প্ৰতিজন চালকৰে চেহেৰা আছিল অতিশয় নিৰ্বিকাৰ বা গভীৰ দাৰ্শনিক ভাবাপন্ন। আৰোহী লৈ তেওঁলোক কৰবালৈ যাব নে নেযাব, সেই মুহূৰ্তত তেনে তুচ্ছ কথাৰ উত্তৰ দিয়াটো যেন নিতান্তই অপ্ৰয়োজনীয়।

প্ৰায় তিনিদিনৰ এটা দীৰ্ঘ ৰেলযাত্ৰাৰ অন্তত ভোকে পিয়াহে টোপোলাই টাপলিয়ে নামি যেতিয়া ৰিক্সাচালকৰ দয়াৰ ভিক্ষাৰী হৈ উপায়ান্তৰ হৈছো, কাৰণ দুৰ্ভাগ্যবশতঃ সেইদিনা সদৌ গুৱাহাটী অট'ৰিক্সা সংস্থাৰ আহ্বান ক্ৰমে অট'ৰিক্সাৰ বাৰঘন্টীয়া 'ষ্ট্ৰাইক'। প্ৰায় কান্দি পেলোৱাৰ অৱস্থা মোৰ তেতিয়া। ইফালে সিফালে কোনোবা পৰিচিত মানুহৰ গাড়ী মটৰ চকুত পৰে নেকি চালো। নাই, তাতো নিৰাশ। গতিকে উপায়ান্তৰ হৈ অগতিৰ গতি ৰিক্সা কেইখনলৈকে চাই কৰুণ মিনতিৰ সুৰত অনুৰোধ কৰিলো, হেৰা, বলাচোন, লাগিলে ভাড়াকে বেছিকৈ ল'বা। দয়াপৰবশ হৈ এজনে মাত লগালে, কলৈ যাব ? 'মিলনপুৰ' বুলি কবলৈ সাহেই নহ'ল। কলো, চান্দমাৰীলৈ। এঃ নহ'ব দিয়ক। মই লাখটকীয়ালৈহে যাম। "সেই তাক সোধক" বুলি এজনলৈ আঙুলিৰে নিৰ্দেশ কৰিলে। তেওঁলৈ চালো। মই 'গুৱাহাটী ক্লাব'লৈ যাম।


ইমান সোপা বস্তুৱে বাহানিয়ে উঠি আকৌ 'গুৱাহাটী ক্লাবত' নামি, তাত বা আকৌ কি খেল দেখো ?

সেয়েহে অনুৰোধ কৰিলো আৰু অকণমান আগুৱাই দিবা আৰু, বুজিছাইতো অৱস্থাটো।

নোৱাৰিম।

শেষ ৰায় শুনাই দিলে, ৰিক্সাচালকে।

ঠিক তেনেতে, হুঁটা, কৰ্কশ মাত এটা পিছফালে শুনি চক্ খাই উঠিলো।



অংকন ▫ চম্পক বৰবৰা

OKDISCD

কৈলে যাব ?

ভাবিলো, কৈ একো লাভ নাই, তথাপিও সুধিছে যেতিয়া কলো আৰু একেবাৰতে 'মিলনপুৰলৈ'।

উঠক !

নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলো। ঠিকেই শুনিছো নে বাৰু ?

লগে লগেই টোপোলাবোৰ ৰিক্সাত তুলি দিলো। নিজেও উঠিলো। ভগৱান নামৰ অদেখা অজানা এজনৰ অস্তিত্বৰ প্ৰতি সজাগ হৈ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

ৰিক্সা চলিল। তেতিয়ালৈ মই মোৰ ত্ৰাণকৰ্তাৰ প্ৰতি মন দিবলৈ সময়েই পোৱা নাছিলো। বস্তুবোৰ ঠিকমতে উঠিল নে নাই, সেইটোৰ চিন্তাতে আছিলো। ৰিক্সা চলাৰ লগে লগে ভালদৰে বহি, কৃতজ্ঞতাৰে ৰিক্সাৰ চালকজনলৈ চালো আৰু এক অবিশ্বাস্য দৃশ্যত ভয়ঙ্কৰ ভাবে উচপ্ খাই উঠিলো, তেনেকুৱা এটা কথাও যে হ'ব পাৰে মোৰ কল্পনাৰ বাহিৰত। ৰিক্সাচালকজনৰ এখন ভৰি নাই। এখন ভৰিৰে 'পেডেলত' ভৰ দি ৰিক্সা চলাইছে। মলিয়ন এটা হাফ চাৰ্ট আৰু ধোঁৱা বৰণৰ পেন্ট পিন্ধা মানুহজনৰ ৰুক্ষ মলিন চেহেৰা। কিন্তু কৰবাত যেন কিবা এটা বিশেষ ধৰণৰ ভাব চেহেৰাটোত প্ৰকট হৈ আছে।

সোধো নোসোধো এটা ইতস্ততঃ ভাবত থাকোতে অতৰ্কিতে প্ৰশ্নটো মুখৰ পৰা ওলাই গ'ল – 'এইদৰে ৰিক্সা চলাবলৈ তোমাৰ অসুবিধা নহয় নে ? সুধি উঠি নিজৰে ভীষণ অপ্ৰস্তুত লাগিল। মোৰ প্ৰশ্নই কাৰোবাৰ কোনো দুৰ্বলতম অংশত আঘাত কৰক মই সেইটো বিচৰা নাছিলো। মানুহজনে কথাটোৰ কোনো উত্তৰ নিদিলে। ৰিক্সাখন পৰ্যটন বিভাগৰ ওচৰ পোৱাৰ লগে লগে ৰৈ গ'ল। ওচৰৰ চাপৰ খেৰৰ জুপুৰি এটাৰ পৰা অকণমান ৪ বছৰীয়ামান ছোৱালী এজনী কান্দি কান্দি ওলাই আহিছিল। হুঁটা মাতেৰে ৰিক্সাচালকে কলে ঐ, 'পিলিকক' মাত। ছোৱালীজনী দৌৰি ভিতৰ সোমাল। আৰু সাত-আঠ বছৰ বয়সীয়া ল'ৰা এটা ওলাই আহিল। এয়া ল। ভাত খোৱাৰ পিছত দুচামুচ খাবি। লগতে আন এটা টোপোলাও দিলে। বোধকৰো তাত দুটা আপেল বা সেই জাতীয় কিবা ফলমূল আছিল। ল'ৰাটোৱে সেইখিনি লৈ ভিতৰ সোমাল। ৰিক্সা চলিল।

মই বহি ৰলো। সঙ্কুচিত হৈ অপৰাধীৰ দৰে।

ৰিক্সাখনে 'ৰিজাৰ্ভ বেঙ্ক' পাৰ হৈ আহিল।

হঠাতে তেওঁ কৈ উঠিল।

কষ্ট এতিয়া নহয় আৰু।

প্ৰথমতে হৈছিল।

কিন্তু তেতিয়া মনৰ কষ্ট, পেটৰ ভোকৰ কষ্ট ইমান বেছি আছিল, শৰীৰৰ কষ্টৰ কথা ভাবেই নহৈছিল। আৰু বেছি কিবা সোধাটো মোৰ অনুচিত হ'ব বুলি ভাবিয়েই মই মনে মনে থাকিলো। অথচ সুধিবলৈ বহুত আছিল।

কিন্তু উপেনে (ৰিক্সাচালকৰ নাম, পিছত জানিছিলো) মই নোসোধাকৈয়ে কৈ যাবলৈ ধৰিলে। বোধকৰো তেওঁৰো কাৰোবাক কৈ অকণমান ভাৰমুক্ত হবলৈ মন গৈছিল। মনে এটা 'আউটলেট' বিচাৰিছিল।

প্ৰকাশভঙ্গীত এটা কঠোৰতা, কিন্তু ভাব প্ৰকাশত এটা কৰুণতা। উস! কিয়ে এক অদ্ভুত সংমিশ্ৰণ।

উপেনৰ ঘৰ নলবাৰী জিলাৰ 'জাগাৰা' গাওঁত। দেউতাকে সামান্য চাকৰি কৰিছিল বনবিভাগত। উচ্চাকাংক্ষা আছিল, ল'ৰা উপেন আৰু বমেনক যিমানখিনিলৈ সম্ভৱ পঢ়ুৱাৰ। ঘৰৰ মাটি বাৰীও কিছু আছিল। বৰদেউতাক, দদায়েক সকলোৰে মাটি একেলগে আছিল। ভাগ হোৱাই নাছিল।

উপেন পঢ়াশুনাত মজলীয়া আছিল। পঢ়াতকৈ ফুটবল খেলাত ৰাপ বেছি। গাঁৱৰ সীমিত সুবিধা, সুযোগৰ সকলোখিনি লৈছিল খেলাৰ কাৰণে। আজীৱন স্বপ্ন আছিল, কেতিয়াবাৰ গুৱাহাটীলৈ আহিব। ফুটবল খেলাৰ প্ৰশিক্ষণ লব। নামী খেলুৱৈ হ'ব।

একেটা সময়তে উপেনৰ জীৱনত দুটা দুৰ্ঘটনা ঘটিল। এটা হ'ল, উপেনৰ দেউতাকে মাত্ৰ তিনিদিন জ্বৰত ভুগিয়েই মৃত্যুমুখত পৰিল। কিন্তু পিছৰ ঘটনাটো উপেনৰ বাবে অধিক মৰ্মান্তিক। বেছি অসহনীয়।

গছৰ ওপৰৰ পৰা পৰি সোঁ ভৰিটো বেয়াকৈ ভাগিল। নলবাৰী চৰকাৰী চিকিৎসালয়ত দীৰ্ঘদিন চিকিৎসাৰ অন্তত ভৰিখনৰ আঠুৰ তলৰ অংশ কাটি পেলাব লগা হ'ল। ভৰিখন শৰীৰৰ পৰা বিচ্ছিন্ন হৈ যোৱাটো সিমান দুখ পোৱা হেনো নাছিল, যিমান পাইছিল ফুটবল খেলা এই জীৱনত আৰু নহ'ব, এই কথাটো জানিব পাৰি। বুজিব পাৰি। তাৰ পিছত ইতিহাস গতানুগতিক।

দেউতাক ঢুকাল। বৰদেউতাক দদায়েকহঁতে মাটি সম্পত্তিৰ পৰা অন্যায়ভাবে উপেনহঁতৰ পৰিয়ালক বঞ্চিত কৰিলে। পেটৰ ভাত-মুঠিৰ হাহাকাৰ। অকণাৰ বিয়াৰ (বায়েক) দায়িত্ব। পাৰিলে পঢ়াশালিৰ তলৰ শ্ৰেণীত পঢ়ি থকা ৰমেনক পঢ়ুৱাৰ দায়িত্ব। যেতিয়া ভাত মুঠিৰ বাবে মাকে ইঘৰ-সিঘৰত খুজিবলৈ যাব লগা হ'ল। মানুহৰ তিতা-কেঁহা মাত শুনি চকুলো টুকিব লগা হ'ল।

উপেন গুচি আহিল গুৱাহাটীলৈ। কাৰণ চৰকাৰৰ হেনো খোৰা-কোঙা-পঙ্গু মানুহৰ বাবে বহুত আঁচনি আছে। শাৰীৰিকভাবে অক্ষম মানুহে চাকৰি পায়, উদ্যোগ বিভাগৰ ঋণ পায়। কিন্তু ঈশ্বৰ যাৰ প্ৰতি সদয় নহয়, তাক কোনে ৰক্ষা কৰে। দিছপুৰ, বামুনী ময়দানৰ অফিচে অফিচে ঘূৰি, ইজনক লগ ধৰি, সিজনক খাতিৰ কৰি হতাশ হ'ল। ভাগৰি পৰিল, ৰেলৰ আলিত শুই দিয়াৰ কথা, ব্ৰহ্মপুত্ৰত জঁপিয়াই দিয়াৰ কথা বহুতদিন ভাবি চালে। কিন্তু ঘৰখনৰ দুখী মানুহবোৰৰ ছবিবোৰে উপেনক সিমান সাহসী হবলৈ নিদিলে। গুৱাহাটীত থকা দিন কেইটাত উপেন গাঁৱৰে ল'ৰা প্ৰফুল্লৰ লগত আছিল। প্ৰফুল্লই গুৱাহাটীত ৰিক্সা চলাই ঘৰখনক পোহপাল দিয়ে। আজৰি সময়ত এখন ভৰিৰে প্ৰফুল্লৰ ৰিক্সাখনৰ 'পেডেল' ঘূৰায়। ভৰিখন যদি থাকিলহেঁতেন। অন্ততঃ এই কামটোকে কৰি কিছু আৰ্জিব পাৰিলোহেঁতেন।

তীব্ৰ ক্ষোভ, ক্ষুধাৰ জ্বালা। পৃথিৱীৰ সকলোৰে পৰা পোৱা অকৰুণতাই উপেনক জেদী, ভীষণ জেদী কৰি তুলিলে। প্ৰতিশোধৰ ভাব জাগি উঠিল। (কোৰ ওপৰত নিজেও নেজানে।) জীয়াই যেতিয়া থাকিবই লাগিব, কাৰো কৰুণা বা পুতৌৰ ওপৰত নিৰ্ভৰ কৰি নহয়। কিবা কৰিমেই।

এই অদমনীয় জেদ লৈ প্ৰফুল্লৰ ৰিক্সাখনকে চলাবলৈ ললে। ভীষণ অসুবিধা। সাংঘাতিক কষ্ট। তথাপিও উপেন সেইখনতে লাগি থাকিল। এটা ভৰিৰে, বিশেষ এক কৌশলেৰে উপেনে তেতিয়াৰ পৰা গুৱাহাটীত ৰিক্সা চলাইছে।

এতিয়া এইখন উপেনৰ নিজৰ ৰিক্সা। দিনটোত নাই কমেও সত্তৰ-ষাঠী টকা অৰ্জন হয়। বায়েকৰ বিয়া হৈ গ'ল। ভায়েকে পঢ়ি আছে। মাকৰ চকুৰ অপাৰেচন হৈ গ'ল। গাঁৱত অলপ মাটিও ললে। মানুহ লগাই খেতি কৰে। বছৰত অন্ততঃ ছমাহ খাবলৈ জোৰে।

উপেনে বিয়া কৰালে। এহাঁ ল'ৰা-ছোৱালী। ল'ৰা-ছোৱালী হালকে ৰেলৰ স্কুলত দিছে।

"নেখাইও পিলিকক মানুহ কৰিম।" মই খেলিব নোৱাৰিলো। ঈশ্বৰে নিদিলে। পিলিকে খেলিব। খেলি নাম কৰিব। এজন মানুহ আছিল গুৱাহাটীত। নাম আছিল পিলিক চৌধুৰী খুউব ডাঙৰ 'ফুটবল প্লেয়াৰ' সেই আশাতে ল'ৰাৰ নাম থৈছো পিলিক। পিলিক দাস।

– বাইদেউ, সোঁহাতে নে বাওঁহাতে ঘূৰাম ?

এই সুদীৰ্ঘ বাটছোৱা মই কোন ৰূপকাহিনীৰ ৰূপকথা শুনি আহি গন্তব্যস্থল পালোহি নেজানো।

ফুটবল খেলক প্ৰাণতকৈও অধিক ভাল পোৱা, এটা ভৰিৰে ৰিক্সা চলাই জীৱনৰ ওচৰত পৰাজয় নমনা ৰিক্সাচালক উপেন দাসক শেষ মুহূৰ্তত কি ক'ব লগা আছিল মই সেইটোও নেজানিলো।

কিন্তু এই অপৰাজেয় আত্মসন্মানী মানুহজনক আজিও শ্ৰদ্ধাৰে সোঁৱৰো।

মই নেজানো আজি উপেন দাস ক'ত ? পিলিকে ফুটবল খেলিছে নে নাই ?





# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ


অংকন □ চম্পক বৰুৱা

পিছৰ শনিবাৰৰ পুৱাৰ কথা। বাৰীখনত পাক এটা মাৰি আহি পিৰালিত ঢাৰিখন পাৰি কাকতিয়ে বহিবলৈ লয়। মনত আউল নিছিগা ভালেমান চিন্তাই বাহ লয়হি। এবাৰ মধু শইকীয়াৰ কথা ভাবে। তেনেকুৱা ল'ৰা এটা জোঁৱাই হিচাপে পোৱাটো কোনোবা জনমৰ ভাগ্যৰ ফল। মধুৰ বাবেই শ্ৰীমন্তৰ কাৰণে আজি চিন্তা নোহোৱা হ'ল। আজি-কালিৰ ল'ৰাবিলাকে খেতিত মন দিবলৈ ভাল নাপায়। হেমন্তই নতুনকৈ বহুওৱা ধান-কলটোৰ ওপৰতহে বেছি নজৰ দিছে। কাকতিৰ সৰু পুতেক দিগন্তই ছিলিমটো ফুৱাই ফুৱাই হোকাটোৰে সৈতে বাপেকৰ হাতত তুলি দিয়ে। হোকাটো মুখত লৈ কোৰোক্ কোৰোক শব্দ কৰি টানিবলৈ আৰম্ভ কৰে। এনেয়ে অৰ্থ নোহোৱাকৈ ল'ৰাটোক ভেকাহি এটা মাৰি কয়, "হ'ব বাৰু। যা এতিয়া পঢ়গৈ। স্কুললৈ দেৰি নকৰিবি। হেডচাৰৰ আৰু মই কথা শুনিব নোৱাৰো।"

সেইদিনা বহুতবোৰ কথা একেলগে ভাবিবলৈ গৈ কাকতিৰ মেজাজটো খিঙখিঙীয়া হৈ উঠিছিল। গাত ঘঁহিবলৈ তেলৰ বটলটো কাকতিয়নীয়ে আনি সমুখত থৈ সুধিলে, "গা এতিয়াই ধুব নেকি ?"

"নুধুই মই বহি থাকিম নে ? আজি বহুত কাম। বেলা দুপৰ

হোৱাৰ লগে লগে ওলাব লাগিব। বস্তু-বাহানি কি সামৰিব লাগে সামৰি ল'বি। আৰু এখন গাড়ী চাউল লৈ নিশালৈ যোৱাৰ কথা আছে। তাতে চাউল-পাত, পাচলি আদি কি বস্তু দিয় দিব পাৰিবি। মই চাইকেলখন লৈ তহঁতৰ লগে-লগে যাম। মোৰ পিনৰ যোগাৰ আজি দুদিন আগতেই শেষ হ'ল, পুৱাৰ ভাগতে চাউল-পাত; শাক-পাচলিখিনি যতনাই ল'ব পাৰিবি।"

ক্ষন্তেক বৈ ঘৰৰ ভিতৰৰ কাম কৰা লগুৱা খৰ্গেশ্বৰক চিঞৰ এটা মাৰি কাকতিয়নীয়ে কয়, "খৰ্গেশ্বৰ, দেউতাৰক গা ধুবলৈ পানী দে।"

আজিকালি বয়স হৈ অহা কাৰণে পুখুৰীৰ পৰা কাকতিয়ে পানী নিজে নলয়। লগুৱা এটাই পাৰত পাৰি থোৱা পীৰাখনৰ ওচৰতে পানী যতনাই দিয়ে। অৱস্থাৰ পৰিবৰ্তন হোৱাৰ কাৰণেও ঘৰৰ সকলোবোৰ কাম কাকতিয়ে আজিকালি নিজে নকৰে। ল'ৰা-ছোৱালীহঁতেও কৰাটো নিবিচাৰে। তেনেতে হেমবৰ হঠাতে ওলালহি। আহিয়েই ক'লে, "দেউতা, এবাৰ চাই যাওকহি। জালত বুজন চাই ৰৌ এজনী উঠিছে।"

সবহিবন্ধাৰ শইকীয়াৰ ঘৰলৈ নিবৰ বাবে হেমবৰ জালোৱাক আগদিনাই মতাই থৈছিল। জালখনত বান্ধ খাই জঁপিয়াই থকা প্ৰকাণ্ড ৰৌ মাছটো দেখি কাকতিৰ মনটো আনন্দেৰে ভৰপূৰ হৈ উঠিল। ভাবিলে ইমান ডাঙৰ মাছ সেউতীয়ে কিমান দিন চাগে দেখা নাই! হেঁমবৰক ক'লে, "মাছটো পানীতে বান্ধি থ। নিশা গাড়ী যাব। তেতিয়া তুলিলে যাব পাৰিব। পানীত থাকিলে পুৱালৈ মাছটো নমৰিব।"

কাকতিয়ে এতিয়াহে বুজিলে ভাল মাছ এটা পাব নে নেপায় সেই সংশয়টোৱে মনটো অথনিৰে পৰা খুদুৱানে লগাই আছিল। মনটো ফৰকাল হৈ গ'ল। গা ধুই গোঁসাই সেৱা কৰি মজিয়াত জলপান খাবলৈ বহিল। "হেৰৌ শ্ৰীমন্তৰ মাক। মুখত লবলৈ খুদকণ এটা দে।"

মেলাহি বাটিটোত চিৰা, আঁখে দৈৰে সৈতে জলপান বাটি আনি সমুখত লৈ হাঁহি এটা মাৰি কাকতিয়নীয়ে ক'লে, "জলপান মই কেতিয়াবাই সজাই থৈছিলো। আজি ৰাতিপুৱাৰে পৰা দুৰ্বাসা মুনি হৈ থকা যেন লাগিছিল। গা ধুই আহোতে ভালেমান পৰ হ'ব বুলি ভাবিছিলো।"

"ভালেমান পৰ হ'ব মানে? যাচোন তই চাই আহ গৈ – প্ৰকাণ্ড ৰৌ এজনীয়ে কেনেকৈ ছটফটাই আছে। ৰাতিপুৱালৈ বাপে দেখিলে কিৰিলি পাৰি উঠিব চাগৈ। তাক এইবাৰ কেইমাহমান থকাকৈ ইয়ালৈ লৈ আহিব লাগিব। হঠাৎ দৈ খিনিলৈ চকু পৰিলত কাকতিয়ে উচাপ খাই উঠি সোধাৰ দৰে সুধিলে, "দুটেকেলি দৈ মই জোঁৱাইৰ ঘৰৰ বাবে বেলেগে লগাই থৈছিলো। তাৰে এটেকেলি ভাঙি মোক দিলি নেকি?"

"আপোনাক চকুৰ খবৰ কেলেই লাগেনো? জোঁৱাই আপোনাৰে নহয়, মোৰো। বাপেক বহুত দেখিছো। কিন্তু জোঁৱাই-বলিয়া এনেকুৱা শহুৰেক ভাৰতুতে নাই নেকি?"

কৃত্ৰিম খঙ এটাৰে উচাট মাৰি কাকতিয়নীয়ে ভাতৰ চৰু পায়গৈ। মন যোগাবলৈ বুলি কাকতিয়ে অকণমান মিঠাকৈ কথা ক'বলৈ চেষ্টা কৰে, "ৰ চোন ৰ। খঙ নকৰিবি। শ্ৰীমন্তই ঘৰ এৰি যোৱাৰ পিছৰ পৰা মোৰ হাত ছিঙিল। আজিকালি কেউপিনে আগৰ দৰে সামৰিব নোৱৰা হৈছো।"

চাহৰ গিলাচটোত শেষ সোহাটো মাৰি বটাৰ পৰা তামোলখন মুখত ভৰাই কাকতিয়ে থিয় দিয়ে, "মই ককাইদেউৰ ঘৰৰ পৰা আহোগৈ। বৰ বোৱাৰীজনীক ঘৰত সুমুৱাই থৈ যাব পাৰিলে ভাল হয়। তই কথাবোৰ তাইক চমজাই দিবি।" লৰালৰিকৈ কাকতিয়ে ককায়েকৰ ঘৰলৈ ওলাই গ'ল।

সকলোবোৰ আয়োজন সমাপ্ত কৰি কাকতিয়নীয়ে গাড়ীত উঠোতে বেলি লহিয়াবলৈ ভালেখিনি পৰ বাকী আছিল। নঙলা এৰি গাড়ী আগ বাঢ়ি যোৱাৰ পিছলৈকে কাকতিয়ে ঘৰৰ বিভিন্ন কামবোৰ লগুৱাকেইটাক বুজাই দি পিছপিনৰ বাৰীৰ ঢামৰ ফালে কাম কৰি থকা ডাঙৰ ভতিজাকক চিঞৰ এটা মাৰি মাতি পঠিয়ালে, "হেৰ, শম্ভুনাথ। আহচোন অলপ এইফালে।" পিছপিনে ঢাপৰ মাজেৰে বাট এটা আছিল। সেই পিনেদি আহি ডাঙৰ ভতিজাক শম্ভুনাথ সমুখত থিয় হ'লহি। "দাইটি, খুৰীহঁত যোৱা নাই নেকি? সিপিনে পলম হ'বগৈ হ'লে দেই।"

"খুৰীটিয়েৰ গ'ল। ক'ত ইমান পৰলৈ ৰৈ থাকিব? জীয়েকৰ ঘৰলৈ যাম বুলি আজি পুৱাৰে পৰা গাত গোঁসাই নাই। মইহে চাইকেলত যাম বাবে অকণমান দেৰি কৰিলো। তই একোবাৰকৈ ৰিঙ মাৰি সুধিবি আৰু মাজে মাজে কাম-কাজবোৰ চায়ো যাবিহি। গাভিনী গৰুজনী দুই এদিনতে জগিব। আগৰ বাৰ তাই পোৱালি দিওঁতে খুৰীটিয়েৰ বিধুতি হৈ আছিল। কথাটো ভালকৈ মন কৰিব নোৱাৰিলে। বোৱাৰীক কবি পোৱালি জগিলে গাখীৰ খীৰাই তপত কৰি ফেঁহু যাতে পোন পহিলতে খেতৰক দিয়ে। যোৱাবাৰ ল'ৰা-ছোৱালীয়ে দগৰি ফেঁহু খালে। কিন্তু খেতৰক নিদিয়া বাবে গৰুজনীৰ গাখীৰ শুকাই গ'ল।"

শম্ভুনাথে সঁহাৰি জনোৱাৰ পিছত মুখত এখন তামোল ভৰাই লৈ কাকতি চাইকেলত উঠিল।

দোভাগ নিশা পকামূৰাৰ পৰা চাউল লৈ গুদামত ভৰাই গাড়ীখন গাৰোৱানে সবহি বন্ধা পোৱালেহি। মনবৰ আৰু ভদীয়াৰ লগত ধৰা-ধৰি কৰি ঘৰলৈ বুলি অনা চাউল-পাত, তৰি-তৰকাৰী আদি বস্তুখিনি নমাই লৈ গৰুহাল এৰালত খুঁটি এটাত বান্ধিলে। অলপ ধানখেৰ খাবলৈ দি সি গাড়ীত শুবলৈ গ'ল। নিচেই পুৱাতে পাটীৰ পৰা উঠি কাকতিয়ে দুয়োখন গাড়ী বৰা, নেওগ আৰু মেধিহঁতৰ পৰিয়ালকেইটা আনিবৰ বাবে দুপিনে পঠিয়াই দিলে। হাঁহিৰামে নেওগ আৰু মেধিৰ ঘৰ চিনি পায়। ইটো গাৰোৱানেও বৰাহঁতৰ ঘৰলৈ আগতে গৈছে। কাকজানৰ তাৰ ঘৰৰ পৰা অহা বাটতে বৰাৰ ঘৰ পৰে। সিহঁতৰ মুছলমান গাওঁখন ৰতি মিস্ত্ৰিয়ে চিনি পাইছিল। বৰাৰ ঘৰলৈকে মাতি আনি পোনপহিলতে তিনিটা মানুহৰ দৰমহা বন্দৱস্ত কৰি শ্ৰীমন্তক গতাই দিলে।

দুয়োখন গাড়ী দুয়ো ফালে পঠিয়াই দিয়াত অলপো আহুকাল নহ'ল। ভদীয়াই বাৰীৰ কামত লাগিল। মনবৰে মাছটোৰ বাকলি গুচাবলৈ আৰম্ভ কৰিলে। মাছ দেখি বাপে ককাকে ভবাৰ দৰে হাত চাপৰি বজাই কিৰিলি পাৰি উঠিল। মাকে হাক দিয়া সত্ত্বেও বাকলিবোৰ এচটা এচটাকৈ সজাই আপোনমনে খেলিবলৈ ল'লে। কোনোবা এচটা বাকলি বাঘ হ'ল, কোনোবা চটা গছ হ'ল, তাৰ কল্পনাপ্ৰসূত নামবোৰ দি দি কাম কৰা ছোৱালীজনীক অতিষ্ঠ কৰি তুলিলে।

মছলাখিনি ৰাতিপুৱা শুই উঠি সুৰই বটিবলৈ ল'লে। সেউতীয়ে পাচলি কটাত লাগিল। সেউতীয়ে জাতি কাটিবলৈ মাকৰ পৰাই শিকিছিল। মৈদাখনত ছেও দি দি কাটি সমানকৈ মিহি-মিহিকৈ কটা শেষ কৰে। ঔটেঙাদি লাওৰে মাছৰ টেঙা আঞ্জা ৰান্ধিব।

পুৱাৰ ভাগতে মেধিয়নী, নেওগনী আৰু বৰানী আহি ওলাল। বৰানীয়ে ভনীয়েকজনীকো লৈ আহিছিল। ওচৰৰ স্কুলত দ্বিতীয় শ্ৰেণীলৈকে পঢ়াৰ পিছত ঘৰতে ৰাখি বায়েকে কাম-কাজ শিকাইছে। সুৰতকৈ কেইবছৰমান বয়সত ডাঙৰ হ'ব। তায়ো বায়েকহঁতৰ লগতে সেউতীৰ মাকক সহায় কৰিবলৈ লাগি গ'ল। কাকতিয়নীয়ে কামৰ মাজতে আঁৰে আঁৰে ছোৱালীজনীলৈ চায়। কিবা এটা মৰম লগা চেহেৰা। গাৰ ৰঙটো ফটফটীয়া বগা। বান্ধটোও আটক ধুনীয়া। কাম-কাজলৈ চাই ছোৱালীজনীক কামত পকৈত হ'ব যেন লাগে। কাকতিয়নীয়ে তাইক চোৱাটো আটাইকেইজনী মাইকীমানুহে লক্ষ্য কৰিছিল। সেউতীয়ে তাইক আগতে লগ পাইছিল। মনে মনে ভাবিছিল ককায়েকৰ যোৰৰ হ'ব। আজি কথাটো অলপ আগবঢ়াব পাৰিলে ভাল হয়।

দুপৰীয়া ভাত খাবৰ সময়ত আটাইবোৰ আহি ওলালহি। ভাত খোৱাৰ পিছত কোনোবা এটা পাকত সেউতীয়ে ককায়েকক তাইৰ শোৱা কোঠালৈ মাতি নিয়ে। বৰানীৰ ভনীয়েক নাহৰে তেতিয়া চুকত তামোল কাটি আছিল। ককায়েকক সেউতীয়ে ক'লে, "কাইলৈ বজাৰৰ পৰা দুপৰীয়া ভাত খাবলৈ আহোতে গোন্ধ তেল এবটল লৈ আহিবি।"

শ্ৰীমন্তই ইতিমধ্যে কথাটোৰ অলপ উমান পাইছিল। নাহৰক দেখি তাৰো ভাল লাগিছিল। ঘৰত থকা বৰ আৰু মাজু নবৌয়েকৰ লগত



নাহৰ একেবাৰে মিলি যাব। ঘৰ দুখন বেলেগ হলেও মনৰ ভাববোৰ তেতিয়াও সিহঁতৰ ভিন ভিন হোৱা নাই। ককাকে বোলে জীয়াই থাকোতেই আনৰ ঘৰৰ কাজিয়া-পেচাল দেখি দুয়ো পুতেকৰ ভেটি বেলেগ কৰি দিছিল। গম্ভীৰ কাকতিহঁতে নিজে বেলেগ হোৱা নাছিল। দেউতাক হানি হোৱাৰ বহুদিনলৈকে দুয়োখন ঘৰৰ চৰু একেটাই আছিল। বৰ ককায়েকৰ পুতেকহঁতৰ বিয়াৰ পিছত ভায়েকৰ চৰু বেলেগ কৰি দিলে। সেউতীয়ে শ্ৰীমন্তক তাইৰ শোৱা কোঠালৈ মাতি নিয়াৰ পৰাই সি বুজিলে এইখন বৰজালত পৰিছে বুলি। কেৰাহিকৈ নাহৰলৈ চাই তাৰ কাণ-মুখ ৰঙা পৰিল। ধুনীয়া, মৰম লগা চেহেৰা। সেউতীয়ে শোৱা কোঠাৰ পৰা ওলাই যাব খোজা দেখি সিও লৰালৰিকৈ বাহিৰলৈ ওলাই গ'ল। ভাত খাই উঠি শ্ৰীমন্তই বাকীবোৰতকৈ আগতে দোকানলৈ বুলি গ'লগৈ! হিচাপৰ লেঠা আছিল।

গোটেই কথাবোৰৰ মাজতে মেধিয়নীয়ে অলপ আগ ভাগ ল'ব লাগিব বুলি বুজিলে। কাকতিয়নীক ক'লে, "খুৰীটি, নাহৰক ঘৰৰ বৰ বোৱাৰী কৰিলে আপুনি কোনো আহুকাল নেপাব। তাইক মই সৰুৰে পৰা দেখিছো। কেতিয়াবা টুকুৰিয়ায়ো চাইছো, আপোনাৰ বৰ পো শ্ৰীমন্তক দেখা দিনৰে পৰা নাহৰক মই তাৰ লগতহে যোৰাই আছো। আপুনি ক'লে মই ছোৱালী খুজিব পাৰো।"

কথাটো শুনাৰ লগে লগে কাকতিয়নীৰ মনটো ভাল লাগি গ'ল যদিও বাহিৰত অলপ গহীন হৈ থাকিবলৈ চেষ্টা কৰিলে। মেধিয়নীক ক'লে, "দেউতাকক সুধিব লাগিব। বৰপিতাককো সুধিব লাগিব। ঘৰত-দুজনী বোৱাৰী, দুটা ভতিজা আছে। সিহঁতৰ মতামত নোহোৱাকৈ মইনো কেনেকৈ আগ বাঢ়ো।"

সেউতী ওচৰতে থিয় হৈ আছে তাই আগ বাঢ়ি আহি ক'লে, "পিতাইৰ মনটো মোৰ পোৱা যেন লাগিছে।"

সেউতীৰ কথা শুনি মাক অলপ বিৰক্ত হৈ উঠিল, "মোক নোসোধাকৈয়ে তই পিতায়েৰ লগত কথাটো খাটাং কৰিলি নেকি?"

"বৌটিয়ে মোক সদায় ভেলেঙি বুলি ভাব। মই আওভাও লৈ ভূ পোৱা কথাটোহে কৈছো। পিতাইৰ লগত তেনেকৈ কথা ক'বলৈ মোৰ এতিয়াও কলিজা হোৱা নাই দেই!"

মাকে চাব মাৰি সুধিলে, "পিছে তইনো কেনেকৈ বুজিলি?"

"নাহৰে পিতাইক তামোল দিবলৈ যাওঁতে তাইৰ লগত কিবাকিবি কথা পাতি থকা দেখিছিলো। মোক মাতি পিতায়ে সুধিলে, এইজনীনো কাৰ ছোৱালী?" মই চিনাকি দিয়াৰ পিছত পিতায়ে হাঁহি হাঁহি কলে, "বৰ ভাল ছোৱালী দেই। বায়েকৰ নিচিনাই দেখোন। নাহৰৰ কাণ দুখন ৰঙা পৰা দেখি তাইক ভিতৰলৈ যাবলৈ ইঙ্গিত দি ময়ো ভিতৰলৈ সোমাই আহিলো। কথা সিমানেই।"

মাকে হাঁহিলে। আশ্বস্ত হৈ ক'লে, "তই চহৰলৈ আহি শিয়ান হ'লি।"

মেধিয়নীয়ে সেই সময়তে কাকতিয়নীৰ ওপৰত হেঁচাটো দিলে, "খুৰীটি, সেইবোৰ হ'ব বাৰু আপোনাৰ মনটো পালে মই অন্ততঃ সিহঁতক আগতীয়াকৈ ঠাৰে ঠিয়াঁৰে জনাই থ'ব পাৰো। নহ'লে অইন গ্ৰাহক আহিলে কথাত বান্ধ খালে মই লাজত পৰিম।"

অলপমান চিন্তাকুল হৈ কাকতিয়নীয়ে ক'লে, "ছোৱালী ভাল-বেয়াৰ কথা মইনো এদিন দেখি কেনেকৈ বুজিম। তোমালোকে ভাল বুলিলেই ভাল। শ্ৰীমন্ত মোৰ বৰপো। তালৈ ভাল বোৱাৰী এজনী আনিব পাৰিলে ঘৰখন তৰিব। সিও আগবাঢ়িব পাৰিব। এইবোৰ মানুহে কৰো বুলি কৰা কথা নহয়। ভগৱন্ত গুৰুয়েহে যাৰ য'ত যোটন তাতে পাতি থৈছে।"

মানুহবোৰ ঘৰা ঘৰি যোৱাৰ পিছত সেইদিনা সন্ধিয়া কেইটামান কথাত খোকোজা লাগি থকা বাবে কাকতিয়ে জোঁৱায়েকক সুধিলে, "গাড়ীৰ গাৰোৱান তিনিটা সলালা। তুমিনে শ্ৰীমন্তই? অজাতিৰ মানুহ। ইহঁতৰ সজাত পাইছা জানো?"

মধু শইকীয়াই ফজলৰ লগত হোৱা বন্দৱস্তিৰ কথা বিতংকৈ শহুৰেকক ক'লে। কাকতিয়ে অলপ চিন্তা কৰি উত্তৰত জনালে, "তুমি ভাল বুলিছা যেতিয়া এইবোৰ কথা মই আৰু চিন্তা নকৰো। পিছে নিজৰ বৰীয়াকৈ ঘৰৰ কাম-কাজৰ বাবে গৰু গাড়ী এখন কৰি ল'ব লাগিব।"

শইকীয়াই শহুৰেকক বাধা দিলে, "গাড়ী নতুনকৈ গঢ়াৰ কোনো সকাম নাই, পিতাই। গাড়ীকেইখন নামতহে ফজলৰ। তাৰ সকলো পৰিচালনা ককাইদেউৰ হাততহে, আপুনি জঞ্জাল নবঢ়াব। জঞ্জাল কমাবৰ কাৰণেহে ককাইদেৱে এই ব্যৱস্থা কৰিছে। লগতে ফজলে দিয়া টকাকেইটা কাৰবাৰত লগাই দুপইছা উপাৰ্জনৰ বাট বঢ়াইছে।"

জোঁৱায়েক আৰু পুতেকৰ ইটোৰ প্ৰতি সিটোৰ বিশ্বাসখিনি দেখি কাকতি আশ্বস্ত হয়।

পিছদিনা পুৱা পকামূৰাৰ ঘৰলৈ যাবলৈ ওলোৱাৰ আগতে জলপান খাই থকা সময়ত কাকতিয়নীয়ে নাহৰৰ কথাটো কাকতিৰ আগত উলিয়ালে, কথাটো শুনিয়ে তেওঁ প্ৰাণ খুলি হাঁহিলে, "ছোৱালী তোৰো তেনেহলে পছন্দ হৈছে। তেতিয়াহলে ছোৱালীক খোজ। অহা বছৰলৈ মাঘ-ফাগুনতে বিয়াখন পাতি পেলাব পৰা যাব। তাৰ ঘৰটো ইয়াৰ ভিতৰতে হৈ উঠিব। ছোৱালী বিয়া কৰাই মই গাঁৱত বেছিদিন ৰাখিব নোখোজো। তাৰ ডেকা মন। ছোৱালীও দেখনিয়াৰ। তাইক তাত এৰি থৈ আহিলে ইয়াত তাৰ কামত মন নবহিব।"

ঘৈণীয়েক, জীয়েক দুয়ো দেউতাকৰ কথাত খিলখিলকৈ হাঁহিলে। কাকতিয়নীয়ে এইবাৰ গিৰিয়েকক বুজনি দিয়াৰ সুৰত ক'লে, "আপুনি কথাটো তেনেকৈ কলেই নহ'ব নহয়। ডাঙৰীয়াক সুধিব। ভতিজা বোৱাৰী দুজনীৰ মতামত ভতিজা ল'ৰা দুটাৰ হতুৱাই লোৱাব। দিন-বাৰ এটা চোৱাই মেধি আৰু তেওঁৰ ঘৈণীয়েক হালকে আপোনাৰ পৰা বতৰা পালেই ছোৱালী খুজিবলৈ পঠিয়াম। মোলৈ অলপ পইছা পঠাই দিব। ইহঁতক মই খুজিবলৈ নিবিচাৰো। গাড়ীখনেৰে সোণাৰী গাঁৱলৈ গৈ কইনাৰ গহনা কিছু গঢ়িবলৈ দিব লাগিব। সোণৰ দাম দিনক দিনে চৰি গৈ আছে। তোলাত ছয়টকা হ'লগৈ বোলে। খাৰু-মণিতে এশ-ছকুৰি টকা লাগিব। কাপোৰ মই বৈ থৈছো।"

"ৰবি, তই দেখোন কোনোবাখিনি পালিগৈ। গছত কঠাল, ওঁঠত তেল। চাবি আকৌ নৌ খাওঁতেই চেলবেল নহৱ যাতে। কথাৰ মাতটোহে মই কৈছো। এনেকুৱা এজনী ছোৱালী কোনোবাই চিলাই থাপ মৰাদি থাপ মাৰি লৈ গ'লে পিছত লাজত পৰিব লাগিব।"

"মোক আপুনি ইমান বুজ নোহোৱা যেন নাপাব। ছোৱালীৰ ঘৰৰ মনৰ ভাব মই আলেঙে আলেঙে চাইছো নহয়। মোৰ শ্ৰীমন্তৰ নিচিনা ল'ৰা এটা সিহঁতে পায় ক'ত? আমাৰ পিনৰ পৰা কথাটো ওলালেই হ'ল। সিহঁতে ঠেঙ দাঙি আছে।"


সেউতীয়ে হাঁহি এইবাৰ মাত দিলে, "কালি ককাইদেৱে ছোৱালী দেখিলে। তাৰ ভাব-গতিৰ পৰা ছোৱালী মন খাইছে যেন লাগিল।"

কথা শুনি কাকতি গহীন হ'ল, "তহঁত আজিকালিৰ ছোৱালী। আমাৰ ঘৰত চৰুক সুধি চাউল বহোৱা নিয়ম নাই। লোকৰ বিয়া নোহোৱা ছোৱালীক এনেকৈ মন দিয়া নিয়া কৰালে, ঘৰৰ বান্ধ সুলকি যাব। সেই কাৰণেই বৌটিয়েৰেও ইমানদিনে ক'তো ছোৱালী খোজা নাই। অৱশ্যে বেছিকৈ বিচাৰ কৰিবলগীয়া হ'লে জানোছা গেলা বৰালিতে হাত পৰে গৈ। সেই কথাও বৌটিয়েৰে চাইছে। ছোৱালী ঠিক কৰাৰ ভাৰ মাকৰ হাততে থাকিব লাগে। তহঁতে মাজত নোসোমাবি। মই পিছত যাতে শুনিব নেলাগে যে তাই জুইৰ চৰুতহে হাত দিলে বুলি।"

দেউতাকৰ কথাত অলপ আহত হৈ সেউতীয়ে ক'লে, "পিতায়ে এনেয়ে মোৰ ওপৰত খঙ খাইছ। আমি পাতি থকা কথা ককাইদেৱেও নেজানে। নাহৰেও নেজানে।

এইবাৰ কাকতি অলপ শান্ত হ'ল। "তাকে মই ভাবিছো তইনো কেনেকৈ ইমান পাতল হলি? এইজনী মাকৰ জীয়েৰ হৈ?"

চাহ জলপান খাই তামোলখন মুখত ভৰাই, চাইকেল চলাই কাকতিয়ে পকামূৰাৰ ঘৰলৈ বুলি আলিবাট পালেহি। বাটত আহোতে



নানা কথা ভাবিলে। শ্ৰীমন্ত ল'ৰাটোৰ হুঁচ আছে, দয়া ধৰ্মও আছে। এতিয়া বাকীকেইটাহে কি হয়গৈ – তেওঁ মনে মনে চিন্তা কৰে। ঘৰত ধানকলটো হোৱাৰ পিছৰে পৰা খুদকণ আৰু ভূচি ভালেখিনি ওলায়। গাঁৱত যাকে যেতিয়াই লাগে, বিনামূলীয়াকৈ লৈ যায়হি। খেতিৰ পৰা খেৰো অপাৰ হয়। শ্ৰীমন্তৰ সংসাৰী বুদ্ধি আছে। এদিন কৈছিল ৰৰভেটাৰ চৰকাৰী পামৰ পৰা ষাড় গৰু এটা আনিব লাগে বুলি। তাত বোলে ভাল জাতৰ ভাটিৰ চেঁউৰীও উচিত দামত বিক্ৰী কৰে। কথাটো আজি যাওঁতে ফাৰ্মত সোমাই ভূ লৈ যাব। গাঁৱৰ ওচৰৰে ল'ৰা এটাই তাত চকিদাৰী কৰে। তাক লগ পালে, কোনোবা এজন আমোলাৰ লগত বিতংকৈ কথা পাতিব লাগিব।

ৰৰভেটাৰ চৰকাৰী পামত কথা-বতৰাৰ সম্ভেদ লৈ ঘৰ আহি পাওঁতে বেলি ভালেখিনি হৈছিল। তাৰ পিছত এদিন শ্ৰীমন্তক পঠিয়াই ৰৰভেটাৰ পৰা তিনিজনী চেঁউৰী আৰু এটা ষাড়-গৰু অনালে। ষাড়টো নতুন হৈ আছিল। অলপ ডাঙৰ হলেহে গাঁৱৰ দহজনৰ কামত লাগিব। কাকতিয়ে চিন্তা কৰি দেখিলে গৰুবোৰৰ গাখীৰ বাঢ়িলে ল'ৰা-ছোৱালীয়ে সৰুতে ভালকৈ গাখীৰ খাবলৈ পাব। বুঢ়ালোকে কোৱা শুনিছে, সৰুতে সৰহকৈ গাখীৰ খালেহে বোলে মগজুৰ ঘিউ বাঢ়ে। গাখীৰ ভালকৈ খাবলৈ নোপোৱাৰ বাবেই কিজানি আমাৰ মানুহবোৰ ভোদা হৈ আছে।

চেঁউৰী তিনিজনীৰ দুজনী গাভিনী। দুমাহমানৰ ভিতৰতে জগিব। মনে মনে কাকতিয়ে ভাবিলে, গাখীৰৰ উভৈনদী হ'লে গাখীৰবোৰ কৰিব কি? শ্ৰীমন্তকো সুধিলে, "ইমানখিনি গাখীৰৰ ব্যৱস্থা কি হ'ব?"

সি ততাতৈয়াকৈ উত্তৰ দিলে, "ৰাতিপুৱাতে চাউল লৈ অহা গাড়ীত গাখীৰ দোকানলৈ পঠিয়াই দিব। নন্দ ঘোষৰ দোকানত কোৱা আছে। কোকিলামুখৰ গুৱালৰ গাখীৰ সিহঁতে ম'হৰ গাখীৰৰ লগত ভেজাল দিয়ে। আমাৰ গাখীৰেৰে ভাল মিঠাই হ'ব।

চৰকাৰী পামৰ পৰা আমোলা আহি এদিন বুজাই গ'লহি। গোহালিটো ৰ'দ পৰা ঠাইত হ'ব লাগিব বুলি। বৰ্তমান য'ত আছে তাতেই হ'ব। কেৱল দক্ষিণ-পূব পিনে থকা জৰীগছডাল কাটিব লাগিব। এই গছডাল কটাৰ থকা কেতিয়াবাৰে পৰা কাকতিয়ে ভাবি আছিল। ঘৰৰ ওচৰত ইমান ডাঙৰ গছ, ৰখাটো ভাল নহয়। বৰদৈচিলাই আহোতে গছৰ ঠাল-ঠেঙুলি ভাঙি গোহালি ঘৰৰ অনিষ্ট সাধিব পাৰে। তাৰ উপৰিও এই গছৰ খোৰোঙত দীঘল বিধেও বাহ লয়। গছ ডাঙৰ হলে বুঢ়া ডাঙৰীয়াই তাত থাকিবলৈ ল'লে, সেই গছ উঘালিব পৰা নেযাব। তেখেত অসন্তুষ্ট হ'ব।

চৰকাৰী পামৰ আমোলাই কৈ গ'ল ভেটিটো অলপ ওখ হ'ব লাগিব বুলি। ডাঙৰ জাতৰ গৰুবোৰক খাবলৈ পানী লাগে। চাফা পানীৰ বাবে পকা চৌবাচ্চা এটাৰ দিহা কৰিবলৈ ক'লে। বেমাৰ-আজাৰ হলেই পামত খবৰ দিবলৈ হেলা নকৰিবলৈ পাচিলে। গৰু বাঢ়িবৰ বাবে গৃহস্থৰ লগত ৰাহি-জোৰা মিলিব লাগিব। পয় থাকিব লাগিব। গোহালি আৰু গৃহস্থ অপয়া হলে পোৱালি ওপজাৰ পিছতে গাখীৰে ধৰি মাৰে। চৰকা আদি নানা ধৰণৰ অচিনাকি বেমাৰো হ'ব পাৰে।

আমোলাজনক আশ্বস্ত কৰি কাকতিয়ে কয়, "মোৰ ঘৰত গছ-বিৰিখৰ পৰা আৰম্ভ কৰি গৰু-ছাগলী সকলোৱে বঢ়ালে বাঢ়ে। আপুনি চিন্তা নকৰিব।"

চাহ-পানী খুৱাই মস্কৰা পিঠা-পনাৰে জলপান দি আমোলাজনক চাইকেলেৰে ৰৰভেটা চৰকাৰী পামলৈ যোৱাৰ বাটত আগবঢ়াই দিলে। যাবৰ সময়ত তেখেতে কৈ গ'ল, "শ্বিলঙত থকা ডিৰেক্টৰজন বিলাতী চাহাব। তেখেতৰ ধাৰণা বোলে অসমীয়া মানুহে গৰু তুলিব নেজানে। কাকতিৰ ইয়াত গৰুখিনি উঠিব বুলি তেওঁৰ মনে ধৰিছে। অহা বছৰলৈ চাহাবক পাৰিলে আনি কাকতিৰ গৰু জাক দেখুৱাই নিবহি। বগা বঙালৰ মনৰ ভ্ৰান্তি দূৰ হওক। আমাৰ মানুহে কৰিব নোৱৰা কাম কি আছে। সোতৰবাৰ মোগলক ভেটা জাত এইটো।

যথাসময়ত চাহাব আহিব বুলি ৰৰভেটাৰ চৰকাৰী পামৰ পৰা বতৰা আহিল। সিন্ধি গাই তিনিজনীয়ে তেতিয়া ভালেখিনিমান গাখীৰ দিয়ে। চাৰিজনী ভাল সঁচৰ ডাঙৰ অসমীয়া গাইও আছিল। সকলোবোৰ মিলাই প্ৰায় এমোনৰ ওচৰাওচৰি গাখীৰ হয়গৈ। ঘৰত খাবলৈ বুলি ছসেৰমান ৰাখি বাকীখিনি গাড়ীৰে নন্দঘোষৰ দোকানলৈ পঠিয়াই দিয়ে। টকাত ষোল্লসেৰ হিচাপে ঘোষে দাম দিয়ে। সেই কেইটা টকা এনেয়ে আছে। মাহৰ মূৰকত টকা হিচাপ কৰি শ্ৰীমন্তই মাকৰ হাতত দি যায়হি। গৰুৰ গোবৰো বহুত হৈছিল। সাৰ ভালকৈ দিয়া বাবে আলুবোৰ ডাঙৰ হ'ল আৰু সোৱাদো হ'ল। লাও, বেঙেনা, ফুলকবি, বন্ধাকবি, ওলকবি আদি কৰি সকলোবোৰ পাচলিৰ খেতি বৰ ভাল হৈছিল। কিছু দুয়োখন ঘৰতে খাবলৈ ৰখা হ'ল; কিছু যোৰহাটলৈকো পঠিয়াই দিয়া হ'ল শইকীয়া আৰু তেওঁৰ বন্ধুকেইজনৰ ঘৰত বিলাবৰ কাৰণে। ধনিয়া সিঁচিছিল, শাকতো খালে আৰু গুটিৰ বাবেও ৰাখিলে। হালধি, আদা, মাহ, সৰিয়হ অপাৰ হ'ল। দুয়োখন ঘৰৰ বাবে বছৰটো আঁতিলে।

চাহাব আহিব বুলি শুনি কাকতিয়ে শ্ৰীমন্ত আৰু মধুলৈ বতৰা পঠিয়াইছে। চাহাবৰ অভ্যৰ্থনাৰ বাবে চিনাকি মানুহৰ ঘৰৰ পৰা বিলাতী ধৰণৰ চকী, মেজ ধাৰলৈ লৈ গাড়ীত তুলি পঠিয়াই দিছিল। নন্দ ঘোষৰ দোকানৰ পৰা ভালেমান বিধৰ বঙলুৱা মিঠায়ো আহিল। লগতে নিজৰ দোকানত থকা কেইবাটিন বেলেগ বেলেগ বিলাতী বিস্কুট গাড়ীৰে সৈতে পঠিয়াই দিলে। ধুনীয়া ধুনীয়া কাপ-প্লেটো আনিলে। চাহাব আহোতে হাতীত উঠি আহিল। গাঁৱৰ বাটত মোঁৰাত উঠি আহিবলৈ অলপ শংকা কৰিছিল বাবে পামৰ মেনেজাৰে ধুনীয়া হাওদাৰে সৈতে হাতীৰ ব্যৱস্থা কৰি ৰাখিছিল। কাকতিৰ নঙলামুখত হাতী বহিল। শুঁৰেৰে ঘৰ-গৃহস্থক সেৱা জনাই হাতীয়ে নিনাদ কৰিলে। চাহাবে লগত অহা আমোলাৰ কান্ধত ভৰ দি মাটিলৈ নামিল। কেউপিনে বাৰীখন চাই সন্তোষৰ হাঁহি এটা মাৰি পামৰ মেনেজাৰক ক'লে, "ভেৰি গুদ। একচেলেন্ট।"

সাত সাগৰ তেৰ নদীৰ সিপাৰৰ চাহাবক ইমান ওচৰৰ পৰা গাঁৱৰ মানুহে দেখা নাছিল। কাকতিৰ ঘৰত কাম কৰা মানুহকেইটাই পদূলিৰ বহু নিলগতে ল'ৰা-ছোৱালীবোৰক বুঢ়া-মেথা সকলোকো ভেটি ৰাখিলে। আটাইৰে চকুৰে মুখে এটা কৌতূহলী দৃষ্টি। চাহাববিলাক ইমান ৰঙা-বগা কেনেকৈ হয়। দেখিলেই ভক্তি ওপজে।

গৰু-গোহালি আৰু গৰু কেইজনী চাই চাহাবে কাকতিক বুজালে। গাই গৰুৰ ওহাৰবিলাক ভালকৈ ধুব লাগে। গাখীৰ সৰহকৈ দিয়ে কাৰণে ওহাৰত বেমাৰৰ বীজাণুৱে বাহ বান্ধে। বাটবিলাক ঠেৰেঙা মাৰিলে গাখীৰ নোলোৱা হয়। পামৰ মেনেজাৰে চাহাবৰ ইংৰাজী কথাবোৰ তৰ্জমা কৰি কাকতিক বুজাই যায়। এইবোৰ কথা গম্ভীৰ কাকতিৰ অবিদিত নহলেও বিলাতী আলহীজনৰ সন্মানৰ বাবেই অজলাৰ দৰে মূৰ দুপিয়াই সঁহাৰি জনাই যায়।

চাহাবে চাহ-বিস্কুট খালে। চাহাব অহাৰ কথাটো লৈ বহুতৰে চকু পুৰিবলৈ ধৰিলে। তেখেতসকল যোৱাৰ পিছত সকলোৱে দেখাকৈ কাকতিয়ে কাম কৰা ল'ৰাটোৰ হতুৱাই চাহাবে খাই যোৱা কাপ-প্লেটবোৰ ভঙালে। নহলে গাঁৱত ৰটনা ৰটিব – মেলেছে খোৱা বাচন কাকতিহঁতে চুৱা বুলি। মেল বহিব। সমাজে সুযোগ লৈ অবাবতে দণ্ড দিব।

যথা সময়ত সেউতীৰ আৰু একণ ল'ৰা উপজিল। বাপৰ ভায়েক সৰু বাপ হ'ল। সেউতীৰ গাত লেঠা থকাৰ বাবেই শ্ৰীমন্তৰ বিয়াখন কেইমাহমান পলম কৰিলে। নাহৰৰ লগত শ্ৰীমন্তৰ বিয়াৰ বন্দৱস্তিটো পকা-পকি কৰাত গুৰিৰে পৰা শেষলৈকে আঁটি ধৰি গ'ল মেথিয়নীয়ে। কইনাৰ মাকৰ ঘৰ তিলিকি আমৰ পৰা ছয় মাইলমান ভিতৰ সোমায়। সেউতীৰ গা ভালে নথকাৰ বাবে বিয়াৰ দিন পিছুৱাই নি শাওনৰ ভৰ বাৰিষা পালেগৈ। মেথিয়নীয়ে ৰবাৰ শহুৰেকৰ ঘৰলৈ গৈ তাতে কইনাৰ দেউতাক মাকক বুজাই-বঢ়াই বৰ জোঁৱায়েক ৰবাৰ বৰিগাঁৱৰ ঘৰৰ পৰাই বিয়াখন পাতিবলৈ সৈমান কৰালে। নহলে দৰাৰ ঘৰৰ মানুহ জাকৰ তিলিকিআমৰ পৰা এইছোৱা বাট অহাত পয়মাল ঘটিব – বাৰিষাৰ বাবে।

কাকতিৰ বৰ ল'ৰাৰ বিয়া সাতদিনীয়া হ'ল। ঢোল-দগৰেৰে ৰজনজনাই বহুত কেইখন গৰু-গাড়ীত উঠি দৰা ঘৰীয়া মানুহ আহিলে। বিয়াৰ উলহ-মালহৰ মাজতে ফজলৰ গাড়ীত দৰা অনাৰ কথাও উঠিছিল। কাকতিয়ে বাধা দি ক'লে গাঁৱৰ মানুহে মেলেছৰ গাড়ীত দৰা গ'লে অমঙ্গল হ'ব বুলি কথা উলিয়ালে ফজলে অবাবতে মনত দুখ পাব আৰু শুভ কাৰ্যৰ মাজত বিঘিনি ঘটিব। হেমন্তহঁতে ক'ৰবাৰ পৰা দৰা নিবৰ বাবে হাতী ভাৰা কৰিবলৈ ওলোৱাত কাকতিৰ ককায়েকে বাধা দিলে। "চকু-চৰহা মানুহৰ চকুত পৰাকৈ বাহুল্য কৰিলে কথা বাৰু নহ'ব। আমাৰ কাম সদায় হোৱাৰ দৰেই হ'ব। দৰাই তুলসীৰ মালা পিন্ধি গৰু গাড়ীত উঠি আন দহজনৰ লগত একেলগেই যাব।"

ভোগদৈৰ পাৰৰ ল'ৰা এজাক আছিল অলপমান উদণ্ড। বৰি গাঁৱৰ বাটত সোমোৱাৰ আগতে সিহঁতে দৰা আগচি দহকুৰি টকা দাবী কৰিলে। দৰা ঘৰৰ মানুহ আটায়ে হৰি হৰি বুলিলে। দুখনমান গাড়ীত যোৰানাম গাবলৈ ছোৱালী ভালে কেইজনী আহিছিল। দৰা আগুৰাকেইটাৰ কথা-বতৰা শুনি ভয়তে সিহঁত পেঁপুৱা লাগিল। কথাৰ সম্ভেদ পাই ৰতি মিস্ত্ৰীয়ে আহি মাজত সোমালেহি। প্ৰথমতে তেওঁকো ল'ৰাচামে উৰুৱাই দিব খুজিছিল। কথা অলপ জটিল হোৱা যেন পাই ৰবাৰ গাঁৱৰ গোটেইখিনি মানুহে আহি দৰা আগচা ল'ৰাকেইটাক বাট ভেটি ধৰিলে। ৰবাৰ গাঁৱৰ পাহোৱাল ল'ৰা এটাই সকলোৱে শুনাকৈ চিঞৰি ক'লে, "ছোৱালী আমাৰ গাঁৱৰ। দৰা আমাৰ গাঁৱলৈহে আহিছে। বাটত ইহঁত আগচিবলৈ কোন?"

শইকীয়াই গমি-পিতি চাই বুজিলে ভোগদৈৰ পাৰৰ ল'ৰাখিনিৰ লগত ৰবাৰ গাঁৱৰ ল'ৰাকেইটাৰ খৰিয়াল পুৰণি। ততালিকে শৰাইত তামোল-পাণ দি একুৰিকৈ টকাৰে দুয়োটা গোটকে মান ধৰিলে। নহলে ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হ'বগৈ বুলি অনুমান হ'ল। হৰ্ষধ্বনিৰে সৈতে হেঙাৰ এৰি দিলে। কোনো আহুকাল নোহোৱাকৈ দৰাই গৈ কইনা ঘৰৰ পদূলিমুখ পালে। এইবোৰ খকা-খুন্দাৰ মাজত কইনাঘৰৰ মানুহখিনিৰ ঠেক নোহোৱা হৈছিল। সেই বাবেই কলৰ গুৰিত দৰা ঘৰৰ মানুহ ভালেমান পৰ ৰ'বলগীয়া হ'ল। সুৱাগিৰি তুলিবলৈ ওলাওঁতে দৰা ঘৰীয়া দুই-এজন অধৈৰ্য হৈ উঠিল। এনেতে ৰবাই মেথি আৰু নেওগক লগত লৈ তামোল-পাণৰ বটাখন থিয় হৈ থকা মানুহখিনিৰ আগে আগে ধৰিলে। দৰা ঘৰীয়াৰ ভিতৰত গম্ভীৰ কাকতিৰ বৰ ভতিজাকৰ শহুৰেকো আছিল। দৰা ঘৰীয়াৰ ভিতৰত তেখেতেই বয়োজ্যেষ্ঠ আছিল বাবে তেখেতক আগে-ভাগে তামোল-পাণ নযচাৰ হেতুকে তেখেত টিঙিৰি তুলা হৈ উঠিল। শইকীয়াক মাতি আনি তেখেতে একপ্ৰকাৰ হুংকাৰ দি শইকীয়াক ক'লে, "জোঁৱাই বোপা, আপুনি এইবোৰ কি মানুহৰ লগত সম্পৰ্ক ঘটাবলৈ গ'ল? এইবোৰ মানুহে কাক কেনেকৈ মান-সন্মান দিব লাগে নেজানে। মই সকলোতকৈ শেহলৈ ৰ'ব লাগিব নেকি – তামোলখন পাবলৈ? এনেকুৱা ভদ্ৰতাজ্ঞান নথকা মানুহৰ ঘৰত আমাৰ দৰাই বিয়াত বহিব নোৱাৰে। এতিয়া দৰা, ওভতোৱা হওক। এই বিয়া ইয়াত নহ'ব।"

কথা শুনাৰ লগে লগে কেউপিনে খদমদম লাগিল। ৰবাই শৰাই এখনত মান এটা লৈ আঠু ললেহি। মেথিয়ে তামোল-পাণৰ বটাখন আগবঢ়াই তেখেতক সম্বোধন কৰি ক'লে, "খুৰাদেউ, আমি ল'ৰা মানুহ। কথাবোৰ ভালকৈ নুবুজো কাৰণে ক'ৰবাত কিবা দোষ হলে মৰিষন কৰিব। তাতে আকৌ ভোগদৈৰ পাৰৰ ল'ৰাজাকে দৰা আগচি সকলোৰে মনবোৰ উত্ৰাৱল কৰি তুলিছিল। আপোনালোকৰ আশীৰ্বাদতহে সেই আপদ আঁতৰিল।"

তেনেতে শইকীয়াই কাকতিৰ বৰ ভতিজাকক "ককাইদেউ, আহকচোন, আহকচোন" বুলি সেইখিনি পোৱালেহি। বাটত আহোতে শহুৰেকৰ গুজৰটোৰ কথা বুজাই আনিলে। শহুৰেকৰ এনেকৈ দৰাঘৰীয়া হৈ আহোতে কইনা ঘৰীয়াৰ দোষ ধৰা অভ্যাসৰ কথাটো জোঁৱায়েকে জানিছিল। সেইখিনিতে থিয় হৈয়ে জোঁৱায়েকে শহুৰেকক ক'লে, "পিতাই, কইনাৰ ভিনিহিয়েকে আঠু লৈ মান ধৰিছে। আপুনি কথা ইমানতে সামৰক।" মানৰ শৰাইখন হাতত লৈ একপ্ৰকাৰ জোৰ কৰিয়েই শহুৰেকৰ হতুৱাই চোৱাই দিলে। শহুৰেকে তেতিয়া ওফোন্দ পতাৰ দৰে অইন পিনলৈ চাই ভোৰভোৰাই ক'লে, "জোঁৱাই বোপানো মাজত কিয় সোমালহি। নহ'লে আজি মই ইহঁতক চাই ললোহেঁতেন। আজিকালিৰ মানুহে মানুহক মানুহ যেন নেদেখে।"

কথা সিমানতেই শাম কাটিল। ৰভাতলিত আটায়ে সোমালগৈ। দৰাক উচিতভাবে আদৰি নিয়া হ'ল। দুয়োপিনৰ পৰা যোৰানামৰ ৰোল উঠিল। নামতী দুয়োপিনেই পকৈত। হাৰ-জিত কাৰো নহ'ল। ইয়াৰ পিছত বিয়া সুকলমে সমাধা হৈ গ'ল।

কাকতি পৰিয়ালৰ আচল ৰণখন বিয়াৰ পিছতহে হ'ল। গম্ভীৰ কাকতিয়ে কইনাক ঘৰ গচকোৱাৰ পিছতেই সৰহিৰন্ধাত শ্ৰীমন্তলৈ বুলি সজোৱা ঘৰলৈ পঠিয়াই দিবলৈ বিচাৰিলে। শ্ৰীমন্তই আগৰ পৰাই কৈ ৰাখিছিল – নাহৰ পকামূৰাতে থাকিব। ঘৰখনৰ বৰবোৱাৰী হিচাপে তাই গুৰি ধৰিব লাগিব। এই কথাত কাকতি মান্তি নহ'ল। শ্ৰীমন্তই চকুপানী টুকি মাকক ক'লে – দেউতাকক বুজাবলৈ। ঘৰখনৰ যাতে ভাল হয় তাৰ বাবেহে এই সিদ্ধান্ত সি লৈছে। তাৰ কথাত সকলো একমত নহলে সি বৈৰাগী হৈ ভাটিলৈ যাবগৈ বুলি সকলোকে সকীয়াই দিলে। নাহৰ জঠৰ হৈ তাইৰ কোঠাটোৰ এচুকত মাটিতে বহি ৰ'ল। মধু শইকীয়াই মাজত সোমাই শ্ৰীমন্তৰ কথাৰ যুক্তিটো সকলোকে বুজালে। পিছত নাহৰক পকা-মূৰাৰ ঘৰতে থকাৰ ব্যৱস্থা কৰিলে। লাহে লাহে পকা মূৰাৰ ঘৰখনৰ গোটেই ভাৰটো নাহৰৰ ওপৰত পৰিলগৈ।

(আগলৈ)

# উজনি অসমত কেইদিনমান

দেৱব্ৰত বৰগোহাঞি

"আলফাৰ মাজত বিভাজন হ'বলৈ কেনেকৈ পালে ? ইয়াৰ বাবে দায়ী কোন ? বিভাজনৰ ফলত লাভবান কোন হ'ল ?" – এনেবোৰ প্ৰশ্নই আজি উজনি অসমৰ ৰাইজৰ মন জুৰুলা কৰিছে। কিছুমানে দায়ী কৰিছে শইকীয়া চৰকাৰক আৰু আন কিছুমানে দায়ী কৰিছে অসমৰ একাংশ সাংবাদিক-বুদ্ধিজীৱীক। আন কিছুমান ৰাইজে আকৌ সমস্ত দোষবোৰ আলফাৰ গাতে জাপি দিছে। এওঁলোকে আলফাৰ অমানৱীয় হত্যাকাণ্ডবোৰৰ বৰ্ণনা কৰি আজিও ঘৃণাত নাক কোচায়। উজনি অসমৰ যোৰহাট, তিতাবৰ, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চল ভ্ৰমণ কৰি এই প্ৰতিবেদকে কথাবোৰ লক্ষ্য কৰিছিল।

আলফাৰ বিভাজনৰ বাবে শইকীয়া চৰকাৰক দায়ী কৰা উজনি অসমৰ কিছুমান ব্যক্তিৰ লগত কথা-বতৰা পাতি গম পোৱা গ'ল যে তেওঁলোকে বিৰোধিতা কৰাৰ নামতে হিতেশ্বৰ শইকীয়া চৰকাৰক বিৰোধিতা কৰে। হিতেশ্বৰ শইকীয়াৰ নাম শুনিলেই খণ্ডত তিভিৰি-তুলা যেন হৈ এওঁলোকে উধাই-মুধাই শইকীয়াক গালি পাৰিবলৈ আৰম্ভ কৰে। দুখনমান কাকতৰ গতানুগতিক ডায়লগবোৰ এইচাম মানুহৰ মুখত আখৈ ফুটাদি ফুটা দেখি বৰ আমোদ পাইছিলো। মধ্য-বিত্তৰ সকলোবোৰ চৰিত্ৰ কঢ়িয়াই লৈ ফুৰা এইচাম মানুহৰ বিষোদগাৰ কেৱল মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওপৰতে থকা যেন লাগিল। পূৰ্বতে চকুৰ কুটা দাঁতৰ শূল গণ্য কৰা কংগ্ৰেছ (ই) চৰকাৰখনৰ প্ৰতি কৰা তীব্ৰ আক্ৰমণাত্মক মনোভাৱ এওঁলোকৰ কথা-বতৰাত নেদেখি আচৰিত হ'ব লগা হৈছিল। কিয় বাৰু এই পৰিৱৰ্তন ? থমকি ৰ'ব লগা হৈছিল ! পিছত অলপ ভিতৰলৈ সোমাবলৈ মনস্থ কৰিলো। জোলোঙাৰ মেকুৰী ওলাল। বৰ্তমান চৰকাৰৰ দিনত ইতিমধ্যে নিযুক্তি পোৱা শিক্ষক-শিক্ষয়ত্ৰৰ তালিকাত এইচাম মানুহৰ পুত্ৰ-দুহিতাসবে অনায়াসে নিযুক্তি পত্ৰখন লাভ কৰিছে ! কংগ্ৰেছ (ই)ৰ কিছুমান চেলা-চামুণ্ডা আৰু দালালৰ হাতত শকত অংকৰ টকাৰ টোপোলা তুলি দি এওঁলোকে কামফেৰা সমাপ্ত কৰিছে। অৰ্থনৈতিকভাৱে সবল এইচাম মানুহেই দালালৰ সহায়ত সমাজত আজি টকাৰ বেহা পাতিছে। ফলত বঞ্চিত হ'ব লগা হৈছে গাওঁ-চহৰৰ দুখীয়া লোকসকল। এখন জীৱন্ত প্ৰতিচ্ছবি !

১৯৯১ৰ ১২ জানুৱাৰীত আলফাৰ শীৰ্ষস্থানীয় নেতাসকলে প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওক লগ কৰিছিল একমাত্ৰ আলোচনাৰ স্বাৰ্থতে। দিল্লীৰ পৰা উভতি আহিবলৈ সময়কে নাপালে। অসমৰ অতি বিপ্লৱী কাকত দুখনমানৰ বিয়াগোম মুখ কেইখনে তাল-আফাল কৰিবলৈ লাগিল। বোলে ল'ৰাহঁতে আঁঠু ল'লে। আপোচ কৰিলে। অসমবাসীৰ বিশ্বাসঘাতক বুলিও আখ্যা দিলে। হিতেশ্বৰ শইকীয়াই দিয়া কলমকেইটাকে লৈ আলফাৰ নেতাসকলক ঘোচ-খোৰ বুলি এইমখা সাংবাদিক বুদ্ধিজীৱীয়ে আৰাও কৰিবলৈ ধৰিলে। আনৰ কুৎসাৰটনা কৰি ভালপোৱা অসমীয়ামখাক আৰু কোনে পায়। এনেকৈয়ে এচাম সাংবাদিক বুদ্ধিজীৱীয়ে তেওঁলোকৰ সন্তীয়া ধ্যান-ধাৰণাৰে অসমৰ বায়ু দূষিত কৰি পেলালে।

এতিয়া আহক দ্বিতীয়চাম মানুহৰ মন্তব্যৰ মাজলৈ। আলফাৰ বিভাজনৰ বাবে এওঁলোকে দায়ী কৰিছে অসমৰেই কিছুমান সাংবাদিক আৰু বুদ্ধিজীৱীক। এইসকল ব্যক্তিৰ মতে অসম আন্দোলনৰ ফলত আমাৰ বহুত হানি হ'লেও 'অসম চুক্তি' নামৰ সামান্য উপহাৰ এটি পাবলৈকে সক্ষম হৈছিলো। যাৰ ফলত কিছুমান হ'লেও কাম হৈছে। অসমবাসীৰ সেই জাগৰণৰ মান ৰাখিবলৈ অন্তত ঃ চুক্তি এখনকে আছে। লাগে সেইখন আপোচৰেই চুক্তি হওক। পিছে আলফাৰ জাগৰণৰ ফলত আমাৰ কিবা লাভ হ'লনে ? একত্ৰিতভাৱে অসমৰ সংযুক্ত মুক্তি বাহিনীয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিবলৈ আগবাঢ়ি অহা হ'লে অসমে বহুতো আদায় কৰিব পাৰিলেহেঁতেন।

১৯৯১ৰ ১২ জানুৱাৰীত আলফাৰ শীৰ্ষস্থানীয় নেতাসকলে প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওক লগ কৰিছিল একমাত্ৰ আলোচনাৰ স্বাৰ্থতে। দিল্লীৰ পৰা উভতি আহিবলৈ সময়কে নাপালে। অসমৰ অতি বিপ্লৱী কাকত দুখনমানৰ বিয়াগোম মুখ কেইখনে তাল-আফাল কৰিবলৈ লাগিল। বোলে ল'ৰাহঁতে আঁঠু ল'লে। আপোচ কৰিলে। অসমবাসীৰ বিশ্বাসঘাতক বুলিও আখ্যা দিলে। হিতেশ্বৰ শইকীয়াই দিয়া কলমকেইটাকে লৈ আলফাৰ নেতাসকলক ঘোচ-খোৰ বুলি এইমখা সাংবাদিক বুদ্ধিজীৱীয়ে আৰাও কৰিবলৈ ধৰিলে। আনৰ কুৎসাৰটনা কৰি ভালপোৱা অসমীয়ামখাক আৰু কোনে পায়------। এনেকৈয়ে এচাম সাংবাদিক বুদ্ধিজীৱীয়ে তেওঁলোকৰ সন্তীয়া ধ্যান-ধাৰণাৰে অসমৰ বায়ু দূষিত কৰি পেলালে। লগে লগেই শঙ্কিত হৈ পৰিল আলফাৰ শীৰ্ষ নেতৃবৃন্দ। সঁচাই বাৰু তেওঁলোক আপোচকাৰী নেকি ? বিশ্বাসঘাতকো নেকি ? ইয়াতেই কেৰোণ লাগিল। দুটা ফৈদৰ সৃষ্টি হ'ল। এনেদৰেই আলফাত বিভাজন ঘটিল। তাৰ পিছৰ অধ্যায়বোৰ ৰাইজে নিজেই দেখিছে। ডিগৈবৰ মুলিয়াবাৰীৰ এগৰাকী সচেতন ব্যক্তিক প্ৰশ্ন কৰিছিলো আলফাৰ বৰ্তমান স্থিতিৰ বিষয়ে।

"আলফাৰ উত্থানক মই আগতো নাকচ কৰা নাছিলো আৰু এতিয়াও নকৰোঁ। সেইবুলি আলফাৰ সন্ত্ৰাসবাদী চৰিত্ৰক সমৰ্থন কৰাৰ প্ৰশ্নই নুঠে। আলফাৰ বৰ্তমান স্থিতি কি তাক লৈ বহুতো জল্পনা-কল্পনাৰ মায়াজাল সৃষ্টি হৈছে। এই মায়াজালত সোমাবলৈ আমাৰ কোনো ইচ্ছা নাই। মায়াজাল গুঁঠি থকা আলফাই নিজেই



সেই জালখনতে বন্দী হৈ পৰিব যেন বোধ হয়। কাৰণ পৰিস্থিতিয়ে দেখোন তেনেদৰেই কয় !"

আলফাই বিগত দিনত 'অসম বিৰোধী' লেবেল মাৰি জধে মধে-ঘটোৱা হত্যাকাণ্ডবোৰৰ তীব্ৰ বিৰোধিতা কৰা মানুহো লগ পাইছিলো। সেইদৰে ৰাইনো আৰু বজৰঙ্গ অপাৰেশ্যন দুটাত সেনাৰ হাতত ধৰ্ষিতা আৰু নিহত হোৱা আত্মীয়- স্বজন সকলকো লগ পাইছিলো। প্ৰত্যেকেই যেন কাৰোবাৰ প্ৰতি এক প্ৰচণ্ড ঘৃণাৰ ভাব লৈ জীয়াই আছে। এচামে ভাৱে অসমখনক আলফাই বধ্যভূমিত পৰিণত কৰাইছে। আনটো চামে ভাৱে চৰকাৰেহে অসমক বধ্যভূমিত পৰিণত কৰাইছে। প্ৰত্যেকেই যেন পৃথিৱীৰ দুটা মেৰুত অৱস্থান কৰিছে। যিকি নহওক অসমৰ বৰ্তমান শান্তিপূৰ্ণ অৱস্থাটোক সকলোৱে শলাগিছে। আৰু ইয়াৰ বাহাল থকাটোকে ঐকান্তিকতাৰে কামনা কৰিছে।

**অৰবিন্দ ৰাজখোৱা অসমত ঃ** এক বিশ্বস্ত সূত্ৰে গম পোৱা মতে অৰবিন্দ ৰাজখোৱা বৰ্তমান অসমত দুৰ্গা পূজাৰ কেইদিনমানৰ আগতে অসমত বাংলাদেশৰ পৰা আহি প্ৰৱেশ কৰা ৰাজখোৱাই বৰ্তমান সংগঠনৰ কামত বাৰুকৈয়ে ব্যস্ত। আলফাৰ চেয়াৰমেনগৰাকীৰ লগত আৰু কেইবাগৰাকীও উচ্চ পৰ্যায়ৰ আলফাৰ বিষয়ববীয়া আহিছে বুলি একেটা সূত্ৰৰ দ্বাৰা গম পোৱা গৈছে। আলোচনাপন্থী আলফা সদস্যসকলক প্ৰধানকৈ চেয়াৰমেনগৰাকীয়ে লগ কৰিছে। অসমৰ বিভিন্ন ঠাইলৈ ৰাজখোৱাই আলোচনাপন্থীসকলৰ লগত বৰ্তমান অসমৰ বিভিন্ন সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিছে। আলোচনা বিৰোধী শিবিৰলৈ নিবলৈ কৰা সকলো চেষ্টা ৰাজখোৱাই চলাই আছে। কিন্তু এই পৰ্যন্ত সফল হ'ব পৰা নাই। মূল সুঁতিলৈ উভতি অহা আলফাৰ সদস্যসকলে কোনো ক্ষেত্ৰতে সেই কণ্টকপূৰ্ণ ৰাস্তালৈ উভতি যাব বিচৰা নাই। শেহতীয়াকৈ গম পোৱা মতে কম বয়সীয়া বহুতো যুৱকক আলোচনা বিৰোধী আলফা নেতাসকলে নিজৰ সংগঠনত ভৰ্ত্তি কৰিছে। গোলাঘাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ কিছুমান ভিতৰুৱা অঞ্চলত চৰকাৰৰ গোপনে ইতিমধ্যে সংগঠনত নতুনকৈ ভৰ্তি হোৱা সদস্যসকলে বেলেগ বেলগে শিবিৰত প্ৰশিক্ষণ লৈছিল বুলি খবৰ পোৱা গৈছে। এই বাতৰিয়ে বহুতকে আচৰিত কৰি তুলিছে।

**সুখৰ খবৰ ঃ** উজনি অসমৰ প্ৰায়বোৰ ঠাইৰেই আলফাৰ সদস্যসকলে বৰ্তমান আত্মসমৰ্পণ কৰি শান্তিৰ পথলৈ ঘূৰি আহিছে। বিভিন্ন ঠাই ঘূৰি ফুৰোতে আমাৰ এই অভিজ্ঞতাই হ'ল। ডিব্ৰুগড় জিলাৰ কিছুমান সদস্যই অৱশ্যে আজি পৰ্য্যন্ত আত্মসমৰ্পণ কৰা নাই। আত্মসমৰ্পণ কৰা আলফা সদস্যসকলে সৰহভাগ ঠাইতেই সমাজৰ উন্নয়নমূলক কামত অংশগ্ৰহণ কৰা দেখা গৈছে। বহুদিন সমাজৰপৰা নিলগত থকা অসম সংযুক্ত মুক্তি বাহিনীৰ সদস্যসকলে আন্তৰিকতাৰে মিলিবলৈ লোৱা দৃশ্যবোৰ বেছ মনোমুগ্ধকৰ। অলপতে এই প্ৰতিবেদকে আলোচনাপন্থী কেইজনমান

উজনি অসমৰ প্ৰায়বোৰ সমষ্টিতে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চৰমৰ পৰা চৰমতম দুৰ্নীতি হোৱা বুলি বিভিন্নজনে মন্তব্য কৰা শুনা গ'ল। খীৰতি গাই বিক্ৰী কৰি ভঁৰালৰ ধান বেচি সৰ্বস্বান্ত হোৱা বিভিন্নজনৰ লগত কথা-বতৰা পতাৰ পিছত স্থানীয় সভ্য-গব্য দালালৰ বিষয়ে বহুত কথা গম পোৱা গ'ল। কোনোমতে পেটে-ভাতে খাই থকা এই দুখীয়া মানুহবোৰৰ পৰা চাকৰি দিম বুলি লোভ দেখুৱাই হাজাৰ হাজাৰ টকা আত্মসাৎ কৰাৰ খবৰ আগতে শুনিছিলোহে,এইবাৰ সকলোবোৰ নিজ চকুৰে দেখিলো। নিজ কাণেৰে শুনিলো বহুতৰ হৃদয় বিদাৰক কাহিনী। সময়ত 'সূত্ৰধাৰ'ৰ পাতহে সকলোবোৰ প্ৰকাশ কৰাৰ আশা থাকিল।

আলফা নেতাক লগ পাইছিল। এওঁলোকৰ ভিতৰত কাচিনত প্ৰশিক্ষণপ্ৰাপ্ত যুৱকো আছিল। একেৰাহে বহুতপৰ এওঁলোকৰ লগত আলোচনা-বিলোচনা চলিছিল। কথা প্ৰসংগত এজনে বৰ দুঃখেৰে কৈছিল যে "আপোনালোকৰ সাংবাদিক-বুদ্ধিজীৱীসকলেই আমাৰ মাজত বিভাজন আনিলে। অসমলৈ শান্তিৰ পৰিৱেশ উভতাই আনিবৰ বাবেহে আমি আত্মসমৰ্পণ কৰিছিলো। আন স্বাৰ্থত নহয়। আমাক গোৱাল-গালি এসোপা পৰাৰ আগতে আমি কি পৰিস্থিতিত কিয় আত্মসমৰ্পণ কৰিলো, তাৰো বিচাৰ কৰি লোৱা প্ৰয়োজন। নিজৰ দৃষ্টি-বিশ্লেষণবোৰ সঁচা নহবওতো পাৰে, গুৱাহাটীৰ পৰা আমাক চাবলৈ বিচাৰিলে ভুল হোৱাটো স্বাভাৱিক। আজি-কালি সেয়েহে আপোনালোকৰ ওপৰত ধিক্কাৰ দিবলৈ মন যায়।"

সমাজৰ মুক্ত পৰিৱেশটোলৈ আহি কেনে লাগিছে বুলি সোধাত আন এগৰাকী সদস্যই ক'লে, " বৰ টান পাইছিলো প্ৰথমতে। চিনাকি হোৱাৰ পিছত মানুহবোৰে আমাক আচৰিত বস্তু চোৱাদি চাইছিল। তেতিয়া ক'লৈ যাওঁ কি কৰো লাগিছিল। প্ৰথম অৱস্থাত মানুহবোৰে আমাক ভুল বুজিছিল। তেতিয়া বৰ অশান্তি পাইছিলো। এইকেইদিন অৱশ্যে শান্তি পাইছো। তেওঁলোকে আমাক বুজি উঠিছেগৈ।" মাৰ্জিত হাঁহিৰে মোৰ আগত কথাবোৰ কৈ থকা এই আলফা সদস্যগৰাকীৰ নাম নুশুনা মানুহ শিৱসাগৰ জিলাখনত খুব কমহে আছে। সংগীতত অসম্ভৱ ৰাপ থকা এই যুৱকগৰাকীয়ে ইতিমধ্যে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানবোৰৰ স'তে জড়িত হৈ পৰিছে। হাতত AK-47 লোৱা এই সাহসী যুৱকগৰাকীৰ হাতত এতিয়া আপুনি দেখিব সুৰৰ মূৰ্চ্ছনা তোলা যন্ত্ৰ-পাতি। অসমবাসীৰ বাবে এয়া সঁচাই এক সুখৰ খবৰ নহয়নে ?

**উৎকট দুৰ্নীতিৰ পোহাৰ ঃ** বিভিন্ন ঠাইৰ বিভিন্ন মানুহক লগ কৰি শিক্ষক নিযুক্তিত কেনেধৰণৰ দুৰ্নীতি হৈছে তাৰ বিষয়ে সবিশেষ জানিবলৈ ইচ্ছা কৰিছিলো।

উজনি অসমৰ প্ৰায়বোৰ সমষ্টিতে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চৰমৰ পৰা চৰমতম দুৰ্নীতি হোৱা বুলি বিভিন্নজনে মন্তব্য কৰা শুনা গ'ল। খীৰতি গাই বিক্ৰী কৰি ভঁৰালৰ ধান বেচি সৰ্বস্বান্ত হোৱা বিভিন্নজনৰ লগত কথা-বতৰা পতাৰ পিছত স্থানীয় সভ্য-গব্য দালালৰ বিষয়ে বহুত কথা গম পোৱা গ'ল। কোনোমতে পেটে-ভাতে খাই থকা এই দুখীয়া মানুহবোৰৰ পৰা চাকৰি দিম বুলি লোভ দেখুৱাই হাজাৰ হাজাৰ টকা আত্মসাৎ কৰাৰ খবৰ আগতে শুনিছিলোহে, এইবাৰ সকলোবোৰ নিজ চকুৰে দেখিলো। নিজ কাণেৰে শুনিলো বহুতৰ হৃদয় বিদাৰক কাহিনী। সময়ত 'সূত্ৰধাৰ'ৰ পাতহে সকলোবোৰ প্ৰকাশ কৰাৰ আশা থাকিল। ◼



OKDISCD

এটা স্বাস্থ্য টনিকত থাকিব লগা
খিনি ... আনকি বেছিকৈহে, ইয়াত আছে





## চিংকাৰা। আপোনাৰ দেহৰ বাবে সম্পূৰ্ণ পুষ্টি।

চিংকাৰা হ'ল মূলতত্ত্ব, বনৌষধি আৰু ভিটামিনৰ এটা অদ্বিতীয় সংমিশ্ৰণ। ইয়াত পৰ্যাপ্ত মাত্ৰাত আয়ৰণ, কেলচিয়াম আৰু জিংক থাকে। তদুপৰি ইয়াত লেশমানো এলক'হল নাই। চিংকাৰাই এনেকৈ গুণ দিয়ে।

### স্কুলীয়া ল'ৰাছোৱালী

চিংকাৰাই ভোক বঢ়ায় আৰু মস্তিস্কৰ ক্ষমতা বঢ়োৱাত আচলতেই সহায় কৰে।

সেইটো সম্ভৱ হয় এই কাৰণেই যে চিংকাৰাত থকা সুক্ষ্ম পুষ্টিকৰ উপাদানবোৰে( বিশেষকৈ জিংক আৰু আয়ডিন) মস্তিস্কৰ কোষবোৰৰ বাবে অতি প্ৰয়োজনীয় পুষ্টিৰ যোগান ধৰে। গতিকে শিকাৰ আৰু মনত ৰখাৰ ক্ষমতা বাঢ়ে।

### গৰ্ভৱতী মহিলাৰ বাবে

গৰ্ভৱতী আৰু পোৱাঁতী মাতৃক প্ৰয়োজনীয় ভিটামিন যোগান ধৰাত চিংকাৰাই সহায় কৰে। কাৰণ, ইয়াত থাকে ফলিক এচিড, ভিটামিন–বি১২, আয়ৰণ, কেলচিয়াম আৰু জিংক–যিবোৰ মাতৃ আৰু কেঁচুবাৰ স্বাস্থ্যৰ বাবে অতি আৱশ্যকীয়।

### প্ৰাপ্ত বয়স্কৰ বাবে

বিভিন্ন কাৰণত দেহ-মনৰ ওপৰত যি হেঁচা আৰু জোৰ পৰে তাৰে চাই চিংকাৰাই হ'ল সংক্ৰমণৰ বিৰুদ্ধে শ্ৰেষ্ঠ সুৰক্ষা। তেজৰ চলাচল নিয়মীয়া কৰা, যকৃতৰ চাৰিওফালে চৰ্বি কমোৱা আৰু পাক প্ৰণালীটো সক্ৰিয় কৰি তোলাত চিংকাৰাই সহায় কৰে।

### বৃদ্ধ সকলৰ বাবে

বৃদ্ধ সকলক বল যোগোৱাৰ আদৰ্শ টনিক হল চিংকাৰা। বৃদ্ধাৱস্থাত দেহত প্ৰয়োজনীয় তত্ত্ববোৰ কম হোৱা আৰু অন্য ৰোগ হোৱাৰ বিৰুদ্ধে চিংকাৰাই সুৰক্ষা দিয়ে। এনে প্ৰায়বোৰ ৰোগ হয় অপৰিপুষ্টি বা অসন্তুলিত আহাৰৰ বাবেই।

গতিকে চিংকাৰা খাওক। • আপোনাৰ গোটেই পৰিয়ালৰ বাবে আদৰ্শ স্বাস্থ্য টনিক।
• দামৰ ফালৰ পৰাও অতিশয় লাভদায়ক।






কেতবোৰ নামজ্বলা ব্ৰেন্ডৰ টনিকত থকা (প্ৰতিষ্টো পালিত) আয়ৰণ, কেলছিয়াম, জিংক আৰু এলক'হলৰ পৰিমাণৰ এটা তুলনাত্মক টোকা আৰু লগতে সেইবোৰৰ মূল্য।

| Reputed brands of tonics | Iron (mg) | Calcium (mg) | Zinc (mg) | Alcohol content percent (V/V) | Contents per unit pack | Retail price excluding tax (Rs.) |
|---|---|---|---|---|---|---|
| 1. | — | 12.4 | — | 12.00 | 400 | 31.95 |
| 2. | — | — | — | 11.0 | 240 | 32.00 |
| 3. | 9.68 | — | — | — | 454 | 27.50 |
| 4. | 13.00 | — | — | — | 200 | 25.31 |
| 5. | 21.50 | — | 0.00682 | 5.5 | 200 | 28.26 |
| 6. | 16.709 | — | — | — | 300 | 23.40 |
| 7. | — | — | — | — | 200 | 28.00 |
| 8. | 7.63 | — | 0.50 | — | 100 | 35.00 |
| 9. | 5.60 | 9.50 | — | 9.5 | 300 | 31.95 |
| Cinkara | 20.59 | 19.07 | 2.00 | Nil | 500 | 24.44 |

মূলতত্ত্ব, বনৌষধি আৰু ভিটামিনৰ অদ্বিতীয় সংমিশ্ৰণ

Hamdard

চিঙ্কাৰা
গোটেই বছৰ জুৰি
পৰিয়ালৰ আটাইৰে বাবে বিশ্ববিখ্যাত টনিক




# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

(যোৱা সংখ্যাৰ পাছৰ পৰা)

কফিৰ দোকানতে বহা আড্ডাৰ অন্যতম বিষয় আছিল চিনেমা। আটাইকেউজন লগৰীয়াৰ কথাছবিৰ ওপৰত সুস্থ আৰু সম্যক দৃষ্টিভংগী আছিল। এই "কফি হাউচ"তে এদিন "ফিল্ম চচাইটি" প্ৰতিষ্ঠা কৰি বিশ্বৰ ভাল ভাল কথাছবি চোৱাৰ প্ৰস্তাব আহিছিল। ৰ'জাৰ মানভেলৰ বিখ্যাত কিতাপ "ফিল্ম"ৰ ওপৰত আলোচনা হৈছিল "কফি হাউচ"ত। আলোচনাৰ অন্তত "কলিকতা ফিল্ম চচাইটি" প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হয়। কিন্তু "কলিকতা ফিল্ম চচাইটি" গঢ়ৈলে উঠাৰ পথত নানা প্ৰতিবন্ধকতাই দেখা দিলে। প্ৰথম কথা বিশ্ববিখ্যাত কথা ছবিবোৰ আনিব ক'ৰ পৰা ? আনিব পাৰিলেও দেখুৱাব ক'ত ? তাৰ উপৰি এই সকলোবোৰ কথাৰ মূল বস্তু অৰ্থ। সেয়াও নাই। মন কৰিলেই চন হোৱাৰ দৰেই প্ৰথমতে চচাইটি গঢ়ি তোলা উৎসাহীসকলৰ দান-বৰঙণি আৰু সদস্যভুক্ত কৰাৰ বাবে লোৱা ফিজলৈ সকৰৈ পুঁজি এটা গঢ়ি উঠাৰ পিছত আমেৰিকান এমবেচী, বৃটিছ ফিল্ম ইন্‌ষ্টিটিউট আৰু কলিকতাত থকা ইংৰাজী বোলছবিৰ পৰিবেশকৰ লগত যোগাযোগ কৰি সত্যজিত আৰু তেওঁৰ সতীৰ্থসকলে বিদেশী কথাছবি অনাৰ ব্যৱস্থা কৰিলে। অৱশেষত জাৰ্মান সংগীতজ্ঞৰ ওপৰত নিৰ্মিত "দ্যা গ্ৰেট ৱৰন্ড" নামৰ কথাছবিখন "কলিকতা ফিল্ম চচাইটি"ৰ আছিল প্ৰথম নিবেদন। সত্যজিৎ ৰায়ৰ ঘৰত কথাছবিখন দেখুওৱা হ'ল। কাৰণ, তেতিয়া চচাইটিৰ কোনো ঘৰ নাছিল আৰু কোনো কথাছবিৰ প্ৰেক্ষাগৃহই এনেদৰে ফিল্ম চচাইটিৰ দ্বাৰা কথাছবি দেখুৱাবলৈ নিদিছিল। সত্যজিতৰ ঘৰটোৱেই আছিল পোনতে ফিল্ম চচাইটিৰ কাৰ্যালয়। তেওঁৰ ঘৰতে চচাইটিৰ সদস্যসকল আহি গোট খাইছিল। তাৰ পিছত আৰম্ভ হয় এখনৰ পৰা এখনকৈ বিশ্ববিখ্যাত কথাছবি চোৱাৰ দুৰ্লভ সৌভাগ্য। তেতিয়াও চচাইটিৰ নিজা ঘৰ নাছিল। এবাৰ আইজেন ষ্টাইনৰ "বেটলশ্বিপ পোটেমাকিন" কথাছবিখন এটা পৰিত্যক্ত গেৰেজত দেখুওৱা হৈছিল। নানা অসুবিধাৰ মাজেদি "কফি হাউচ"ৰ সদস্যসকলৰ নিষ্ঠা আৰু অপৰিসীম কষ্ট স্বীকাৰৰ পিছতহে একোখন কথাছবি দেখুৱাটো সম্ভৱ হৈছিল। চচাইটিৰ সদস্য সংখ্যা বৰ কম আছিল। গতিকে মূল বস্তু পুঁজিৰ অভাৱত কোনো কাম ভালদৰে আগবাঢ়িব পৰা নাছিল। তথাপি যথেষ্ট সংখ্যক ভাল বোলছবি দেখুৱাৰ লগতে চচাইটিৰ পৰা কথাছবি সম্পৰ্কীয় বুলেটিন প্ৰকাশ পাবলৈ ধৰে। সত্যজিতৰ প্ৰচেষ্টাতে কিমাৰ এজেন্সী আৰু চিগনেট প্ৰেছৰ সা-সুবিধাবোৰ ব্যৱহাৰ কৰি এই বুলেটিনখন প্ৰকাশ পায়। ইয়াতে কথাছবি সম্পৰ্কত লেখা সত্যজিতৰ প্ৰবন্ধবোৰ প্ৰকাশ পাইছিল। পিছত এই প্ৰবন্ধবোৰৰ সংকলন "Our Films Their Films" অৰিয়েন্ট লংমেনে ১৯৭৬ চনত প্ৰকাশ কৰে।

ফিল্ম চচাইটিত কথাছবিৰ বিষয়ে সদায়ে আলোচনা হয়। এই আলোচনাৰ মাজতে ১৯৪৮ চনত এদিন কফিৰ দোকানত (ফিল্ম চচাইটিৰ সদস্যসকলৰ বেছি ভাগেই "কফি হাউচ"ৰো সদস্য আৰু নিতৌ এটা সময়ত প্ৰায় আটাইকেউজন ইয়াতে এবাৰ গোট খাই আড্ডা মাৰে) এখন কথাছবি কৰাৰ কথা আলোচনা হয়। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ উপন্যাস "ঘৰে বাইৰে"ৰ চিত্ৰনাট্য যুগুত কৰাৰ কথা ইতিমধ্যে সত্যজিত ৰায়ে মনতে ভাবি আছিল। এই দিশত তেওঁ উপন্যাসখন ভালদৰে পঢ়ি লোৱাৰ উপৰিও চিত্ৰনাট্য কিদৰে প্ৰস্তুত কৰে তাৰো ওপৰত ব্যাপক অধ্যয়ন আৰু চিন্তা চৰ্চা কৰি আছিল। ১৯৪৬ চনৰ পৰাই তেওঁ চিত্ৰনাট্য লিখাৰ কামত হাত দিছিল। ৰেণ ক্লাৰে লেখা "The Ghost Goes West" , আৰু জন গেছনাৰ আৰু দাদলে নিকলচৰ দ্বাৰা সম্পাদিত "Twenty best Film Plays" গ্ৰন্থখন ভালদৰে তেওঁ অধ্যয়ন কৰি চিত্ৰনাট্য লেখাৰ বৌদ্ধিক প্ৰস্তুতি কৰি লৈছিল। সকলো কথা "কফি হাউচ"ৰ আড্ডাতে খৰচি মাৰি আলোচনা কৰাৰ পিছত ঠিক হ'ল যে সত্যজিতে "ঘৰে বাইৰে"ৰ চিত্ৰনাট্যৰ ৰূপ দিব, হৰিসাধন দাসগুপ্তাই পৰিচালনা কৰিব, জ্যোতিৰিন্দ্ৰ মিত্ৰই সংগীত পৰিচালনা, বংশী চন্দ্ৰগুপ্তই আৰ্ট ডিৰেক্টৰৰ কাম আৰু অজয় কৰে দৃশ্য গ্ৰহণৰ দায়িত্ব পালন কৰিব। হৰিসাধন বাবুৰ আৰ্থিক অৱস্থা বেছ লাভ আছিল কাৰণে পোনেই তেওঁ ঘৰৰে বাইৰে"ৰ কপি ৰাইট শান্তিনিকেতনৰ পৰা বিশ হাজাৰ টকা দি কিনি ল'লে। এই লৰালৰি কৰাৰ কাৰণ আছিল যে নীতিন বসুৱে "ঘৰে বাইৰে"ৰ ওপৰতে হিন্দী আৰু বাংলা ভাষাত কথাছবি কৰাৰ মনস্থ কৰিছে বুলি গুজৱ এটা ওলাইছিল। এই গুজৱ সত্যলৈ পৰিণত হোৱাৰ আগতে হৰিসাধন বাবুৱে কিতাপখনৰ কপি ৰাইট কিনি ল'লে। প্ৰায়বোৰ কাম নিয়াৰিকৈ আৰম্ভ হ'ল। বংশী চন্দ্ৰ গুপ্ত আৰু সত্যজিতে আলোচনা কৰি দৃশ্য গ্ৰহণৰ ঠাইবোৰ ঠিক কৰিলে; হৰিসাধনে এটা কাৰ্যালয় প্ৰতিষ্ঠা কৰিলে; ৰাধামোহন ভট্টাচাৰ্যই নিখিলেশৰ চৰিত্ৰৰ অভিনয় কৰিব; বিমলাৰ চৰিত্ৰত অভিনয় কৰাৰ অভিনেত্ৰীৰ সন্ধান চলি আছে; প্ৰযোজক হ'বলৈ আগবাঢ়ি আহিল মাখন ঘোষ। কিন্তু প্ৰযোজনকৰ চিত্ৰনাট্যত হস্তক্ষেপ আৰু সত্যজিতৰ হৰিসাধনৰ লগত মতানৈক্য আদিত পৰি "ঘৰে বাইৰে" কথাছবিৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত নহ'ল। ৩৬ বছৰৰ পিছত অৰ্থাৎ ১৯৮৪ চনত সত্যজিৎ ৰায়ৰ পৰিচালনাতে এই কথাছবিখনে মুক্তি লাভ কৰে। এটা সুন্দৰ সপোন দিঠকত পৰিণত হ'বলৈ সুদীৰ্ঘ তিনিটা যুগ লাগিল।

এই সময়তে অৰ্থাৎ ১৯৪৯ চনত ফৰাচী চলচ্চিত্ৰ পৰিচালক জঁ ৰেণোঁ কলিকতালৈ আহিছিল তেওঁৰ কথাছবি "দ্যা ৰিভাৰ"ৰ দৃশ্য গ্ৰহণৰ কাৰণে। তেওঁ আহি পত্নীৰে সৈতে গ্ৰেট ইষ্টাৰ্ণ হোটেলত উঠিছিলহি। তাতে আহি মানিক বাবুৱে ৰেণোঁক সাক্ষাৎ কৰে। তেওঁক প্ৰথমবাৰ লগ পাই মানিক বাবু বৰকৈ মোহিত হ'ল। অতিকৈ অমায়িক আৰু সহজতে লগ পাব পৰা ৰেণোঁৱে সত্যজিতৰ সৈতে কথাছবিৰ বিষয়ে বহুতো কথা আলোচনা কৰিলে। "দ্যা ৰিভাৰ" দৃশ্য গ্ৰহণৰ সময়ত কেইবাবাৰো দুয়োৰে মাজত একে বিষয়ৰ ওপৰত আলোচনা হৈছিল। মানিক বাবুৱে তেওঁৰ আগত "পথেৰ পাঁচালী" কথাছবি কৰাৰ আঁচনিৰ কথাও আলোচনা কৰিছিল। সত্যজিৎ যিদৰে ৰেণোঁৰ অমায়িক আচৰণ আৰু সুস্থ চিন্তাধাৰা দেখি মোহিত হৈছিল, ৰেণোঁৱেও সত্যজিতৰ কথাছবি সম্পৰ্কত ব্যাপক জ্ঞান আৰু পশ্চিমীয়া কথাছবি সম্পৰ্কত তীক্ষ্ণ দৃষ্টি ভংগী দেখি বৰ ভাল পাইছিল। ৰেণোঁক অৱশ্যে সেই সময়ত বৰকৈ মুগ্ধ কৰিছিল সাহিত্যিক কমল কুমাৰ মজুমদাৰে। যি কি নহওক, ৰেণোঁৱে সত্যজিতক ইউৰোপত সেই সময়ত চলি থকা নিউ ৰিয়েলিজিম বা নৱ বাস্তৱবাদৰ বিষয়ে পৰিষ্কাৰভাবে বুজি উঠাত যথেষ্ট সহায় কৰে

আৰু এইবোৰ কথাই "পথেৰ পাঁচালী" কথাছবিখন নিৰ্মাণ কৰাৰ সময়ত বাৰুকৈ প্ৰভাব বিস্তাৰ কৰিছিল। সেয়েহে ১৯৮৭ চনত ফৰাচী ৰাষ্ট্ৰপতি মেটাৰঁ কলিকতালৈ আহি সত্যজিত ৰায়ক ফ্ৰান্সৰ সৰ্বোচ্চ সন্মান "লেজিয়ঁ দ'নৰ" প্ৰদান কৰাৰ সময়ত তেওঁ (অৰ্থাৎ সত্যজিৎ ৰায়ে) কৈছিল ঃ জঁ ৰেণোঁ। তেওঁৰ কথাছবি পৰিচালনাৰ প্ৰধান দিশনিৰ্দেশক।

ৰেণোঁৰ কথাছবি "দ্যা ৰিভাৰ" আশাপ্ৰদভাবে ভাল নহ'ল। অধিক আবেগিক হোৱাৰ কাৰণে আৰু ভাৰতীয় সমাজ জীৱন ভালদৰে উপলব্ধি কৰিব নোৱাৰা কাৰণে বোধহয় ছবিখনে সাফল্য অৰ্জন কৰিব নোৱাৰিলে। ৰেণোঁৰ সম্পৰ্কে তেওঁ প্ৰবন্ধ এটা যুগুত কৰিলে। "ৰেণোঁ ইন কেলকাতা" শীৰ্ষক প্ৰবন্ধটো লণ্ডনৰ পৰা প্ৰকাশিত 'চিকোয়েন্স' পত্ৰিকাত প্ৰকাশ পায়। এয়া অৱশ্যে কথাছবি সম্পৰ্কত প্ৰকাশিত তেওঁৰ প্ৰথম প্ৰবন্ধ নাছিল। ইয়াৰ আগতে ১৯৪৮ চনত কলিকতাৰ পৰা প্ৰকাশিত "ষ্টেট্‌চমেন" কাকতত প্ৰকাশ পোৱা "হোৱাট ইজ ৰং উইথ ইণ্ডিয়ান ফিল্মচ" প্ৰবন্ধটো আছিল কথাছবি সম্পৰ্কত লেখা প্ৰথম প্ৰবন্ধ।

১৯৪৮ চনৰ অক্টোবৰ মাহত সত্যজিতে সৰু কালৰ লগৰী বিজয়া দাসক বিয়া কৰায়। বিয়াখন হয় বোম্বাইত এটা সাধাৰণ ধৰণৰ পঞ্জীয়নৰ যোগেদি। মাক সুপ্ৰভাই বিয়াখনত ভাল পোৱা নাছিল। সত্যজিতৰ জেঠাইয়েকৰ নাতিনীয়েক বিজয়া সম্পৰ্কীয় হোৱাৰ কাৰণেই সুপ্ৰভাই এই বিয়াখন পছন্দ কৰা নাছিল। সৰুৰে পৰা সংগীত চৰ্চা কৰা বিজয়াই এসময়ত অভিনয়ো কৰিছিল। কলিকতালৈ আহি মাকৰ ইচ্ছা অনুযায়ী ব্ৰাহ্ম সমাজৰ নীতি অনুযায়ী সত্যজিতে অনুষ্টুপীয়াকৈ বিয়াৰ কাম সম্পন্ন কৰে। আপোনতে বিয়াখন হোৱাৰ কাৰণে সুপ্ৰভাই কিছুদিনলৈ কথাটো সহজভাবে ল'ব পৰা নাছিল। কিন্তু লাহে লাহে বাস্তৱক মানিলৈ তেওঁ বোৱাৰীয়েকক চেনেহৰ মাজত আঁকোৱালি ললে। বিশেষকৈ, বিয়াৰ এবছৰৰ পিছত শাহুৱেক সুপ্ৰভা অসুখত ভোগাৰ সময়ত বিজয়াই যিদৰে শুশ্ৰূষা কৰিছিল সেই কথাই দুয়োৰে মাজত যিকণ ব্যৱধান আছিল সেয়া আঁতৰ কৰি দিলে।

১৯৫০ চনৰ আগ ভাগতে তেওঁ এটা সুসংবাদ পালে। তেওঁৰ চাকৰি প্ৰতিষ্ঠান কিমাৰৰ ব্যৱস্থাপনাই সত্যজিতক লণ্ডনত গৈ বিজ্ঞাপন কলাৰ সম্পৰ্কত উচ্চ প্ৰশিক্ষণৰ কাৰণে পঠোৱাৰ দিহা কৰিছে। কথাষাৰ জানিব পাৰি সত্যজিতৰ কেইবাটা কাৰণেই ভাল লাগিল। প্ৰথম কথা, পশ্চিমীয়া কলা জগতৰ লগত তেওঁ পোনপটীয়া সম্পৰ্ক স্থাপন কৰিব পাৰিব। দ্বিতীয়তে, এই যাত্ৰাত ভাল বিদেশী কথাছবি চোৱাৰ লগতে কথাছবি নিৰ্মাণৰ কৌশলো আয়ত্ত কৰিবলৈ সুবিধা পাব। তৃতীয়তে, এদিন যিঠাইত তেওঁৰ পিতাক সুকুমাৰ ৰায়ে আৰ্ট শিকিছিল সেই একে ঠাইতে মানিকেও চাৰু-কলাৰ নতুন দিগন্ত পোৱাৰ সন্ধানত ওলাইছে। কিমাৰৰ কলিকতাস্থ প্ৰধান বিষয়া ক্ৰুমে সত্যজিতক ফেব্ৰুৱাৰী মাহৰ ভিতৰতে লণ্ডন পোৱাকৈ যাত্ৰা কৰিবলৈ কৈছিল। পিছে সেই সময়ত বৰকৈ ঠাণ্ডা পাব বুলি ভাবি সত্যজিতে এপ্ৰিল মাহতহে যাত্ৰা ঠিক কৰিলে। এসময়ত সন্ধিয়া প্ৰায় সদায়ে লগ দিয়া নৰমান ক্লাৰ তেতিয়া লণ্ডনত। গতিকে বিজয়াই তেওঁলৈ লিখিলে যে তেওঁলোক দুয়ো এপ্ৰিল মাহত গৈ উপস্থিত হ'ব। তেওঁলোক থাকিব পৰাকৈ অলপ ঠাই, ৰন্ধা-বঢ়া কৰাৰ সঁজুলিৰ যা-জোগাৰ কৰি ৰাখে যেন। নৰমানৰ চাৰিতলা ঘৰটোৰ এটা ফ্লেট সত্যজিৎ আৰু বিজয়াৰ বাবে ঠিক-ঠাক কৰি ৰাখিলে। সেইমতে দুয়ো গৈ নৰমানৰ ঘৰতে উঠিলগৈ। তিনিওৰে পুৰণি বন্ধুত্ব নতুনকৈ সজীৱ হৈ উঠিল।

কিমাৰৰ লণ্ডনস্থ কাৰ্যালয়টো কলিকতাৰ কাৰ্যালয়তকৈ সৰু। এই সৰু আকাৰৰ কাৰ্যালয়ত মিঃ বল নামৰ সৰু মনৰ উৰ্দ্ধতম বিষয়া এজন আছিল ইয়ালৈ অহাৰ এমাহ মানৰ পিছতে সত্যজিতৰ এই বিষয়াজনৰ লগত বিবাদ ঘটে। ঘটনাটো এনে ধৰণৰ। লণ্ডনৰ পৰা প্ৰকাশিত "Observer"ৰ কাৰণে সত্যজিতে কিমাৰৰ হৈ এখন পোষ্টাৰ আঁকি দিছিল। সত্যজিতে কলিকতাত থাকোতে অঁকা এইখন পোষ্টাৰে বহুতৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। লণ্ডনত কিমাৰৰ কাৰ্যালয়ত মিঃ বলে আন এজনৰ আগত এইখন পোষ্টাৰ তেওঁ নিজে অঁকা বুলি কৈ ফুটনি মাৰি থকা শুনিবলৈ পায়। কথাষাৰৰ প্ৰতিবাদ কৰিলে মানিকে। কথাৰ কটা-কটি হ'ল। গোটেই কথাটো তেওঁ ততালিকে কলিকতাৰ কাৰ্যালয়ৰ ব্ৰাউনৰ দৃষ্টিগোচৰ কৰিলে আৰু বলৰ কাৰ্যালয় এৰি তেওঁ কিমাৰৰ অন্য এটা কাৰ্যালয় বেনচনত চাকৰিত যোগদান কৰিলে। ব্ৰাউনে সত্যজিতক সম্পূৰ্ণ সমৰ্থন জনালে। কেইবাদিন ধৰি সত্যজিতৰ খং আৰু ক্ষোভ মাৰ যোৱা নাছিল। এই সম্পৰ্কত তেওঁ মেৰী চিতনক এবাৰ কৈছিল যে ভাৰতলৈ অহা ইংৰাজসকলতকৈ ইংলণ্ডত থকা ইংৰাজসকল ওপৰ স্তৰৰ মানুহ বুলি তেওঁ সদায়ে মনতে ভাবি আহিছিল। কিন্তু তেওঁ লণ্ডন চহৰত মিঃ বলৰ দৰে ঠেক মনৰ মানুহ পাব বুলি কল্পনা কৰিব পৰা নাছিল। তেওঁৰ ঘনিষ্ঠ বন্ধু নৰমানক এই ঘটনাটো নকলে। মনতে ভাব হ'ল নৰমানে কথাষাৰ শুনি নিশ্চয় লাজ পাব আৰু বন্ধুক এনেদৰে মনত দুখ দিয়াটো উচিতো নহ'ব। সত্যজিতৰ জীৱনত বোধকৰো এয়া প্ৰথম আৰু শেষবাৰৰ কাৰণে খং উঠিছিল।

লণ্ডনত থকাৰ পাঁচ মাহ কালত সত্যজিত আৰু বিজয়াই আৰ্টৰ ওপৰত হোৱা প্ৰায় সকলোবোৰ প্ৰদৰ্শনী চাইছিল। দেউতাক সুকুমাৰে যিদৰে চাৰু-কলা শিকোতে লণ্ডনত সময় কটাইছিল একেদৰেই সত্যজিতেও তেওঁৰ প্ৰধান উদ্দেশ্য– কলা সম্পৰ্কীয় জ্ঞান আহৰণ কৰাৰ বাহিৰে আন কামত খৰচ কৰা নাছিল। চহৰ ফুৰা কাম একেবাৰেই কৰা নাছিল। কেইজনমান ইংৰাজ বন্ধুৰ সৈতে ঘনিষ্ঠতা হোৱাৰ কাৰণে তেওঁলোকৰ লগত ভাল কথাছবি চোৱা আৰু কলা সম্পৰ্কীয় আলোচনাৰ ভাগ লোৱাত সত্যজিতে সময় দিছিল। এই বন্ধুসকলৰ ভিতৰত "চিকোৱেন্স"ৰ লিণ্ডচে এনদাৰচন অন্যতম আছিল। তেওঁৰ লগত ভালে সংখ্যক কথাছবি চোৱাৰ সত্যজিতে সুযোগ পাইছিল। কথাছবিৰ সমালোচক হিচাবে এনদাৰচনৰ সুনাম আছিল। অতিকৈ সংবেদনশীল এইজন মানুহে ১৯৫৬ চনত কেনচ্‌ মহোৎসৱত "পথেৰ পাঁচালী" কথাছবিখন চাই "Observer" কাকতৰ বাবে অতি সুন্দৰ সমালোচনা লিখিছিল। পাঁচ মাহ কালত সত্যজিতে প্ৰায় এশখন কথাছবি চাইছিল। তাৰ ভিতৰত বিশ্ববিখ্যাত কথাছবি "Bicycle Thieves" অন্যতম আছিল। এই কথাছবিখন চাই তেওঁ মনস্থ কৰিলে তেওঁ এদিন কথাছবি পৰিচালনা কৰিবই। দি চিকাই নিৰ্মাণ কৰাৰ দৰেই মহৎ কথাছবি তেৱোঁ কৰিব। মনলৈ আহিল বিভূতি ভূষণৰ অমৰ উপন্যাস "পথেৰ পাঁচালী"ৰ কথা। দি চিকাই যিদৰে ৰোম নগৰৰ সমীপ পটভূমিত অখ্যাত অভিনেতা-অভিনেত্ৰীক লৈ অলপমান পুঁজিৰ সহায়ত কথাছবি নিৰ্মাণ কৰিছিল সেইদৰে তেওঁ বিভূতিভূষণৰ গাঁৱলীয়া পৰিবেশত ঘটি থকা মানৱীয় কাহিনীৰ আধাৰত কোনো দিনাই কেমেৰাৰ সমুখীন নোহোৱা মানুহলৈ কথাছবি এখন তৈয়াৰ কৰিব। "Bicycle Thieves" কথাছবিখনে এই দিশত মানিক বাবুৰ মন সম্পূৰ্ণকৈ একমুখী কৰাত অপৰিসীম অনুপ্ৰেৰণা যোগালে।

১৯৫০ চনৰ ছেপ্টেম্বৰ মাহত সত্যজিৎ আৰু বিজয়াই লণ্ডনৰ পৰা পেৰীচ, ভিয়েনা, চালজ্‌বাৰ্গ আদি ঠাই ফুৰি জাহাজেৰে ঘৰমুৱা হ'ল। তাৰ আগতে দুখনমান চিঠি যোগে বংশী চন্দ্ৰ গুপ্তক অকণমান আভাষ দিছিল তেওঁৰ মনৰ কথাৰ। অনতি পলমে তেওঁ যে কথাছবি নিৰ্মাণ কৰিব– এই আভাষ নৰমান বা লিণ্ডচেক অলপো দিয়া নাছিল। যি নীৰৱে সাধনা কৰে তেওঁ নিজৰ পৰিকল্পনা অনাহকত আনক কৈ নুফুৰে। সেয়েহে পিছত লিণ্ডচেই লিখিছিল ঃ সত্যজিৎ অতিকৈ আত্ম-সচেতন ব্যক্তি। গতিকে তেওঁৰ বিষয়ে সহজে আনক জানিবলৈ নিদিয়ে। বোধকৰো ১৯৪৮ চনত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ "ঘৰে বাইৰে" উপন্যাসৰ কথাছবি ৰূপ দিবলৈ বহুতো প্ৰচেষ্টা চলাই বিফল হোৱাৰ অভিজ্ঞতাই সত্যজিতক নিজৰ পৰিকল্পনাৰ বিষয়ে অধিক সচেতন হ'বলৈ শিকালে। *ক্ৰমশ ঃ*



## মিত ভাষ

নগেন শইকীয়া

### "এক"

মই যেতিয়া সাগৰত নাও পাৰি দিছিলো, মই কেৱল খেমালিতে পাৰি দিছিলো। ভাবিছিলো–অকণমান দূৰ সমুদ্ৰ-যাত্ৰা কৰি ঘূৰি আহিম। সমুদ্ৰৰ পানীৰ গন্ধ সমুদ্ৰৰ বতাহৰ গন্ধগাত সানি লৈ ঘূৰি আহিম। মইতো জনা নাছিলো সমুদ্ৰৰ অন্তৰ্প্ৰৱাহী সোঁত ইমান প্ৰবল যে ই মোক দূৰলৈ, ক্ৰমাৎ দূৰলৈ,পাৰৰ পৰা বহু দূৰলৈ যাব আৰু মই সমুদ্ৰৰ মাজত গৈ বাত হেৰুৱাই পেলাম। মই কিজানি আৰু ঘূৰি যাব নোৱাৰিম। হয়তো হেৰাই যাবলৈকে মোৰ এই যাত্ৰা আৰম্ভ হ'ল।

### "দুই"

মই কেনেকৈ ক'ম–এই ৰহস্যময় সৰু কোঠাটোত মোৰ বাবে ঠাই আছেনে নাই। দুৱাৰৰ বাহিৰত অপেক্ষা কৰি ৰৈ আছো। মোক বাৰে বাৰে বাহিৰৰ পৰা কৈছে ভিতৰত মোৰ বাবে ঠাই আছে। কিন্তু মই দুৱাৰখনতো খুলিব পৰা নাই–মই নাজানো কেনেকৈ খুলিব লাগে। দুৱাৰখন বন্ধ হৈ থাকিলে মই কেনেকৈ সোমাম ? মই কি কেৱল অপেক্ষাৰ ফলক কপালত আঁৰি এনেকৈ বহি থাকিব লাগিব ?

### "তিনি"

দুখ কেনেকৈ পাহৰো তাতেই যে মোৰ সকলো স্বপ্ন সোমাই আছে। সেই স্বপ্নৰ মাজত আছিল ভৱিষ্যতৰ স্বপ্ন, তাৰ মাজত আছিলো মই, মোৰ সত্তা আৰু আছিল মোৰ সমস্ত জগত। সেইবাবেইতো বাৰে বাৰে সেই স্বপ্নৰ মাজলৈ ঘূৰি যাওঁ, বাৰে বাৰে মাতি আনি সিহঁতক মোৰ বুকুৰ ভিতৰত বহুৱাওঁ আৰু চকুপানীৰে ভৰি ধুৱাই দিওঁ।

### "চাৰি"

মই প্ৰতিটো খোজ আন্ধাৰত দি গৈ আছো। মই কব নোৱাৰো মোৰ পিছৰ খোজটো ক'ত পৰিব। মই নাজানো পিছৰ মুহূৰ্তটোৱে মোলৈ কি লৈ আহে– দুখৰ কাঁইট নে সুখৰ চকুপানী। মই নাজানো পিছৰ মুহূৰ্তটোত মই থাকিমনে নাথাকো। মই একো নাজানো। যিটো চাকি মোৰ হাতত আছিল সি কেৱল এৰি থৈ অহা বাটছোৱাহে কানি-মুনিকৈ পোহৰাব পাৰে ; সি আগৰ বাটছোৱাৰ আন্ধাৰ ভাঙিব নোৱাৰে। মই সেই বাবে জন্মান্ধৰ দৰে আগবাঢ়ি গৈ আছো–গৈ আছো ॥

### "পাঁচ"

মোৰ কেতিয়াবা ইচ্ছা হয়–প্ৰবল ইচ্ছা হয়–মই হেৰাই যাওঁ আৰু শব্দৰ ধ্বনিৰ মাজত, বতাহত অশৰীৰী হৈ বিয়পি পৰো। মোৰ আৰু গছৰ দৰে বাঢ়িবলৈ ইচ্ছা নাই, ফলৰ দৰে পকি আকৌ গছ হ'বলৈ ইচ্ছা নাই ……… মোৰ তেজ, মঙহ, হাড় ছালৰ অস্তিত্বৰে মই এটা চিৰন্তন আকাংক্ষা হৈ জীয়াই থাকিব নোখোজো। মই এটা শূন্যৰ মাজত বিয়পি অশৰীৰী হৈ পৰিব খোজো আৰু মোৰ দুখ মোৰ সুখ পাহৰি যাব খোজো।

### "ছয়"

মই যেন বাৰে বাৰে মোৰ মুখাগ্নি কৰিছো আৰু বাৰে বাৰে মোৰ চিতাৰ বুকুৰ পৰা মই উঠি আহিছো। মই মোৰ সমস্ত অতীত আৰু ভৱিষ্যতৰ স্বপ্নবোৰৰ ছাই গাত সানি লৈছো আৰু বিচাৰি ফুৰিছো নদীৰ স্পৰ্শ, সাগৰৰ স্পৰ্শ। এতিয়া মোৰ মাজত বিয়পি আছে কেৱল এটা বাঁহীৰ কৰুণ সুৰ।

### "সাত"

কালি সন্ধিয়া ফুলি উঠিছিল সুগন্ধি ফুল। আন্ধাৰত বিয়পি আছিল সেই সুগন্ধ। সি কেনেকুৱা আছিল মই দেখা নাছিলো। কিন্তু তাৰ অস্তিত্ব এনে ভাবে বিয়পি পৰিছিল যে নেদেখাকৈয়ে মোৰ বিশ্বাস হৈছিল যে ফুলপাহ সূৰ্যৰ দৰে উজ্জ্বল আৰু জোনৰ দৰে কোমল আছিল। মই আজিও বাট চাই ৰৈ আছো সন্ধ্যা হবলৈ আৰু বাট চাই ৰৈ আছো সেই সুগন্ধ পাবলৈ।

### "আঠ"

কেতিয়াবা শুকান বতাহ বয়– সূৰ্যৰ তাপেৰে তপত বতাহ কৰবাৰ পৰা বৈ আহে আৰু ফুলকলিবোৰ দগ্ধ কৰে। দগ্ধ হয় সিহঁতৰ ফুলাৰ স্বপ্ন। কুঁহিপাত বোৰো জঁয় পৰি লেৰেলি যায়। চাওঁতে চাওঁতে মোৰ উদ্যানখন ভস্ম হৈ যায়। মই সেই ভস্মৰ মাজতে বহি থাকো– নিৰ্বিকাৰ আৰু নিৰুদ্বেগচিত্তে। মই নাজানো মই এনেকৈ কিমান দিন বহি থাকিব লাগিব ॥



# শিক্ষা সংসদ- ছাত্ৰসংস্থা ঃ বিশ্ববিদ্যালয়- দুৰাচাৰ

হৰিচৰণ দাস

দুমাহমান আগতে সদৌ অসম ছাত্ৰ-সংস্থাই, অসমৰ শিক্ষাব্যৱস্থাৰ কেৰোণ সমূহ আঁতৰ কৰাৰ উদ্দেশ্যে শিক্ষা সংসদৰ আয়োজন কৰিছিল। ইয়াৰ এখন অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটৰ প্ৰেক্ষাগৃহত আৰু এখন খানাপাৰাত অনুষ্ঠিত হৈছিল।

নাকত খৰ থাকিলেও বেজে নিজৰ বৃত্তিটো এৰিব নোৱাৰে। ছাত্ৰ-সংস্থাৰ দৌৰাত্ম্য আৰু দুৰাচাৰৰ বাবেই যে অসমৰ বিদ্যামন্দিৰ সমূহত সুস্থ শৈক্ষিক পৰিবেশে বজৰুৱা ৰূপ লৈ অৱশেষত গুণ্ডা, দালালৰ অবাধ বিচৰণ ক্ষেত্ৰ হৈ পৰিছিল তাত সন্দেহ নাই। ইয়াৰ বাবে ছাত্ৰ সংস্থাই কম খিনি ভুঞ্জিব নলগাকৈও থকা নাই। বহুতো বুদ্ধিজীৱীৰ অকথ্য গালি গালাজো এদিন ছাত্ৰ-সংস্থাই নিৰ্বিবাদে মানি লব লগা হ'ল! অথচ এটা সময় আছিল-যেতিয়া ছাত্ৰ সংস্থাৰ ওপৰত টু শব্দ কৰোতা জনৰো অৱস্থা পুতৌলগা হৈ পৰিছিল-সংস্থাৰ অখণ্ড প্ৰতাপত!

ছাত্ৰ সংস্থাই অসমৰ শিক্ষা ব্যৱস্থাৰ কেৰোণ আঁতৰাব পাৰিব বুলি আমাৰ বিশ্বাস নাছিল। তথাপিও কিছুক্ষেত্ৰত আশাবাদী হৈছিলো এই কাৰণেই যে-ছাত্ৰ সংস্থাক কুকুৰে কাঁইট নোখোৱাকৈ কটু ভাষাৰে সমালোচনা কৰা, একালত বিশ্ববিদ্যালয়ৰ বাছখনতো উঠাৰ অধিকাৰ হেৰুওৱা বুদ্ধিজীৱী ড° হীৰেণ গোহাঁইকো, শিক্ষা সংসদলৈ ছাত্ৰ সংস্থাই আমন্ত্ৰণ কৰিছিল। একো নহ'লেও অন্ততঃ ছাত্ৰ সংস্থাই নিজৰ পাপমোচনৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰা যেন লাগিছিল। সেয়েহে শিক্ষা সংসদৰ দ্বিতীয় অধিবেশন খনত উপস্থিত আছিলো। এইখন অনুষ্ঠিত হৈছিল অসম কৃষি বিশ্ববিদ্যালয়ৰ খানাপাৰা চৌহদত। অধিবেশনখনত সেইদিনা মই পঢ়ি থকা শিক্ষানুষ্ঠানখনৰ প্ৰতিনিধিত্বও কৰিছিলো।

অধিবেশনখন আৰম্ভ হোৱা কথা আছিল ৯ বজাত। আৰম্ভ হ'ল এঘাৰ বজাৰ পৰা। ইয়াৰেই সূত্ৰ ধৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীয়ে ক'লে-"অধিবেশনখন আৰম্ভ হ'ব লগা আছিল ৯ বজাৰ পৰা। কিন্তু আৰম্ভ হ'ল এঘাৰ বজাৰ পৰা। আমি আহি দুঘণ্টা এনেয়ে বহি থাকিব লগা হ'ল। যদি ইয়াক ৯ বজাৰ পৰা আৰম্ভ কৰিব পৰাটো সম্ভৱপৰ নাছিল, তেনেহলে আগতে তেনেদৰে ঘোষণা কৰিব নালাগিছিল। এই কথাটো আগতে উপলব্ধি কৰাটো উচিত আছিল যে দূৰণিবটীয়া ছাত্ৰখিনি আহি পাওঁতে পলম হ'ব।

ছাত্ৰ সংস্থাই যিটো সম্ভৱ সেইটো কৰা উচিত। অসম্ভৱৰ পাছে পাছে দৌৰি ফুৰা উচিত নহয়। ছাত্ৰ সংস্থাই আনে কি কৰিব লাগে তাৰ আদেশ নিৰ্দেশ নিদি নিজে কি কৰিব পাৰে তাৰ ব্যৱস্থা কৰক।"

ছাত্ৰ সংস্থাৰ শিক্ষা সংসদত সেইদিনা উপস্থিত থকা আন আন উল্লেখযোগ্য বক্তাসকল আছিল কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° কমলেন্দু দেৱক্ৰোৰী, পাণ্ডু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰবীণ শৰ্মা আৰু বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ অধ্যক্ষ সত্যেন্দ্ৰ নাথ দাস। এই সকল বক্তাৰ ভিতৰত উদ্বোধক ড° ক্ৰোৰীদেৱৰ ভাষণ আছিল উৎসাহ মুখী। তেওঁৰ মতে বিদ্যালয়ত শিক্ষকে পঢ়ুৱায় আৰু ছাত্ৰই পঢ়িব লাগে। এয়াই মূল কথা।

অধিবেশনখনত শিক্ষা ব্যৱস্থা আৰু অৱস্থাটোৰ আচল ছবিখন কিছু ফুটি ওলাইছিল ড° প্ৰবীণ শৰ্মা আৰু সত্যেন্দ্ৰ নাথ দাসৰ ভাষণতহে। এই দুয়োগৰাকী বক্তাই, মহাবিদ্যালয়বোৰত চলি থকা ভিতৰুৱা কথা কাণ্ডবোৰ উদঙাই দিছিল। বৰ্তমান সময়ত মহাবিদ্যালয় একোখনৰ অধ্যক্ষৰ অৱস্থাটো কেনে বিৰক্তিকৰ আৰু পুতৌলগা হৈ পৰিছে সেই সম্পৰ্কে অতি দুখেৰে ব্যক্ত কৰি ড° প্ৰবীণ শৰ্মাই কৈছিল-"মোৰ যদি পথ থাকিলহেঁতেন, অধ্যক্ষ পদৰ পৰা পদত্যাগেই কৰিলোহেঁতেন। মহাবিদ্যালয়ত দলা-দলিহে ছাত্ৰ বোৰ বিভক্ত। কিবা এটা কাম কৰিবলৈ ওলালে এদলে সমৰ্থন কৰে, এদলে কৰে বিৰোধিতা। পৰীক্ষা পতাৰ তাৰিখক লৈ তৰ্কাতৰ্কি। আনফালে কৰ্মচাৰী সংস্থাৰ হেঁচা। শিক্ষক সংস্থাৰ হেঁচা!"

সত্যেন্দ্ৰ নাথ দাসে ক'লে-"আমি পঢ়ি থাকোতে এই কথা ভাবিবই পৰা নাছিলো যে পৰীক্ষাৰ ৰুটিন সলনি কৰিব পাৰি! পৰীক্ষকে যি হিচাপে তাৰিখ দিয়ে সেয়াই বেদৰ বাণী। ------ এতিয়া আমি ছাত্ৰসকলৰ বহুতো কথা দেখিও নেদেখাৰ, শুনিও নুশুনাৰ ভাও জুৰো। কিন্তু আমি চব দেখো, চব শুনো।"

কিন্তু কথা হ'ল, কোনো এগৰাকী বক্তায়েই শিক্ষাৰ পয়াঁলগা ব্যৱস্থা আৰু অৱস্থা বোৰৰ বিষয়ে অৱগত কৰিলেও, ইয়াৰ কাৰণনো কি সেই কথা উহ্য ৰাখিলে! আমি আচৰিত হ'লো এই খিনিতেই! অসমৰ বৰ্তমান অৱক্ষয়িত শৈক্ষিক পৰিৱেশটোৰ বাবেযে দায়ী সদৌ অসম ছাত্ৰ সংস্থাৰ অন্ধতা, উগ্ৰতা সেই কথাবোৰ বক্তাসকলে মুখামুখিকৈ ক'ব নোৱাৰিলে বা নকলে। বেমাৰ চিনাই হ'ল-কিন্তু বেমাৰৰ কাৰণ চিনাক্ত নহ'ল।

ছাত্ৰ-সংস্থাৰ বিষয়ববীয়াসকলৰ ভাষণতো আমি কোনো আত্মসমালোচনামূলক দৃষ্টিভঙ্গী দেখিবলৈ নাপালো।

শেষলৈ প্ৰতিনিধি সকলৰ মন্তব্যৰ সময়ত মোৰো পাল পৰিল। প্ৰতিগৰাকী প্ৰতিনিধিক তিনিমিনিটকৈ ক'বলৈ সময় দিয়া হৈছিল। মই প্ৰথমতেই এটা প্ৰশ্ন তুলিলো যে - ছাত্ৰ-সংস্থাই যি সময়ত শিক্ষা সংসদ পাতিছে, সেই একে সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস সমূহৰ অধীক্ষক সকলে পদত্যাগ কৰিছে। (উল্লেখযোগ্য যে শিক্ষাসংসদ চলি থকাৰ দিনা এইটো আছিল বাতৰিকাকতৰ মুখ্য বাতৰি। কিন্তু উপাচাৰ্যৰ ভাষণ প্ৰসঙ্গতো এইটো বিষয়ে আলোচিত নহ'ল।) সদৌ অসম ছাত্ৰ-সংস্থাৰ বিষয়ববীয়া সকলৰ বেছিভাগেই যিহেতু বিশ্ববিদ্যালয়ৰ, গতিকে এই সম্পৰ্কে তেওঁলোকে কি ব্যৱস্থা লৈছে? ঘটনাস্থলীৰ উত্তেজনা কমাবলৈ আৰু সত্যটো আৱিষ্কাৰ কৰি তেওঁলোকে পৰিস্থিতিক স্বাভাৱিক কৰিবলৈ কিবা কৰিছিল নে নাই?

প্ৰশ্নটো শুনি সভাপতি ডাঙৰীয়া ৰুষ্ট যেন লাগিল। উল্লেখযোগ্য যে সভাপতি আছিল সদৌ অসম ছাত্ৰ-সংস্থাৰ সভাপতি সৰ্বদানন্দ সোণোৱাল! তেওঁ ক'লে-"পিছলৈ এটা প্ৰশ্নোত্তৰ শিতান আছে, প্ৰশ্নটো তেতিয়া তুলিব।"

কিন্তু সময়ৰ অজুহাতত প্ৰশ্নোত্তৰ শিতান শেষলৈ চমু কৰি দিয়া হ'ল। আমি প্ৰশ্ন সমূহৰ যথাযথ উত্তৰ নাপালো। প্ৰকৃতাৰ্থত ছাত্ৰ-সংস্থাৰ-এই প্ৰশ্নটোৰ উত্তৰ দিব পৰা সামৰ্থ্যই নাছিল। আন এক উল্লেখযোগ্য কথা যে ছাত্ৰ-সংস্থাৰ বহুকেইজন বিয়াগোম নেতা আচলতে ছাত্ৰই নহয়। নীতি বহিৰ্ভূত ভাবে ছাত্ৰ নেতা হৈ থকা এই সকল লোকে অসমৰ শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ কাৰণে শিক্ষা সংসদ পাতি কিবা কৰিব পাৰিবনে? কিন্তু তৎসত্বেও আমি বিষয়টোত মনোযোগ দিছিলো। কাৰণ পুৰোহিত বেয়া হলেও পূজা বেয়া নহয়। শিক্ষাসংসদলৈ যি সকল ব্যক্তিক মতা হৈছিল সেইসকলে অন্ততঃ এটা সুপথ আমাক দিব পাৰিব বুলি আমি আশা কৰিছিলো।

আৰু সেইমতে দিছিলও। বহুবোৰ সজ কথাই আলচ কৰা হৈছিল। সিদ্ধান্তও লোৱা হৈছিল।

কিন্তু সকলোবোৰ গালো বালো খোলাকটিৰ তাল! কাৰণ সিদ্ধান্ত সমূহ পালন কৰোতা ছাত্ৰ-সংস্থাই আকৌ দুৰাচাৰ আৰম্ভ কৰিলে বিশ্ববিদ্যালয়ত। সূত্ৰধাৰৰ চেপ্তেম্বৰ (১৫-৩০) সংখ্যাত মালবিকা পাঠকে লিখা প্ৰতিবেদন খনৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে ছাত্ৰ সংস্থা-নামৰ সংগঠনটোৱে শিক্ষাসংসদৰ মূল্য তিলমানো ৰখা নাই। যদি বিশ্ববিদ্যালয়খনেই ছাত্ৰ-সংস্থাই ঠিক কৰিব নোৱাৰে-য'ত ছাত্ৰ নেতাসকলে ৰজা মহাৰজাৰ দৰে বাস কৰে, তেনেক্ষেত্ৰত অন্যান্য মহাবিদ্যালয় বা বিদ্যালয় সমূহত সংস্থাই শিক্ষাৰ পৰিবেশ উন্নত কৰিব পাৰিব বুলি আশা কৰিব পাৰি নে?

আগৰ হালখন যিফালে যায়, পিছৰ কেইখনো সেইফালেই যায়। ছাত্ৰ-সংস্থাৰ নৈতিক চৰিত্ৰ শুদ্ধ নহ'লে-বিশ্ববিদ্যালয় মহাবিদ্যালয় সমূহত সূত্ৰধাৰ বা অন্যান্য বাতৰি কাকত আদিত প্ৰকাশ পোৱা ধৰণৰ বা তাতোকৈ লজ্জাজনক দুৰাচাৰবোৰ ঘটিয়েই থাকিব। কিন্তু ছাত্ৰ-সংস্থাৰ নৈতিকতা শুদ্ধ হয় কেনেদৰে, য'ত ইয়াৰ কাণ্ডাৰী সকলেই চৰিত্ৰভ্ৰষ্ট।

আমাৰ ভাব হৈছে-শিক্ষা সংসদ, ছাত্ৰ সংস্থাৰ অৱক্ষয়িত ভাবমূৰ্তি উজ্জ্বল কৰাৰ বাবে কৰা এক প্ৰচেষ্টাহে আছিল। মহৎ কিবা উদ্দেশ্য আছিল বুলি মনে নধৰে। তেওঁলোকৰ সঁচাকৈয়ে যদি সৎ উদ্দেশ্য থাকিলহেঁতেন-শিক্ষাসংসদ চলি থকাৰ পৰতো, বিশ্ববিদ্যালয়ত এনে দুৰাচাৰবোৰ নঘটিলহেঁতেন।

অৱশ্যে আমি এই কথা ক'বলৈ যোৱা নাই যে ছাত্ৰ-সংস্থাই প্ৰত্যক্ষ ভাবে বিশ্ববিদ্যালয়ৰ ঘটনাবোৰ ঘটাইছিল। কিন্তু ছাত্ৰ-সংগঠন হিচাপে, ঘটনাবোৰ ঘটি থকাৰ সময়ত যি সবল ভূমিকাৰে সমস্যাৰ সমাধান কৰিব লাগিছিল - তাক নকৰিলে। নকৰাৰ কাৰণ হ'ল-তেওঁলোকৰ সেই সৎ সাহস আৰু চৰিত্ৰ খিনি তেওঁলোকৰ গাত নায়েই।

এইখিনিতে ছাত্ৰ-সংস্থাৰ চৰিত্ৰৰ এটা উদাহৰণ দিব খুজিছো। নতুনকৈ স্থাপিত, অসম কৃষি-বিশ্ববিদ্যালয়ৰ অধীনৰ এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই, সেই বিদ্যালয়খনৰ অভাৱ অভিযোগ সমূহ জনাই তাৰ বাবে আৰ্থিক অনুদান আশা কৰি আৰু মহাবিদ্যালয় খনৰ পৰা ওলোৱা কাৰিকৰী স্নাতক সকলৰ মকৰলৰ বাবে চৰকাৰক দাবী জনাবলৈ মুখ্যমন্ত্ৰীক লগ ধৰিলে। অসম কৃষি বিশ্ববিদ্যালয় ছাত্ৰ-সংস্থাৰ এখন সভাত, ইয়াকে লৈ ছাত্ৰ-সংস্থাৰ কাৰ্যনিৰ্বাহক এগৰাকীয়ে মহাবিদ্যালয়খনৰ সাধাৰণ সম্পাদকক জেৰা কৰিলে-কিয় তেওঁ হিতেশ্বৰ শইকীয়াৰ ওচৰলৈ যাব! এতিয়া প্ৰশ্ন হ'ল-ছাত্ৰ সংস্থা কি এখন চৰকাৰ নেকি? তেওঁলোকে এখন কাৰিকৰী মহাবিদ্যালয়ৰ বাবে ধন আবণ্টন দিব পাৰিব? নে তেওঁলোকে তাৰ স্নাতক সকলক নিযুক্তি দিব পাৰিব? ছাত্ৰ-সংস্থা কি এটা ৰাজনৈতিক দল নেকি?

উল্লেখযোগ্য কথা হ'ল-পিছলৈ-এইজন কাৰ্যনিৰ্বাহকে পঢ়া মহাবিদ্যালয় খনলৈয়েই এদিন মুখ্যমন্ত্ৰী শইকীয়াক আমন্ত্ৰণ জনোৱা হ'ল। মহাবিদ্যালয় খনৰ বাবে মুখ্যমন্ত্ৰীয়ে ধনো মঞ্জুৰি কৰি গ'ল!

এয়াই হ'ল ছাত্ৰ-সংস্থাৰ নেতা সকলৰ স্বভাৱ চৰিত্ৰ। গণতন্ত্ৰকো এওঁলোকে হাতৰ মুঠিত চেপা মাৰি ৰাখিব খোজে।

কিন্তু এইবোৰৰ সংশোধনৰ উপায় কি?

আমাৰ দৃষ্টিত এতিয়াও ছাত্ৰ সমাজত শুভবুদ্ধি সম্পন্ন ছাত্ৰৰ অভাৱ হোৱা নাই। তেওঁলোকৰ সাহস আৰু সচেতনতাই এনেবোৰ দুষ্কৃতি বন্ধ কৰিব পাৰিব বুলি আমাৰ বিশ্বাস আছে। আশা কৰো এই সকল ছাত্ৰই অন্ততঃ অসমৰ শৈক্ষিক বাতাবৰণ উন্নত কৰিবৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ পদক্ষেপ ল'ব। ■

সেউজ শস্যভূমিৰ
মানুহৰ প্ৰাণে প্ৰাণে
স্পন্দিত
প্ৰেম আৰু শান্তিৰ
অপৰূপ ছন্দ॥
মাজে মাজে
ৰাতিৰ বিপন্নতাই ঢাকি ধৰে;
দুৰ্গম পথৰ অন্ধকাৰত হেৰায়
জীৱনৰ বৈভৱ
যৌৱনৰ স্বপ্ন।
সন্ত্ৰাসবাদৰ কুৎসিত দুহাতত
অপৰাধ আৰু গ্লানিৰে
সময় হয় উলংগ।
সমস্ত জীৱনৰ প্ৰজ্ঞাৰে
যৌৱনৰ প্ৰেমৰ অৰ্ঘ্যৰে
বাৰে বাৰে মানুহে ৰচিছে
মানৱতাৰ মহান ইতিহাস।
এই ইতিহাস—
যুগে যুগে সন্ত্ৰাসবাদৰ অৱসান ঘটাই
সাজিব পাৰিছে জনজীৱনৰ
শান্তিৰ পঁজা॥
জনসংযোগ

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# 'অসমীয়াৰ দুখ'

আজিৰ পৰা খৃষ্টপূৰ্বৰ দুই হেজাৰৰ পূৰ্বে ৰোমৰ ৰজাৰ এক মন্ত্ৰীৰ ঘৰত এপিক্‌টেটাছ নামৰ এজন ক্ৰীতদাস আছিল। এপিক্‌টেটাছে দাসত্বৰ কবলত পৰি জীৱনত সুখৰ অনুভূতি কেনেকুৱা হব পাৰে সেই বিষয়ে চিন্তা কৰিছিল। সদায় গৃহস্বামী সকলৰ দ্বাৰা লাঞ্ছিত, অপমানিত, প্ৰতাৰিত হৈছিল। সেইফালে মাৰ কিলৰতো কোনো হিচাপেই নাই। মাৰ-কিল ভাতৰ লগত পানী খোৱাৰ নিচিনা। মাজে মাজে গৃহস্বামীৰ অত্যাচাৰে সহ্যৰ সীমা অতিক্ৰম কৰি গৈছিল। তথাপিও এপিক্‌টেটাছে সকলো নিৰ্বিকাৰ ভাবে সহ্য কৰি কৰি নিজে নিজৰ ভিতৰতে এক ধীৰ-স্থিৰ ব্যক্তিত্ব গঠন কৰি তুলিছিল তাৰ লগে লগে মানুহৰ অন্তৰলৈ কিয় দুখ আহে সেই কথাটোৱো ভাবি ভাবি তাৰ যথাৰ্থ সত্যানুসন্ধান কৰি গৈছিল। এদিন গৃহস্বামীয়ে এপিকুটেটাছক সাৱধান বাণী শুনালে। যদি তেওঁ বিচৰামতে কাম কৰা নহয় তেনেহলে তেওঁ এপিকটেটাছৰ ভৰি ভাঙি পেলাব আৰু তেনৈকে এদিন এক সৰু দোষত গৃহস্বামীয়ে ভৰিখন ভাঙি পেলালে।

ক্ৰীতদাসসকলৰ ক্ষেত্ৰত সেইসময়ত এটা নিয়ম প্ৰযোজ্য আছিল। দাসত্ব সদায় এক নিৰ্দিষ্ট সময়ৰ বাবেহে; তাৰ পাছত ক্ৰীতদাসসকল গৃহস্বামী সকলৰ বান্ধোনৰ পৰা সম্পূৰ্ণ মুক্ত হৈ পৰে। আনকি কৰ্তৃত্বও নাথাকে।

সেই আইনমতে এপিকটেটাছেও এদিন দাসত্বৰ কবলৰ পৰা মুক্তি পালে।

প্ৰাচীন ৰোমত আলিৰ কেন্দ্ৰস্থল বা কেঁকুৰীৰ দাঁতি কাষৰীয়া যিবোৰ ঠাই আছিল, সেইবোৰত যদি ডাঙৰ গছ থাকে তেনেহলে তাৰ তলবোৰ পকী কৰি দিয়া হৈছিল। সেই গছৰ তলৰ পকাত বহি মানুহে ৰাজনীতি সমাজ-বিদ্যা, দৰ্শন আদিৰ আলাপ-আলোচনা কৰিছিল। মাজে মাজে হঠাৎ তাত একো একোজন পণ্ডিত বিজ্ঞলোকেও আহি বিভিন্ন বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিছিল। সেইবোৰে সেইসময়ত 'ষ্ট্ৰীট কৰ্ণাৰ লেকচাৰ' বুলি জনপ্ৰিয় হৈছিল।

ইতিমধ্যে, কেবাদশকো ধৰি ক্ৰীতদাস হৈ থকা এপিকটেটাছেও দুখ যন্ত্ৰণাৰ মাজত থাকি থাকি জীৱনক উপলব্ধি কৰিবলৈ শিকিছিল আৰু তাৰ লগে লগে তেওঁ চিন্তাশীল আৰু ভাবুক হৈও পৰিছিল। আচৰিত ভাবে এদিন এপিকটেটাছেও গছৰ তলৰ বক্তৃতামঞ্চত উপস্থিত হ'লহি। লাহে লাহে এপিকটেটাছে কোৱা কথাবোৰে কিছুমান মাতব্বৰ লোকক অসন্তুষ্ট কৰিছিল। ফলস্বৰূপে এই কথা ৰোমৰ ৰজাৰ কাণত পেলোৱা হ'ল। ৰজাৰ এপিকটেটাছৰ ওপৰত খং উঠিল আৰু নিৰ্বাসন দিলে।

নিৰ্বাসিত এপিক্‌টেটাছে খাদ্য আৰু জীৱনৰ সুৰক্ষা বিচাৰি বিচাৰি এইবাৰ উপস্থিত হ'ল (এপিক্‌টেটাছ দৰাচলতে ক'ৰ বাসিন্দা সেই কথা জনা নাযায়) গ্ৰীচ দেশত। গ্ৰীচত থাকি তেওঁ এইবাৰ আৰম্ভ কৰিলে এক নতুন চিন্তা। (১) ব্যৱহাৰিক জীৱনক কেনেকৈ সুখী কৰি তুলিব পাৰি। (২) সৎ আৰু নিষ্ঠাবান মানুহ কেনেকৈ হব পাৰি (৩) সুখক কেনেকৈ অনুভৱ কৰিব পাৰি ইত্যাদি বিষয়ত তেওঁ বক্তৃতা দিবলৈ ধৰিলে।

মানুহৰ দুখ সম্পৰ্কে তেওঁৰ বক্তব্য আছিল এনেধৰণৰ–'কোনো ব্যক্তিৰ যদি কিবা কাৰণত মনলৈ দুখ আহিছে তেনেহলে সেই সমস্যাৰ সমাধান তেওঁ নিজে কৰিব লাগিব।'

হয়তো এপিকটেটাছৰ অৱস্থাই বৰ্তমান অসমীয়া মানুহৰ অৱস্থা। অসমীয়াৰ প্ৰগতিৰ ভৰি খনো এপিক্‌টেটাছৰ দৰেই শাসক প্ৰভুসকলে তেওঁলোকৰ শাসণৰ সুবিধাৰ বাবে ভাঙি পেলালে। বছৰৰ পাছত বছৰ ধৰি অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক শোষণৰ গৰাহত পৰি পৰি আজিৰ এই মুহূৰ্তত অসমীয়াসকলে হয়তো মানসিকভাৱে দুৰ্বল হৈ পৰিছে। অৰ্থাৎ, ভাৰতবৰ্ষত প্ৰতিজন অসমীয়াৰ স্থান এপিকটেটাছৰ দৰেই হৈছে। ক্ৰীতদাসসকল মানসিকভাবে সদায় দুৰ্বল হোৱাৰ দৰে অসমীয়া সকলো এক দুৰ্বল ব্যক্তিত্বৰ ব্যক্তি হৈ পৰিছে আৰু ফলত তেওঁলোকৰ মনবোৰ আজি দুখেৰে ভৰি পৰিছে। মানুহ মৰিলে মানুহে বিলাপ কৰি কৰি কন্দাৰ দৰে অসমীয়া সকলৰ সেই দুখৰ পৰিত্ৰাণৰ বাবে এতিয়া আৰম্ভ কৰিছে বিলাপ। কিন্তু এপিক্‌টেটাছে অত্যাচাৰ, উৎপীড়ন আৰু শোষণৰ সমুখীন হৈছিল যদিও বিলাপ কৰা নাছিল। কিন্তু আমি বিলাপ কৰি কৰি বাতৰি কাকতৰ পৃষ্ঠা ভৰাই পেলাইছো এইবুলি–"হায় হায় আমাৰ সকলো গ'ল। দেশ গ'ল, জাতি গ'ল, ভাষা গ'ল, কৃষ্টি গ'ল–"। এপিকটেটাছ আৰু অসমীয়াসকলৰ পাৰ্থক্য এইখিনিতে। যিবোৰ কথা কৈ প্ৰবন্ধ লিখিলো তাৰবাবে আচলতে দায়ী কোন? আমি জানো নিজেই তাৰ কাৰণে দায়বদ্ধ নহয়? আপুনি যেতিয়া আপোনাক আন কোনোবাই অপকাৰ কৰিছে বুলি ভাবে, তেতিয়া নিজকে নিজে প্ৰশ্ন কৰক আপুনি নিজে নিজৰ উপকাৰত আহিছেনে নাই; নিশ্চয় অহা নাই; যদি নিজে নিজৰ উপকাৰত অহা নাই তেনেহলে সেই দুৰ্বলতাৰ সুযোগ লৈ আনে আমাৰ অপকাৰ কৰিবলৈ চাবই। অৱশ্যে সেইটো অসততা। যদি নিজে স্বাবলম্বী নহৈ আনৰ ওপৰত ভেঁজা দি ৰবলগীয়া হয়, আনে নিশ্চয় নিজৰ সুবিধা অনুসাৰে সহজলভ্য বস্তু ভোগ কৰিবলৈ চাবই। আমাৰ ইয়াতো সেইটোৱেই হ'ল। ইয়াত কোনো দিনেই ভাল শাসক ওলোৱা নাছিল (আনকি, গোপীনাথ বৰদলৈকো মই বিচক্ষণ বুলি নকওঁ; তেওঁ আছিল মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিনিধি; আৰু সেই হিচাপেই মধবিত্ত শ্ৰেণীৰ সুখৰ বাবে যিখিনি কৰিব লাগে তাকে কৰি থৈ গৈছে। সৰ্বসাধাৰণ শ্ৰেণীটোক সদায় আওকাণ কৰিছিল বাবে অসমীয়া সৰ্বসাধাৰণৰ জীৱন দিনক দিনে নিম্নমুখী হৈ গৈ আছে আৰু সুবিধাবাদী মধ্যবিত্তসকলে যি বিচাৰিছে এতিয়াও কাষতে তাকেই পাই গৈছে)। সেয়ে প্ৰতিজন অসমীয়াই আজিও যেন এপিক্‌টেটাছৰ আগৰ অৱস্থাটোতেই আছো। ভালদৰে থাকিবলৈ নাপাওঁ, ভালদৰে খাবলৈ নাপাওঁ। ঘৰত উৎপন্ন হোৱা পেট্ৰল, চাহ, কয়লা খিনি গৃহস্বামীয়ে নিজৰ ভোগৰ বাবে উলিয়াই লৈ গৈছে। নহলেনো অসমত উৎপাদিত কেৰাচিনখিনি শিলিগুৰিলৈ উলিয়াই নিয়েনে? শিলিগুৰিত এক লিটাৰ কেৰাচিনৰ যি দাম তাতকৈ অসমত বেছি। ভাত ৰান্ধিলো ইয়াত, ভাগ বটোৱাৰাৰ বাবে লৈ যাওঁ শিলিগুৰিত। আমি খাওঁ কলপাতত, লোকে খায় সোণৰ থালত।–কথাটো অলপ হাস্যকৰ নহয়নে? অসম যেন কাৰোবাৰ কাৰণে দেহোপজীৱিনীহে; খুচিমতে ভোগ কৰে, কৰিছিল আৰু হয়তো কৰি যাব।

কিন্তু এই বিলাপবোৰৰ পৰা জানো আমাৰ কিবা লাভ হৈছে; হৈছিলনে বা হবনে? বিলাপে কোনোবা জাতিৰ জীৱনৰ কিবা পৰিবৰ্তন আনিব পাৰেনে? বৰঞ্চ বিলাপ কৰি কৰি আমি নিজকে আনৰ ওচৰত দুৰ্বল কৰি তুলিছো। আমাৰ এই দুৰ্বলতাৰ সুযোগ লৈ গৃহস্বামীসকলে আমাক আৰু বেছি দুৰ্বল কৰি তোলাৰ বাবে মানসিক সংগ্ৰাম চলাই গৈছে।

এপিক্‌টেটাছে জীৱনৰ দুখ যন্ত্ৰণা সহ্য কৰিছিল যদিও দুখ মোচনৰ বাবেও চিন্তা কৰিছিল। তদুপৰি চিন্তা কৰিছিল কেনেকৈ সততাত থাকি মানুহ সুখী হব পাৰে? বা ব্যৱহাৰিক জীৱনক কেনেকৈ সুখী কৰি তুলিব পাৰি। ধৰি ললো আমাৰ জীৱনলৈ দুখ নামি আহিছে, কিন্তু সুখী হোৱাৰ বা সুখৰ উপলব্ধিৰ বাবে যি এক সত্যানুসন্ধানৰ প্ৰয়োজন সেই সত্যানুসন্ধানলৈ আমি কোনোবাই জানো যাবলৈ ইচ্ছা কৰিছো? দেশ, জাতি, ভাষা আৰু কৃষ্টিক উজ্জ্বলতৰ কৰি তুলিবৰ বাবে যি এক কষ্টসহিষ্ণুতা, ত্যাগ আৰু নিঃস্বাৰ্থৰ প্ৰয়োজন সেয়া জানো আমাৰ আছে? নাই, নাছিল আৰু সেইবাবেই আজিৰ এই থমথমীয়া গোমা পৰিবেশ এটাৰ উৎপত্তি হৈছে আৰু এই দুখ আমাৰ প্ৰাপ্য। তাৰ কাৰণে যদি কাৰোবাক দায়বদ্ধ কৰিবলগীয়া হয় তেনেহলে, আমি নিজে নিজকে প্ৰথমে দায়বদ্ধ কৰা উচিত।

তাৰ পৰাই আহিব অনুতাপ। অনুতাপে আনি দিব নীৰৱতা, মৌনতা আৰু শেষত হয়তো মৌনতাই কৰিব বিপ্লৱৰ সৃষ্টি। নতুন সৃষ্টি, নতুন দেশ, নতুন জাতি, নতুন ভাষা, নতুন কৃষ্টি আৰু নতুন সভ্যতা। ■



